**GJMC 05 04 (M)**
**EXAM CODE: JMM 5D**

# নব্য প্রচাৰ মাধ্যম আৰু কম্পিউটাৰ প্রয়োগ

## পঞ্চম যাণ্মাসিক

# সাংবাদিকতা আৰু গণসংযোগ

**খণ্ড ঃ ১**




## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## বিষয় বিশেষজ্ঞ মণ্ডলী

**অধ্যাপক কে.ভি. নাগৰাজ**, প্ৰাক্তন অধ্যাপক, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়

**অধ্যাপক অভিজিৎ বৰা**, মুৰব্বী, গণসংযোগ আৰু সাংবাদিকতা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়

**অধ্যাপক খ. কাবি**, মুৰব্বী, গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশ

**ড° অংকুৰণ দত্ত**, সহযোগী অধ্যাপক আৰু মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

## সমন্বয়ৰক্ষী

**ড° তৃষা দুৱৰা বৰুৱা**,সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
**ড° জুৰি হাজৰিকা**,সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## প্ৰস্তুতি গোটৰ সদস্য

| অধ্যায় | প্ৰস্তুতি গোটৰ সদস্য | ভাষান্তৰকাৰী |
|---|---|---|
| ১,৪,৬ | **শ্ৰী মতী বিদিশা সিংহা**<br>স্বতন্ত্ৰ সংবাদসেৱী | **গীতাঞ্জলি মেধি**,<br>কৃকাসৰামুবি<br>(অধ্যায় ১,৩,৪,৫,৬,৭,৮) |
| ২,৭ | **শ্ৰী গাইজাংলাং পামেই**,<br>এচিয়ান ইনষ্টিটিউট অৱ<br>মেনেজমেণ্ট এণ্ড টেকন'ল'জী | **শ্ৰীসীমান্ত বৰ্মণ**<br>তেজপুৰ বিশ্ববিদ্যালয়<br>(অধ্যায় ২) |
| ৫.৮ | **শ্ৰীমতী বিদিশা সিংহা** আৰু<br>**ড° তৃষা দুৱৰা বৰুৱা** | |
| ৩ | **শ্ৰীপ্ৰতাপ বৰদলৈ**, জ্যেষ্ঠ সাংবাদিক | |

**সম্পাদনা ঃ**

**বিষয়বস্তু ঃ** **অধ্যাপক অভিজিৎ বৰা**, তেজপুৰ বিশ্ববিদ্যালয়
আৰু **ড° জুৰি হাজৰিকা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**ভাষা (ইংৰাজী সংস্কাৰণ) ঃ** **ড° জুৰি হাজৰিকা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**(অসমীয়া সংস্কৰণ) ঃ** **ড° নিভাৰাণী ফুকন**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**গাঁথনিক সম্পাদনা ঃ** **ড° জুৰি হাজৰিকা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই ২০১৯

© Krishna Kanta Handiqui State Open University.
This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International) : http.//creativecommons.org/licenses/by-nc-sa/4.0.
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

Printed and published by Registrar on behalf of the Krishna Kanta Handiqui State Open University.

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬

**Web : www.kkhsou.org**

# নব্য প্রচাৰ  মাধ্যম আৰু কম্পিউটাৰ প্রয়োগ
# সংবাদিকতা আৰু গণসংযোগ
# বিষয়সূচী (খণ্ড-১)


পৃষ্ঠা নং

**অধ্যায় ১ ঃ নব্য মাধ্যমৰ পৰিচয়** ৭-২০

নব্য মাধ্যমৰ ধাৰণা, সংজ্ঞা, পৰম্পৰাগত মাধ্যম আৰু নব্য মাধ্যমৰ প্রভেদ, নব্য মাধ্যমৰ সাধাৰণ বাহক

**অধ্যায় ২ ঃ নব্য মাধ্যমৰ বৈশিষ্ট্য আৰু প্রকাৰ** ২১-৩২

বৈশিষ্ট্য, নব্য মাধ্যমৰ কার্যাৱলী, নব্য মাধ্যমৰ সাধাৰণ বাহক আৰু উদাহৰণ

**অধ্যায় ৩ ঃ নব্য মাধ্যমৰ প্রভাৱ** ৩৩-৬২

সমাজ আৰু গণ সংস্কৃতিত নব্য মাধ্যমৰ প্রভাৱ, চোছিয়েল মিডিয়া, নাগৰিক সাংবাদিকতা, ব্লগ, ৰাজনীতি আৰু উন্নয়নমূলক সমস্যাত
নব্য মাধ্যমৰ প্রভাৱ, নব্য মাধ্যম আৰু সাংবাদিকতা, নব্য মাধ্যম আৰু বিজ্ঞাপন উদ্যোগ, সংবাদ মাধ্যমৰ সমথর্মিতা, সংবাদ মাধ্যম সমধর্মিতাৰ সুবিধা, সংবাদ মাধ্যমৰ সমধর্মিতা সম্পকে সৃষ্টি হোৱা উদ্বেগ

**অধ্যায় ৪ ঃ কম্পিউটাৰ বিপ্লৱ আৰু ইণ্টাৰনেট** ৬৩-৮১

কম্পিউটাৰৰ ক্রমবিকাশ, ইণ্টাৰনেট কি ? ইণ্টাৰনেটৰ ইতিহাস, ভাৰতলৈ ইণ্টাৰনেট কেনেকৈ আহিল, ইণ্টাৰনেটৰ বৈশিষ্ট্য, ইণ্টাৰনেটৰ অৱদান, ইণ্টাৰনেট সেৱা, ই-মেইল ফাইল ট্রেন্সফাৰ প্র'ট'কল টেলনেট, গ'ফাৰ, ৱর্ল্ড ৱাইড ৱেব

**অধ্যায় ৫ ঃ ডিজিটেল মাধ্যম** ৮২-১০৩

ডিজিটেল মাধ্যম আৰু এনাল'গ মাধ্যম, কিয় ডিজিটেল ব্যৱস্থা গ্রহণ কৰা উচিত, ডিজিটেল মাধ্যমৰ সুবিধা, ডিজিটেল ভিডিঅ' আৰু ডিজিটেল টেলিভিছন, ডিজিটেল ভিডিঅ'ঃ এক চমু ইতিহাস, ডিজিটেল টিভি, এনালগ টিভিতকৈ ডিজিটেল টিভিৰ সুবিধাসমূহ, ডিজিটেল ৰেডিঅ' আৰু ডিজিটেল ফটোগ্রাফী ঃ ডিজিটেল ৰেডিঅ', এটাবাকচৰ ভিতৰত ৰেডিঅ', ডিজিটেল ফটোগ্রাফী।

**অধ্যায় ৬ ঃ অনলাইন সাংবাদিকতা** ১০৪-১২৩

অনলাইন সাংবাদিকতা কি, অনলাইন সাংবাদিকতা আৰু পৰম্পৰাগত সাংবাদিকতাৰ মাজৰ পার্থক্য, অনলাইন সাংবাদিকতাৰ ইতিহাস, অনলাইন

সাংবাদিকতাৰ বৈশিষ্ট্য,

অনলাইন সাংবাদিকতাৰ সুবিধাসমূহ, অনলাইন সাংবাদিকতাৰ সীমাৱদ্ধতা, অনলাইন

নীতিগত দিশ, ‘ৰেব’ৰ বাবে লিখাৰ কৌশল

**অধ্যায় ৭ ঃ অনলাইন সাংবাদিকতাৰ নীতি আৰু অনুশীলন** **১২৪-১৩৯**

অনলাইন সাংবাদিকতাৰ নীতি আৰু অনুশীলন, সুবিধা, সীমাৱদ্ধতা, অনলাইন সাংবাদিকতাৰ নীতিগত দিশ, ‘ৰেব’ৰ বাবে লিখাৰ কৌশল

**অধ্যায় ৮ ঃ অনলাইন বাতৰিকাকত আৰু সংবাদ ৰেবচাইট** **১৪০-১৫৪**

অনলাইন বাতৰিকাকত, অনলাইন বাতৰিকাকতৰ প্ৰকাৰ, অনলাইন বাতৰিকাকতৰ বিকাশ, পৰম্পৰাগত বাতৰি কাকত অনলাইন বাতৰিকাকতৰ প্ৰভাৱ, সংবাদ ৰেবচাইট

## পাঠ্য বিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ সাংবাদিকতা আৰু গণসংযোগ শৈক্ষিক কার্যসূচীৰ পঞ্চম যাণ্মাসিকৰ চতুর্থ পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'নব্য মাধ্যম আৰু কম্পিউটাৰ প্রয়োগ'। এই অধ্যায়টিৰ জৰিয়তে শিক্ষার্থীসকলক কম্পিউটাৰৰ ক্রমবিকাশৰ  ইয়াৰ সমাজত প্রভাৱ বিষয়টোত বিশেষভাৱে জোৰ দি নব্য মাধ্যম, ডিজিটেল মাধ্যম আৰু অনলাইন সাংবাদিকতাৰ ধাৰণাবোৰৰ সৈতে পৰিচয় কৰাই দিয়া হৈছে। কম্পিউটাৰৰ, বিশেষভাৱে নব্য মাধ্যমৰ উত্থানৰ ফলত প্রচাৰ মাধ্যম আৰু সাংবাদিকতাৰ ক্ষেত্র দুখনত অভূতপূর্ব পৰিৱর্তন ঘটিছে। গণসংযোগৰ শিক্ষার্থীৰূপে এই বিষয়ক  জ্ঞান আপোনাৰ বাবে অতি গুৰুত্বপূর্ণ । আমি আশা কৰোঁ, এই পাঠ্যবিষয়টোৰ অধ্যায়ন সমাপ্ত কৰি উঠাৰ পাচত আপুনি নব্য মাধ্যম প্রযুক্তি আৰু কম্পিউটাৰ প্রয়োগৰ বিষয়ে বিস্তৃত আৰু বিতং জ্ঞান আহৰণ কৰিব।

## খণ্ড পৰিচয়

পাঠ্যবিষয়ৰ  এই প্রথম খণ্ডটোত মুঠ আঠটা অধ্যায় সন্নিৰিষ্ট কৰা হৈছে। প্রথম  অধ্যায়টিত আলোচনাৰ বাবে গ্রহণ কৰা মূল বিষয়বোৰ হ'ল নব্য মাধ্যমৰ ধাৰণা আৰু য়িাৰ সাধাৰণ বাহক, যেনে- ইণ্টাৰনেট, কম্পিউটাৰ গে'মছ, ডিভিডি, মোবাইল ফোন আৰু ডি জিটেল কেমেৰা। দ্বিতীয় অধ্যায়ত নব্য মাধ্যমৰ বৈশিষ্ট্য আৰু প্রকাৰ আলোচনা কৰা হৈছে।

সমাজ, গণ সংস্কৃতি, ৰাজনীতি আৰু অন্য উন্নয়নমূলক সমস্যাত নব্য মাধ্যমৰ প্রভাৱ হ'ল তৃতীয় অধ্যায়ত আলোচনাৰ বাবে গ্রহণ কৰা বিষয়। এই অধ্যায়টিতে সংবাদ মাধ্যমৰ সমধর্মিতাৰ ধাৰণাটোৰ সৈতেও আপোনাক পৰিচয় কৰাই দিয়া হ'ব। এই সমধর্মিতাৰ প্রক্রিয়াটোৰে এক বিশ্বজনীন মঞ্চত প্রচাৰ মাধ্যমৰ বিভিন্ন ৰূপত পৰস্পৰৰ মাজত লীন কৰে। চতুর্থ অধ্যায়টি পঢ়ি আপুনি ইণ্টাৰনেটে কেনেদৰে সমগ্র সংযোগ নেটৱর্ক টোলৈ বৈপ্লৱিক পৰিৱর্তন আনিছিল সেয়া গম পোৱৰলগতে ই-মেইল, টেল-নেট,গোফাৰ আদিৰ দৰে বিভিন্ন ইণ্টাৰনেট সেৱা কেনেদৰে বহুলভাৱে ব্যৱহৃত হ'বলৈ ধৰিছে সেৱা বুজি পাব। পঞ্চম অধ্যায়ত ডিজিটেল মাধ্যমৰ বিভিন্ন ৰূপ আৰু ইয়াৰ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। বর্তমান পৃথিৱীৰ বাবে 'ৱেব' () হ'ল সবাতোকৈ সদূৰ প্রসাৰী আৰু বিস্তৃত সংযোগ মাধ্যম। অনলাইন সাংবাদিকতাই সংবাদক 'তাৎক্ষণিক' আৰু সহজে পাব পৰা ৰূপ দিয়াত এক গুৰুত্বপূর্ণ ভূমিকা লৈছে। এই কথাটো খণ্ডটোৰ ষষ্ঠ আৰু সপ্তম অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ত আলোচনাৰ বাবে লোৱা মূল বিষয়কেইটা হ'ল অনলাইন সংবাদপত্রৰ বিকাশ আৰু ইয়াৰ পৰম্পৰাগত বাতৰিকাকতৰ ওপৰত পৰা প্রভাৱ তথা সংবাদভিত্তিক ৱেবচাইটবোৰৰ উত্থান।

এই পাঠ্যবিষয়টো পঢ়ি যাওঁতে কিছুমান পৃষ্ঠাত আপুনি কেইটামান পার্শ্ববাকচ দেখিব। বাকচবোৰ পাঠৰ সোঁফালে নাইবা বাওঁফালে দিয়া আছে। বাকচবোৰত পাঠত উল্লেখ থকা কিছুমান বিশেষ শব্দ আৰু ধাৰণাৰ ব্যাখ্যা দিয়া আছে। ইয়াৰ উপৰি প্রতিটো অধ্যায়তে 'অনুশীলন' আৰু 'অগ্রগতি নিৰীক্ষণ' শিতান দুটাৰ অধীনত কিছুমান দীঘল আৰু চমু প্রশ্ন দিয়া হৈছে। অনুশীলনে আপোনাৰ চিন্তাশক্তি বৃদ্ধি কৰিব। কাৰণ এই শিতানত থকা প্রশ্নবোৰ পোনপটীয়াকৈ পাঠৰ পৰা তুলি দিয়া হোৱা নাই। চমু প্রশ্নবোৰৰ উত্তৰ 'অগ্রগতিৰ খতিয়ান' শিতানত পাব। অধ্যায়ৰ সামৰণিত 'আৰ্হি প্রশ্ন' শিতানত পাঠৰ সৈতে সম্পর্ক থকা প্রশ্ন কেইটামান দিয়া হৈছে। প্রশ্নকেইটাই আপোনাক পৰীক্ষাত আহিব পৰা সম্ভাব্য বিষয়বোৰৰ অধ্যয়নত মনোযোগ দিয়াত সহায় কৰিব যাতে আপুনি আত্মবিশ্বাস  সহকাৰে পৰীক্ষাৰ বাবে প্রস্তুত হ'ব পাৰে।

# অধ্যায় ১ ঃ নব্য প্রচাৰ মাধ্যমৰ পৰিচয়

## অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ নব্য প্রচাৰ মাধ্যমৰ ধাৰণা

১.৩.১ সংজ্ঞা

১.৩.২ পৰম্পৰাগত প্রচাৰ মাধ্যম আৰু নব্য প্রচাৰ মাধ্যমৰ মাজৰ প্রভেদসমূহ

১.৪ নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্য

১.৫ নব্য প্রচাৰ মাধ্যমৰ সাধাৰণ বাহক

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নব্য প্রচাৰ মাধ্যমৰ সংজ্ঞা দিব পাৰিব
- নব্য প্রচাৰ মাধ্যম আৰু পৰম্পৰাগত প্রচাৰ মাধ্যমৰ মাজত থকা প্রভেদবোৰ ক'ব পাৰিব
- নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্যসমূহ বাচি উলিয়াব পাৰিব
- নব্য প্রচাৰ মাধ্যমৰ প্রাৰম্ভিক বাহকবোৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

## ১.২ পৰিচয়

আমাৰ দৈনন্দিন জীৱন-চর্যাত নব্য প্রচাৰ মাধ্যম আৰু ইয়াৰ সদা-ব্যাপ্ত প্রযুক্তিসমূহে প্রধান ভূমিকা গ্রহণ কৰিব ধৰিছে। আপুনি হয়তো বিষয়টোৰ সম্পর্কে অস্পষ্টভাৱে জনাৰ সুযোগ পাইছে। কিন্তু গণসংযোগ আৰু সাংবাদিকতাৰ শিকাৰু হিচাপে আপুনি 'নব্য প্রচাৰ মাধ্যম' সম্পর্কে বিতংকৈ জানিব লাগিব। নব্য প্রচাৰ মাধ্যমক মূল বিষয়বস্তু হিচাপে লৈ যুগুত কৰা এই পাঠ্যসূচীয়ে সেই উদ্দেশ্যটোক বাস্তৱ ৰূপ দিয়াত সহায় কৰিব।

প্রথম অধ্যায়টোত আপুনি নব্য প্রচাৰ মাধ্যম সম্পর্কীয় মৌলিক কথাবোৰ জনাৰ সুযোগ পাব। এই অধ্যায়টোত আপোনাক নব্য প্রচাৰ মাধ্যমৰ ধাৰণা, বৈশিষ্ট্য আৰু সাধাৰণ বাহকবোৰৰ

সৈতে পৰিচয় কৰাই দিয়া হ'ব।

এই অধ্যায়টোৱে নব্য প্রচাৰ মাধ্যম সম্পর্কে থকা আপোনাৰ প্রাথমিক জ্ঞানক দিক্‌দর্শন কৰিব। মাধ্যমটোৰ বিভিন্ন উপাদানৰ বিষয়েও আপুনি অৱগত হ'ব। অধ্যায়টোৰ প্রথম শাখাটো নব্য প্রচাৰ মাধ্যমৰ ধাৰণাৰ আলোচনাৰে আৰম্ভ কৰো আহকচোন।

## ১.৩ নব্য প্রচাৰ মাধ্যমৰ ধাৰণা (CONCEPT OF NEW MEDIA)

ছপা মাধ্যম, টেলিভিছন, ৰেডিঅ', চিনেমা আৰু টেলিফোন হ'ল প্রচাৰ মাধ্যমৰ পৰম্পৰাগত ৰূপ। এই ৰূপকেইটাৰ সৈতে আমি সকলোৱে পৰিচিত আৰু ব্যৱহাৰত অভ্যস্ত। কিন্তু যোগাযোগৰ এই মাধ্যমকেইটাৰ উপৰি বিগত সময়চোৱাত আন এটা যোগাযোগ মাধ্যমে গা কৰি উঠিছে। যোগাযোগৰ এই নতুন ৰূপটোকে 'নব্য প্রচাৰ মাধ্যম' (New Media) বুলি অভিহিত কৰা হয়।

যিমান সম্ভৱ সিমান সোনকালে তথ্য প্রেৰণ কৰিবলৈ আপোনাৰ মন নাযায়নে? যি তথ্য প্রেৰণ কৰে সেয়া গ্রহণকাৰীয়ে হুবহু ৰূপত পোৱাতো আপুনি নিবিচাৰে জানো? নব্য প্রচাৰ মাধ্যমে এইবোৰ দিশত আপোনাক সহায় কৰিব পাৰে। নব্য প্রচাৰ মাধ্যমৰ উত্থানৰ লগে লগে তথ্যৰ ভাগ-বটোৱাৰা আৰু প্রসাৰ সম্প্রতি এক সৰল অভিজ্ঞতাত পৰিণত হৈছে।

এই মাধ্যমটোৰ সহায়ত আজিকালি চিঠি-পত্র, ফটো, সংগীতৰ ফাইল তথা অন্য সকলো প্রকাৰৰ 'ডেটা' (Data) অতি সহজে পৃথিৱীৰ যিকোনো প্রান্তলৈ প্রেৰণ কৰিব পাৰি। কামটো সমাধা কৰোঁতেও অতি কম সময়ৰ প্রয়োজন হয়। ইয়াৰ উপৰি তথ্য হুবহু ৰূপত লাভ কৰিব পৰা যায়। নব্য প্রচাৰ মাধ্যমে যেন পৃথিৱীখন আৰু ওচৰ চপাই আনিছে। বর্তমান সময়ত কোনো কথা নাইবা বিষয়েই আৰু স্পর্শ সাধ্যতাৰ বাহিৰত নহয়। এইটো কেনেদৰে ঘটিবলৈ পালে আৰু নব্য প্রচাৰ মাধ্যম প্রকৃততে কি সেয়া তলৰ শাখাবোৰত আলোচনা কৰা হ'ব। ধাৰণাটো আৰু বিতংকৈ বুজিবলৈ তলৰ শাখাবোৰলৈ মন দিওঁ আহকচোন।

### ১.৩.১ নব্য প্রচাৰ মাধ্যমৰ সংজ্ঞা (Definition of New Media)

ওপৰত উল্লেখ কৰি অহা উক্ত কথাখিনি পঢ়ি আপুনি নিশ্চয় 'নব্য প্রচাৰ মাধ্যম'ৰ ধাৰণাটো সম্পর্কে কিছু স্পষ্টকৈ বুজি পালে। প্রচাৰ মাধ্যম বিষয়ৰ বিদ্বানসকলে নিজস্ব অনন্য পন্থাৰে ধাৰণাটোৰ ভিন্ ভিন্ সংজ্ঞা দাঙি ধৰিছে। ধাৰণাটোৰ কোনো সর্বজনগ্রাহ্য একক সংজ্ঞা নাই। ভিন্ ভিন্ বিদ্বানে ইয়াক ভিন্ ভিন্ শব্দেৰে ব্যাখ্যা কৰিছে। সৰল সংজ্ঞা এটাৰ মতে, নব্য প্রচাৰ মাধ্যম মানে হ'ল ডিজিটেল অথবা কম্পিউটাৰকৃত নে'টৱর্ক। ই আমাক তথ্যৰ প্রসাৰ তথা ভাগ-বটোৱাৰা কৰাত সহায় কৰে। ডিজিটেল প্রচাৰ মাধ্যম হ'ল এটা আন্তঃক্রিয়াশীল (Interactive) মাধ্যম। ইয়াত দুমুখীয়া সংযোগ স্থাপনৰ সুবিধা থাকে। ইয়াৰ লগতে 'কম্পিউটিং'ৰ (Computing) কিছুমান ৰূপ মাধ্যমটোত সংলগ্ন কৰা হয়। এই সকলোখিনিৰে একত্র ৰূপটোকে নব্য

প্রচাৰ মাধ্যম বোলা হয়।

'বিজনেছ ডিক্শ্যনেৰী'ৰ সংজ্ঞামতে নব্য প্রচাৰ মাধ্যম হ'ল 'ইণ্টাৰনেটৰ দৰে বৈদ্যুতিক অন্তঃক্রিয়াশীল মাধ্যম।' আন এক সংজ্ঞামতে 'নব্য প্রচাৰ মাধ্যম হ'ল অন্লাইন যোগাযোগ ব্যৱস্থাৰ লিপি আৰু স্থিৰচিত্র প্রচাৰকাৰী ৰূপটোৰ পৰা আৰম্ভ হোৱা অথবা হ'বলগীয়া সকলোপ্রকাৰৰ বৈদ্যুতিক সংযোগ স্থাপনকাৰী ব্যৱস্থাকে সামৰি লোৱা এটা 'কেট্ছ-অল' (Catch-all) আখ্যা।

সেয়েহে ক'ব পৰা যায় যে সাধাৰণ অর্থত 'নব্য প্রচাৰ মাধ্যম' হ'ল বৈদ্যুতিক সংযোগ স্থাপনকাৰী বিভিন্ন ব্যৱস্থা অথবা পদ্ধতিক সামৰি লোৱা এটা সার্বজনীন সংজ্ঞা। কম্পিউটাৰ প্রযুক্তিৰ উদ্ভাৱন আৰু বিকাশৰ লগে লগে এনে পদ্ধতিবোৰৰ জৰিয়তে সংযোগ স্থাপন কৰাটোও সম্ভৱপৰ হৈ উঠিছে।

## ১.৩.২ পৰম্পৰাগত প্রচাৰ মাধ্যম আৰু নব্য প্রচাৰ মাধ্যম্যৰ মাজৰ প্রভেদসমূহ (Difference Between Conventional Media and New Media)

আগৰ শাখা দুটাত আমি নব্য প্রচাৰ মাধ্যমৰ ধাৰণাটো আলোচনা কৰিলো। এতিয়া আমি নব্য প্রচাৰ মাধ্যম আৰু পুৰণি প্রচাৰ মাধ্যমসমূহৰ মাজত প্রভেদসমূহ বুজিবলৈ প্রয়াস কৰিম।

১৯৮০ৰ দশকলৈ 'প্রচাৰ মাধ্যম' অথবা 'মিডিয়া' বুলিলে কেৱল ছপা মাধ্যম, টেলিভিছন, ৰেডিঅ' আৰু চিনেমাৰ কথাকে বুজা গৈছিল। কিন্তু বিগত ২৫ বছৰত কম্পিউটাৰ প্রযুক্তিৰ ক্ষেত্রখনত অভূতপূর্ব বিকাশ ঘটাৰ পৰিপ্রেক্ষিতত আজি আমাৰ আলোচ্য বিষয় 'নব্য প্রচাৰ মাধ্যম'টোৰ উত্থান ঘটিল।

প্রচাৰ মাধ্যমৰ 'পুৰণি' ৰূপসমূহ, যেনে— বাতৰিকাকত, আলোচনী, পোনপটীয়াকৈ প্রেৰিত বিজ্ঞাপন (Direct Mail Advertising), টেলিভিছন, ৰেডিঅ' আদিৰ বিপৰীতে এই নতুন পদ্ধতিটোক 'নব্য প্রচাৰ মাধ্যম' নাম দিয়া হৈছে। ওপৰত উল্লেখ কৰি অহা পুৰণি অর্থাৎ পৰম্পৰাগত প্রচাৰ মাধ্যমৰ প্রকাৰবোৰৰ বাবে মৌলিক উদ্ভাৱন পদ্ধতি অনুসৰি কম্পিউটাৰ প্রযুক্তিৰ প্রয়োজন নাছিল। কিন্তু বর্তমানৰ প্রেক্ষাপটত প্রতিটো প্রচাৰ পদ্ধতিতে কম্পিউটাৰৰ প্রয়োজনীয়তা আছে।

আজিৰ তাৰিখত এইবুলি ক'লেও ভুল নহ'ব যে 'নব্য প্রচাৰ মাধ্যম'ৰ বহুকেইটা ৰূপেই দৰাচলতে কোনো পুৰণি প্রচাৰ পদ্ধতিত কম্পিউটাৰ ছিপছ্ (Computer Chips) আৰু হার্ড ড্রাইভৰ (Hard Drive) সংযোজন ঘটাই সৃষ্টি কৰা হৈছে।

তথাপিও তলত নব্য প্রচাৰ মাধ্যমক পৰম্পৰাগত প্রচাৰ মাধ্যমৰ পৰা পৃথক কৰা প্রভেদ কেইটামানৰ বিষয়ে উল্লেখ কৰা হ'ল—

- পুৰণি প্রচাৰ মাধ্যমৰ কিছুমান ভৌগোলিক সীমাৱদ্ধতা আছে। বাতৰিকাকত এখনে

নাইবা টিভি ষ্টেশ্যন এটাই মাত্ৰ একোটা নির্দিষ্ট ভৌগোলিক অঞ্চলৰ বাসিন্দাকহে সেৱা আগবঢ়াব পাৰে। এই পৰম্পৰাগত প্রচাৰ মাধ্যমবোৰতকৈ নব্য প্রচাৰ মাধ্যমৰ বিস্তৃতিৰ পৰিসৰ যথেষ্ট অধিক। যদি বাতৰিকাকত এখনে ইয়াৰ পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিব খোজে, তেন্তে ই নব্য প্রচাৰ মাধ্যমৰ সহায় ল'ব লাগিব। অন্লাইন বাতৰি-কাকতৰ সংখ্যা বৃদ্ধি পোৱাতো হ'ল এনে সহায়ৰ উদাহৰণ। আটাইবোৰ আগশাৰীৰ বাতৰিকাকতৰে অন্লাইন সংস্কৰণ বর্তমান ইণ্টাৰনেটৰ সহায়ত পঢ়িবলৈ পোৱা যায়।

- পুৰণি প্রচাৰ মাধ্যমৰ যোগাযোগ প্রক্রিয়াটো একমুখী (One Way)। বিষয়সূচী যোগান ধৰোতাই গ্রাহকলৈ তথ্য প্রেৰণ কৰে। গ্রাহকে এনে তথ্য উপভোগ কৰিবলৈ ধন খৰচ কৰে। গ্রাহকে ওলোটাই প্রত্যক্ষভাৱে নিজৰ মতামত অথবা তথ্য প্রেৰণ কৰাৰ কোনো সুবিধা এনে মাধ্যমত নাথাকে। কিন্তু নব্য প্রচাৰ মাধ্যমৰ এটা দ্বিমুখী (Two Way) সংযোগ স্থাপনকাৰী ব্যৱস্থা আছে। নব্য প্রচাৰ মাধ্যমে অন্তঃক্রিয়াৰ সুবিধা প্রদান কৰা হেতুকে এই মাধ্যমৰ গ্রাহকসকলে প্রক্রিয়াটোত সক্রিয় ভূমিকা পালন কৰে। কেতিয়াবা গ্রাহকে ইয়াৰ যোগাযোগ ব্যৱস্থাত হস্তক্ষেপো কৰিব পাৰে। এনে মাধ্যমৰ গ্রাহক হোৱা মানে কেৱল তথ্য গ্রহণকাৰী পক্ষই নহয়, আপুনি সংযোগ স্থাপনকাৰী ব্যৱস্থাটোৰ এগৰাকী অংশগ্রহণকাৰীৰ ভূমিকা পালন কৰাৰো সুযোগ লাভ কৰিব। পৰম্পৰাগত প্রচাৰ মাধ্যমৰ ক্ষেত্রত এয়া সম্ভৱ নহয়। সেয়েহে পৰম্পৰাগত প্রচাৰ মাধ্যমসমূহে আজিকালি গ্রাহকৰ মনোভাৱ সম্পর্কে জ্ঞাত হ'বলৈ নব্য প্রচাৰ মাধ্যম প্রযুক্তিসমূহ ব্যৱহাৰ কৰিবলৈ লৈছে।
- পুৰণি প্রচাৰ মাধ্যম বজাৰখনৰ সীমিত সংখ্যক 'প্লেয়াৰ' (Player) আছে। যিকোনো অঞ্চল এটাত বাতৰিকাকত, ৰেডিঅ' ষ্টেশ্যন অথবা টেলিভিছন চেনেলৰ সংখ্যা সীমাবদ্ধ। আনহাতে 'নব্য প্রচাৰ মাধ্যম'ৰ 'প্লেয়াৰ'ৰ সংখ্যা অগণন। উদাহৰণস্বৰূপে 'ৱর্ল্ড ৱাইড ৱেব'ৰ (www) এটা বিষয়ক কেন্দ্র কৰি অসংখ্য 'ৱেবছাইট' (Website) থাকে। ইয়াৰ উপৰি প্রতিগৰাকী ব্যক্তিয়ে নিজা নিজা 'ৱেবছাইট' সৃষ্টি কৰিব পাৰে। ম'বাইল ফোন, ডিভিডি (DVD) অথবা কেমেৰাৰ দৰে অন্য নব্য প্রচাৰ মাধ্যম প্রযুক্তিসমূহৰো বজাৰত সুলভ প্রচাৰৰ সংখ্যা গণি শেষ কৰিব নোৱাৰা বিধৰ।
- পুৰণি প্রচাৰ মাধ্যমৰ বিষয়সূচী যোগান ধৰোতাই গ্রাহকে কি শুনিব অথবা কি চাব সেই বিষয় দুটা সম্পূর্ণৰূপে নিয়ন্ত্রণ কৰে। বাতৰি কাকতৰ সম্পাদকসকলে নাইবা টিভি চেনেলৰ অনুষ্ঠান নিয়ন্ত্রকসকলে বিষয়বস্তুৰ ওপৰত সম্পূর্ণ নিয়ন্ত্রণ বর্তাই ৰাখে। নব্য প্রচাৰ মাধ্যমৰ ক্ষেত্রত তথ্য যোগানকাৰীয়ে কিন্তু গ্রাহকে কি চাব খোজে নাইবা কি শুনিব বিচাৰে সেয়া নিয়ন্ত্রণ কৰিব নোৱাৰে।
- পুৰণি প্রচাৰ মাধ্যমৰ বিষয়সমূহত গ্রাহকক মূল্যৰ বিনিময়ত ক্রয় কৰিবলৈ জোৰ কৰা হয় (Forced) নাইবা বলপূর্বকভাৱে ঠেলি দিয়া হয় (Pushed)। ইয়াৰ

বিপৰীতে নব্য প্রচাৰ মাধ্যমৰ বিষয়সূচীবোৰ গ্রাহকে নিজে বিচাৰে (Seek) অথবা নিজেই নিজৰ ওচৰ চপাই লয় (Pulled)। বাতৰিকাকত, টিভি চেনেল আৰু ৰেডিঅ' ষ্টেশ্যনবোৰে নিজ নিজ তথ্য অথবা বার্তা প্রেৰণ কৰিবৰ বাবে দর্শক-শ্রোতা-পাঠকক আকর্ষণ কৰিবলৈ ভিন ভিন পন্থা বাচি উলিয়ায়। গ্রাহকে তেনে পন্থা গ্রহণ কৰিবলৈ সাজু নাথাকিলেও অথবা তেনে পন্থা নিবিচাৰিলেও প্রচাৰ মাধ্যমবোৰে নিজ ইচ্ছা অনুসৰি তেনে কাম কৰে। নব্য প্রচাৰ মাধ্যমে গ্রাহকক তেওঁ কেনেধৰণৰ তথ্য বিচাৰিছে সেয়া সোধে। নব্য প্রচাৰ মাধ্যমৰ বাহকবোৰে গ্রাহকৰ ওপৰত কোনো তথ্য বলপূর্বকভাৱে জাঁপি নিদিয়ে। তাৰ বিপৰীতে গ্রাহকে যিটো তথ্য বিচাৰে সেয়া জনোৱালৈকে অপেক্ষা কৰে।

- নব্য প্রচাৰ মাধ্যমত ব্লগ (Blog), ৱিকিপেডিয়াছ (Wikipedias) আদিৰে দৰে নতুন ধাৰণাৰ জন্ম হৈছে। ইয়াত সুনির্দিষ্ট বার্তাগ্রাহকসকল নিজে গ্রাহকো হ'ব পাৰে আৰু বিষয়সূচীৰ লিখকো হ'ব পাৰে। এই দিশত এটা গণতান্ত্রিকীকৰণ প্রক্রিয়া বলবৎ কৰা হৈছে। কিন্তু পৰম্পৰাগত প্রচাৰ মাধ্যমৰ ক্ষেত্রত এই সুবিধা তেনেই সীমিত।
- ৱেব বাতৰি-কাকত, বাতৰি-কাকতৰ ইণ্টাৰনে'ট সংস্কৰণ, আলোচনী, ভিডিঅ' জার্নেল, ভিডিঅ' আলোচনী ইত্যাদিৰ বাবে প্রত্যাশিত সুনির্দিষ্ট গ্রাহক পাবলৈ আৰু নিজৰ উপস্থিতি সবলভাৱে ঘোষণা কৰিবলৈ বৃহৎ পৰিসৰৰ বিজ্ঞাপন দিবলগীয়া হয়। কিন্তু বাতৰিকাকত, আলোচনী আদিৰ দৰে পৰম্পৰাগত ছপা মাধ্যমৰ ক্ষেত্রত এনে কৰাৰ প্রয়োজন নাই। কিন্তু সম্প্রতি সকলো ক্ষেত্রতে কম্পিউটাৰকৃত পৰিৱেশ এটাই অভূতপূর্ব ধৰণে গা কৰি উঠাৰ পাছৰ পৰা প্রতিমুহূর্ততে পৰম্পৰাগত প্রচাৰ মাধ্যমে ইয়াৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিজকে প্রস্তুত কৰি তোলাৰ আৱশ্যকতা বৃদ্ধি পাইছে। সেয়েহে সকলোবোৰ দূৰদর্শী পৰম্পৰাগত প্রচাৰ মাধ্যমে ক্রমে ক্রমে নিজৰ বিষয়সূচীসমূহৰ ৱেব সংস্কৰণ যুগুত কৰাত মনোনিবেশ কৰিছে। ইয়াৰ ফলস্বৰূপে আমি বর্তমান ইণ্টাৰনে'ট ৱেডিঅ', ইণ্টাৰনে'ট টিভি, টিভিয ৱেডিঅ' সংকেত গ্রহণ, ব্যক্তিগত ম'বাইল ফোনত শেহতীয়া সংবাদ আদিৰে দৰে সেৱা উপভোগ কৰাৰ সুযোগ পাইছো।



### জানি থোৱা ভাল

১) লেৱ মেনোভিছে (Lev Manovich) নব্য প্রচাৰ মাধ্যমক কম্পিউটাৰৰ বংশজ অথবা বিতৰণৰ বাবে কম্পিউটাৰৰ ওচৰত নির্ভৰশীল নতুন সাংস্কৃতিক পদ্ধতি বুলি অভিহিত কৰিছে।

২) মেনোভিছে ইয়াক সাংস্কৃতিক পদ্ধতি বুলি অভিহিত কৰাৰ কাৰণ হ'ল নব্য প্রচাৰ মাধ্যমৰ বাহকবোৰ বর্তমান নতুন যুগৰ সংস্কৃতিৰ এক অংশত পৰিণত হৈছে।

আমি আজি আৰু আমাৰ জীৱনবোৰ ম'বাইল ফোন অথবা কম্পিউটাৰ অবিহনে কল্পনা কৰিব নোৱাৰো। ডিজিটেল প্রযুক্তিৰ বহলু ব্যৱহাৰে আজি আমাক দৈনন্দিন জীৱন-যাপন কৰাৰ ন-ন পন্থাৰ সন্ধান দিছে। 'এছএমএছ লিংগো'ৰ (SMS Lingo) উদ্ভাৱনে আমাৰ মৌখিক আৰু লিখিত ভাষাৰ নাটকীয় পৰিৱর্তন সাধন কৰিছে। ইণ্টাৰনে'টে সমগ্র পৃথিৱীখনেই আমাক উদঙাই দেখুৱাইছে। ৱেব ছাইটসমূহ, মানৱীয়-কম্পিউটাৰ ইণ্টাৰফেছ (Human Computer Interface), ভার্ছৱেল ৱর্ল্ডছ্, মাল্টিমিডিয়া, কম্পিউটাৰ গেইমছ্, কম্পিউটাৰ এনিমেশ্যন, কথাছবি আৰু নেট ফিল্মত সংযোজিত স্পশ্যাল ইফেক্টছ্ আৰু অন্তঃক্রিয়াশীল (Interactive) কম্পিউটাৰ ইন্ষ্টলেশ্যন আদি কার্যকলাপ আমাৰ জীৱন আৰু সংস্কৃতিৰ অংশ হৈ পৰিছে।

৩) ব'ল্টাৰ আৰু গ্রুছিনে (Bolter and Grusin) নব্য প্রচাৰ মাধ্যম পুনৰ মধ্যস্থকৰণৰ দিশৰ পৰা সংজ্ঞা দিছে, "আমি কোনো এটা মাধ্যমৰ ভিতৰত আন এটা মাধ্যমৰ প্রতীক ভৱনৰ (Representation) পুনৰ মধ্যস্থকৰণৰ (Remediation) বুলি ক'ম। লগতে আমি পুনৰ মধ্যস্থকৰণক নব্য ডিজিটেল মাধ্যমৰ অর্থ প্রকাশক বৈশিষ্ট্য বুলি প্রতিপন্ন কৰিবলৈ যুক্তি দাঙি ধৰিম।"

তেওঁলোকৰ সংজ্ঞাৰ আধাৰ হ'ল 'নব্য প্রচাৰ মাধ্যম' আচলতে 'পুৰণি প্রচাৰ মাধ্যম'ৰে সেৱা আগবঢ়োৱাৰ নতুন পথ বোলা ধাৰণাটো। ব'ল্টাৰ আৰু গ্রুছিনে বিশ্বাস কৰে যে প্রচাৰ মাধ্যমৰ পৰম্পৰাগত ৰূপসমূহক (বাতৰি কাকত, আলোচনী, ৰেডিঅ') কম্পিউটাৰৰ সহায়ত পুনৰ সজাই-পৰাই আৰু পুনৰ বিন্যাস কৰি 'নব্য প্রচাৰ মাধ্যম'ৰ ৰূপ দিয়া হৈছে।

৪) ৰাই ছে নব্য প্রচাৰ মাধ্যমক 'দুজন ব্যৱহাৰকাৰীৰ মাজৰ পাৰস্পৰিক আন্তঃক্রিয়াশীলতা (User-to-User Interactivity) আৰু ব্যৱহাৰকাৰী তথা তথ্যৰ মাজৰ আন্তঃক্রিয়াশীলতা সম্ভৱ কৰি তোলা অথবা সহজসাধ্য কৰি তোলা সংযোগ স্থাপনকাৰী প্রযুক্তি' বুলি অভিহিত কৰিছে।

নব্য প্রচাৰ মাধ্যমে বহু পৰিমাণে অন্তঃব্যক্তিক (Interpersonal) যোগাযোগৰ দৰে দ্বিমুখী সংযোগ স্থাপনকাৰী প্রক্রিয়া এটা সম্ভৱপৰ কৰি তোলে। নব্য প্রচাৰ মাধ্যমৰ জৰিয়তে আপুনি বার্তা গ্রহণ কৰিব পাৰে তথা বাতৰি সঁহাৰি জনাব নাইবা প্রত্যুত্তৰো দিব পাৰে। এই প্রক্রিয়াটোকে দুজন ব্যৱহাৰকাৰীৰ মাজৰ পাৰস্পৰিক আন্তঃক্রিয়াশীলতা বুলি ক'ব পৰা যায়। ইয়াৰ বাহিৰেও নব্য প্রচাৰ মাধ্যমে আপোনাৰ কোনো মনোমত তথ্য অইন এগৰাকী ব্যৱহাৰকাৰীৰ সৈতে ভগাই লোৱাৰ পথো সূচল কৰি তুলিছে। সঠিক প্রযুক্তি ব্যৱহাৰ কৰি এতিয়া আপুনি নিজাববীয়াকৈ ভিডিঅ' নাইবা অডিঅ' বার্তা তৈয়াৰ কৰিব পাৰে। এনে বার্তাত

ছবি, সংগীত নাইবা বাক্য লিখি যোগ দিব পাৰে। এইদৰে নব্য প্রচাৰ মাধ্যমে ব্যৱহাৰকাৰী আৰু তথ্যৰ অন্তঃক্রিয়াশীলতাও স্থাপন কৰে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** নব্য প্রচাৰ মাধ্যমৰ সংজ্ঞা কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ২ ঃ** তলৰ বিষয়বোৰৰ মাজত সংযোগ স্থাপন কৰক ঃ

| | |
|---|---|
| ক) অন্তঃক্রিয়াশীলতা | ক) পুৰণি প্রচাৰ মাধ্যম |
| খ) বাতৰিকাকত | খ) ইণ্টাৰনেটৰ মাধ্যমেৰে ছার্ফ কৰিব পাৰি |
| গ) নব্য প্রচাৰ মাধ্যম | গ) নব্য প্রচাৰ মাধ্যম হ'ল এক নতুন সাংস্কৃতিক পদ্ধতি |
| ঘ) অন্‌লাইন বাতৰিকাকত | ঘ) হ'ল এক ডিজিটেল প্রচাৰ মাধ্যম |
| ঙ) মেনোভিছৰ মতে | ঙ) হ'ল গ্রাহকৰ মতামত সংগ্রহত গুৰুত্বপূর্ণ ভূমিকা পালনকাৰী উপায় |

## ১.৪ নব্য প্রচাৰ মাধ্যমৰ বৈশিষ্ট্য (CHARACTERSITICS OF NEW MEDIA)

নব্য প্রচাৰ মাধ্যমৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল—

- নব্য প্রচাৰ মাধ্যমৰ সবাতোকৈ উল্লেখযোগ্য বৈশিষ্ট্যটো হ'ল ইয়াৰ ডিজিটেলিটি (Digitality)। এই মাধ্যমটোক 'ডিজিটেল প্রচাৰ মাধ্যম' নাইবা 'ডিজিটেল নব্য প্রচাৰ মাধ্যম' বুলিও কোৱা হয়। ইয়াৰ সাধাৰণ অর্থ হ'ল 'কম্পিউটাৰ ব্যৱহাৰ কৰা প্রচাৰ মাধ্যম।'
- নব্য প্রচাৰ মাধ্যমৰ দ্বিতীয়টো উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াৰ আন্তঃক্রিয়াশীলতা (In-teractivity)। ই প্রেৰক আৰু গ্রাহকৰ মাজত দ্বিমুখী সংযোগ স্থাপন কৰে। এই মাধ্যমৰ সেৱা গ্রহণ কৰোতাসকল আৰু তথ্যৰ নিষ্ক্রিয় গ্রাহক হৈ নাথাকে। গ্রাহকে নতুন প্রচাৰ মাধ্যম প্রযুক্তিৰ মাধ্যমেৰে নিজৰ 'ইনপুট' (Input) আৰু মতামত ব্যক্ত কৰিব পাৰে।

- নব্য প্রচাৰ মাধ্যমত অন্তঃব্যক্তিক (Interpersonal) যোগাযোগ আৰু গণ মাধ্যম যোগাযোগ উভয়ৰে সুবিধা আছে। এই সুবিধাৰ বাবে আপুনি কোনো ব্যক্তিগতকৃত বার্তা একে সময়তে অগণন ব্যক্তিলৈ প্রেৰণ কৰিব পাৰে। এই যোগাযোগ প্রক্রিয়াটোত জড়িত হোৱা প্রতিগৰাকী ব্যক্তিয়ে বার্তাটোৰ প্রতি ব্যক্তিগতভাৱে সঁহাৰি জনাব পাৰে।
- নব্য প্রচাৰ মাধ্যম হ'ল স্থান আৰু সময় অতিক্রমকাৰী মাধ্যম। আপুনি মুহূর্ততে পৃথিৱীৰ যিকোনো প্রান্তৰ পৰা তথ্য সংগ্রহ কৰিব পাৰিব। তথ্য গোটোৱাৰ সময়, মূল্য আৰু বেগৰ দিশৰ পৰা চাবলৈ গ'লে দূৰত্বৰ প্রশ্নটো তেনেই গৌণ হৈ পৰে।
- নব্য প্রচাৰ মাধ্যমৰ বিষয়বস্তুবোৰ দীর্ঘদিন সাঁচি থ'ব পৰা নাযায়। কিতাপ এখন ওৰে জীৱনৰ বাবে সংৰক্ষণ কৰিব পাৰি। কিন্তু ফ্লপি ড্রাইভ অথবা চিডিত সুমুৱাই থোৱা তথ্যসমূহ কেইবছৰমানৰ পাছতেই নষ্ট হৈ যাব পাৰে।
- নব্য প্রচাৰ মাধ্যমৰ বিষয়বস্তুবোৰ গ্রাহকৰ ওপৰত বলপূর্বকভাৱে জাপি দিয়া নহয়। কিন্তু পৰম্পৰাগত প্রচাৰ মাধ্যমৰ ক্ষেত্রত প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰে বিষয়বস্তুবোৰ গ্রাহকলৈ বলেৰে ঠেলি পঠিয়াই। আপোনাক যেতিয়াই তথ্যৰ প্রয়োজন হয় তেতিয়াই নব্য প্রচাৰ মাধ্যমৰ অন্তর্ভুক্ত ইণ্টাৰনে'ট নাইবা অন্য কম্পিউটাৰকৃত প্রযুক্তিৰ সহায় ল'ব পাৰে।
- নব্য প্রচাৰ মাধ্যমৰ আন এটা বৈশিষ্ট্য হ'ল হাইপাৰটেক্সুৱেলিটি (Hypertextuality)। হাইপাৰটেক্সট্-এ ডকুমেণ্টৰ মাজৰ 'লিংক' অর্থাৎ সংযোগস্থাপন সহজসাধ্য কৰি তোলে। তথ্য সম্বলিত বিভিন্ন 'পেইজ'ৰ (Page) ইটো তথ্যৰ পৰা আনটো তথ্যলৈ গতি কৰাত হাইপাৰটেক্সট্ লিংকবোৰে সহায় কৰে।

## ১.৫ নব্য প্রচাৰ মাধ্যমৰ সাধাৰণ বাহক (MOST COMMON VEHICLES OF NEW MEDIA)

এতিয়া নব্য প্রচাৰ মাধ্যমৰ বাহকবোৰৰ বিষয়ে জানি থওঁ আহক—

- **ইণ্টাৰনে'ট আৰু ৱর্ল্ড ৱাইড ৱেব (Internet and the World Wide Web) ঃ** ইণ্টাৰনে'ট হ'ল একাধিক নেটৱর্কৰ সন্মিলিত নে'টৱর্ক। ই কম্পিউটাৰবোৰক পৰস্পৰৰ সৈতে সংলগ্ন কৰে। ইণ্টাৰনে'ট হ'ল কম্পিউটাৰৰ এটা বিশ্বজনীন নে'টৱর্ক। আপোনাৰ কম্পিউটাৰে ইণ্টাৰনে'টৰ জৰিয়তে আন এটা কম্পিউটাৰত থকা যিকোনো তথ্য আহৰণ কৰিব পাৰে। ইণ্টাৰনে'টে ই-মেইল, ফাইল ট্রেন্সফাৰিং, টেলনে'ট, গোফাৰ আৰু ৱর্ল্ড ৱাইড ৱেব আদিৰ দৰে সেৱা আগবঢ়ায়। ৱর্ল্ড ৱাইড ৱেবক (World Wide Web) প্রায়েই ইণ্টাৰনে'টৰ অন্য নাম বুলি গণ্য কৰা হয়। দৰাচলতে এই ধাৰণাটো ভুল। পৰৱর্তী অধ্যায়ত আপুনি ইণ্টাৰনে'ট আৰু ৱর্ল্ড ৱাইড ৱেবৰ বিষয়ে বহলাই জানিবলৈ পাব।
- **কম্পিউটাৰ গেইমছ্ (Cmputer Games) ঃ** কম্পিউটাৰ গেইমছ্ সাধাৰণতে ব্যক্তিগত

*টেলনে'ট (Telnet) ঃ* এই পদ্ধতিটোৰ জৰিয়তে আপুনি শাৰীৰিকভাৱে ঢুকি নোপোৱা আন এটা কম্পিউটাৰলৈ 'কমাণ্ড' (Command) প্রেৰণ কৰিব পাৰে। ইয়াৰ বাবে আপুনি কেৱল সেই মেছিনটোৰ নাম জানিব লাগিব যিটোৰ সৈতে সংযোগ স্থাপন কৰিব খুজিছে। আৰু সেই কম্পিউটাৰটোত আপোনাৰ এটা বৈধ ব্যৱহাৰকাৰীৰ নাম (Valid User Name) থাকিব লাগিব।

**গোফাৰ (Gopher) ঃ** ই হ'ল এটা মেন্যু (Menu) আধাৰিত সুবিধা। ই ইণ্টাৰনে'ট সম্পর্কীয় তথ্য যোগান ধৰে। কেইবছৰমানৰ আগলৈকে ই এটা জনপ্রিয় সেৱা আছিল। কিন্তু ডব্লিউ ডব্লিউ ডব্লিউৰ (WWW) আবির্ভাৱৰ লগে লগে ইয়াৰ জনপ্রিয়তা আৰু ব্যৱহাৰ হ্রাস পালে।

*মিট/এম-আই-টি (MIT) ঃ* মাছাছুছেটছ্ ইনষ্টিটিউট অফ টেকন'ল'জি। ই হ'ল এখন ব্যক্তিগত গৱেষণা বিশ্ববিদ্যালয়। আমেৰিকা মাছাছুছেটছ্ৰ কেম্ব্রিজত এই বিশ্ববিদ্যালয়খন অৱস্থিত।

কম্পিউটাৰত খেলা হয়। গেইমিং কনছ'ল (Gaming Console) অথবা আৰ্কেড মেছিনতকৈ (Arcade Machine) ব্যক্তিগত কম্পিউটাৰত খেলাতো সুবিধাজনক। 'স্পেছৱাৰ' (Spacewar) আছিল বিশ্বৰ সৰ্বপ্ৰথম কম্পিউটাৰ গেইম। মিট/এমআইটিৰ (MIT) শিকাৰুসকলে ১৯৬১ চনত এই খেলটো বিকশাই তুলিছিল। খেলটোৰ পৰিসাংখ্যিক গণনাৰ বাবে তেওঁলোকে এটা পিডিপি-ওৱান (PDP-1) কম্পিউটাৰ ব্যৱহাৰ কৰিছিল। প্ৰাৰম্ভিক অৱস্থাত এই গেইমবোৰ আছিল লিখিত ৰূপত থকা ৰোমাঞ্চকৰ ঘটনা (Text Adventures) অথবা অন্তঃক্ৰিয়াশীল কল্প-কাহিনী (Interactive Fiction)। খেলু�ৱৈসকলে কীব'ৰ্ডৰ (Keyboard) সহায়ত 'কমাণ্ড' অৰ্থাৎ কম্পিউটাৰ নিৰ্দেশ দিব লাগিছিল। আৰম্ভণিৰ সময়চোৱাত কম্পিউটাৰ কেৱল গৱেষণা নাইবা শৈক্ষিক উদ্দেশ্যতহে ব্যৱহৃত হৈছিল। কিন্তু কম্পিউটাৰ গেইমছৰ বিকাশ ঘটাৰ লগে লগে কম্পিউটাৰৰ প্ৰতি গ্ৰাহকৰ আকৰ্ষণো বৃদ্ধি পালে। এই জনপ্ৰিয়তাৰ ফলতেই সৰ্বসাধাৰণ ৰাইজে কম্পিউটাৰকৃত প্ৰযুক্তিৰ বৰ্দ্ধিত প্ৰয়োগৰ সুবিধা গ্ৰহণ কৰিবলৈ সক্ষম হ'ল।

*পিডিপি-ওৱান (PDP-1) ঃ* বিশ্বৰ প্ৰথমটো ব্যৱসায়ভিত্তিক অন্তঃক্ৰিয়াশীল কম্পিউটাৰ (Interactive Computer)। 'পিডিপি'ৰ সম্পূৰ্ণ অৰ্থ হ'ল প্ৰ'গ্ৰামড্ ডেটা প্ৰ'ছেছৰ (Programmed Data Processor)। এই কম্পিউটাৰটোতেই ইতিহাস সৃষ্টিকাৰী বিশ্বৰ প্ৰথম ভিডিঅ' গেইম ষ্টীভ ৰাছেলৰ 'স্পেছৱাৰ' খোলা হৈছিল।

***ইমেজ ছেন্সৰ (Image Sensor) ঃ*** অ'প্টিকেল ইমেজ এটাক বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰিত কৰিব পৰা সঁজুলি।

- **ডিভিডি আৰু চিডি ৰোম (DVDs and CD ROMs) ঃ** ডিভিডি (DVD) অৰ্থাৎ ডিজিটেল ভিডিঅ' ডিস্ক-এ ভিডিঅ' আৰু ডেটা সংৰক্ষণকাৰী সঁজুলি-ৰূপে কাম কৰে। চিডি (CD) অৰ্থাৎ কম্পেক্ট ডিস্ক এখনৰো সেয়াই কাম। কিন্তু দুয়োবিধ যতনৰে সংৰক্ষণ সামৰ্থ ভিন ভিন। এখন ডিৱিডি-এ চিডি এখনতকৈ ছগুণ অধিক ডেটা সংৰক্ষণ কৰিব পাৰে। 'ডিৱিডি' আৰু 'চিডি' হ'ল আজিৰ পৃথিৱীত ডেটা সংৰক্ষণ কৰাৰ সবাতোকৈ সাধাৰণ পদ্ধতি। চিডি আৰু ডিভিডিৰ উদ্ভাৱনৰ লগে তথ্যৰ ভাগ-বটোৱাৰা আৰু প্ৰসাৰ যথেষ্ট উজু হৈ পৰিল।
- **ডিজিটেল কেমেৰা (Digital Camera) ঃ** ডিজিটেল কেমেৰাই এখন বৈদ্যুতিক 'ইমেজ ছেন্সৰ'ৰ (Image Sensor) সহায়ত স্থিৰ আৰু ভিডিঅ' ছবি গ্ৰহণ কৰে। সৰ্বপ্ৰথম প্ৰকৃতাৰ্থত ডিজিটেল বুলিব পৰা কেমেৰাটো আছিল 'ফুজি ডিএছ-আইপি' (Fuji DS-IP)। কেমেৰাটোৰে ১৯২২ চনত কম্পিউটাৰকৃত ফাইলৰ ৰূপত প্ৰতিচ্ছবি গ্ৰহণ কৰা হৈছিল। ইয়াৰ দুবছৰ পাছতহে বিশ্বৰ প্ৰথমটো ব্যৱসায়িকভাৱে সুলভ ডিজিটেল কেমেৰাই বজাৰত ভুমুকি মাৰিছিল। ইয়াৰ নাম আছিল 'ডাইকেম মডেল ৰান' (Dycam Model-I)। ডিজিটেল কেমেৰা অথবা ডিজিকেমবোৰ (Digicam) হ'ল নব্য প্ৰচাৰ মাধ্যম প্ৰযুক্তিত ব্যৱহৃত এটা সাধাৰণ উপায়। এনে কেমেৰাৰে ফটো তোলাৰ লগতে ফটো সংৰক্ষণ তথা ইমেজ স্থানান্তৰিত কৰিব পৰা যায়। ইয়াৰ সহায়ত স্থিৰ ছবিৰ লগতে ভিডিঅ' ছবিও কোনো অসুবিধা নোহোৱাকৈ স্থানান্তৰিত কৰিব পৰা যায়। প্ৰাথমিক এনাল'গ কেমেৰাৰ দৰে এই কেমেৰাবোৰত নেগেটিভ ৰোল 'ডেভেলপ' কৰিবলৈ আৰু কোনো বিশেষ প্ৰতিচ্ছবি চাবলৈ দীৰ্ঘসময় অ পেক্ষা কৰিব নালাগে। প্ৰতিচ্ছবিবোৰ পোনে পোনে কেমেৰাৰ পৰা কোনো এটা কম্পিউটাৰলৈ আৰু তাৰ পৰা অন্য

কম্পিউটাৰলৈ প্ৰেৰণ কৰিব পৰা যায়।

- **ম'বাইল ফোন (Mobile Phone) ঃ** আমি সকলোৱে জানো যে ম'বাইল ফোন হ'ল কথাৰে সংযোগ স্থাপন কৰিবলৈ ব্যৱহৃত এক দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰিবপৰা বৈদ্যুতিক সঁজুলি। ম'বাইল অথবা অনাতাঁৰ (Wireless) ফোনবোৰে কোনো এক নিৰ্দিষ্ট নে'টৱৰ্ক এলেকাৰ ভিতৰতহে কাম কৰে। সংযোগ স্থাপনত সহায় কৰিবলৈ এলেকাভিত্তিত বিশেষীকৃত আধাৰ ষ্টেশ্যন (Specialized Base Stations) কিছুমান থাকে। আমি ম'বাইল ফোন বুলি যিবিধ সঁজুলিৰ বিষয়ে জানো, সেই যতনটো সৃষ্টি কৰিবলৈ বহুতো বিজ্ঞানীয়ে যোৱা শতিকাটো জুৰি বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাই আছিল। কিন্তু বিশ্বৰ প্ৰথমটো ম'বাইল ফোন সৃষ্টি কৰাৰ কৃতিত্ব অৰ্জন কৰোঁতাগৰাকী হ'ল মার্টিন কুপাৰ নামৰ মোটোৰ'লা কোম্পানীৰ এগৰাকী গৱেষক। তেওঁ ১৯৭৩ চনৰ ৩ এপ্ৰিলত বেল গৱেষণাগাৰৰ পৰা এগৰাকী প্ৰতিদ্বন্দ্বীলৈ ম'বাইল ফোনেৰে প্ৰথমটো 'কল' কৰিছিল। প্ৰযুক্তিৰ অগ্ৰগতিয়ে ম'বাইল ফোনক নব্য প্ৰচাৰ মাধ্যমৰ সবাতোকৈ সাধাৰণ বাহকত পৰিণত কৰিছে। এনে ফোনে কথা-বতৰাৰে সংযোগ স্থাপন কৰাত, লিখিত আৰু ছবিযুক্ত বাৰ্তা প্ৰেৰণ কৰাত, ফটো তোলাত, ইণ্টাৰনে'ট ব্ৰাউচিং-ত, গীত শুনাত আৰু বিভিন্ন গেইম খেলাত সহায় কৰে। ম'বাইল ফোন এটা হ'ল নব্য প্ৰচাৰ মাধ্যমৰ সকলোবোৰ অত্যাধুনিক প্ৰযুক্তি সম্বলিত সঁজুলিৰ এটা উৎকৃষ্ট উদাহৰণ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** তলৰ বিষয়বোৰৰ চমুটোকা লিখক—

ক)হাইপাৰটেক্সট্ (Hypertext)

.....

.....

.....

খ)ডিজিটেল প্ৰচাৰ মাধ্যম (Digital Media)

.....

.....

.....

গ)দ্বিমুখী সংযোগ (Two Way Communication)

.....

.....

.....

ঘ)প্রচাৰ মাধ্যমৰ তথ্য ঠেলা আৰু গ্রাহকৰ তথ্য ওচৰ চপাই লোৱা কার্য (Media Mush and Consumer Pull)

.....

.....

.....

**প্রশ্ন নং ৪ ঃ** নব্য প্রচাৰ মাধ্যমৰ সুবিধাবোৰ কি কি?

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** নব্য প্রচাৰ মাধ্যমৰ এটা প্রধান অসুবিধাৰ বিষয়ে লিখক।

.....

.....

.....



## ১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নব্য প্রচাৰ মাধ্যম হ'ল সংযোগ স্থাপনৰ এটা নতুন পদ্ধতি য'ত কম্পিউটাৰকৃত প্রযুক্তি ব্যৱহাৰ কৰি তথ্যৰ প্রসাৰ আৰু ভাগ-বটোৱাৰা কৰা হয়।
- ইয়াক নব্য প্রচাৰ মাধ্যম বোলাৰ কাৰণ হ'ল বাতৰিকাকত, ৰেডিঅ' আদিৰ দৰে পৰম্পৰাগত অথবা পুৰণি প্রচাৰ মাধ্যমতকৈ ই কিছু পৃথক।
- পুৰণি আৰু নব্য প্রচাৰ মাধ্যমৰ মাজত থকা মৌলিক পার্থক্যটো হ'ল নব্য প্রচাৰ মাধ্যমত অন্তঃক্রিয়াশীলতাৰ (Interactivity) সুযোগ আছে। নব্য প্রচাৰ মাধ্যমে গ্রাহকক প্রক্রিয়াটোত সক্রিয় অংশগ্রহণৰ সুযোগ দিয়ে। গ্রাহকে প্রেৰক প্রত্যক্ষ সঁহাৰি জনাব পাৰে।
- নব্য প্রচাৰ মাধ্যমক পুৰণি প্রচাৰ মাধ্যমৰ পৰা পৃথক কৰা আন এটা পার্থক্য হ'ল— নব্য প্রচাৰ মাধ্যম অধিক সুগম অর্থাৎ অনায়াসে ওচৰ চাপিব পৰা বিধৰ। ইয়াৰ পৰিসৰো পুৰণি প্রচাৰ মাধ্যমতকৈ অধিক ব্যাপ্ত।
- পৰম্পৰাগত প্রচাৰ মাধ্যমবোৰে সম্প্রতি অধিক গ্রাহকৰ ওচৰ চাপিবলৈ নব্য প্রচাৰ মাধ্যম প্রযুক্তিসমূহৰ ব্যৱহাৰ আৰম্ভ কৰিছে।
- নব্য প্রচাৰ মাধ্যমত অন্তঃব্যক্তিক যোগাযোগ আৰু গণ প্রচাৰ মাধ্যম যোগাযোগ উভয়ৰে সুবিধা আছে। আপুনি ব্যক্তিগতকৃত বাতৰি সহায়ত জনগণৰ কায চাপিব পাৰে। নব্য

প্রচাৰ মাধ্যমত ব্যৱহৃত প্রযুক্তিৰ সহায়ত সেই বার্তা গ্রহণ কৰা প্রতিজনে আপোনাৰ সৈতে ব্যক্তিগতভাৱে সংযোগ স্থাপন কৰি নিজ নিজ সঁহাৰি জনাব পাৰে।

- নব্য প্রচাৰ মাধ্যমে পৃথিৱীৰ প্রতিটো চুক-কোণৰ পৰা তথ্য আহৰণ কৰাত সহায় কৰে।
- নব্য প্রচাৰ মাধ্যমৰ এটা প্রধান অসুবিধা হ'ল সংগৃহিত 'ডেটা' অথবা তথ্য বহুদিন ধৰি সংৰক্ষণ কৰিব পৰা নাযায়। 'চিডি (CDs), ডিৱিডি (DVDs), হার্ড ড্রাইভ (Hard Drive) আদিৰ জীৱনকাল হ্রস্ব।
- নব্য প্রচাৰ মাধ্যম প্রযুক্তিয়ে আপোনাক তেতিয়াহে তথ্যৰ যোগান ধৰে যেতিয়া আপুনি নিজে কোনো তথ্য বিচাৰে। এই প্রযুক্তিত গ্রাহকে তথ্যক নিজৰ ওচৰলৈ টানি আনিব লাগিব। অন্য প্রচাৰ মাধ্যমৰ ক্ষেত্রত প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰে গ্রাহকৈ বলপূর্বকভাৱে নিজৰ তথ্য ঠেলি দিয়ে।
- নব্য প্রচাৰ মাধ্যমৰ সাধাৰণ বাহক কেইটামান হ'ল— ইণ্টাৰনেট, ছিজি, ডিৱিডি, ডিজিটেল কেমেৰা আৰু ম'বাইল ফোন।



## ১.৭ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*

1) Ganesh, T. K. (2006), *Digital Media, Building the Global Audience*, Gnosis Publishers, New Delhi.
2) Lister, Martin; Dovey, Jon; Giddings, Seth; Grant, Iain; Kelly, Keran (2009). *New Media : A critical Introduction*, Routledge.

## ১.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** যিটো সংযোগ স্থাপনৰ নতুন পদ্ধতিয়ে তথ্য প্রসাৰ কৰিবলৈ কম্পিউটাৰ অথবা ডিজিটেল প্রযুক্তি ব্যৱহাৰ কৰে তাকেই নব্য প্রচাৰ মাধ্যম বুলি ক'ব পৰা যায়। প্রচাৰ মাধ্যমৰ 'পুৰণি' ৰূপসমূহ, যেনে— বাতৰিকাকত, ৰেডিঅ' আদিৰ বিপৰীতে এই নতুন পদ্ধতিটোক 'নব্য প্রচাৰ মাধ্যম' নাম দিয়া হৈছে। নব্য প্রচাৰ মাধ্যম হ'ল অন্তঃক্রিয়াশীল। সেয়েহে ইয়াক দ্বিমুখী সংযোগ স্থাপনৰ সুবিধা আছে। ই এক ডিজিটেল প্রচাৰ মাধ্যম আৰু ইয়াৰ পৰিসৰো অতি ব্যাপক।

**২নং প্রশ্নৰ উত্তৰ ঃ** ক) অন্তঃক্রিয়াশীলতা ঙ) হ'ল গ্রাহকৰ মতামত সংগ্রহত গুৰুত্বপূর্ণ ভূমিকা পালনকাৰী উপায়

খ) বাতৰিকাকত ক) পুৰণি প্রচাৰ মাধ্যম

গ) নব্য প্রচাৰ মাধ্যম ঘ) হ'ল এক ডিজিটেল প্রচাৰ মাধ্যম

ঘ) অন্‌লাইন বাতৰিকাকত
ঙ) মেনোভিছৰ মতে
খ) ইণ্টাৰনেটৰ মাধ্যমেৰে ছার্ফ কৰিব পাৰি
গ) নব্য প্রচাৰ মাধ্যম হ'ল এক নতুন সাংস্কৃতিক পদ্ধতি

**৩নং প্রশ্নৰ উত্তৰ ঃক) হাইপাৰটেক্সট (Hypertext) ঃ** হাইপাৰটেক্সট্ হ'ল কম্পিউটাৰ এটাত থকা 'ডেটা'ৰ বিভিন্ন পৃষ্ঠাৰ মাজত থকা 'লিংক' অথবা সংযোগ। ৱর্ল্ড ৱাইড ৱেবৰ প্রচলন বৃদ্ধি পোৱাৰ লগে লগে হাইপাৰটেক্সট্ৰ ব্যৱহাৰেও জনপ্রিয়তা অর্জন কৰিছে। যেতিয়া বিপুল পৰিমাণৰ তথ্য কম্পিউটাৰৰ একেটা 'পেইজ' (Page) অথবা পৃষ্ঠাত সামৰি ল'ব পৰা নাযায়, তেতিয়া ইয়াক ভিন ভিন 'ৱেব পেইজ'ত (Web Page) বিভক্ত কৰা হয়। হাইপাৰটেক্সটৰ সহায়ত আপুনি 'মাউছ'ৰ ক্লিক জৰিয়তে এটা পৃষ্ঠাৰ পৰা আন এটা নাম পৃষ্ঠালৈ যাব পাৰে।

**খ) ডিজিটেল প্রচাৰ মাধ্যম (Digital Media) ঃ** ডিজিটেল প্রচাৰ মাধ্যম হ'ল ডিজিটেল সাংকেতিক ভাষাত কাম কৰা এটা বৈদ্যুতিক প্রচাৰ মাধ্যম। ডিজিটেল পদ্ধতিয়ে 'বাইনেৰী' (Binary) সংখ্যা '0' আৰু '1' চিনি পায়। কম্পিউটাৰে কোনো তথ্য ব্যাখ্যা কৰিবলৈ এই দুটা 'বাইনেৰী' সংখ্যাৰ ওপৰত নির্ভৰ কৰে। সংকেত উদ্ধাৰ কৰিৰ পাছতহে ই পর্দাত কোনো 'ডেটা' উপস্থাপন কৰে। নব্য প্রচাৰ মাধ্যম প্রযুক্তিসমূহক 'ডিজিটেল' বোলাৰ কাৰণ হ'ল এইবিলাক কম্পিউটাৰকৃত প্রযুক্তিৰ ওপৰত নির্ভৰশীল।

**গ) দ্বিমুখী সংযোগ (Two-way Communication) ঃ** যিটো সংযোগ প্রক্রিয়াত প্রেৰক আৰু গ্রাহক উভয়েই সক্রিয় অংশগ্রহণ কৰিব পাৰে তাকেই দ্বিমুখী সংযোগ স্থাপন ব্যৱস্থা বোলে। গ্রাহকে সক্রিয় ভূমিকা পালন কৰি প্রেৰকলৈ কোনো বিষয় সন্দর্ভত নিজৰ মতামত প্রেৰণ কৰে। ইয়াক 'টু এণ্ড ফ্রো' (To and Fro) সংযোগ স্থাপনকাৰী পন্থা বুলিও ক'ব পৰা যায়। অর্থাৎ ই হ'ল আপুনি কোনো বন্ধুৰ সৈতে কথোপকথনত লিপ্ত হোৱাৰ দৰে পদ্ধতি। নব্য প্রচাৰ মাধ্যমে এই দ্বিমুখী সংযোগ স্থাপনকাৰী ব্যৱস্থাটো মানি চলে বাবে ইয়াক অন্তঃক্রিয়াশীল মাধ্যম বুলিও জনা যায়।

**ঘ) প্রচাৰ মাধ্যমৰ তথ্য ঠেলা আৰু গ্রাহকৰ ওচৰ চপাই লোৱা কার্য (Media Push and Consumer Pull) ঃ** যেতিয়া গ্রাহকে নিবিচৰাকৈয়ে কোনো তথ্য পৰিৱেশন কৰা হয়, তেতিয়া তাক 'মিডিয়া পুশ্ব' অথবা প্রচাৰ মাধ্যমৰ তথ্য ঠেলি দিয়া কার্য বোলা হয়। কিন্তু যেতিয়া আমি, অর্থাৎ গ্রাহকে নিজে প্রচাৰ মাধ্যম বিপণীবোৰৰ জৰিয়তে তথ্য বিচাৰো, তেতিয়া তাক 'কনজ্যুমাৰ পুল' অর্থাৎ গ্রাহকৰ তথ্য ওচৰ চপাই লোৱা কার্য বোলা হয়। উদাহৰণস্বৰূপে, টেলিভিছনৰ বিজ্ঞাপনসমূহে বিভিন্ন সামগ্রীৰ তথ্য আমাক জনায়। এনে বহু সামগ্রীৰ তথ্য জনাৰ বাবে দর্শক আগ্রহী নহ'বও পাৰে। এনে কার্যকে 'মিডিয়া পুশ্ব' বুলি কোৱা হয়। কিন্তু যেতিয়া গ্রাহক এজনে কোনো এবিধ বিশেষ সামগ্রীৰ তথ্য বিচাৰি ইণ্টাৰনেট ছার্ফ কৰে, তেতিয়া তেওঁ তথ্য নিজৰ কাষ চপাই অনাৰ প্রয়াস কৰে। ইয়াকেই

'কনজ্যুমাৰ পুল' বুলি কোৱা হয়।

**৪নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যমৰ বহুকেইটা সুবিধা আছে। যিহেতু নব্য প্রচাৰ মাধ্যমত অন্তঃক্রিয়াশীলতাৰ সুবিধা আছে— সেয়েহে ব্যৱহাৰকাৰীয়ে অন্তঃব্যক্তিক সংযোগ স্থাপনৰ সুবিধা গ্রহণ কৰিব পাৰে। একে সময়তে, নব্য প্রচাৰ মাধ্যমৰ জনগণৰ মাজত প্রসাৰৰ পৰিধি অতি ব্যাপক হোৱা হেতুকে ইয়াৰ জৰিয়তে গণ প্রচাৰ মাধ্যম সংযোগ স্থাপনৰ সুবিধাও গ্রহণ কৰিব পৰা যায়। এইবোৰৰ উপৰি নব্য প্রচাৰ মাধ্যমে যোগাযোগ প্রক্রিয়া খৰতকীয়া কৰি তোলাত সহায় কৰে। ই আমাক বিশ্বৰ যিকোনো প্রান্তৰ পৰা তথ্য আহৰণ কৰাতো সহায় কৰে।

**৫নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যমৰ এটা প্রধান অসুবিধা হ'ল সৃষ্ট অথবা সংগৃহিত 'ডেটা' বেছিদিন সংৰক্ষণ কৰিব নোৱাৰি। এনে 'ডেটা' অর্থাৎ তথ্য বিভিন্ন মাধ্যমেৰে জমা কৰা হয়। কম্পিউটাৰ ফাইল, চিডি, ফ্লপি, ডিৱিডি আদি প্রদূষিত হয় (Corrupted) আৰু জৰুৰী 'ডেটা' চিৰিদিনৰ বাবে নাইকিয়া হয়।



## ১.৯ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন ঃ**

**প্রশ্ন ১ ঃ** পৰম্পৰাগত প্রচাৰ মাধ্যমসমূহ কি কি ?

**প্রশ্ন ২ ঃ** ১৯৬১ চনত বিকশিত কৰা প্রথম কম্পিউটাৰ খেল (Game) টোৰ নাম কি ?

**প্রশ্ন ৩ ঃ** এটা ডিভিডি (DVD)ৰ প্রধান কার্য কি ?

**প্রশ্ন ৪ ঃ** ইমেজ ছেঞ্জাৰ (Image Sensor) বুলিলে কি বুজে ?

**খ) চুটি প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** কি কাৰণে পুৰণি প্রচাৰ মাধ্যমৰ যোগাযোগ প্রক্রিয়াটো একমুখী (One Way Communication) ৰূপ বুলি কোৱা হয় ?

**প্রশ্ন ২ ঃ** 'ইণ্টাৰনেট বিভিন্ন নেটৱর্কৰ নেটৱর্ক' —আলোচনা কৰক।

**গ) ৰচনাধর্মী প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** কিদৰে পৰম্পৰাগত প্রচাৰ মাধ্যমৰ পৰা নব্য প্রচাৰ মাধ্যমক বৈসাদৃশ্য চিনাক্ত কৰিব পাৰি ?

**প্রশ্ন ২ ঃ** আন্তঃক্রিয়াশীলতা (Interactivity) নব্য প্রচাৰ মাধ্যমৰ প্রধান সুবিধা। —আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** নব্য প্রচাৰ মাধ্যম হৈছে গণ মাধ্যম সংযোগ আৰু অন্তর্ব্যক্তিক সংযোগৰ জোঁটক (Combination)। —ব্যাখ্যা কৰক।

**প্রশ্ন ৪ ঃ** উভয় নব্য আৰু পুৰণি প্রচাৰ মাধ্যমৰ প্রসংগত বিষয়বস্তু আৰু পৰিবেশনৰ প্রাসংগিকতা ব্যাখ্যা কৰক।

**প্রশ্ন ৫ ঃ** নব্য প্রচাৰ মাধ্যমৰ আহিলাসমূহে এটা নতুন প্রচাৰ মাধ্যম সংস্কৃতিৰ জন্ম দিছে। বহলাই লিখক।

*** ***** ***

# অধ্যায় ২ ঃ নব্য মাধ্যমৰ বৈশিষ্ট্য আৰু প্ৰকাৰ

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ নব্য মাধ্যমৰ বৈশিষ্ট্য
২.৪ নব্য মাধ্যমৰ কাৰ্যাৱলী
২.৫ নব্য মাধ্যমৰ সাধাৰণ আহিলা আৰু উদাহৰণ - ৱেবছাইট, ৱেব অভিলেখাগাৰ (Archives),সংবাদগোট, ই-মেইল আৰু ব্লগ।
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- নব্য মাধ্যমৰ সংজ্ঞা আৰু বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- নব্য মাধ্যমৰ বিভিন্ন প্ৰকাৰৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- নব্য মাধ্যমৰ সাধাৰণ উপাদানসমূহৰ সৈতে নিজকে পৰিচিত কৰিব পাৰিব।

## ২.২ পৰিচয়

আগৰ অধ্যায়টিত আমি ভাৰতত নব্য মাধ্যমৰ ঐতিহাসিক পটভূমি আৰু ইয়াৰ বিকাশ সম্পৰ্কে আলোচনা কৰিছোঁ। এই অধ্যায়টিত আমি নব্য মাধ্যমৰ বৈশিষ্ট্য আৰু প্ৰকাৰসমূহ আলোচনা কৰিম। ইয়াৰ লগতে আমি নব্য মাধ্যমৰ সংজ্ঞা আৰু ধাৰণাও উদাহৰণেৰে সৈতে আলোচনা কৰিম।

## ২.৩ নব্য মাধ্যমৰ বৈশিষ্ট্য

সৰ্বাত্মক 'নব্য মাধ্যম' সংজ্ঞাটোৱে প্ৰকৃততে মাধ্যম (media) সৃষ্টি, বিতৰণ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিস্তৃত প্ৰকাৰৰ পৰিৱৰ্তনসমূহৰ কথা সূচায়। এই পৰিৱৰ্তনসমূহ প্ৰযুক্তিগত, লিখিত শব্দ ভিত্তিক, পৰম্পৰাগত আৰু সাংস্কৃতিক। নব্য মাধ্যমৰ প্ৰাথমিক বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'লঃ-

(ক) ডিজিটেল (Digital)

(খ) আন্তঃক্ৰিয়াশীল (Interactive)

(গ) হাইপাৰটেক্সট্ মূলক

(ঘ) নেটৱৰ্কৰ দ্বাৰা পৰিচালিত (Networked)

(ঙ) ভাৰ্চুৱেল (Virtual)

(চ) কৃত্ৰিমভাৱে সৃষ্ট (Simulated)

**(ক) ডিজিটেল**

পোনপ্ৰথমে এইটো বিবেচনা কৰাৰ প্ৰয়োজন যে নব্য মাধ্যমক সহজকৈ কিয় ডিজিটেল বুলি কোৱা হয়? এই প্ৰসংগত 'ডিজিটেল' অভিধাটোৱে আচলতে কি বুজায়? ডিজিটেল মাধ্যমত ডেটা (data) হ'ল এনে এক বৈদ্যুতিক তথ্য যি ০ আৰু ১ ৰ যুগ্ম সংকেতৰ ( binary codes) ভিত্তিত অন্য ডেটা উৎপন্ন সঞ্চিত আৰু সংসাধন কৰে। ডিজিটেল প্ৰযুক্তিবিদ্যাৰ সহায়ত প্ৰেৰণ আৰু সঞ্চিত কৰা ডেটাসমূহ ০ আৰু ১ ৰ এক লানি (string) হিচাপে প্ৰকাশ কৰা হয়। এই আউটপুটসমূহৰ () সংকেত উদ্ধাৰ কৰা হয় আৰু পৰ্দাত প্ৰদৰ্শিত তথ্য হিচাপে গ্ৰহণ কৰা হয় জ্ম)। যুগ্ম সংকেত () এ ব্যৱহাৰকাৰীক অধিক সৰল আৰু দ্ৰুতভাৱে ডেটা আহৰণ কৰাৰ সুযোগ দিয়ে। সকলোবোৰ ডিজিটেল তথ্যই অনলাইন উৎস, ডিজিটেল ডিস্ক ( digital disks) অথবা মে'ৰী ড্ৰাইভত ( memory drives) পোৱা যায়। ডিজিটেল প্ৰযুক্তিবিদ্যা প্ৰধানকৈ নব্য ভৌতিক যোগাযোগ মাধ্যম, যেনে- কৃত্ৰিম উপগ্ৰহ আৰু ফাইবাৰ অপটিক্ সংকেত প্ৰেৰণ ব্যৱস্থা ( fibre optic transmission)ত ব্যৱহাৰ কৰা হয়।

ডিজিটেলৰ বিপৰীত হ'ল এনাল'গ এনাগ'গ অভিধাটোৱে কোনো ভৌতিক সম্পত্তি অথবা ডেটা উপস্থাপনৰ অন্য ভৌতিক মাধ্যম, যেনে- পুৰণি বাতৰিকাকত, অভিলেখাগাৰ আদিত তথ্য সঞ্চিত কৰা প্ৰক্ৰিয়াটোক সূচায়। এনাল'গ (Analogue) মাধ্যম এক স্থিৰ মাধ্যম; ইয়াৰ কোনো পৰিৱৰ্তন নহয়। আনহাতে, ডিজিটেল মাধ্যম অবিৰতভাৱে প্ৰৱাহিত । ডিজিটেল ডেটা অবিৰতভাৱে প্ৰৱাহিত, পৰিৱৰ্তিত আৰু উন্নীত হৈ থাকে।

**(খ) আন্তঃ ক্ৰিয়াশীলতা (**Interactivity**)**

আন্তঃ ক্ৰিয়াশীলতা হৈছে মানুহ আৰু কম্পিউটাৰ ছফ্ট্ৱেৰৰ মাজত সম্পন্ন হোৱা এক সংযোগ প্ৰক্ৰিয়া। নব্য মাধ্যমে সংযোগৰ এক দ্বি-মুখী উপায় গঢ়ি তুলিছে। ইয়াত ব্যৱহাৰকাৰীসকল কেৱল গ্ৰাহক প্ৰান্ততে () নাথাকে। নব্য মাধ্যমে উপভোক্তা তথা ব্যৱহাৰকাৰীসকলক সংযোগ প্ৰক্ৰিয়াটোৰ সৈতে আৰু অধিক জড়িত হোৱাৰ সুযোগ দিয়ে। এয়া সৰু-সু�ৰা কাৰ্য, যেনে- বাতৰিৰ কোনো অংশক লৈ মন্তব্য আগবঢ়োৱা অথবা কোনো এখন ঠাইৰ সমালোচনা আগবঢ়োৱা ইত্যাদিৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। ৱৰ্ল্ড ৱাইড ৱেবত (World Wide Web) আমি কেৱল ব্ৰাউজাৰ ()টোৰ লগতেই আন্তঃ ক্ৰিয়া সম্পন্ন নকৰোঁ, ৰৱঞ্চ ব্ৰাউজাৰটোৱে আমালৈ আগবঢ়োৱা পৃষ্ঠাসমূহৰ সৈতেও আন্তঃ ক্ৰিয়াশীল হওঁ। ৱেব ব্যৱহাৰ কৰাৰ সময়ত অন্য পৃষ্ঠাসমূহৰ সৈতে আমাৰ সংযোগ

ঘটোৱা হাইপাৰটেক্সট্ নামৰ সৰল আমন্ত্ৰণসমূহে ( implicit invitations) হ'ল আন্ত ঃ ক্ৰিয়াশীলতাৰ আটাইতকৈ সাধাৰণ উদাহৰণ। আন্তঃ ক্ৰিয়াশীলতাই সাঙুৰি লোৱা বিষয়সমূহ হ'লঃ আন্তঃ ক্ৰিয়াশীল সংযোগ ব্যৱস্থা, হাইপাৰটেক্সট্ ভিত্তিক দিক্ নিৰ্দেশনা, নিমজ্জিত দিক্ নিৰ্দেশনা (immersive navigation), পঞ্জীয়ন ভিত্তিক আন্তঃক্ৰিয়াশীলতা, আৰু লিখিত শব্দ ভিত্তিক ব্যাখ্যা (texual interpretations)। আন্তঃক্ৰিয়াশীলতাৰ আটাইতকৈ সাধাৰণ উদাহৰমটো ভিডিঅ' গে'ম সমূহৰত পোৱা যায়। ইয়াত গে'মাৰ জনৰ সৈতে নিৰৱছিন্নভাৱে আন্তঃ ক্ৰিয়াশীলতা অক্ষুণ্ণ ৰখাৰ প্ৰয়োজন হয়। আন্তঃ ক্ৰিয়াশীলতা হ'ল মাধ্যমৰ লিখিত তথ্যসমূহত () ব্যৱহাৰকাৰীৰ মনোনিৱেশৰ প্ৰয়োজন হোৱা এক শক্তিশালী উপস্থাপন। তাৰোপৰি ইয়াকে জ্ঞানৰ উৎস, ব্যক্তিগত মাধ্যমৰ ব্যৱহাৰ আৰু উৎকৃষ্ট বাছনিৰ সৈতে থকা এক অধিক স্বাধীন সম্পৰ্ক বুলিও ক'ব পাৰি।

**(গ) হাইপাৰটেক্সট্ মূলক বৈশিষ্ট্য**

ই হ'ল কম্পিউটাৰে যোগান ধৰা সকলো ধৰণৰ ডেটাৰ মাজত থকা অক্ৰমিক সংযোগৰ এক উদ্ধৃতি। ই কম্পিউটিং ইতিহাসৰো এক গুৰুত্বপূৰ্ণ অংশ। বিশেষকৈ হাইপাৰটেক্সটে কম্পিউটাৰৰ কাৰ্য সম্পাদন প্ৰণালী, ছফ্ট্ৱেৰ আৰু ডাটাবেছৰ সৈতে থকা মানৱ মনৰ কাৰ্য সম্পাদন সম্পৰ্কীয় ধাৰণাসমূহ বুজি পায়। সেইফালৰ পৰা হাইপাৰটেক্সটৰ গুৰুত্ব অধিক।

**(ঘ ) নেটৱৰ্কৰ দ্বাৰা পৰিচালিত**

এই বৈশিষ্ট্যটোৱে ইণ্টাৰনেট মাধ্যমৰ জৰিয়তে বিষয়বস্তু আদান-প্ৰদানৰ সহজলভ্যতাক সূচায়। ইয়াৰ লগত পণ্যদ্ৰব্য ভোগকৰণ () ৰ বিষয়টো জড়িত থাকে। ইয়াৰ এক মুখ্য উদাহৰণ হ'ল আমি কৰা মাধ্যমৰ লিখিত শব্দ তথ্য সমূহৰ ব্যৱহাৰ (উপভোগকৰণ)। ইয়াৰ বাবে এতিয়া আমাৰ হাতত বিভিন্ন ক্ষেত্ৰত উচ্চ হাৰৰ বৈসাদৃশ্য থকা এক বৃহৎ সংখ্যক লিখিত শব্দ তথ্য সহজলভ্য হৈ পৰিছে।

**(ঙ ) ভাৰ্চুৱেল (**Virtual**)**

এই বৈশিষ্ট্যটোৱে এখন বাস্তৱ-ভ্ৰম সৃষ্টিকাৰী জগতৰ কথা সূচায়। কম্পিউটাৰ গ্ৰাফিক্স্ আৰু ডিজিটেল ভিডিঅ'ৰ দ্বাৰা সংগঠিত এক পৰিৱেশত নিমজ্জিতভৱন অথবা নিয়োজনৰ দ্বাৰা এই জগতখন সৃষ্টি কৰা হয়। ইয়াত ব্যৱহাৰকাৰীসকলে নিজ আন্তঃ ক্ৰিয়াশীলতা নিয়ন্ত্ৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, ভিডিঅ' গে'মবোৰে ব্যৱহাৰকাৰীসকলক এখন ভৰ্চুৱেল মঞ্চ প্ৰদান কৰে য'ত তেওঁলোকে আন্তঃক্ৰিয়া সম্পন্ন কৰিব পাৰে আৰু কিছু পৰিমাণে হ'লেও নিজৰ বাস্তৱ-ভ্ৰমৰ দ্বাৰা সৃষ্ট জীৱনটো নিয়ন্ত্ৰণ কৰিব পাৰে।

**(চ ) কৃত্ৰিমভাৱে সৃষ্টিকৰণ (** Simulation**)**

ইয়াক আমি ভিডিঅ' গে'মৰ বিষয়ে দাঙি ধৰা পূৰ্বৱৰ্তী উদাহৰণসমূহৰ সৈতে সংলগ্ন কৰিব পাৰোঁ। কৃত্ৰিমভাৱে সৃষ্ট গে'মবোৰে ব্যৱহাৰকাৰীসকলক ডিজিটেল প্ৰযুক্তিবিদ্যাৰে উপস্থাপিত অথবা কৃত্ৰিমভাৱে সৃষ্ট এক ভাৰ্চুৱেল জীৱনত নিমজ্জিত কৰে। ইংৰাজী ভাষাৰ চিমুলেশ্যন শব্দটোৰ অৰ্থ হ'ল যিকোনো কৃত্ৰিম অথবা ভুৱা বস্তু নাইবা পৰিৱেশ সৃষ্টিকৰণ।

কম্পিউটাৰ মাধ্যমত ইয়াৰ অৰ্থ হ'ল বাস্তৱ পৃথিৱীক প্ৰতিনিধিত্ব কৰা এখন কৃত্ৰিম পৃথিৱীৰ সৃষ্টিকৰণ। এক প্ৰাৰম্ভিক চৰ্তৰ সমষ্টি সংযোজিত একোটা গাণিতিক আৰ্হিৰ সহায়ত এনে সৃষ্টি কৰা হয়। সময় অগ্ৰসৰ হোৱাৰ লগে লগে ভাৰ্চুৱেল জগতত ভৱিষ্যৎ বাণী কৰা (predictions) আৰু দৃশ্য দেখাৰ সুযোগ পোৱা যায়।

এই প্ৰক্ৰিয়াটোৱে প্ৰতিষ্ঠিত ধাৰণাসমূহৰ ঠাই অধিগ্ৰহণ কৰিছে। কৃত্ৰিমভাৱে সৃষ্টিকৰণ প্ৰক্ৰিয়াটোক অধিক জটিল বস্তুৰ অনুকৰণ অথবা উপস্থাপন হিচাপে দোষাৰোপ কৰিব পাৰি। বৰ্তমান সময়ত, আমাৰ হাতত বিমান সম্বন্ধীয় কৃত্ৰিম সৃষ্টিকৰণ (Flight Simulations) , গাড়ীচালনা সম্বন্ধীয় কৃত্ৰিম সৃষ্টিকৰণ ( Driving Simulations) আৰু জাহাজ চালনা সম্বন্ধীয় কৃত্ৰিম সৃষ্টিকৰণ প্ৰক্ৰিয়াও উপলব্ধ আছে।

## ২.৪ নব্য মাধ্যমৰ কাৰ্যাৱলী

ইংৰাজী ভাষাৰ 'মিডিয়াম' শব্দটোৰ অৰ্থ হ'ল যোগাযোগৰ মাধ্যম আৰু 'মিডিয়া' শব্দটো হ'ল 'মিডিয়াম' শব্দটোৰ বহুবচন সেয়েহে নতুনেই হওঁক অথবা পুৰণি, সকলো মাধ্যমেই কিছু পাৰ্থক্যৰে সৈতে কিছুমান কাৰ্যাৱলী সম্পাদন কৰে। তলত নব্য মাধ্যমৰ সাধাৰণ কাৰ্যাৱলীসমূহ আলোচনা কৰা হ'ল।

**(ক) তথ্য**

তথ্য প্ৰসাৰৰ মাত্ৰা বৃদ্ধি কৰাটো নব্য মাধ্যমৰ এক প্ৰধান কাৰ্য। ইণ্টাৰনেটৰ দৰে গণমাধ্যমসমূহে যোগান ধৰা তথ্য মন্তব্যভিত্তিক, বস্তুনিষ্ঠ, বিষয়নিষ্ঠ, প্ৰাথমিক আৰু গৌণ প্ৰকৃতিৰ হ'ব পাৰে। গণ মাধ্যমৰ তথ্য অৱগত কৰোৱা কাৰ্যাৱলীয়ে দৰ্শকক চৌপাশত ঘটি থকা ঘটনা সম্পৰ্কে জনায় আৰু সত্য উদ্‌ঘাটনত সহায় কৰে। পূৰ্বতে মানুহে তথ্যৰ বাবে বিশেষকৈ ৰেডিঅ', টিভিত সম্প্ৰচাৰিত বাতৰি আৰু বাতৰিকাকত অথবা আলোচনী প্ৰকাশিত বিভিন্ন স্তম্ভ লেখনীৰ ওপৰত নিৰ্ভৰ কৰিছিল। কিন্তু এতিয়া বেছি সংখ্যক তথ্যই ইণ্টাৰনেট মুখী (oriented) মাধ্যমৰ দ্বাৰা বিতৰণ তথা আহৰণ কৰা হয়।

**(খ) শিক্ষা**

নব্য মাধ্যমে শিক্ষা আৰু তথ্য একেলগে প্ৰদান কৰে। ই সকলো স্তৰৰ লোকৰ বাবে বিভিন্ন বিষয়ৰ শিক্ষা দিয়ে। এই মাধ্যমসমূহে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে বিভিন্ন ধৰণৰ বিষয়বস্তু ব্যৱহাৰ কৰি মানুহক শিক্ষা প্ৰদান কৰে। উদাহৰণস্বৰূপে, দূৰ শিক্ষা কাৰ্যসূচীবোৰ হ'ল এক প্ৰত্যক্ষ শিক্ষাদানপ্ৰক্ৰিয়া। নাটক, তথ্যচিত্ৰ, সাক্ষাৎকাৰ, বিশেষ কাহিনী আৰু অন্যান্য বহুতো অনুষ্ঠান হ'ল মানুহক পৰোক্ষভাৱে শিক্ষা প্ৰদান কৰাৰ মাধ্যম। উন্নয়ণশীল ৰাষ্ট্ৰসমূহত নব্য মাধ্যমক গণ সচেতনতা বৃদ্ধিৰ প্ৰভাৱশালী আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। নেপালত মাধ্যমসমূহৰ অবিৰত পৃষ্ঠপোষকতাৰ ফলস্বৰূপে বিভিন্ন পৰম্পৰাগত তথা অন্ধবিশ্বাসভিত্তিক অনুশীলন সমাজৰ পৰা নাইকিয়া হ'বলৈ ধৰিছে।

### (গ) মনোৰঞ্জন

নব্য মাধ্যমৰ অন্য এক গুৰুত্বপূৰ্ণ কাৰ্য হ'ল মনোৰঞ্জন প্ৰদান। ইয়াক যিকোনো মাধ্যমৰে আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য বুলিও গণ্য কৰা হয়। মনোৰঞ্জন হ'ল কে প্ৰকাৰৰ পৰিৱেশন যিয়ে মানুহক আনন্দ দিয়ে। নব্য মাধ্যমে দৰ্শকক আমোদ দি আৰু উদ্বেগ লাঘৱত সহায় কৰি এই কাৰ্যটো সম্পাদন কৰে। নব্য মাধ্যমে ইয়াৰ দৰ্শকসকলক মনোৰঞ্জন প্ৰদান কৰিবলৈ বাতৰি, সংগীত, ঘটনা, চলচিত্ৰ, ধাৰাবাহিক আৰু হাস্যৰসাত্ম অনুষ্ঠানৰ যোগান ধৰে। এই অনুষ্ঠানসমূহে দৰ্শকক সকলক সজীৱ কৰে আৰু তেওঁলোকৰ আজৰি সময় অধিক উপভোগ্য কৰি তোলে। আজিকালি, নব্য মাধ্যম সমূহে মনোৰঞ্জনকাৰী অনুষ্ঠান সমূহত তথ্য আৰু শিক্ষাও অন্তৰ্ভুক্ত কৰিছে। মনোৰঞ্জন আৰু তথ্যৰ এই সংমিশ্ৰণটোক ইংৰাজী ভাষাত ইন্‌ফ'টেইনমেণ্ট (Infotainment) বুলি কোৱা হয়। ঠিক একে-ধৰণে, মনোৰঞ্জনকাৰী অনুষ্ঠান সমূহত শিক্ষাৰ অন্তৰ্ভুক্তি ঘটোৱাটোক এডুটেইন্‌মেণ্ট (edutainment) বুলি কোৱা হয়।

### (ঘ) সামাজিকীকৰণ

সামাজিকীকৰণ হ'ল সংস্কৃতিৰ প্ৰচাৰ নব্য মাধ্যমে ইণ্টাৰনেট সংস্কৃতি অথবা তথ্য সমাজৰ সংস্কৃতি বুলি জনাজাত গোলকীয় সংস্কৃতি বিতৰণ তথা প্ৰসাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। নব্য মাধ্যমৰ অন্তৰ্গত সামাজিক নেটৱৰ্কিং ছাইট, যেনে- ফে'চবুক আৰু টুইটাৰে মানুহক, বিশেষকৈ শিশু আৰু নৱাগতসকলৰ সামাজিকীকৰণ ঘটাইছে। এই ছাইট (site ) সমূহে বিশ্বজুৰি অসংখ্যা লোকৰ মাজত সংযোগ স্থাপন কৰি সকলোৰে বাবে এখন সাধাৰণ মঞ্চৰ যোগান ধৰিছে। এই মঞ্চত ভিন্ন ধাৰণা, আৱেগ, জীৱনশৈলী, বিষয়ভিত্তিক প্ৰতিক্ৰিয়া, ব্যৱহাৰ আৰু অন্যান্য বহুতো বস্তুৰ বিনিময় হয়। এই বিনিময়ে অৱশেষত ব্যৱহাৰকাৰী সকলক আটাইতকৈ সাধাৰণভাৱে গৃহীত আচৰণসমূহ অনুকৰণ কৰাৰ মানসিকতা প্ৰদান কৰে। কিয়নো ব্যৱহাৰকাৰীসকলৰ অৱচেতন মনত এইটো আশংকাই গঢ় লৈ উঠে যে যদিহে তেওঁলোকে সংখ্যাগৰিষ্ঠ সকলৰ শাৰীত নাহে তেন্তে তেওঁলোকে বন্ধুত্বও হেৰুৱাব। সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া যাৰ সহায়ত মানুহক তেওঁলোকৰ সংস্কৃতি অনুসৰি অথবা সমাজত গ্ৰহণযোগ্য ধৰণে আচৰণ কৰিবলৈ শিকোৱা হয়। এই প্ৰক্ৰিয়াটোৰ জৰিয়তে মানুহে কেনেদৰে এখন সমাজৰ সদস্য হ'ব পাৰে অথবা কেনেদৰে বৃহত্তৰ মানৱ সমাজৰ অংশীদাৰ হ'ব পাৰে সেই বিষয়ে শিক্ষা লাভ কৰে। যেতিয়াই এগৰাকী ব্যক্তিয়ে বাতৰিকাকত পঢ়ে অথবা টেলিভিছন চায়, তেওঁ সমাজৰ আন লোকসকলে কোনো বিষয়ত কেনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু নিৰ্দ্দিষ্ট ঘটনা, সমস্যা অথবা পৰিস্থিতিক লৈ কেনেধৰণৰ মতামত তথা আদৰ্শ পোষণ কৰে সেই সম্পৰ্কে অৱগত হয়।

### (ঙ) ব্যক্তিগত সহযোগিতা

নতুন চাকৰিৰ সন্ধান কৰা, বেংক একাউণ্ট নিৰীক্ষণ কৰা, টিকট ক্ৰয় কৰা, পৰিয়ালবৰ্গ, বন্ধু-বান্ধৱী তথা সহকৰ্মীৰ সৈতে যোগাযোগ কৰা, গৱেষণা কৰা, নতুন কৌশল আয়ত্ত কৰাই হ'ওক অথবা এখন অচিনাকি ঠাইৰ নক্সা চাই ভ্ৰমণ কৰাই হওঁক, নব্য মাধ্যমে আমাৰ দৈনন্দিন প্ৰয়োজনসমূহ পূৰণত ব্যক্তিগত সহযোগী হিচাপে যথষ্টে অৱদান আগবঢ়াইছে।



### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ নব্য মাধ্যমৰ মূল বৈশিষ্ট্যসমূহ কি কি?

.....

.....

.....

প্ৰশ্ন ২ ঃ ডিজিটেল তথ্যসমূহ সাধাৰণতে ক'ত বিচাৰি পোৱা যায়?

.....

.....

.....

প্ৰশ্ন ৩ ঃ অনলাইন আন্তঃক্ৰিয়াশীলতা বুলিলে কি বুজায় ?

.....

.....

.....

প্ৰশ্ন ৪ ঃ নব্য মাধ্যমে ব্যৱহাৰকাৰীসকলক কেনেদৰে মনোৰঞ্জন দিয়ে?

.....

.....

.....



### চিন্তা-চৰ্চা কৰক ২.১

১ ঃ ইণ্টাৰনেটত আপুনি সন্মুখীন হোৱা সমস্যা এটা চিনাক্ত কৰক। এটা পি এছ এ (গণ সেৱা ঘোষণা-) সৃষ্টি কৰক যিটোৱে আপোনাৰ সমস্যাটো ৰাজহুৱা কৰিব আৰু বিষয়টো সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰিব অথবা এক নিৰ্দ্দিষ্ট সমাধানৰ পোষকতা কৰিব।

২ ঃ আপুনি প্ৰস্তুত কৰা (পি এছ এ) ঘোষণাটোৰ আৰ্হি প্ৰস্তুত কৰক আৰু শ্ৰেণী বুলেটিন ব'ৰ্ডত আঁৰক। নাইবা আপুনি ঘোষণাটো কম্পিউটাৰত এম এছ পেইণ্ট অথবা ফটোশ্প'পৰ সহায়ত সজাই ফে'চবুকত আপল'ড কৰি তাৰ স্ক্ৰীণ্শ্বট এটা আপোনাৰ শিক্ষকক দেখুৱাওক।

## ২.৫ নব্য মাধ্যমৰ সাধাৰণ আহিলা আৰু উদাহৰণ

**(ক) ব্যক্তিগত সহযোগিতা ঃ** ছাইট অথবা ৱেবছাইট হ'ল পাৰস্পৰিক সম্পৰ্ক থকা বিভিন্ন

ৱেব পৃষ্ঠা সম্বলিত এক কেন্দ্ৰীয় অৱস্থান য'ত ব্ৰাউজাৰ এটা ব্যৱহাৰ কৰি গৃহ পৃষ্ঠাটো দৰ্শন কৰি ৱেবছাইট এটাত প্ৰৱেশ কৰিব পাৰি। ৱেবছাইটৰ বহুতো কাৰ্যাৱলী থাকে আৰু সেইবোৰ বিভিন্ন ধৰণে ব্যৱহাৰ কৰিব পাৰি। কোনোএটা ৱেবছাইট ব্যক্তিগত, কোনো কোম্পানীৰ বাণিজ্যিক, চৰকাৰী, অথবা কোনো এক স্বেচ্ছাসেৱী সংগঠনৰ ৱেবছাইট হ'ব পাৰে।

ৱেবছাইটৰ প্ৰকাৰ ঃ

ৱেবছাইটসমূহ দুটা প্ৰধান ভাগত বিভক্ত কৰিব পাৰি। এটা হ'ল স্থিৰ (static) আৰু আনটো হ'ল আন্তঃক্ৰিয়াশীল (interactive)। স্থাৰি ছাইটসমূহে তথ্য যোগান ধৰে অথবা ধৰি ৰাখে, কিন্তু, এই ৱেবছাইটবোৰে দৰ্শক অথবা ব্যৱহাৰকাৰীসকলৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্ক স্থাপন নকৰে। আন্তঃক্ৰিয়াশীল ছাইটসমূহ ৱেব ২.০ সম্প্ৰদায়ৰ (community) অংশ আৰু এই ছাইটসমূহে ছাইটৰ গৰাকী আৰু ছাইটৰ দৰ্শক অথবা ব্যৱহাৰকাৰীসকলৰ মাজত আন্তঃ ক্ৰিয়াশীলতা স্থাপনৰ বাবে অনুমোদন দিয়ে। কিছুমান ৱেবছাইট তথ্যভিত্তিক অথবা উদ্যমী লোকৰ দ্বাৰা প্ৰযোজিত আৰু আন কিছুমান ব্যক্তিগত উদ্দেশ্য অথবা মনোৰঞ্জনৰ বাবে ব্যৱহৃত। বহুতো ৱেবছাইটে এক অথবা ততোধিক বাণিজ্যিক আৰ্হি ব্যৱহাৰ কৰি টকা উপাৰ্জন কৰাৰ চেষ্টা কৰে। এনেধৰণৰ বাণিজ্যিক আৰ্হিসমূহ হ'ল-

- মনোগ্ৰাহী বিষয়বস্তু উপস্থাপন কৰা, প্ৰত্যক্ষ বিক্ৰী অথবা এক বিজ্ঞাপন নেটৱৰ্কৰ মাধ্যমেৰে প্ৰাসঙ্গিক বিজ্ঞাপন বিক্ৰী কৰা।
- ই-কমাৰ্চঃ এই আৰ্হিটোৰে পৰিচালিত ৱেবছাইটৰ পৰা বিভিন্ন সামগ্ৰী অথবা সেৱা প্ৰত্যক্ষভাৱে ক্ৰয় কৰিব পাৰি।
- ব্ৰিক্ এণ্ড ম'টাৰ (brick and mortor) ব্যৱসায়ত সহজলভ্য উৎপাদিত সামগ্ৰী অথবা সেৱাসমূহৰ বিজ্ঞাপন দিব পৰা যায়।
- ফ্ৰীমীয়াম (Freemium) এই আৰ্হিটোত মৌলিক বিষয়বস্তুবোৰ বিনামূলীয়াকৈ পোৱা যায় কিন্তু বিশেষ বিষয়বস্তুবোৰ গ্ৰাহকে ক্ৰয় কৰিব লাগে। ইয়াৰ এক উদাহৰণ হ'ল ৱ'ৰ্ডপ্ৰেছ ৱেবছাইট। ই হ'ল ব্লগ্ অথবা ৱেবছাইট গঢ়ি তোলাৰ বাবে এক মুক্ত উৎসৰ মঞ্চ (Open source platform)।

  ৱেবছাইটবোৰ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে আৰু প্ৰত্যেকটো ৱেবছাইটে এক নিৰ্দ্দিষ্ট ধৰণৰ বিষয়বস্তু অথবা ব্যৱহাৰ কেন্দ্ৰিক। এই ৱেবছাইটসমূহ যাদৃচ্ছিকভাৱে যিকোনো ধৰণে শ্ৰেণীবিভাজিত কৰিব পাৰি।

**(খ) ৱেব অভিলেখাগাৰ (Web Archives) ঃ** ৱেব অভিলেখা গাৰসমূহ হ'ল একো একোটা ডিজিটেল পুথিভঁৰাল। ইয়াত ডিজিটেল ৰূপ দিয়া তথ্যৰ সংগ্ৰহ থকাৰ লগতে ৱেবছাইট, ছফ্ট্ৱেৰ এপ্লিকেশ্যন, গে'ম, চলচিত্ৰ, ভিডিঅ', গতিশীল ছবি, আৰু প্ৰায় ক্ৰিশ লাখ ৰাজহুৱা ড'মেইন (momain)ত থকা ডিজিটেল গ্ৰন্থৰ বিনামূলীয়া অথবা মূল্য পৰিশোধযোগ্য ৰাজহুৱা প্ৰৱেশধিকাৰ থাকে। ইণ্টাৰনেট অভিলেখাগাৰে

জনসাধাৰণক ইয়াৰ ডেটা ক্লাষ্টাৰ (Data Cluster) ৰ ডিজিটেল সামগ্ৰীসমূহ আপল'ড অথবা ডাউনল'ড কৰাৰ সুযোগ দিয়ে। ইয়াৰ বৃহৎ সংখ্যক ডেটা ৰেব ক্ৰ'লাৰ ( Web crawlers) বোৰৰ দ্বাৰা স্বয়ক্ৰিয়ভাৱে সংগ্ৰহ কৰা হয়। ক্ৰ'লাৰবোৰে যিমানখিনি সম্ভৱ সিমানখিনি ৰাজহুৱা ৰেব সংৰক্ষণৰ চেষ্টা চলায়।

ব্ৰিউষ্টাৰ কাহ্লে (Brewster Kahle)ঃ ১৯৯৬ চনত লাভ অৰ্জনৰ উদ্দেশ্যেৰে প্ৰথমটো ক্ৰ'উলিং কোম্পানী স্থাপন কৰিছিল। কোম্পানীটোৰ নাম আছিল এলেক্সা ইণ্টাৰনেট (Alexa Internet) ১৯৯৬ চনৰ অক্টোবৰ মাহত এই ইণ্টাৰনেট অভিলেখাগাৰটোৱে বৃহৎ হাৰত ৱৰ্ল্ড ৱাইড ৱেবৰ (Word wide web) সংৰক্ষণ আৰু অভিলেখনৰ কাম আৰম্ভ কৰে। ই ১৯৯৬ চনৰ মে' মাহতেই প্ৰাথমিক পৃষ্ঠাকেইটামান সংৰক্ষণ কৰিছিল। এই অভিলেখা গাৰত সঞ্চিত বিষয়বস্তুসমূহ ২০০১ চনলৈ ৰাজহুৱাভাবে সহজলভ্য নাছিল। ২০০১ চনত ৱে-বেক যন্ত্ৰৰ (Way-back machine) বিকাশৰ পাচতহে সেইবোৰ ৰাজহুৱাভাৱে সহজলভ্য হয়।ৱেব অভিলেখা গাৰসমূহ আচলতে পুৰণিৰ পৰা নতুন ধৰণৰ মাধ্যমলৈ স্থানান্তৰ কৰাৰ এক প্ৰধান মঞ্চ। ডিজিটেল গ্ৰন্থাগাৰ, অডিঅ' গ্ৰন্থাগাৰ, ভিজিঅ' অভিলেখা গাৰ, স্থিৰ ছবি আৰু গতিশীল ছবিৰ সংগ্ৰহ আদিয়ে ডেটা আহৰণ তথা সঞ্চিত কৰাটো অধিক সহজ কৰি তুলিছে।

**(গ) নিউজগ্ৰুপ ( Newsgroup) ঃ** নিউজগ্ৰুপ হ'ল বুলেটিন ব'ৰ্ড চিষ্টেম (Bulletin Board System, BBS)ৰ লেখীয়া এক ইণ্টাৰ নেট-স্থিত আলোচনা গোট, গোটটো যি বিষয়ক কেন্দ্ৰ কৰি সংগঠিত হয় ইয়াৰ সদস্যসকলে তাৰ লগত জড়িত বাৰ্তা উপস্থাপন কৰে। নিউজগ্ৰুফসমূহ সাধাৰণতে ইউজনেট (USENET) নামৰ আলোচনা গোটসমূহৰ নেটৱ'ৰ্কটোত বিচাৰি পোৱা যায়, ইয়াত অসংখ্যা ব্যৱহাৰকাৰীয়ে নিউজৰিডাৰ () নামৰ ছফট্ৱেৰ এটা ব্যৱহাৰ কৰি উপস্থাপিত বিষয়সমূহ অথবা প্ৰৱন্ধসমূহ পঢ়ে। ব্যৱহাৰকাৰীসকলে উপস্থাপিত বিষয়বস্তু সমূহ প্ৰতিক্ৰিয়া হিচাপে মন্তব্য আগবঢ়াব পাৰে তথা প্ৰশ্নও সুধিব পাৰে। ইণ্টাৰনেটত এক বিস্তৃত পৰিসৰৰ বিষয় সামৰি হাজাৰ হাজাৰ নিউজগ্ৰুপ বৰ্তি আছে। নিউজগ্ৰুপসমূহক সাধাৰণতে কেইটামান প্ৰাথমিক শ্ৰেণীত বিভক্ত কৰিব পাৰি। কিছুমান নিউজগ্ৰুপ পূৰ্ব-অনুমোদিত আৰু এইবোৰে এক নিৰ্দ্দিষ্ট বিষয় সামৰি লয়। আন কিছুমান নিউজগ্ৰুপ আছে যিবোৰ যিকোনো লোকে সৃষ্টি কৰিব পাৰে আৰু ইয়াত যিকোনো বিষয়ৰ আলোচনা চলিব পাৰে। নিউজগ্ৰুপসমূহক নিয়ন্ত্ৰিত (moderated) হিচাপে (য'ত উপস্থাপন সমূহ অনুমোদিত হোৱাতো বাঞ্ছনীয়) অথবা অ-নিয়ন্ত্ৰিত ( un-moderated) হিচাপেও শ্ৰেণীবিভাজিত কৰা হয়।

নিউজগ্ৰুপৰ নামসমূহ বিন্দুৰ (dots) দ্বাৰা পৃথক কৰাএকাধিক অংশেৰে গঠিত অংশবোৰে নিউজগ্ৰুপটো সামৰি লোৱা বিষয়সমূহ সূচায়। নামৰ অংশসমূহে কম বৈশিষ্ট্যপূৰ্ণ বিষয়ৰ পৰা অধিক বৈশিষ্ট্যপূৰ্ণ বিষয়লৈ গতি কৰে। উদাহৰণস্বৰূপে,

(comp.sys. samsung2) শীৰ্ষক গোটটোৱে কম্পিউটাৰ (এক সাধাৰণ বিষয়, কম্পিউটাৰ চিষ্টেম কম্পিউটাৰৰ এক বিষয়) আৰু ছেমছাং II (এক নিৰ্দ্দিষ্ট কম্পিউটাৰ ব্যৱস্থা)- এই তিনিটা বিষয়ৰ আলোচনা কৰে। গোটসমূহৰ কেইটামান সাধাৰণ বিষয় হ'ল comp (কম্পিউটাৰ), rec (পূনঃ সৃষ্টি), আৰু Sci (বিজ্ঞান)। alt (অল্ট) এৰে আৰম্ভ হোৱা বিকল্প গোটসমূহকে (Alternative groups) ধৰি আন আন গোটসমূহেও একেই ক্ৰম মানি চলে।

ব্লগ্ আৰু বার্তা ব'ৰ্ডসমূহে (Message Boards) বহুতো নিউজগ্ৰুপৰ স্থান অধিগ্ৰহণ কৰিছে যদিও নিউজ গ্ৰুপসমূহ এতিয়াও জনপ্ৰিয়। ২০০১ চনত আমেৰিকাৰ চার্চ ইণ্ডিন কোম্পানী (search engine company) গুগল ইংকে (Google Inc.) ১৯৮১ চনৰ পৰা বর্তি থকা ইউজনেট উপস্থাপনসমূহৰ ( USENET postings) অভিলেখা গাৰটো ক্ৰয় কৰে। ২০ বছৰীয়া ইউজনেট অভিলেখাগাৰটো ব্যৱহাৰকাৰীক যোগান ধৰাৰ লগতে কোম্পানীটোৱে নিউজগ্ৰুপসমূহক নতুন ব্যৱহাৰকাৰীৰ মাজত জনপ্ৰিয় কৰিবলৈ গুগল গোটৰ (Google groups) সূচনা কৰে।

**(ঘ) ই-মেইল (Email) ঃ** ই- মেইল, অথবা ইলেক্ট্ৰ'নিক মেইল () হ'ল এটা নেটৱ'ৰ্কৰ সহায়ত ডিজিটেল কম্পিউটাৰৰ মাজত সম্পন্ন হোৱা বার্তা প্ৰেৰণ আৰু গ্ৰহণ প্ৰক্ৰিয়া। এটা ই-মেইল ব্যৱস্থাই কম্পিউটাৰ ব্যৱহাৰকাৰীসকলক নেটৱ'ক এটাৰ মাজেৰে আন আন ব্যৱহাৰকাৰীসকললৈ লিখিত তথ্য, গ্ৰাফিকচ্, আৰু মাজে -সময়ে ধ্বনি আৰু জীৱন্ত ছবি (animated images) প্ৰেৰণ কৰাৰ সুবিধা প্ৰদান কৰে। বেছিভাগ নেটৱ'কত, অজস্ৰ ব্যৱহাৰকাৰীৰে গঠিত এক গোটলৈ অথবা বাছনিকৃত এক গোটলৈ অথবা মাত্ৰ এগৰাকী ব্যক্তিলৈ সমান্তৰালভাৱে ডেটা প্ৰেৰণ কৰিব পাৰি। নেটৱ'ৰ্ক ব্যৱহাৰকাৰীসকলৰ একো একোটা নিজস্ব মেইলবক্স ( mailbox) থাকে। মেইলবক্সে ডেটা গ্ৰহণ, সংৰক্ষণ আৰু আদান-প্ৰদান, প্ৰক্ৰিয়া সমূহ সূচাৰুৰূপে পৰিচালনা কৰে। গ্ৰাহকসকলে ডেটাসমূহ চাবলৈ, ছপা কৰিবলৈ, সংৰক্ষণ কৰিবলৈ সম্পাদনা কৰিবলৈ, উত্তৰ দিবলৈ, অগ্ৰসৰ হ'বলৈ (forward)। অথবা যোগাযোগসমূহক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ উপযুক্ত বিকল্প বাছনি কৰিব পাৰে। বহুতো ই-মেইল ব্যৱস্থাৰ উন্নত বৈসিষ্ট্য আছে যিয়ে ব্যৱহাৰকাৰীসকলক বার্তা লাভৰ সংকেত দিয়ে অথবা তেওঁলোকক বিশেষ গোপনীয়তা অৱলম্বন কৰাৰ সুবিধা দিয়ে। বৃহৎ নিগম তথা প্ৰতিষ্ঠানসমূহে ই-মেইল ব্যৱস্থাসমূহক কর্মচাৰী আৰু তেওঁলোকৰ নেটৱ'ৰ্কৰ অনুজ্ঞাপ্ৰাপ্ত লোকসকলৰ মাজত সংযোগ স্থাপনৰ এক গুৰুত্বপূর্ণ আহিলা হিচাপে ব্যৱহাৰ কৰে। ই-মেইল গুৰুত্বপূর্ণ ৰাজহুৱা অনলাইন আৰু বুলেটিন ব'ৰ্ড ব্যৱস্থাসমূহতো সহজলভ্য। অধিকসংখ্যক ই-মেইল সেৱাই বিনামূলীয়া অথবা কম- খৰছী গোলকীয় যোগাযোগ নেটৱ'ৰ্ক ৰূপে **কাম কৰি আছে।**

**(ঙ) ব্লগ্ ঃ** ব্লগ্ অথবা ৱেব ল'গ (Web log) অথবা ৱেব্লগ (Web log) হ'ল এক অনলাইন পত্ৰিকা (Journal)। ইয়াত এগৰাকী ব্যক্তি, একোটা গোট অথবা নিগমে (Corporation) নিজৰ কাৰ্যকলাপ, ভাৱধাৰা অথবা প্ৰচলিত বিশ্বাস আদিৰ খতিয়ান দাঙি ধৰে। কিছুমান ব্লগ'গে প্ৰধানতঃ সংবাদ পৰিস্ৰাৱক (news filter) ৰ ভূমিকা পালন কৰে, বিভিন্ন অনলাইন উৎস সংগ্ৰহ কৰে, আৰু চমু মন্তব্য তথা ইণ্টাৰনেট লিংকৰ সুবিধা প্ৰদান কৰে। অন্যান্য ব্লগসমূহে মৌলিক বিষয়বস্তু উপস্থাপনত মনোবিৱেশ কৰে। ইয়াৰ উপৰি, বহুতো ব্লগে ব্যৱহাৰকাৰীক মন্তব্য আগবঢ়াবলৈ আৰু প্ৰকাশকৰ লগত আন্তঃক্ৰিয়া সম্পাদন কৰিবলৈ একোখন ফ'ৰামৰ (Forum) যোগান ধৰে। 'ব্লগ্ কৰা' ই (To blog) হ'ল ব্লগ এটাৰ বাবে বিষয়বস্তুবোৱক প্ৰধানতঃ লিখিত ৰূপ দিয়া হয়। কিন্তু ছবি, অডিঅ' আৰু ভিডিঅ'সমূহো বহুতো ব্লগৰ গুৰুত্বপূৰ্ণ উপাদান। "ব্লগ' স্ফিয়াৰ" (Blogosphere) হ'ল ব্লগসমূহৰ এক অনলাইন ব্ৰহ্মাণ্ড। ৱৰ্ল্ড ৱাইড ৱেব (World Wide Web) আৰু ব্লগৰ ধাৰণাটো সমসাময়িক। ৱেবৰ উদ্ভাৱক বুলি জনাজাত টিম বাৰ্ণাৰ্ছ লীয়ে ( Tim Berners Lee) ৱেবৰ অবিৰত বিকাশ দৰ্শাবলৈ, ইয়াৰ থুলমূল আভাস দিবলৈ তথা এই নতুন ক্ষেত্ৰখনত বিচৰণ কৰিবলৈ () প্ৰয়োজনীয় ছফট্ৱেৰ সম্পৰ্কে ব্যৱহাৰকাৰীক অৱগত কৰোৱাবলৈ ১৯৯২ চনত প্ৰথমটো "ব্লগ" সৃষ্টি কৰিছিল।



## ২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ কেইটামান গুৰুত্বপূৰ্ণ কথা তলত পুনৰ উল্লেখ কৰা হ'ল-

- ডিজিটেল মাধ্যমৰ ডেটা হ'ল এনে এক বৈদ্যুতিক তথ্য যি যুগ্ম সংকেতৰ ভিত্তিত ডেটা উৎপন্ন, সংৰক্ষণ আৰু সংসাধন কৰে।
- ডিজিটেল প্ৰযুক্তিবিদ্যা প্ৰধানতঃ নব্য ভৌতিক যোগাযোগ মাধ্যম, যেনে- কৃত্ৰিম উপগ্ৰহ আৰু ফাইবাৰ অপটিক্ তথ্য প্ৰেৰণ ব্যৱস্থা ( Fibre optic transmission) ত ব্যৱহাৰ কৰা হয়।
- নব্য মাধ্যমে যোগাযোগৰ এক দ্বি মুখী উপায় আগবঢ়ায়। ই উপভোক্তা আৰু ব্যৱহাৰকাৰীসকলক সংযোগ প্ৰক্ৰিয়াত আৰু অধিক জড়িত হোৱাৰ সুযোগ দিয়ে।
- সামাজিকীকৰণ হ'ল এক প্ৰক্ৰিয়া যিটোৰ সহায়ত মানুহক তেওঁলোকৰ সংস্কৃতি অথবা সমাজত গ্ৰহণযোগ্য ধৰণে আচৰণ কৰিবলৈ শিকোৱা হয়।
- ৱেবছাইটসমূহ সাধাৰণতে স্থবিৰ আৰু আন্তঃক্ৰিয়াশীল- এই দুইটা ভাগত বিভক্ত কৰা হয়। স্থবিৰ ছাইটসমূহে তথ্য যোগান ধৰে অথবা সংৰক্ষণ কৰে। কিন্তু এই ছাইটবোৰে দৰ্শক অথবা ব্যৱহাৰকাৰীসকলৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্ক স্থাপন নকৰে। আন্তঃ

ক্ৰিয়াশীল ছাইটসমূহ ৱেব ২.০ সম্প্ৰদায়ৰ অংশ আৰু এই ছাইটসমূহে ছাইটৰ গৰাকী আৰু ছাইটৰ দৰ্শক অথবা ব্যৱহাৰকাৰীসকলৰ মাজত আন্তঃক্ৰিয়া স্থাপনৰ সুযোগ দিয়ে।



## ২.৭ অধিক জানিবলৈ


1. New Media: An Introduction by Terry Flew (2002) Google Books
2. New Media: A Critical Introduction by Martin Lister, Jon Dovey, Seth Giddings, Iain Grant, Kieran Kelly. Routledge Publication, 2nd Edition (2008)
3. Digimodernism: How New Technologies Dismantle the Pastmodern and Reconfigure Our Culture by Alan Kirby. Continuum Publishing Corporation; 1st Edition (2009)
4. Understanding New Media by Robert K. Logan. Peter Lang Inc., International Academic Publishers; First printing edition (October 30, 2010)


## ২.৮ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** নব্য মাধ্যমৰ মূল বৈশিষ্ট্যসমূহ হ'ল ঃ

(ক) ডিজিটেল (খ) আন্তঃ ক্ৰিয়াশীল

(গ) হাইপাৰটেক্সট্ মূলক (ঘ) ভাৰ্চুৱেল

(ঙ) নেটৱৰ্কৰ দ্বাৰা পৰিচালিত (চ) কৃত্ৰিমভাৱে সৃষ্ট

**২নং প্ৰশ্নৰ উত্তৰ ঃ**সকলোবোৰ ডিজিটেল তথ্য সাধাৰণতে অনলাইন উৎস, ডিজিটেল ডিস্ক্ অথবা মেম'ৰী ড্ৰাইভত পোৱা যায়।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** অনলাইন আন্তঃক্ৰিয়াশীলতা মানে হ'ল এক যোগাযোগ প্ৰক্ৰিয়া, যিটো মানুহ আৰু ইণ্টাৰনেট সংযোজিত কম্পিউটাৰ ছফ্ট্ৱেৰৰ মাজত সম্পন্ন হয়।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** নব্য মাধ্যম ইয়াৰ দৰ্শকসকলক মনোৰঞ্জন দিবলৈ বাতৰি, সংগীত, ঘটনা, চলচিত্ৰ, ধাৰাবাহিক আৰু হাস্যৰসাত্মক অনুষ্ঠানৰ যোগান ধৰে। এই সমলসমূহে দৰ্শকসকলক সজীৱ কৰে আৰু তেওঁলোকৰ আজৰি সময় অধিক উপভোগ্য কৰি তোলে।



## ২.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

**প্ৰশ্ন ১ ঃ** ৱেব অভিলেখাগাৰ মানে কি?

**প্ৰশ্ন ২ ঃ** নব্যমাধ্যমৰ হাইপাৰটেক্সট মূলক বৈশিষ্ট্য মানে কি?

**প্ৰশ্ন ৩ ঃ** 'নিউজৰীডাৰ" এটা ছফ্‌ট্‌ৱেৰ নে এটাৰেবছাইট?

**প্ৰশ্ন ৪ ঃ** ই-মেইল এটাৰ জৰিয়তে কি প্ৰেৰণ কৰিব পাৰি?

(খ) চমু প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

**প্ৰশ্ন ১ ঃ** এনাল'গ মাধ্যমক কিয় স্থিৰ বোলা হয় তথা ইয়াৰ কিয় কোনো পৰিৱৰ্তন নহয় সেই বিষয়ে ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ ঃ** নিউজগ্ৰুপৰ অংশবোৰ কি কি?

**প্ৰশ্ন ৩ ঃ** সামাজিকীকৰণ বুলিলে কি বুজে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন- (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

**প্ৰশ্ন ১ ঃ** সংস্কৃতিৰ সৰ্ৱৰাহত ছ'ছিয়েল নেটৱৰ্কিং ছাইটসমূহৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** "অনলাইন বাতৰি ছপা বাতৰিতকৈ অধিক মনোগ্ৰাহী।"- আলোচনা কৰক।

**********

# অধ্যায় ৩ ঃ নব্য প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ নব্য প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ

- ৩.৩.১ সমাজ আৰু জনসংস্কৃতিৰ ওপৰত নব্য প্ৰচাৰ মাধ্যমে পেলোৱা প্ৰভাৱ
- ৩.৩.২ ৰাজনীতি আৰু উন্নয়নমূলক বিষয়সমূহত নব্য প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ

৩.৪ ৰাজহুৱা মাধ্যম, চিটিজে'ন জাৰ্ণেলিজম্ আৰু ব্লগ

৩.৫ নব্য প্ৰচাৰ মাধ্যম আৰু সাংবাদিকতা

- ৩.৫.১ ছপা মাধ্যমৰ সাংবাদিকতা
- ৩.৫.২ ব্ৰডকাষ্ট সাংবাদিকতা
- ৩.৫.৩ বিজ্ঞাপন উদ্যোগ

৩.৬ সমকেন্দ্ৰিকতা

- ৩.৬.১ প্ৰচাৰ মাধ্যমৰ সমকেন্দ্ৰিকতা
- ৩.৬.২ প্ৰচাৰ মাধ্যমৰ সমকেন্দ্ৰিকতাৰ সুবিধাসমূহ
- ৩.৬.৩ প্ৰচাৰ মাধ্যমৰ সমকেন্দ্ৰিকতা বিষয়ক বৰ্দ্ধিত চিন্তা-সন্দেহসমূহ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সমাজ আৰু জনসংস্কৃতিৰ ওপৰত নব্য প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক আৰু উন্নয়নমূলক সমস্যাসমূহৰ ওপৰত নব্য প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ বৰ্ণনা কৰিব পাৰিব
- ৰাজহুৱা মাধ্যম, চিটিজে'ন জাৰ্ণেলিজম্ আৰু ব্লগৰ বিষয়ে জানিব পাৰিব
- প্ৰচাৰ মাধ্যম উদ্যোগৰ ওপৰত নব্য প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব
- প্ৰচাৰ মাধ্যমৰ সমধৰ্মিতাৰ বিষয়ে সংজ্ঞা দিব পাৰিব
- সমধৰ্মিতাৰ বৈশিষ্ট্যসমূহৰ ওপৰত আলোকপাত কৰিব পাৰিব
- সমধৰ্মিতাৰ সুবিধা তথা সীমাবদ্ধতাসমূহ চিনাক্ত কৰিব পাৰিব।

## ৩.২ পৰিচয়

এতিয়া মানে আপোনালোক সকলোৱেই নব্য প্রচাৰ মাধ্যম মানে কি সেই কথা খৰচি মাৰি বুজি উঠিছে নিশ্চয় নব্য প্রচাৰ মাধ্যমৰ ধাৰণাটো প্রথম অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। সংক্ষেপতে নব্য প্রচাৰ মাধ্যমত কম্পিউটাৰৰ সহায়ত কাম-কাজ কৰা হয়, ই এটা দ্বিমুখী সংযোগ স্থাপনকাৰী তথা আন্তঃক্রিয়াশীল পদ্ধতি। প্রথম অধ্যায়তে উনুকিওৱা হৈছে যে আমাৰ জীৱনৰ সকলো দিশতে নব্য প্রচাৰ মাধ্যমে উল্লেখনীয় প্রভাৱ বিস্তাৰ কৰিছে। কম্পিউটাৰ তথা অন্য প্রযুক্তিসমূহ আমাৰ দৈনন্দিন জীৱনৰ বহু গভীৰলৈ শিপাইছে। আজি আৰু আমি এই প্রযুক্তিসমূহৰ অবিহনে আমাৰ জীৱনৰ কথা কল্পনাই কৰিব নোৱাৰো।

এই অধ্যায়ত আমি আমাৰ জীৱনত নব্য প্রচাৰ মাধ্যমৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিম। লগতে আমি সমাজ, জনসংস্কৃতি, ৰাজনীতি, উন্নয়নমূলক কার্যসূচী তথা প্রচাৰ মাধ্যম উদ্যোগৰ ওপৰত নব্য প্রচাৰ মাধ্যমে পেলোৱা প্রভাৱৰ বিষয়েও খৰচি মাৰি আলোচনা কৰিম। এই অধ্যায়টোতেই সমধর্মিতাৰ বোধৰ ওপৰত আলোকপাত কৰা হ'ব। এই বিষয়টোৱে সংযোগ স্থাপনৰ ক্ষেত্রখনলৈ কি অৰিহণা আগবঢ়াইছে সেয়াও আলোচনা কৰি চোৱা হ'ব।

## ৩.৩ নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ

আমাৰ সমাজ আৰু জীৱনৰ ওপৰত নব্য প্রচাৰ মাধ্যমে পেলোৱা প্রভাৱ অতি গভীৰ আৰু সুদূৰপ্রসাৰী। প্রযুক্তিৰ বিকাশৰ লগে লগে, তথ্য এবিধ সহজে ঢুকি পোৱা পণ্যদ্রৱলৈ পৰিৱর্তিত হৈছে। যিকোনো ধৰণৰ তথ্য নাইবা সংবাদৰ প্রসাৰ বহুগুণে দ্রুত আৰু উজু হৈ পৰিছে। কম্পিউটাৰ, ইণ্টাৰনে'ট, ম'বাইল ফোন, ভিডিঅ' গেইমছ, আইপ'ড আদিয়ে আমাৰ জীৱন-যাপন শৈলীলৈ অভূতপূর্ব পৰিৱর্তন কঢ়িয়াই আনিছে। আমাৰ জীৱনৰ সকলো দিশতে এই সঁজুলিসমূহৰ প্রভাৱ সুদূৰপ্রসাৰী।

এই প্রযুক্তিবোৰে আমাৰ জীৱনত এনেদৰে শিপা মেলি বিয়পি পৰিছে যে আজি আৰু আমি এইবোৰ সা-সুবিধা অবিহনে জীৱন-যাপন কৰাৰ কথা কল্পনাও কৰিব নোৱাৰো। সেয়েহে নিঃসন্দেহে ক'ব পৰা যায় যে এই আটাইবোৰ নব্য প্রচাৰ মাধ্যমৰ সৈতে জড়িত প্রযুক্তিয়ে আমাৰ সমাজ তথা সংস্কৃতিৰ ওপৰতো উল্লেখনীয় প্রভাৱ বিস্তাৰ কৰিছে। প্রযুক্তিবোৰে অতি কৌশলেৰে আধুনিক জনসংস্কৃতিৰ লগত মিলি গৈ আমাৰ সামাজিক অস্তিত্বৰ একো একোটা অপৰিহার্য অংশত পৰিণত হৈছে। এই প্রযুক্তিবোৰে সমাজৰ অন্য প্রধান দিশ, উন্নয়নমূলক কাম-কাজ তথা ৰাজনৈতিক সমস্যাবোৰৰ ওপৰতো ইতিবাচক আৰু নেতিবাচক দুয়োধৰণে গুৰুতৰ প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

পৰৱর্তী উপ-শাখা কেইটামানত কেনেদৰে নব্য প্রচাৰ মাধ্যমৰ প্রযুক্তিবোৰে আমাৰ সমাজ তথা জীৱনৰ গুৰুত্বপূর্ণ দিশবোৰৰ ওপৰত প্রভাৱ পেলাইছে সেয়া বিতংকৈ আলোচনা কৰিম।

### ৩.৩.১ সমাজ আৰু জনসংস্কৃতিৰ ওপৰত নব্য প্রচাৰ মাধ্যমে পেলোৱা প্রভাৱ (Society and Mass Culture)

বর্তমান আমি এখন অন্তঃ সংলগ্ন পৃথিৱীত বাস কৰো। এই বিশ্বজনীন (Global) সমাজখনত আন্তঃক্রিয়া (Interaction) আৰু যোগাযোগ ব্যৱস্থা সুচল হৈছে। ইয়াৰ ফলশ্রুতিতে সাংস্কৃতিক পুনৰবিন্যাস আৰু ৰূপান্তৰকৰণ প্রক্রিয়াবোৰে উদগণি লাভ কৰিছে। সম্প্রতি আমি বাস কৰা পৃথিৱীখন গোলকীয়কৰণ আৰু প্রযুক্তিৰ অগ্রগতিৰ জ্বলন্ত উদাহৰণত পৰিণত হৈছে। প্রযুক্তিয়ে আমাৰ মাজৰ দূৰত্ব হ্রাস কৰাৰ ফলত পৃথিৱীখন সৰু হৈ পৰিছে। এনেকুৱা পৰিৱর্তনশীল প্রচাৰ মাধ্যমৰ প্রেক্ষাপটত আমাৰ সামাজিকৰণ প্রক্রিয়াৰ লগতে প্রমূল্য আৰু বিশ্বাস আদিয়েও পৰিৱর্তিত সময়ৰ সৈতে খাপ খোৱাকৈ নিজৰ ৰূপ সলনি কৰিছে। এই সকলোবোৰ কথাই আনকি শিক্ষাজনিত পচন্দ-অপচন্দ, সংস্থাপন, অৱসৰ আৰু সাধাৰণ অর্থত জীৱনৰ সমস্ত সিদ্ধান্ত গ্রহণ কৰাৰ সময়তো প্রভাৱ পেলাবলৈ সমর্থ হৈছে।

নব্য প্রচাৰ মাধ্যম প্রযুক্তিয়ে তথ্য আৰু আনন্দৰ এক সংস্কৃতি গঢ়ি তুলিছে। লগতে ই গ্রাহকক সিদ্ধান্ত লোৱাৰ স্বাধীনতাও প্রদান কৰিছে। এই সকলোবোৰ কথাই আধুনিক যুগৰ ডেকাচামক আকৃষ্ট কৰিছে। প্রযুক্তিসমূহ যুৱাচামৰ সৈতে সম্পর্ক স্থাপন কৰাৰ উপৰি তেওঁলোকৰ নিজ নিজ পৰিয়াল তথা সমাজৰ লগত থকা সম্পর্কবোৰৰ ওপৰতো প্রভাৱ পেলাবলৈ আৰম্ভ কৰিছে। গোলকীয়কৰণে যুৱাচামক এনে কিছুমান অভিজ্ঞতা অর্জনৰ পথ মুকলি কৰি দিছে যিবোৰক একেটা সময়তে বিশ্বজনীন আৰু স্থানীয় দুয়োটাই বুলিব পাৰি। আজিকালিৰ নৱ প্রজন্মই নিজ নিজ ম'বাইল ফোনৰ বুটাম টিপাত ব্যস্ত হৈ থকা নাইবা কম্পিউটাৰৰ সন্মুখত তন্ময় হৈ বহি থকা নাইবা গেইম কনছ'লত (Game Console) কোনো গেইম খেলি থকাৰ দৃশ্য সততে চকুত পৰে। কিন্তু এই প্রযুক্তিবোৰ কেৱল সময় কটোৱাৰ আহিলা মাত্র নহয়। কিছুমান বিদ্বান পণ্ডিতে ভাবে যে বর্তমানৰ যুৱ প্রজন্মৰ (Youth Generation) সাংস্কৃতিক কেন্দ্রস্থলী হ'ল প্রযুক্তি। নৱপ্রজন্মই ঘৰ, স্কুল, কর্মস্থল, আনকি কেফে আদিত থাকিও ইজনে সিজনৰ সৈতে অথবা তথ্য-প্রযুক্তিৰ সৈতে সম্পর্ক ৰক্ষা কৰি চলে। ইয়াৰ কাৰণ এটাই, তেওঁলোকে সকলোৰে সৈতে পৰস্পৰ সংলগ্ন হৈ থাকিব খোজে। লগতে বর্তমানৰ বিশ্বত একো একোজন অংশগ্রহণকাৰীৰ (সকলো ক্ষেত্রতে) ভূমিকা পালন কৰিব খোজে। নব্য প্রচাৰ মাধ্যম প্রযুক্তি জড়িত হৈ থকা এনে দৈনন্দিন কার্যকলাপবোৰে বর্তমানৰ সময় আৰু সমাজক গঢ় দিছে।

আমি সকলোৱে জানো যে সমগ্র পৃথিৱীৰ বাবে এইটো হ'ল তথ্যৰ যুগ। আজিকালি দেশ অথবা সমাজ এখনৰ বাসিন্দাই কেনে প্রকাৰৰ আৰু কিমানখিনি তথ্য লাভ কৰি নিজকে সমৃদ্ধ কৰিছে সেয়া বিচাৰ কৰিহে কোনো এখন দেশ অথবা সমাজৰ

অগ্রগতি নাইবা বিকাশ নিৰূপণ কৰা হয়। সেয়েহে নব্য প্রচাৰ মাধ্যমে জনগণৰ সহজে তথ্য পোৱাৰ পথ সুচল কৰি তুলিছে। তথ্য লাভ কৰাৰ অসংখ্য উপায় আছে যিবোৰৰ কথা আজিৰ পৰা দুটা দশকৰ আগতে কোনেও কল্পনাই কৰিব নোৱাৰিছিল। এই কথাটোৱে সমগ্র পৃথিৱীৰে তথ্য সিঁচৰতিকৰণ কাম-কাজবোৰৰ আমূল পৰিৱর্তন সাধন কৰিছে।

গণসংযোগ বিভাগৰ শিকাৰু হিচাপে আপোনালোক সকলোৱে এতিয়ামানে নিশ্চয় খুউব ভালদৰে বুজি উঠিছে যে জীৱনৰ সকলো দিশতে জনগণৰ বাবে তথ্যৰ অপৰিসীম প্রয়োজনীয়তা আছে। কেৱল উৎকৃষ্ট মানবিশিষ্ট তথ্য ব্যৱহাৰৰ বাবে যুগুতাই তুলিলেই নহ'ব, আমি জনগণক এনে তথ্য লাভ আৰু প্রয়োগ কৰাৰ সুযোগো দিব লাগিব। অন্যথা এই তথ্যবোৰ আবর্জনাৰ বাদে আন একো নহ'ব।

ইয়াৰ কাৰণ হ'ল— 'তথ্যই শক্তি' ('Information is Power')। সেয়েহে গণ প্রচাৰ মাধ্যমৰ লগতে নব্য প্রচাৰ মাধ্যম হ'ল বিভিন্ন উপায়েৰে জনগণক যিকোনো ধৰণৰ তথ্য যোগান ধৰাৰ এটা উৎকৃষ্ট পন্থা।

## ৩.৩.২ ৰাজনীতি আৰু উন্নয়নমূলক বিষয়সমূহত নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ (Politics and Developmental Issues)

নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰ বর্তমান আমাৰ জীৱনৰ সকলো দিশৰে অপৰিহার্য অংশ হৈ পৰিছে। আমাৰ দৈনন্দিন কাম-কাজ, বন্ধু তথা পৰিয়ালৰ সৈতে সম্পর্ক তথা সাধাৰণভাৱে পৃথিৱীখনৰ সৈতে আমাৰ যোগাযোগ এই সকলোবোৰ ক্ষেত্রতে নব্য প্রচাৰ মাধ্যমৰ প্রযুক্তি প্রভাৱ সুস্পষ্ট। ৰাজনীতি তথা অন্য উন্নয়নমূলক বিষয়সমূহো এই ক্ষেত্র ত পিছপৰি থকা নাই।

নব্য প্রচাৰ মাধ্যমৰ সৈতে জড়িত প্রযুক্তি; যেনে— টেলিসংযোগ, কম্পিউটাৰ, ইণ্টাৰনেট, বৈদ্যুতিক মাধ্যম ইত্যাদি অবিহনে বর্তমানৰ ৰাজনৈতিক দৃশ্যপট সম্পূর্ণ স্থবিৰ হৈ পৰিব। এই প্রযুক্তিবোৰে গণতন্ত্র বর্তাই ৰখাত সহায় আগবঢ়ায়। কাৰণ এই প্রযুক্তিবোৰৰ সহায়ত ৰাজনৈতিক কার্যক্রমণিকাত ৰাইজৰ অংশগ্রহণ সুনিশ্চিত কৰা হয়। নব্য প্রচাৰ মাধ্যম অন্তঃক্রিয়াশীল হোৱা হেতুকে ইয়াৰ মাধ্যমেৰে ৰাজনৈতিক দল নাইবা ৰাজহুৱা ব্যক্তিত্বই কোনো বিষয় সন্দর্ভত ৰাইজৰ মতামত জনাৰ সুযোগ পায়। ছেল ফোন, ৱ'ৰ্ল্ড ৱাইড ৱেব আদিৰ দৰে অন্য নব্য প্রচাৰ মাধ্যম পন্থাবোৰে ৰাজনৈতিক ব্যৱস্থাটো অধিক স্বচ্ছ কৰি তুলিছে। ৰাজনীতিবিদসকলে এতিয়া নিজৰ কথা আৰু কাম সম্পর্কে আগতকৈ অধিক সতর্ক হ'বলগীয়া হৈছে। কাৰণ ৰাইজে আজি অধিক তীক্ষ্ণতাৰে কথাবোৰ নিৰীক্ষণ কৰে তথা বিভিন্ন বিষয় সম্পর্কত ৰাইজ আগতকৈ বহুগুণে অধিক সজাগ হৈছে। তথ্য বনজুইৰ দৰে বিয়পি পৰে আৰু চকুৰ পলকতে তথ্যৰ সৃষ্টিও হয়। আজিৰ ৰাইজ তেওঁলোকৰ ৰাজনৈতিক দল-প্রার্থী বাচনিৰ ক্ষেত্রত অধিক সজাগ আৰু সাৱধান।

ৰাইজক সহায় কৰাৰ লগতে নব্য প্রচাৰ মাধ্যম প্রযুক্তিয়ে ইয়াৰ বিভিন্ন উপায়ৰ মাধ্যমেৰে নিজ নিজ চিন্তা-ধাৰণা প্রচাৰ কৰাত ৰাজনৈতিক নেতাসকলকো সহায় কৰে। আগতে ৰাজনৈতিক নেতাই কেৱল জনসমাৱেশ নাইবা বাতৰিকাকত আৰু ৰেডিঅ'ৰ দৰে পৰম্পৰাগত প্রচাৰ মাধ্যম পন্থাবোৰৰ জৰিয়তেহে ৰাইজৰ ওচৰ চাপিব পৰিছিল। কিন্তু বর্তমান আনকি ৰাজনৈতিক দলবোৰে নব্য প্রচাৰ মাধ্যমৰ বাহকবোৰৰ জৰিয়তে ৰাইজক লক্ষ্য কৰি লোৱাৰ গুৰুত্ব স্পষ্টকৈ বুজি পাইছে। বিশেষকৈ সহজে ধৰা নিদিয়া যুৱ প্রজন্মক ইণ্টাৰনে'ট অথবা অন্য উপায়েৰে নিজৰ বিষয়ে জনোৱাতো ৰাজনৈতিক দল অথবা প্রার্থীৰ বাবে উজু হৈ পৰিছে।

২০০৯ চনৰ ভাৰতীয় সংসদীয় নির্বাচনটো কেৱল গণসমাৱেশ (Rallies) আৰু ভাষণৰ সহায়ত যুঁজা হোৱা নাছিল। প্রতিটো দলেই নিজ নিজ ৱেবছাইট সৃষ্টি কৰিছিল আৰু ভোটাৰক আকর্ষিত কৰিবলৈ প্রত্যেকেই নিজস্ব নব্য প্রচাৰ মাধ্যম কৌশল প্রয়োগ কৰিছিল। ৰাহুল গান্ধীৰ নির্বাচনী প্রচাৰ অভিযান লাখ লাখ লোকে 'টুইটাৰ' (Twitter) নামৰ ছোছিয়েল নেটৱর্কিং ছাইটৰ (Social Networking Site) জৰিয়তে প্রত্যক্ষ কৰিছিল। ২০০৮ চনৰ আমেৰিকাৰ ৰাষ্ট্রপতি নির্বাচনৰ সময়তো বাৰাক ওবামাই ৱর্ল্ড ৱাইড ৱেবত অতি সক্রিয় ৰূপত ভোটাৰৰ সৈতে ভাৱ বিনিময় কৰিছিল। বিগত আমেৰিকান ৰাষ্ট্রপতি নির্বাচনৰ সমগ্র প্রচাৰ অভিযানটোৰ বাবে ইণ্টাৰনে'টকে ধৰি সমগ্র নব্য প্রচাৰৰ মাধ্যমটোৱে সর্বাধিক কৃতিত্ব দাবী কৰিব পাৰে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

ৰাজনৈতিক ক্ষেত্রখনত নব্য প্রচাৰ মাধ্যমে বহুল প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে যদিও উন্নয়ন খণ্ডটোৱে এতিয়াও বিচৰাধৰণে এই দিশত আগবঢ়া নাই। নব্য প্রচাৰ মাধ্যম, বিশেষকৈ ইণ্টাৰনে'ট গ্রাম্য তথা কৃষি উন্নয়নৰ কাম-কাজত বহল ভিত্তিত ব্যৱহাৰ কৰিব পৰা যায় যদিও এই ক্ষেত্র ভাৰতীয় উপমহাদেশত ইণ্টাৰনে'টৰ ব্যৱহাৰ তেনেই সীমিত।

ইণ্টাৰনে'ট আচলতে এটা সংযোগ স্থাপনৰ মাধ্যম। উন্নত যোগাযোগ ব্যৱস্থাই উন্নয়ন-মূলক কাম-কাজবোৰ শক্তিশালী কৰি তোলে। ভাৰতত গুৰুত্বপূর্ণ উন্নয়নমূলক আঁচনি-বোৰ প্রত্যাশিত লাভার্থীৰ ওচৰলৈ গৈয়েই নাপায়। ইয়াৰ মূল কাৰণ হ'ল সজাগতাৰ অভাৱ। গ্রাম্যাঞ্চলৰ বাসিন্দাই চৰকাৰৰ কাম-কাজসমূহৰ বিষয়ে কোনো তথ্য লাভ নকৰে। অধিকাংশ উন্নয়নমূলক প্রকল্প ব্যর্থ হোৱাৰ আঁৰৰ কাৰণ হ'ল সুবিধা হাতত থকা তথা যোগাযোগৰ ব্যৱধান। এনে অৱস্থাত নব্য প্রচাৰ মাধ্যমক এই ব্যৱধান আঁতৰকাৰী সেঁতুৰূপে ব্যৱহাৰ কৰিব পৰা যায়।

অৱশ্যে শেহতীয়াভাৱে ইণ্টাৰনে'ট তথা অন্য নব্য প্রচাৰ মাধ্যম পন্থাবোৰৰ মাধ্যমেৰে চৰকাৰে সু-প্রশাসনৰ পৃষ্ঠপোষকতা কৰিবলৈ কিছুমান সক্রিয় প্রচেষ্টা আৰম্ভ কৰিছে। এনে প্রচেষ্টাৰ অংশৰূপে দেশৰ প্রতি দুই-তিনিখন গাঁৱৰ মাজত ইণ্টাৰনে'ট টার্মিনেল স্থাপনৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ লক্ষ্য হ'ল থলুৱা বাসিন্দাই যাতে পৃথিৱীৰ যি তথ্য বিচাৰে সেয়া সুনিশ্চিত কৰা। এই ব্যৱস্থাটোৱে ব্যৱহাৰিক ৰূপ লোৱালৈ

আমি এক দীঘলীয়া সময় বাট চাব লাগিব যদিও সঠিক দিশত এটা আৰম্ভণি হৈছে বুলি সন্তুষ্টি প্রকাশ কৰিব পাৰো।

স্থানীয়ভাৱে উপযুক্ত সেৱা-সুবিধা প্রণয়ন আৰু সৃজনাত্মক সেৱা বিকশাই তুলিবলৈ নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰ ব্যৱহাৰ কৰিব পাৰি। ই সফল উন্নয়নমূলক কাম-কাজ সম্পর্কীয় জ্ঞান দিয়াৰ লগতে প্রশিক্ষণ-গৱেষণা-শৈক্ষিক সম্পদ আদিৰ দৰে বিভিন্ন গুৰুত্বপূর্ণ বিষয়ৰ তথ্য লাভ কৰাৰ পথো সুচল কৰি তুলিব পাৰে। ছপা সমল আৰু কিতাপ-পত্র আদি ক্রয়ৰ বাবদ এক বুজন পৰিমাণৰ ধন ব্যয় হোৱাৰ সম্ভাৱনা থকা এনে বিষয়বোৰৰ তথ্য সাধাৰণতে গ্রাম্যাঞ্চলত সহজলভ্য নহয়। নব্য প্রচাৰ মাধ্যম প্রযুক্তি সুলভ হৈ পৰাৰ লগে লগে চিকিৎসক, অভিযন্তা, স্বাস্থ্যকর্মী আদি গ্রামাঞ্চলৰ বৃত্তিজীৱী লোকে প্রয়োজনীয় কাৰিকৰী তথ্য সহজে লাভ কৰিব। এই কথাটোৱে বৃত্তিজীৱীসকলক নিশ্চিতভাৱে গাঁৱত কাম কৰি যাবলৈ অনুপ্রাণিত কৰিব।

গ্রাম্য পর্যটনৰ পৃষ্ঠপোষকতা কৰিবলৈ, গৃহভিত্তিক ব্যৱসায়ৰ বিষয়ে প্রচাৰ তথা তেনে আৰু অন্য গ্রাম্য উৎপাদনৰ বাবে বিপণনৰ সুযোগ মুকলি কৰিবলৈ ইণ্টাৰনেটক এক বিপণন আহিলাৰূপে ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ ফলত স্থানীয় বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনবোৰে (NGOs) বিশ্বজনীন প্রতিষ্ঠানবোৰৰ সৈতে ভাৱ বিনিময় কৰাৰ তথা আৱশ্যকীয় পুঁজি বিচৰাৰ পথ সুচল হ'ব। তেওঁলোকে নীতি-নিয়ম সৃষ্টিকাৰীসকলকো গ্রাম্যাঞ্চলৰ বাসিন্দাৰ তৃণমূল পর্যায়ৰ বাস্তৱিক অৱস্থা তথা প্রয়োজনীয়তাবোৰৰ বিষয়ে অৱগত কৰিব পাৰিব। মুঠতে ইয়াকে ক'ব পৰা যায় যে নব্য প্রচাৰ মাধ্যমৰ পন্থাবোৰক সকলো ক্ষেত্রতে ব্যৱহাৰ কৰিব পৰা যায় আৰু ই কেৱল ইতিবাচক ফলাফলহে দেখুৱাব। আসন্ন দশকবোৰত ইয়াৰ প্রভাৱ আৰু কিমান গভীৰ হ'ব সেইটো সকলোৰে বাবে লক্ষণীয় বিষয়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** আধুনিক যুগৰ সমাজৰ ওপৰত নব্য প্রচাৰ মাধ্যমৰ কেনেকুৱা প্রভাৱ পৰিছে?

.....

.....

.....

.....

.....

.....

**প্রশ্ন নং ২ ঃ** সামাজিক উন্নয়নৰ বাবে নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰক কেনেদৰে ব্যৱহাৰ কৰিব পৰা যায়?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৩ ঃ** শুদ্ধ নে অশুদ্ধ কওক—

ক) ৰাজনৈতিক নেতাসকল বর্তমান 'টেকন'ল'জী ছেভী' (Techo Savy) হৈ পৰিছে। (শুদ্ধ/অশুদ্ধ)

খ) যুৱ প্রজন্মক নতুন প্রযুক্তিয়ে স্পর্শ কৰিব পৰা নাই। (শুদ্ধ/অশুদ্ধ)

গ) গ্রাম্য উন্নয়নৰ ক্ষেত্রত নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰ অদৰকাৰী। (শুদ্ধ/ অশুদ্ধ)

ঘ) প্রযুক্তিয়ে বর্তমানৰ সংস্কৃতি আৰু সময়ক গঢ় দিছে। (শুদ্ধ/অশুদ্ধ)

ঙ) নব্য প্রযুক্তিসমূহে আমাৰ জীৱন-যাপনৰ মান উন্নত কৰিছে। (শুদ্ধ/অশুদ্ধ)

## ৩.৪ ৰাজহুৱা মাধ্যম, চিটিজে'ন জার্ণেলিজম্ আৰু ব্লগ (SOCIAL MEDIA, CITIZEN JOURNALISM AND BLOGS)

**ৰাজহুৱা মাধ্যম (Social Media) ঃ** আমি সমাজত বাস কৰো। সমাজৰ সদস্য হিচাপে আমি ইজনে সিজনৰ লগত আদন-প্রদান কৰো। আমাৰ এই পাৰস্পৰিক আদান- প্রদানৰ যোগেদি সৃষ্টি সম্ভৱ হয়, পৰস্পৰৰ মাজত তথ্যৰ বিনিময় হয় আৰু লগতে আমি তথ্যৰ অংশীদাৰ হওঁ। বর্তমান যুগটো হৈছে তথ্য আৰু গণ সংযোগ প্রযুক্তিৰ যুগ। আজিৰ তীব্র গতিশীল জীৱনত সচৰাচৰ মানুহে পৰস্পৰক সম্ভাষণ জনাই কিবা এটা বিষয়ৰ আলোচনা কৰাৰ সময় নাথাকে। অৱশ্যে সময় পাৰ হৈ যোৱাৰ লগে লগে সংযোগ (Interactive)ৰ আহিলা আৰু প্রযুক্তিয়ে মুখা মুখিকৈ হোৱা সংযোগ আৰু আনুষ্ঠানিক বার্তালাপৰ বিকল্প ৰূপে দেখা দিলে। এনে সংযোগৰ আহিলাই ভৌগোলিক দূৰত্ব কমাই মানুহক ইজনে সিজনক বাস্তৱত দেখা পোৱা কৰিলে। ৰাজহুৱা মাধ্যম অর্থাৎ ছ'চিয়েল মেডিয়া (Social Media) হৈছে সেইটো গুৰুত্বপূর্ণ ইণ্টাৰনে'ট ভিত্তিক বৈদ্যুতিক সংযোগ যাৰ মাধ্যমেদি ব্যৱহাৰকাৰীয়ে (Users) তথ্য, চিন্তা, ব্যক্তিগত সংবাদ, ভিডিঅ' আৰু অন্য বিষয়ৰ পাৰস্পৰিক অংশীদাৰ হ'বলৈ অনলাইন গোট (Online Communities) সৃষ্টি কৰে। ৰাজহুৱা মাধ্যম অর্থাৎ Social Media অভিধাটোৱে ৱেব ছাইট ভিত্তিক আৰু ম'বাইল প্রযুক্তিৰ সহায়ত সংযোগক আদান-প্রদানমূলক সংলাপলৈ পৰিবর্তন কৰে। আদ্রে' কাপ্লান

(Andreas Kaplan) আৰু মাইকেল হেনলে' (Michael Heinlein)ৰ ভাষাত ৱাজহুৱা মাধ্যম হৈছে "ইণ্টাৰনেট ভিত্তিক প্রয়োগ (Application)ৰ এটা গোট যিটো Web 2.0ৰ আদর্শ আৰু প্রযুক্তিগত আধাৰত নির্মিত হৈছে আৰু ই ব্যৱহাৰকাৰী সৃষ্টি উপাদানৰ সৃষ্টি আৰু বিনিময়ৰ অনুমতি প্রদান কৰে।" ৱাজহুৱা মাধ্যমৰ বিভিন্ন প্রকাৰ আছে। সেই সমূহ হৈছে ইণ্টাৰনেট ফ'ৰাম (Internet Forums), ৱেব ল'গ (Weblogs), ছ'চিয়েল ব্লগ (Social Blogs), মাইক্র' ব্লগিং (Microblogging), ৱিকিছ (Wikis), প'ড্কাষ্ট (Podcasts), ফটোগ্রাফ (Photographs) বা ছবি, ভিডিঅ' (Video), ৰে'টিং (Rating) আৰু ছ'চিয়েল বুক মার্কিং (Social Bookmarking), ৱাজহুৱা মাধ্যমত ছ'চিয়েল নে'টৱর্কিং ছাইট (social networking sites)বোৰেই হৈছে সংযোগৰ মুখ্য ৰূপ। কেইবিধমান প্রধান ৱাজহুৱা মাধ্যমৰ আহিলা (Tools) আৰু মঞ্চ (Platform)ৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

ক) **ব্লগ (Blogs) ঃ** ব্লগ হৈছে এটা বিশেষ বিষয় বা মতামতক লৈ মতামত ব্যক্ত কৰা বা আলোচনা কৰা মঞ্চ। এইটো এনেকুৱা এটা ৱেবছাইট য'ত তালিকাসমূহ (Entries) কালানুক্রমত লিখা হয় আৰু সচৰাচৰ ওভোতা (Reverse) কালনুক্রমত প্রদর্শন কৰা হয়। ভিডিঅ'ৰ মাধ্যমেৰে ব্লগিং কৰিলে তাক ভিব্লগ (Vblog) বোলা হয়, য'ত ম'বাইল ফোনৰ পৰা ৱেবছাইট বা ব্লগ প্রকাশ কৰা হয়।

খ) **ফে'চ্বুক (Facebook) ঃ** (২০১৩ চনৰ ছেপ্তেম্বৰ মাহৰ গণনা অনুসৰি) ফে'চ্ বুক হৈছে ১.১৫ হাজাৰ নিযুত সদস্যৰে এটা উল্লেখযোগ্য ৱাজহুৱা নে'টৱর্কিং (Networking) মঞ্চ (Platform)। সদস্যভুক্ত ব্যৱহাৰকাৰীসকলে (Users) ব্যক্তিগত প্র'ফাইল (Profile) সৃষ্টি কৰে, বা-বাতৰি সংযোগ কৰে আৰু ষ্টেটাছ আপডে'ট (Status Update)সহ বা-বাতৰি বিনিময় কৰে। ই এনেকুৱা এটা ৱাজহুৱা উপযোগিতা (Utility) যিয়ে মানুহক তেওঁলোকৰ বন্ধু-বান্ধৱীৰ লগত সংযোগ কৰে, বন্ধু-বান্ধৱীৰ লগতে অন্যান্যকো কাম-কাজ, অধ্যায়নৰ মাধ্যমেদি নিজৰ চৌপাশে পায়।

গ) **টুইটাৰ (Twitter) ঃ** টুইটাৰ হৈছে এটা জনপ্রিয় মাইক্র'ব্লগিং ৰে'বছাইট যিয়ে বিভিন্ন গোট আৰু ব্যক্তিসমূহক চুটি ষ্টেটাচ সংবাদ (১৪০ টা শব্দৰ ভিতৰত) প্রেৰণৰ মাধ্যমেদি পাৰস্পৰিক ভাব-বিনিময় কৰি পাৰস্পৰিক সম্পর্ক ৰক্ষা কৰে।

ঘ) **য়ুউ টিউব (You Tube) ঃ** এইটো ভিডিঅ' আপ্ল'ড আৰু শ্বেয়াৰ (Share) কৰা এটা জনপ্রিয় ছাইট। অন্লাইন (Online) মাধ্যমেদি বিভিন্ন প্রকাৰৰ ভিডিঅ', যেনে— বিনোদন, ৱাজনীতি, শিক্ষা মূলকৰণ পৰা আদি কৰি বন্য জীৱনলৈকে বিভিন্ন প্রকাৰৰ ভিডিঅ' পাব পাৰি।

ঙ) **ফ্লিকৰ্ (Flickr) ঃ** এইটো এটা ইমে'জ (Image) আৰু ভিডিঅ' (Video) প্রদর্শন কৰা ৱেবছাইট। ফে'চবুক, টুইটাৰ আৰু অন্যান্য ৱাজহুৱা নে'টৱর্কিং ছাইটত ফটো শ্বেয়াৰ (Share) কৰিব পাৰি।

চ) **ইন্ষ্টাগ্রাম (Instagram) ঃ** এইটো এটা মুক্ত এপ্লিকেশ্বন (App) যাৰ মাধ্যমেদি

ছবি আৰু ভিডিঅ' ইউজাৰ (Users)সকলে ডিজিটেল ফিল্টাৰ, ফ্রেম্ আৰু বিশেষ এফেক্ট (Effect) দিব পাৰে আৰু সিবিলাকক বিভিন্ন প্রকাৰৰ ৰাজহুৱা নে'টৱর্কিং ছাইটত দিব পাৰে।

ছ) **পড্কাষ্ট (Podcast) ঃ** পড্কাষ্ট হৈছে এটা ডিজিটেল মাধ্যম য'ত ৰাশি ৰাশি অডিঅ', ভিডিঅ', ৰেডিঅ', PDF বা epub ফাইল আদি থাকে, যাক ৱেব চিণ্ডিকেশ্বন বা ষ্ট্রীমড্ অন্লাইনৰ মাধ্যমেদি কম্পিউটাৰ আৰু ম'বাইল ফোন আদিত দিয়া হয়।

জ) **লিংকেডিন্ (LinkedIn) ঃ** ৩০০ নিযুত সদস্য সহ এইটো পৃথিৱীৰ আটাইতকৈ বৃহৎ বৃত্তিমূলক (Professional) নে'টৱর্ক।

ৱেবত থকা এই ধৰণৰ ৰাজহুৱা নে'টৱর্ক ছাইটসমূহে নতুন নতুন বাস্তৱ (Virtual) গোট সৃষ্টি কৰিব পাৰে য'ত ৰাষ্ট্রীয় আৰু আঞ্চলিক সীমা অতিক্রম কৰি বাক্য, প্রতিচ্ছবি আৰু শব্দ (Sound)ৰ মাধ্যমেদি আলোচনা আৰু মত বিনিময় অনুষ্ঠান পৰিচালিত হয়। তাৰে কিছুমানক Hate Speech, নগ্নতা, গোপনীয়তাৰ প্রসংগ আৰু মানৱ অধিকাৰ, বৌদ্ধিক সম্পত্তিৰ সংৰক্ষণ অধিকাৰ আৰু ৰাজহুৱা স্থলৰ অপব্যৱহাৰ ইত্যাদি প্রসংগসমূহ সংশোধনৰ অধীন।

**চিটিজে'ন জার্নেলিজম্ (Citizen Journalism) ঃ** জনসাধাৰণৰ মাজত তথ্য আৰু বাতৰি বিয়পাই দিয়াত ছপা আৰু বৈদ্যুতিক মাধ্যমে প্রমুখ ভূমিকা গ্রহণ কৰে। অৱশ্যে নব্য মাধ্যম প্রযুক্তিৰ উদ্ভৱৰ লগে লগে ৰাজহুৱা মাধ্যমৰ বিবিধ আহিলা যেনে ফে'চ্ বুক, দুইটাৰ, ব্লগ আদিৰ ব্যৱহাৰ বৃদ্ধি পাইছে। ব্যক্তিয়ে মতামত আৰু দৃষ্টিভংগী ব্যক্ত কৰা মঞ্চ হিচাপে ইবে আহিলাসমূহে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তদুপৰি ই বাতৰি আৰু দৃষ্টিভংগী বিয়পাই দিয়াত গুৰুত্বপূর্ণ মাধ্যম (Medium) হিচাপে কাম কৰে। কেৱল বাতৰি সংস্থাসমূহেই নহয়, জনসাধাৰণে বাতৰি আৰু তথ্যৰ সিচঁৰীতকৰণ, সংগ্রহ, পৰিবেশন আৰু বিশ্লেষণত আগভাগ লয়। এই প্রক্রিয়াটোকে চিটিজেন জার্নেলিজম্ (Citizen Journalism) বোলে। এইটো এটা বিকল্প বাতৰি সংগ্রহ আৰু পৰিবেশনৰ মাধ্যম যি প্রধানতঃ মূলধাৰৰ গণ মাধ্যমৰ বাহিৰত কাম কৰে। চিটিজেন জার্নোলিজমৰ এনে কেইটামান উদাহৰণ যি কেইটাই আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় পর্যায়ত মূলধাৰাৰ গণমাধ্যমক অতিক্রম কৰি গৈছে— Arab Spring Rising বা ব্লগ'স্ফিয়াৰত দিয়া ধাৰাবাহিক বিৱৰণি যিয়ে নেকি ইউকে (U.K.)ত সংঘটিত হোৱা গ্রীষ্মকালীন সংঘর্ষ (Summer Riots)ৰ দোষীসমূহক কৰায়ত্ত কৰাটো সম্ভৱ কৰিছিল। স্থানীয় স্তৰত বিভিন্ন গোট (Community)ৰ ব্ল'গিং ছাইটৰ মাধ্যমেদি ইয়াৰ প্রভাৱ অনুভূত হয়। উত্তৰ পূব ভাৰতত প্রত্যক্ষ কৰিবলৈ পোৱা মানুহৰপীড়া জনিত অৱস্থাক চিটিজেন জার্নেলিজমে পুনৰ নির্মাণ কৰি বিশ্ব স্তৰীয় সমাজৰ প্রেক্ষাপটক এনে উৎকট পীড়াজনক স্থিতিক নতুন মাত্রাত দাঙি ধৰিব পাৰে। চিটিজেন বা নাগৰিকসকলৰ বৈকল্পিক দৃষ্টিভংগী থাকিব পাৰে। তাৰ আধাৰতে তেওঁলোকে সংবাদ পৰিবেশনলৈ বিষয়বস্তুগত আৰু আদর্শগত বিবিধতা আনিব পাৰে এনে হোৱাৰ ফলত সমাজত বাস কৰা লোকসকলে এনে লোকৰ মতামতৰ লগতো পৰিচিত হয়, যিসকল লোকৰ কণ্ঠ সচৰাচৰ শুনিবলৈ পোৱা নাযায় বা যাৰ মতামতক সাধাৰণতে গুৰুত্ব দিয়া নহয়

(Marginalised Voices)।

যোৱা দশকটোত হোৱা ৰাজহুৱা গণমাধ্যমৰ বিকাশ আৰু প্রসাৰৰ লগে লগে 'চিটিজেন জার্নেলিজম 'অভিধাটোৰ জন্ম হয়। 'বাটেদি গৈ থকা সাধাৰণ বাটৰুৱাজন'ৰো নিজস্ব বিষয়বস্তু নির্মাণ আৰু বিতৰণৰ ক্ষমতা বৃদ্ধি পাইছে। এই ধৰণৰ কমিউনিটি ৰিপ'টিঙৰ ক্রমবর্ধমান হাৰৰ বাবে মুখ্যতঃ বৰঙণি আগবঢ়াইছে সহজলভ্য আৰু সহজতে ব্যৱহাৰযোগ্য (User-Friendly) স্মার্ট ফোন (Smart Phone) আৰু কেমেৰা। এনে ধৰণৰ বৈদ্যুতিক আহিলাই সাধাৰণ লোকক যিকোনো মূহূর্তক নিজৰ বৈদ্যুতিক আহিলাত বন্ধী কৰি (Capture) তাক ৰাজহুৱা নে'টৱর্কৰ বিভিন্ন ছাইটলৈ প্রেৰণ কৰি সর্বসাধাৰণক সেই সমূহৰ প্রতি সজাগ কৰি বহুজনক অনলাইন আলোচনাত নিয়োজিত কৰাব পাৰে। চিটিজেন জার্নোলিষ্টসকলে ব্যক্তিগত স্তৰত তেওঁলোকৰ কাহিনীসমূহ ৰাজহুৱা মাধ্যমৰ যোগেদি ফলপ্রসুভাৱে প্রকাশ কৰিব পাৰে।

**ব্লগ (Blogs) ঃ** ব্লগ হৈছে ৱেবল'গ (Weblog) চুটি ৰূপ। এই অভিধাটো সেইটো ৱেবছাইট (Website)ক নির্দেশ কৰে য'ত এজন ব্যক্তিৰ লগত জড়িত তথ্য ক্রমানুসাৰে সংগ্রহ কৰা হয়। ব্লগত ব্লগৰ লেখক গৰাকীয়ে তেওঁৰ মনোযোগ আকর্ষণ কৰা তথ্য বা কথা সন্নিৱিষ্ট কৰাৰ লগে লগে তেওঁৰ জীৱনৰ বা তেওঁ দিব খোজা শেহতীয়া তথ্য বা-বাতৰি ব্লগত সন্নিৱিষ্ট কৰা হয়। সেই তথ্যসমূহক ব্যক্তি বিশেষ বা ব্যক্তিসমূহৰ গোটে বিভিন্ন বিষয়ত নিজৰ মতামত ব্যক্ত কৰিব পাৰে। এটা ব্লগত অন্যান্য ছাইটলৈ পঠিয়াব পৰাকৈ বিষয়বস্তু (Text), ছবি, ভিডিঅ' আৰু লিংগ (Link) থাকে। ব্লগ এক প্রকাৰৰ ব্যক্তিগত ডায়েৰী যদিও তাৰ ডায়েৰী লেখক গৰাকীয়ে তেওঁৰ চিন্তা আৰু আশা-অনুভূতিসমূহ বেলেগে জনাতো বাঞ্ছা কৰে। আজিৰ দিনত বহুতো ব্যক্তিয়ে ব্লগিং কৰে আৰু ই ক্রমশঃ ব্যক্তি বিশেষৰ মতামত ব্যক্ত কৰাৰ ফলপ্রসূ মাধ্যম হৈ পৰিছে। ব্যাপক প্রেক্ষাপটত এই ব্যক্তিগত অভিমতসমূহ শুদ্ধ নহ'বও পাৰে। যদিও বা ব্লগ লেখকসকলৰ বিৰুদ্ধে বিভিন্ন লোক অভিযোগনামা দাখিল কৰিছে, তথাপিতো ব্লগ লেখকসকলক নিজৰ নিজৰ ব্লগত লিখাৰ পৰা বিৰত কৰিব নোৱাৰি। ৱেবল'গ (Weblog) অভিধাটোৰ স্রষ্টা হৈছে জর্ন বার্গাৰ (Jorn Barger)। তেওঁ ১৯৯৭ চনত এই অভিধাটো সৃষ্টি কৰিছিল। তেওঁ ইণ্টাৰনে'ট ছাইটসমূহলৈ বৰঙণি যোগোৱা প্রমুখ ব্যক্তি আছিল। অর্থ্যৎ তেওঁ সুদীর্ঘ কাল ধৰি সেই বৰঙণি আগবঢ়াই আহিছে। তেওঁ তেওঁৰ নিজস্ব ছাইট Weblog 'Robot Wisdom'ৰ স্রষ্টা। সর্বপ্রথম Blogging Application ব্লগাৰ (Blogger) ১৯৯৯ চনত পায়্ৰা লেব্চে (Pyra Labs) নির্মাণ কৰি উলিয়ায়। এইটো সম্প্রতি গুগুলৰ (Google) মালিকানাধীন। ই বহুতো লোকক ব্লগিং আৰম্ভ কৰিবলৈ সুযোগ প্রদান কৰিছিল।

ব্লগসমূহ বিভিন্ন উদ্দেশ্যলৈ লিখা হয়। তাত সন্নিৱিষ্ট হোৱা বিষয়সমূহো ভিন্ন হয়। তাৰ ভিতৰত ব্যক্তিগত ব্যৱসায়, কাম-কাজ, ভ্রমণ আৰু বিভিন্ন কাহিনী বা ঘটনাৰ পাৰস্পৰিক আদান-প্রদান। ব্লগসমূহে মানুহৰ মাজত জ্ঞানৰ প্রসাৰ সাধন কৰে, জ্ঞানৰ পাৰস্পাৰিক বিনিময় ঘটায়, পর্যবেক্ষণ, মনন আৰু গঠনমূলক যুক্তিতর্কত নিয়োজিত হ'বলৈ পৰিবেশ সৃষ্টি কৰে, যুদ্ধৰ পৃষ্ঠভূমি আৰু যুদ্ধ বিজৰিত বা-বাতৰিৰ প্রচাল, সমাজৰ জাকত জিলিকা (Celebrities)

লোকসকলৰ লগত জড়িত মনোৰম ঘটনাৰ উল্লেখ খৰতকীয়া ভাবে ব্লগসমূহত কৰা হয়। পৰস্পৰাগত সংবাদ সেৱাসমূহৰ তুলনাত ব্লগ সেৱা অধিক খৰতকীয়া। সিবিলাকৰ সুবিধাজনক স্থিতিৰ বাবে ব্লগৰ জনপ্রিয়তা ক্রমশঃ বৃদ্ধি পাইছে। ব্লগত বিভিন্ন বিষয়বস্তু, ছবি, গ্রাফিক্ছ, ভিডিঅ', অডিঅ', পিডিএফ (PDF) আৰু অন্যান্য ফাইলৰ পৰিবেশন সুগম হোৱাৰ বাবে ব্লগ সাম্প্রতিকসময়ৰ এটা অতীব জনপ্রিয় ৰাজহুৱা মাধ্যম ৰূপে চিহ্নিত হৈছে। ইয়াত প্রকাশ আৰু সংযোগৰ স্বচ্ছতা (Transparency) থাকে। লগতে এটা কথোপকথন ধর্মী সুৰত লিখাৰ সুবিধা থাকে। ফে'চবুক বা দুইটাৰৰ নিচিনা ছাইটলৈ অতি সহজতে কাৰোবাৰ ব্লগৰ বিষয়বস্তু প্রেৰণ কৰিব পৰা যায়। তাৰ বাবে ব্লগৰ URL ঠিকনাটোৱেই যথেষ্ট। এই দৰে ব্লগসমূহ অধিক সহজলভ্য হৈ পৰিছে।

নিজৰ দৃষ্টিভংগী আৰু মনোভাব ব্যক্ত কৰিবলৈ যি কোনো এজন ব্যক্তিয়ে ব্লগত লিখিব পাৰে। তাৰ বাবে প্রয়োজন হয় কিছু অভিনৱ চিন্তা, অন্তর্দৃষ্টি, চিন্তাসমূহক লিখিত ৰূপ দিয়াৰ কলা, ছবিৰ সংযোগ, ভিডিঅ' আৰু গ্রাফিক্ছৰ সংযোগ (যদি উচিত বিবেচিত হয় বা বিচৰণ হয়) আৰু তাৰ প্রকাশ। তদুপৰি সেইসমূহ অন্যান্য ৰাজহুৱা বা সামাজিক মাধ্যমলৈ প্রেৰণ কৰিব পাৰি। সেই ক্ষেত্রত ই-মেইল (e-mail) আদিৰ সহায় লোৱা হয়। ব্লগ পঢ়োতাসকলে তাত লিখিব পৰা প'ষ্ট (Post)ৰ আধাৰত নিজৰ অভিমত ব্যক্ত কৰে, নিজৰ চিন্তাধাৰা ব্যক্ত কৰাৰ সুযোগ লাভ কৰে, ব্লগাৰজনৰ লগত সংযোগ সাধন কৰিব পাৰে আৰু অন্যান্যসকলৰ লগতো ভাব বিনিময় কৰিব পাৰে।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৪ ঃ** ৰাজহুৱা মাধ্যম (Social Media) বুলিলে কি বুজে?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** ব্লগ (Blog) কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৬ ঃ** জৰ্নবাৰ্গৰে সৃষ্টি কৰা Weblogটোৰ নাম কি?

.....

.....

.....

.....

.....

## ৩.৫ নব্য প্রচাৰ মাধ্যম আৰু সাংবাদিকতা (NEW MEDIA AND JOURNALISM)

ইমানপৰে আপোনালোকে নিশ্চয় বুজি উঠিছে যে নব্য প্রচাৰ মাধ্যমে আমাৰ চৌপাশৰ পৃথিৱীখনত সুগভীৰ প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। আমাৰ সমাজ, সংস্কৃতি, ৰাজনীতি আটাইবোৰেই প্রযুক্তিৰ দ্বাৰা প্রভাৱিত হৈছে। সময় বাগৰাৰ লগে লগে নব্য প্রচাৰ মাধ্যমৰ এই অন্তর্গমন (Penetration) অধিক গভীৰ হ'ব আৰু সমাজৰ গৰিষ্ঠসংখ্যক লোকক ইয়াৰ পৰিসৰৰ ভিতৰত সামৰি ল'ব।

নব্য প্রচাৰ মাধ্যমক যোগাযোগ স্থাপন তথা তথ্য সম্প্রচাৰণৰ এটা মাধ্যম হিচাপেহে বিকশাই তোলা হৈছিল। সেয়েহে অন্য ক্ষেত্রবোৰতকৈ সাংবাদিকতাৰ ক্ষেত্রখনত ইয়াৰ সর্বাধিক প্রভাৱ থকাটোত আচৰিত হ'বলগীয়া একো নাই। ছপা, ৰেডিঅ' অথবা ব্রডকাষ্ট— সকলো দিশতে নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰে অভাৱনীয় পৰিৱর্তনৰ সূচনা কৰিছে। ইণ্টাৰনে'ট আৰু ৱৰ্ল্ড ৱাইড ৱেব-এ সাংবাদিকৰ কাম কৰাৰ শৈলী সলনি কৰিছে। ইয়াৰ আগৰ অধ্যায়ত আপোনালোকে অন্‌লাইন সাংবাদিকতাৰ উল্লেখ পঢ়িবলৈ পাইছে। এক সম্পূর্ণ নতুন ক্ষেত্রৰূপে এই বৃত্তিটোৱে গা কৰি উঠিছে। তৎসত্ত্বেও, নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰৰ আগমনৰ লগে লগে প্রচলিত সাংবাদিকসুলভ কাম-কাজবোৰলৈও এক নতুনত্ব আহিছে। পৰৱর্তী উপ-শাখাবোৰত আমি নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰে কেনেদৰে প্রধান সংবাদ খণ্ডবোৰৰ ওপৰত প্রভাৱ বিস্তাৰ কৰিছে সেই বিষয়ে আলোচনা কৰিম।

### ৩.৫.১ ছপা মাধ্যমৰ সাংবাদিকতা (Print Journalism)

মাত্র কিছুদিনৰ আগলৈকে সাংবাদিকসকলে তথ্যৰহিত সমাজৰ মাজত থাকি কাম কৰিবলগীয়া হৈছিল। কিন্তু আজি নব্য প্রযুক্তিবোৰে তথ্যসমৃদ্ধ সমাজ গঢ়ি তুলিবলৈ সক্ষম হৈছে। ফলত সাংবাদিকৰ পৰা এনে সমাজে কৰা দাবীৰ মাত্রা বৃদ্ধি পাইছে। নব্য প্রযুক্তিয়ে সংবাদ সংগ্রহ প্রক্রিয়াটোৰ উন্নতি সাধন কৰিছে। ফলতসংবাদ বিৱৰণী যুগুত কৰাৰ মান উন্নত কৰাৰ চাহিদাও বৃদ্ধি পাইছে। সেয়েহে বাতৰি পৰিৱেশন কৰাৰ ক্ষেত্র ত

সাংবাদিকসকলে অধিক সৃজনশীলতাৰ পৰিচয় দিবলগীয়া হৈছে।

বর্তমান প্রতিগৰাকী সাংবাদিকেই বহুমুখী দক্ষতাসম্পন্ন হ'ব লাগে। ছপা মাধ্যমত ডিজিটেল যুগৰ আগমন ঘটাৰ লগে লগে সাংবাদিকসকল ইণ্টাৰনে'ট, অন্য সাধাৰণ কম্পিউটাৰ প্র'গ্রেম, বিভিন্ন সম্পাদনা আৰু পেইজমেকিং ছফ্‌টৱে'ৰৰ (Pagemaking Software) সৈতে পৰিচিত হ'ব লাগে। ই সময়ৰ দাবী। 'কম্পিউটাৰ এছিষ্টেণ্ট ৰিপর্টিং' অথবা 'কাৰ' (CAR) সাংবাদিকে দ্রুতগতিত ঘটনাৰ গৱেষণা কৰিবলৈ পছন্দ কৰা পদ্ধতিত পৰিণত হৈছে।

'ফটোজার্নেলিজ্‌ম' অর্থাৎ চিত্র-সাংবাদিকতাৰ ক্ষেত্র খনো নব্য প্রচাৰ মাধ্যম প্রযুক্তিৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছে। উন্নতমানৰ ছবি নিচেই কম সময়তে ধৰি ৰাখিবলৈ সাংবাদিকসকলে বিভিন্ন বৈশিষ্ট্যযুক্ত ডিজিটেল কেমেৰা ব্যৱহাৰ কৰিবলৈ লৈছে। এনে ফটো প্রকাশ কৰিবলৈকো অধিক সময়ৰ প্রয়োজন নহয়। আগতে কেমেৰা ৰীল এটা 'ডেভেলপ' কৰিবলৈ এৰাতিৰ প্রয়োজন হৈছিল। আজিকালি ফটোগ্রাফাৰসকলে তেওঁলোকৰ কেমেৰাৰ সহায়তে 'ব্রেকিং' সংবাদৰ যোগান ধৰে। পাৰ হৈ যোৱা নৱবর্ষৰ ৰাতি মুম্বাইৰ ক্লাব এটাত এদল পুৰুষে মহিলা এগৰাকীৰ সৈতে অমার্জিত ব্যৱহাৰ কৰাৰ খবৰটোৱে বাতৰিকাকতৰ প্রধান সংবাদৰ স্থান দখল কৰিছিল। যিসকল ফটোগ্রাফাৰে এই ঘটনাটোৰ ফটো তুলিছিল তেওঁলোকক তেওঁলোকৰ 'বাতৰিজ্ঞান'ৰ (News Sense) বাবে পুৰস্কৃত কৰা হৈছিল।

কিন্তু আজিকালি মাজে সময়ে কোনো ঘটনাৰ আঁৰৰ কাৰণ বিকৃত কৰিবলৈ ফটোগ্রাফাৰক ব্যৱহাৰ কৰা হয়। 'এড'বি ফটোশ্বপ'ৰ (Adobe Photoshop) দৰে ছফ্‌টৱে'ৰৰ সহায়ত কোনো এক নির্দিষ্ট প্রত্যয়ৰ জন্ম দিবলৈ প্রতিচ্ছবিবোৰত ডিজিটেল প্রক্রিয়াৰে সাল-সলনি ঘটোৱা হয়। ইয়াৰে এটা উদাহৰণ হ'ল ১৯৯৪ চনৰ অ'.জে. ছিম্প্‌ছন বিচাৰ। অভিযুক্তক পত্নী হত্যাৰ অপৰাধত বন্দী কৰি বিচাৰ চলোৱা হৈছিল। আগশাৰীৰ বাতৰিকাকত 'টাইমছ' (Times) আৰু 'নিউজউইক' (News Week)এ বিচাৰ প্রক্রিয়াটোৰ বিস্তৃত সংবাদ প্রকাশ কৰিছিল। কিন্তু বাতৰিৰ সৈতে প্রকাশিত ফটোৰ মাজত পার্থক্য ধৰা পৰিছিল। 'নিউজউইক' (News Week)এ পাছত স্বীকাৰ কৰিছিল যে অভিযুক্তক চয়তানৰ ৰূপ দিবলৈ তেওঁলোকে অভিযুক্তৰ মুখৰ বৰণ ক'লা কৰিছিল।



***'টাইমছ' (Times)*** হ'ল আমেৰিকাৰ সর্বাধিক বিক্রী হোৱা মহানগৰকেন্দ্রিক দৈনিক বাতৰিকাকত।

***'নিউজউইক' (News Week)*** হ'ল দেশখনৰ দ্বিতীয় সর্বাধিক বিক্রী হোৱা সাপ্তাহিক বার্তালোচনী।

নব্য প্রচাৰ মাধ্যমে ছপা মাধ্যম সাংবাদিকতাক এনেদৰে গ্রাস কৰিছে যে ছপা মাধ্যমৰ সাংবাদিকসকল বিলুপ্তপ্রায় জীৱত পৰিণত হোৱাৰ উপক্রম ঘটিছে। অসংখ্য নিত্য-নতুন সম্পাদনা ছফ্‌টৱেৰে বজাৰত ভিৰ কৰিছে। ফলত বর্তমান সাংবাদিক এগৰাকীৰ কাম প্রায় গুৰুত্বহীন হৈ পৰিছে। ৰর্ড প্র'ছেছিং, স্পেল ছেক, গ্রামাৰ ছেক আৰু ষ্টাইল ছেক হ'ল বর্তমান বজাৰত সুলভ সম্পাদনা ছফ্‌টৱে'ৰৰ সৈতে সংযোজিত সৰলতম বৈশিষ্ট্য। তদুপৰি বজাৰত আজিকালি কেইটামান 'ৰাইটিং ছফ্‌টৱে'ৰ-ও পোৱা

যায়। 'স্প'ৰ্টছৱাইটাৰ' হ'ল তেনেকুৱা এবিধ ছফ্‌টৱেৰ'ৰ। এই ছফ্‌টৱেৰ'ৰবিধৰ স্রষ্টা হ'ল ৰ'বার্ট হেল্মছ্। ই মেট্‌ছ স্ক'ৰ (Match Score) আৰু অন্য বিস্তৃত তথ্য যোগ দিয়াৰ পাছত নিজেই খেলৰ বাতৰি এটা তৈয়াৰ কৰি উলিয়াব পাৰে। বাতৰি নির্বাচন কৰিবলৈ, এজেন্সীৰ বাতৰিকাকত, আলোচনী আদিৰ পৰা পোৱা বাতৰি সংক্ষিপ্ত কৰিবলৈও বহুতো কম্পিউটাৰ পেকেজ কিনিবলৈ পোৱা যায়।

জার্নেলিজমৰ ক্ষেত্র খনত নব্য প্রচাৰ মাধ্যম প্রযুক্তিৰ ক্রমৱর্ধিত প্রভাৱৰ বাবে ছপা মাধ্যমৰ সাংবাদিকতা লোপ পাব বুলি ভবা হৈছিল। কিন্তু উদ্বিগ্নতা বৃদ্ধি পোৱা সত্ত্বেও দেখা গ'ল যে বাতৰিকাকত আৰু আলোচনীয়ে পঢ়ুৱৈৰ মাজত ইয়াৰ জনপ্রিয়তা অক্ষুণ্ণ ৰাখিছে। ইণ্টাৰনে'ট আৰু ৱ'ৰ্ল্ড ৱেবৰ দৰে প্রযুক্তিবোৰে ইয়াৰ অভ্যন্তৰতো খোপনি পুতিছে যদিও এইবোৰে ছপা মাধ্যমক উৎকর্ষৰ নতুন লক্ষ্যত উপনীত হ'বলৈহে উদ্‌গনি যোগাইছে। নিঃসন্দেহে সাংবাদিকসকল নব্য প্রযুক্তিৰ সৈতে অভ্যস্ত হোৱাৰ প্রয়োজনীয়তা আহি পৰিছে। তেওঁলোকে এনে প্রযুক্তিৰ চাৰিত্রিক বৈশিষ্ট্যৰ সৈতেও পৰিচিত হ'বলগীয়া হৈছে। এই তেওঁলোকৰ কাম বহু পৰিমাণে সহজ কৰি তুলিব। নব্য প্রযুক্তিয়ে বিভিন্ন দিশেৰে সাংবাদিকৰ কাম সৰল আৰু দ্রুত কৰি তুলিছে। নব্য প্রযুক্তিয়ে সংবাদ গ্রহণ প্রক্রিয়াটো আগতকৈ সহজ কৰি তুলিছে। এগৰাকী লিখকে এতিয়াও সাংবাদিক হ'বৰ বাবে ভালকৈ লিখিব জানিব লাগে। নব্য প্রযুক্তিসমূহে তেওঁক কেৱল গৱেষণা কার্যতহে সহায় কৰিব। ঘটনা এটাৰ প্রকৃত ৰূপটোৰ খচৰা লিখাত তেওঁক প্রযুক্তিয়ে একো সহায় কৰিব নোৱাৰে।

সেয়েহে আমি ক'ব পাৰো যে ছপা মাধ্যম সাংবাদিকতাৰ প্রতি ভাবুকি বুলি ভবাতকৈ নব্য প্রচাৰ মাধ্যম তথা ইয়াৰ বিভিন্ন দিশৰ সম্যক জ্ঞানে ছপা মাধ্যমৰ সাংবাদিক এগৰাকীক তেওঁৰ কাহিনী অধিক উৎকৃষ্ট ৰূপত উপস্থাপন কৰাৰ সুযোগ পাব।

বর্তমানৰ ছপা প্রচাৰ মাধ্যমে অতীতৰ বৈশিষ্ট্য হেৰুৱাই পেলাইছে যদিও ইয়াক এটা মৃতপ্রায় প্রচাৰ মাধ্যম বুলি কোৱাতো ভুল হ'ব। যদি ই নিজ কার্য প্রণালীত নব্য প্রচাৰ মাধ্যমৰ প্রযুক্তিসমূহ সংযোজিত কৰে, তেন্তেই আগতকৈ বৃহৎ আৰু শক্তিশালী প্রচাৰ মাধ্যমত পৰিণত হ'ব।

নব্য প্রচাৰ মাধ্যমৰ উন্মেষ ঘটাৰ লগে লগে এটা আকর্ষণীয় দিশ দৃষ্টিগোচৰ হৈছে। ছপা প্রচাৰ মাধ্যমেও প্রত্যাহ্বান গ্রহণ কৰিবলৈ কঁকালত টঙালি বান্ধিছে। ই লাহে লাহে নব্য প্রচাৰ মাধ্যমৰ সৈতে ইয়াৰ সম্পর্ক বৃদ্ধি কৰিবলৈ ধৰিছে। এইক্ষেত্র ত প্রধানকৈ নাম ল'ব পাৰি ইণ্টাৰনে'ট আৰু ৱ'ৰ্ল্ড ৱাইড ৱেবৰ। দুয়োটা পন্থাই ইটোৱে সিটোৰ পৰিপূৰক হিচাপে কাম কৰি পঢ়ুৱৈ/দর্শকৰ সংখ্যা বৃদ্ধি কৰিছে। আজিৰ যিকোনো বাতৰিকাকত অথবা আলোচনীয়েই বর্তি থাকিবলৈ অন্ততঃ কিছু পৰিমাণে হ'লেও নব্য প্রচাৰ মাধ্যমৰ সৈতে সম্পর্ক ৰাখিব লাগিব।

## ৩.৫.২ ব্রডকাষ্ট সাংবাদিকতা (Broadcast Journalism)

ব্রডকাষ্ট সাংবাদিকতাৰ আধাৰ প্রযুক্তি বুলি ক'লেও বঢ়াই কোৱা নহ'ব। প্রচাৰ মাধ্যম প্রযুক্তিৰ বিকাশৰ লগে লগে বৈদ্যুতিক সংবাদ ছেনেলৰ জন্ম আৰু প্রসাৰ ক্ষেত্রখনলৈ অভূতপূর্ব পৰিৱর্তনৰ সোঁত বৈছে। সংবাদৰ তাৎক্ষণিকতা আৰু সংবাদ প্রযোজক তথা দর্শকৰ মাজৰ অন্তঃক্রিয়াশীলতাৰ দিশৰ পৰা ডিজিটেল প্রযুক্তিৰ বিকাশ কার্যকৰী সিদ্ধ হৈছে।

আজিকালি সাংবাদিকে পৃথিৱীৰ যিতোনো প্রান্তৰ পৰা 'লাইভ' সংবাদ সম্প্রচাৰিত কৰিব পাৰে। ভিডিঅ' ফোনৰ সহায়ত তেওঁলোকে সংবাদ কক্ষলৈ পোনে পোনে ছবি আৰু ভিডিঅ' ফুটেজ প্রেৰণ কৰিব পাৰে। এই সুবিধা থকা বাবে এতিয়া 'ব্রেকিং' সংবাদৰ বিস্তৃত বিৱৰণী সম্প্রচাৰ কৰাও সহজ হৈ পৰিছে। এনে বহুতো প্রযুক্তি আছে যিবোৰে সাংবাদিকক অডিঅ' আৰু ভিডিঅ' ফুটেজসমূহ ঘটনাস্থলীতে সম্পাদনা কৰাত সহায় কৰে। তেওঁলোকে অনাতাঁৰ লেপটপ ফুটেজবোৰ সম্পাদনা কৰি ইণ্টাৰনেটৰ জৰিয়তে সংবাদ কক্ষলৈ প্রেৰণ কৰে।

প্রযুক্তিৰ বিকাশৰ বাবে যুদ্ধকালীন সাংবাদিকতাৰ ক্ষেত্রখনলৈও অভাৱনীয় পৰিৱর্তন আহিছে। প্রযুক্তিয়ে আন্তঃৰাষ্ট্রীয় বিবাদ ক্ষেত্র বোৰৰ পৰা যুদ্ধৰ সংবাদ প্রেৰণ কৰা সাংবাদিকৰ কাম-কাজৰ ৰূপ সলনি হৈছে। ভিয়েটনাম যুদ্ধৰ বিষয়ে সংবাদ মাধ্যমে যেনেদৰে প্রচাৰ কৰিছিল তাৰ সৈতে ২০০৩ চনৰ ইৰাক যুদ্ধৰ 'লাইভ' বাতৰি প্রচাৰ শৈলীৰ মাজত বহুতো পার্থক্য আছে। ভিডিঅ' ফোন আৰু লেপটপে যুদ্ধৰ বাতৰি যোগান ধৰা প্রক্রিয়াটো উজু আৰু সাধাৰণ অনুশীলনত পৰিণত কৰিছে। সহজে ইঠাইৰ পৰা সিঠাইলৈ কঢ়িয়াই নিব পৰা ছেটেলাইট প্রযুক্তিৰো উল্লেখনীয় বিকাশ হৈছে। ইয়াৰ ফলত সমগ্র বিশ্বৰে সংবাদ কক্ষলৈ অভূতপূর্ব পৰিৱর্তনৰ সোঁত বৈছে। প্রচাৰ মাধ্যম প্রতিষ্ঠানবোৰে এতিয়া বিভিন্ন সংবাদকক্ষ নে'টৱর্কৰ সৈতে পলকতে নিজ সংবাদকক্ষৰ পৰা অডিঅ'-ভিডিঅ' ফুটেজ আৰু অন্য ঘটনাৰ দৰে সম্পদসমূহ বিতৰণ কৰিব পৰা হৈছে।

আপোনালোক সকলোৰে ইণ্টাৰনেট টিভি/ৰেডিঅ'ৰ ধাৰণাটোৰ সৈতে নিশ্চয় পৰিচয় আছে। এনে পদ্ধতিৰ সহায়ত ইণ্টাৰনেটত 'টিউনিং' মিলাই লৈ টিভি অনুষ্ঠান চাব নাইবা ৰেডিঅ' অনুষ্ঠান শুনিব পাৰি। যোগাযোগৰ পৃথিৱীখনত নব্য প্রচাৰ মাধ্যমৰ ই আন এটা উল্লেখনীয় সফলতা।

এগৰাকী সাংবাদিকে কেৱল নিজৰ ম'বাইল ফোনটোৰ জৰিয়তে ইণ্টাৰনেট সংযোগ স্থাপন কৰি সংবাদ কক্ষক এটা কথিত বার্তা নাইবা লিখিত বাতৰি ৰূপত কোনো সংবাদৰ প্রতিবেদন দাখিল কৰিব পাৰে। এই পদ্ধতিটোৱে কোনো সংবাদৰ সমন্বয় সাধিত প্রতিবেদনৰ উপস্থাপন যুগুত কৰাটো বহুখিনি সহায় কৰে।

### ৩.৫.৩ বিজ্ঞাপন উদ্যোগ (Advertising Industry)

নব্য প্রযুক্তিৰ বিকাশৰ ফলত বিজ্ঞাপন খণ্ডটোলৈও বহুতো পৰিৱর্তন আহিল। প্রযুক্তিয়ে বিজ্ঞাপন তৈয়াৰ কৰাৰ প্রক্রিয়াটোৰ ওপৰত প্রভাৱ পেলাইছে। ই বিজ্ঞাপনৰ প্রসাৰ আৰু মাধ্যম বাচনিৰ ওপৰতো নিজৰ প্রভাৱ বিস্তাৰ কৰিছে। প্রযুক্তিয়ে বর্তমান সকলো ধৰণৰ 'টাইপফেছ' (Typeface) নমুনা আগবঢ়ায়। ইয়াৰ ফলত ষ্টুডিঅ'ৰ ভিতৰতে মডেলৰ ফটো তুলি পাছত সেই ফটো আকর্ষণীয় দৃশ্যাৱলীৰ মাজত খাপ খুৱাই বহুওৱা হয়। মডেলক সবাতোকৈ ধুনীয়া আৰু আকর্ষণীয় ৰূপত দেখুৱাবলৈ মডেলৰ শৰীৰ আৰু মুখৰ অভিব্যক্তি সলনি কৰিব পৰা যায়।

প্রযুক্তিয়ে বিজ্ঞাপন উদ্যোগক গ্রাহকৰ তথ্য সংগ্রহ কৰাতো সহায় কৰে। বিজ্ঞাপন প্রস্তুতকর্তাই আজি গ্রাহকৰ প্রয়োজনীয়তা সহজে বুজি পায়। সেই প্রয়োজনীয়তাৰ ভিত্তিত বিজ্ঞাপন নির্মাতাই নির্দিষ্ট গ্রাহকক লক্ষ্য কৰি বিজ্ঞাপন প্রস্তুত কৰে। নিয়মীয়াকৈ ৱেব ছার্ফ (Web Surfing) কৰাসকলে অইনতকৈ গভীৰভাৱে বিজ্ঞাপনবোৰৰ অন্তঃ সংযোগ স্থাপন কৰিব পাৰে। তেওঁলোকে ব্যক্তিগতকৃত বার্তাবোৰৰ দ্বাৰা সর্বাধিক উপকৃতও হ'ব পাৰে। অধিকাংশ কোম্পানীয়ে নিজৰ সামগ্রীৰ বিষয়ে প্রচাৰ কৰিবলৈ আজিকালি ই-মেইল প্রেৰণ কৰে। বার্তা গ্রাহকৰ হাতত পৰা প্রক্রিয়াটো আগতকৈ উজু। কোম্পানীবোৰে এতিয়া তেওঁলোকৰ সামগ্রীৰ বিষয়ে জানিবলৈ আগ্রহী ব্যক্তিৰ ওপৰত নজৰ দিয়ে। আগৰ দৰে থুপতে একেটা জাংক মেইলকে (Junk Mail) সকলোলৈকে নপঠায়। কোনো ব্যক্তিৰ ব্যক্তিগত স্থানত বলপূর্বক নিজৰ অস্তিত্ব সাব্যস্ত কৰাতকৈ ব্যক্তিৰ বাবে গুৰুত্বপূর্ণ তথ্য প্রেৰণ কৰাত আজিকালিৰ কোম্পানীবোৰে অধিক জোৰ দিয়ে।

আপোনালোক, যিসকলে ইণ্টাৰনেট ছার্ফ কৰে, তেওঁলোকে নিশ্চয় নিজৰ নিজৰ ই-মেইল ঠিকনালৈ অহা অগণন বিজ্ঞাপন বাতৰিৰ বিষয়ে জানে। বিভিন্ন ৱেবছাইটতো এনে বিজ্ঞাপন বার্তা দেখা পোৱা যায়।

**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৭ ঃ** 'কম্পিউটাৰ এছিষ্টেড ৰিপ'র্টিং' মানে কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৮ ঃ** মেট্ছ স্ক'ৰ আৰু অন্য বর্ণনাসমূহ যোগ দিয়াৰ পাছত নিজে খেলৰ বাতৰি এটা প্রস্তুত কৰিব পৰা ছফ্টৱেৰ'বটোৰ নাম কি?

.....

.....

.....

.....

.....



**অনুশীলনী ৩.১**

ক) আপোনাৰ নিকটৱর্তী টিভি ষ্টেশ্যন এটালৈ যাওক। অনুষ্ঠান প্রস্তুত কৰাৰ সময়ত ব্যৱহাৰ কৰা প্রযুক্তিবোৰ পৰীক্ষা কৰক। ষ্টেশ্যনত থকা কেমেৰা, সম্পাদনা কার্যত ব্যৱহৃত ছফ্টৱেৰ'ৰৰ নাম আদি তথ্য সংগ্রহ কৰক।

.....

.....

খ) বাতৰিকাকতৰ সাংবাদিক এগৰাকীৰ সৈতে কথা পাতক। তেনে সাংবাদিকসকল কিমান 'টেকন'ল'জী ছেভী' হয় জানি থওক। তেওঁলোকে এতিয়াও সাংবাদিকতাৰ পুৰণি পদ্ধতিবোৰ ব্যৱহাৰ কৰি আছেনে? নে নিজৰ কামত নতুন প্রযুক্তিৰ সংযোগ ঘটাইছে?

.....

.....

গ) কোনো কম্পিউটাৰ এড'বি ফটোশ্বপ ছফ্টৱেৰ'ৰটো ব্যৱহাৰ কৰি চাওক। ফটোবোৰ কেনেকৈ পুনৰ ঠিক-ঠাক কৰি ল'ব পাৰি নিজে মন কৰক।

.....

.....

## ৩.৬ সমকেন্দ্রিকতা (CONVERGENCE)

১৯৮০ৰ দশকটো কম্পিউটাৰৰ দশক বুলি কোৱা হয়। '৯০ৰ দশকটোক কোৱা হয় ইণ্টাৰনে'টৰ দশক। তাৰ পাছত যিটো দশক আৰম্ভ হৈছে তাক কোৱা হয় সমকেন্দ্রিকতাৰ বা সমধর্মিতাৰ দশক। অথবা সহজ ভাষাত ইয়াক একাধিক প্রযুক্তিৰ ওচৰ চপাৰ নাইবা সমীপলৈ অহাৰ প্রচেষ্টা বুলি ক'ব পাৰো। সহজে বুজি পোৱাধৰণে ক'বলৈ হ'লে সমকেন্দ্রিকতা হ'ল

একেখন মঞ্চতে বিভিন্ন প্রযুক্তিৰ মিলন (Converging)।

ইয়াক ভৌগোলিক পৰিসীমা নির্বিশেষে তথ্য, চিন্তা আৰু ধাৰণাৰ অন্তঃসংযোগ বুলিও ক'ব পাৰি। ই এনে এখন পৃথিৱী গঢ়ি তোলাৰ ধাৰণাটোত বিশ্বাসী য'ত কোনো মানুহকে কোনো চিন্তা অথবা দর্শনৰ ভাগ দিবলৈ অস্বীকাৰ কৰা নহয়। আপুনি কথাটো প্রযুক্তি, তথ্য নাইবা মানুহৰ দিশৰ পৰা ভাবক বা নাভাবক, সমকেন্দ্রিকতা হৈছে সমাজ, উদ্যোগ তথা সকলোধৰণৰ অনুষ্ঠান-প্রতিষ্ঠানৰ বাধা আঁতৰোৱাৰ প্রচেষ্টা। সমকেন্দ্রিকতাৰ সপক্ষে যুক্তি দাঙি ধৰা কিছুমানৰ মতে, ইয়াৰ চূড়ান্ত ফলাফলটো হ'ব ডিজিটেল প্রযুক্তিৰ সবাতোকৈ বহল ভিত্তিক আন্তঃসংযোগ। এই সংযোগ তাঁৰযুক্ত অথবা অনাতাঁৰ —দুইধৰণৰ হ'ব পাৰে। লগতে ই কথা অথবা 'ড্যেটা', আকাশী অথবা স্থলভাগেদি পৰিবাহিত উভয় প্রকাৰৰে হ'ব পাৰে। মূল লক্ষ্যটো হ'ল ৰান্ধনীঘৰৰ টোষ্টাৰটোৰ পৰা আৰম্ভ কৰি কম্পিউটাৰ ছার্ভাৰলৈকে সকলো প্রযুক্তিকে গতি, সঠিক ৰূপ আৰু উদ্দেশ্যেৰে সংলগ্ন কৰা।

প্রযুক্তিৰ সমকেন্দ্রিকতাৰ বিভিন্ন স্তৰত প্রমাণ পোৱা যায়। পণ্যদ্রব্য, গেজেট আৰু যোগাযোগ ব্যৱস্থা সকলোতে সমকেন্দ্রিকতা থাকে। আজিকালি অধিকাংশ পণ্যদ্রব্যই দুটা ভিন ভিন প্রযুক্তিৰ মিলন ঘটাই আন এটা নতুন প্রযুক্তি সৃষ্টি কৰে। উদাহৰণস্বৰূপে ৰেফ্রিজাৰেটৰ আৰু ৰাশ্বিং মেছিনৰ কথাকে চোৱা যাওক। এই যতন দুবিধে আমাৰ দৈনন্দিন ঘৰুৱা কামৰ বোজা অলপ হ'লেও লাঘৱ কৰে। লগতে আমি মেচিন দুটাৰ ব্যৱহাৰো শিকোঁ। একেদৰে, আজিকালি ডিজিটেল কেমেৰাৰ কেৱল ফটোই তোলা নহয়, তেনে ফটোত ৰং, লিখিত বাক্য (Text), গ্রাফিক্ছ নাইবা কেতিয়াবা আনকি সংগীতো সংলগ্ন কৰা হয়।

প্রচাৰ মাধ্যমৰ শিক্ষার্থী হিচাপে আপোনালোকে প্রচাৰ মাধ্যম উদ্যোগত সমকেন্দ্রিকতাৰ ধাৰণাটো কেনে সেয়া বুজি পাব লাগিব। আপোনালোকে জানিব লাগিব যোগাযোগ প্রযুক্তিৰ সমকেন্দ্রিকতাই কেনেদৰে প্রচাৰ মাধ্যম উদ্যোগ আৰু আমাৰ জীৱনবোৰক প্রভাৱিত কৰিছে। পৰৱর্তী শাখা প্রচাৰ মাধ্যম সমকেন্দ্রিকতাৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

## ৩.৬.১ প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতা (Media Convergence)

কেইবছৰমানৰ আগলৈকে ছপা, ব্রডকাষ্ট আৰু টেলিফোনৰ দৰে প্রচাৰ মাধ্যম পদ্ধতিবোৰক ভিন্ ভিন্ মাধ্যম বুলি ভবা হৈছিল। কিন্তু নব্য প্রচাৰ মাধ্যমৰ বিকাশ ঘটাৰ লগে লগে এই পদ্ধতিবোৰ ইটোৰ মাজত সিটো জীণ গৈ এক নতুন ৰূপৰ সৃষ্টি হ'ল। ইয়াকেই আমি 'প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতা' বোলো। কম্পিউটাৰ আৰু টেলিসংযোগ নে'টৱর্কৰ প্রযুক্তিগত বিকাশে পৰম্পৰাগত প্রচাৰ মাধ্যম পদ্ধতিবোৰক কম্পিউটাৰ ভিত্তিক নব্য প্রচাৰ মাধ্যমৰ সৈতে মিলিত হ'বলৈ বাধ্য কৰিছে। ইয়াৰ ফলতেই 'প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতা'ৰ সৃষ্টি হৈছে। আৰম্ভণিতে কম্পিউটাৰ, কেমেৰা, ইণ্টাৰনে'টৰ প্রয়োগ আদি সকলো পন্থা স্বতন্ত্র আছিল। কিন্তু 'সমকেন্দ্রিকতা'ৰ

ধাৰণাটোৱে বাস্তৱ ৰূপ লোৱাৰ লগে লগে এই সকলোবোৰেই মিলিত হৈ এটা একক পদ্ধতিৰ অংশৰূপে গা কৰি উঠিছে। বর্তমান প্রায় প্রতিটো ছেল ফোনতেই একোটা কেমেৰা সংলগ্ন কৰা হয়। ফোনটোত ইণ্টাৰনেট ব্রাউজ কৰিব পৰা সুবিধাও থাকে। লগতে কিছুমান ফোনত কোনো বিষয়ৰ উপস্থাপন যুগুত কৰাৰ আৰু প্রতিবেদন লিখাৰ সুবিধা সংলগ্ন কৰি দিয়া হয়। এই সকলোবোৰ প্রযুক্তিৰ সমকেন্দ্রিকতাৰ বাবেই সম্ভৱপৰ হৈ উঠিছে।

ছপা মাধ্যমত সমকেন্দ্রিকতাৰ প্রভাৱ অন্লাইন বাতৰিকাকতৰ সংখ্যা দ্রুতগতিত বাঢ়িবলৈ ধৰা কথাটোৱে স্পষ্ট কৰি দিছে। পৃথিৱীৰ প্রতিখন আগশাৰীৰ বাতৰি-কাকতৰে আজি অন্লাইন সংস্কৰণ আছে। নব্য প্রচাৰ মাধ্যম প্রযুক্তি আৰু ছপা প্রচাৰ মাধ্যম ইটোৱে সিটোৰ মাজত লীন হোৱাৰ বাবেই এয়া সম্ভৱপৰা হৈছে। অন্লাইন বাতৰিকাকতে আমূল পৰিৱর্তনৰ সূচনা কৰিছে। কাৰণ এনে সংস্কৰণত বিশ্বৰ যিকোনো প্রান্তত ঘটা শেষতীয়া ঘটনাৱলী দিনটোৰ চৌব্বিশ ঘণ্টাই নিৰৱচ্ছিন্নভাৱে সংযোজিত কৰা হয়। অনলাইন বাতৰিকাকতে অন্তঃক্রিয়াশীলতাৰ পৃষ্ঠপোষকতা কৰে। ইয়াৰ সংৰক্ষণ-যোগ্যতা সবাতোকৈ অধিক।

নব্য প্রচাৰ মাধ্যম প্রযুক্তি আৰু টেলিভিছনৰ মিলনৰ ফলত ইণ্টাৰনেট টেলিভিছনৰ দৰে ধাৰণাবোৰে বাস্তৱ ৰূপ লাভ কৰিছে। আজিৰ গ্রাহকে ইণ্টাৰনেটৰ জৰিয়তে টিভি চাব পাৰে। 'টাটা স্কাই' অথবা 'ডিশ্য টিভি'ৰ দৰে ধাৰণাসমূহো প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতাৰ উদাহৰণ। এনে ব্যৱস্থাৰ জৰিয়তে আপুনি এখন নির্দিষ্ট অনুষ্ঠানসূচীত থকা আপোনাৰ মন পছন্দৰ অনুষ্ঠান উপভোগ কৰিব পাৰে, টিভিতেই গেইম খেলিব পাৰে, 'লাইভ' অনুষ্ঠান ৰেক'র্ড কৰি থ'ব পাৰে, ইত্যাদি। সেয়েহে ক'ব পৰা যায় যে প্রযুক্তিৰ বিকাশে অধিক ভৱিষ্যতমুখী টেলিভিছন সেৱাৰ পথ সুচল কৰি তুলিছে।

এনে সুবিধাৰ ফলত আজিৰ গ্রাহকে কেৱল এখন টিভি নাইবা ৰেডিঅ' কার্ড ব্যৱহাৰ কৰি কম্পিউটাৰতেই টিভি অনুষ্ঠান চাব নাইবা ৰেডিঅ' অনুষ্ঠান শুনিব পাৰে। 'ডাইৰেক্ট-টু-হোম' (DTH) এণ্টেনা এডাল আৰু কেৱল টিভি সংযোগ এটাই আপোনাক ইণ্টাৰনেটৰ সুবিধা, ৰেডিঅ' নাইবা টিভিৰ অনুষ্ঠান উপভোগ কৰাৰ সুবিধাৰ লগতে অনেক সুবিধা উপভোগ কৰাৰ সুযোগ দিয়ে।

টেলিফোন আৰু অন্য সংযোগ স্থাপনকাৰী মাধ্যমৰ সমকেন্দ্রিকতাৰ ৰূপ অতি ব্যাপক। ম'বাইল ফোনেৰে আজিকালি ইণ্টাৰনেটৰ সুবিধা গ্রহণ কৰিব পৰা যায়, গেইম খেলিব, গীত শুনিব, ফটো তুলিব পৰা যায়। শেহতীয়াভাৱে জনপ্রিয়তা লাভ কৰা আন এটা বিষয় হৈছে 'ইণ্টাৰনেট টেলিফোনি' (Internet Telephony)। ইয়াৰ সহায়ত গ্রাহকে ন্যুনতম আইএছডি (ISD) শুল্কতে ইণ্টাৰনেটৰ মাধ্যমেৰে আন্তঃৰাষ্ট্রীয় টেলিফোন কৰিব পাৰে। বিভিন্ন ৰেবছাইটে এই সেৱা আগবঢ়ায়। তেনে

এটা ৱেবছাইট হ'ল—ফোনৱালা ডট কম (Phonewala.com)।

## ৩.৬.২ প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতাৰ সুবিধাসমূহ (Advantages of Media Convergence)

প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতাৰ ধাৰণাটো বেছিভাগৰে বাবে অপৰিচিত যদিও ইয়াৰ সুবিধা-সমূহ প্রায় সকলোৱেই উপভোগ কৰিছে। অন্‌লাইন বাতৰিকাকত, ইণ্টাৰনে'ট টেলিভিছন, মাল্টিমিডিয়া ছেল ফোন এই আটাইবোৰ সা-সুবিধা প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতাৰ ফল। এই সা-সুবিধাবোৰে আমাক আগতকৈ উন্নত আৰু ফলপ্রসূভাৱে সংযোগ স্থাপন কৰাত সহায় কৰে। ইয়াৰ বহুতো সুবিধা আছে। তাৰে দুটামানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

১) যোগাযোগ প্রযুক্তিবোৰৰ সমকেন্দ্রিকতাই জীৱন সহজ-সৰল কৰি তুলিছে। এটা গেজেটৰ সহায়তে আমি বহুকেইটা গুৰুত্বপূর্ণ কাম সমাধান কৰিব পৰা হৈছো। এটা ছেলফোনে একে সময়তে টেলিফোন আৰু কেমেৰা দুয়োটা ভূমিকা পালন কৰিব পাৰে। এতিয়া আৰু যলৈকে যোৱা হয় তালৈকে কেমেৰা একোটা কঢ়িয়াই নিব নালাগে। কাৰণ ম'বাইল ফোনত সংলগ্ন কৰা কেমেৰাবোৰৰ গুণগত মানো যথেষ্ট উচ্চ পর্যায়ৰ।

২) বিশ্বৰ সকলো প্রধান বাতৰিকাকতৰে বর্তমান অন্‌লাইন সংস্কৰণ থাকে। আপুনি য'তেই নাথাকক কিয় স্থানীয় বাতৰিবোৰ পঢ়িবলৈ/শুনিবলৈ নাপালে বুলি আক্ষেপ কৰিব নালাগে। আপুনি আপোনাৰ প্রিয় বাতৰিকাকতখন ইণ্টাৰনে'টত পঢ়িবলৈ পাব। আপোনাৰ ধনো ৰাহি হ'ব।

৩) বহুতো যোগাযোগ স্থাপনকাৰী প্রযুক্তি ডিজিটেল মাধ্যমৰ সৈতে চামিল হৈছে। ইয়াৰ ফলত গ্রাহকৰ বাবে মুকলি সবিশেষ সেৱা/সামগ্রীবিধৰ মান উন্নত হৈছে।

৪) আজিকালি অন্‌লাইনত কিতাপো পঢ়িব পাৰি। ইয়াৰ ফলত এতিয়া দুষ্প্রাপ্য অথবা সতকাই কিনিব নোৱাৰা অধিক দামৰ কিতাপবোৰ সহজে পঢ়িবলৈ পোৱা যায়।

৫) ব্যক্তিগত কম্পিউটাৰত চিডি আৰু ডিভিডি ড্রাইভ (CD/DVD Drives) থাকে। ইয়াৰ সহায়ত আপুনি নিজৰ কম্পিউটাৰতে ভাল লগা চিনেমা চাব নাইবা গীত শুনিব পাৰে।

৬) কর্প'ৰেট জগতৰ আগশাৰীৰ বিষয়ববীয়াসকলৰ বাবে প্রচাৰ মাধ্যমৰ সহধর্মিতা এক আশীর্বাদ স্বৰূপ। এতিয়া তেওঁলোকে ফোনৰ মাধ্যমেৰে নিজৰ ব্যৱসায় পৰিচালনা কৰিব পৰা হৈছে। একেটা ফোনেৰেই তেওঁলোকে কাৰোবাৰ সৈতে কথা পাতে, জৰুৰী নথি-পত্র কাৰোবালৈ ই-মেইল কৰে নাইবা অইন কাৰোবাৰ আগত কোনো উপস্থাপন দাঙি ধৰে।

৭) প্রচাৰ মাধ্যমৰ সহধর্মিতাৰ আন এটা উল্লেখযোগ্য সুবিধা হ'ল ভিডিঅ'

কনফাৰেন্সিং। ই মানুহক আগতকৈ উন্নত পদ্ধতিৰে সংযোগ স্থাপন কৰাৰ সুযোগ দিছে। আপুনি যাৰ সৈতে কথা পাতি আছে তেওঁ আপোনাৰ পৰা শত যোজন দূৰত থাকিলেও ভিডিঅ' স্ক্রীণত আপুনি তেওঁক দেখা পায়। বেছিভাগ কম্পিউটাৰতে আজিকালি 'ৱেব কেম' সংলগ্ন থাকে। তেনে কম্পিউটাৰ ব্যৱহাৰকাৰীয়ে ইণ্টাৰনেটৰ জৰিয়তে 'চ্যাটিং' (Chatting) কৰি থকাৰ সময়ত পৰস্পৰে পৰস্পৰক দেখিও থাকে।

৮) তথ্য অথবা 'ডেটা' দ্রুত গতিত প্রেৰণ কৰাৰ আন দুটামান প্রযুক্তি হ'ল এছ-এম-এছ (SMS), এম-এম-এছ (MMS) আৰু ব্লু-টুথ (Bluetooth) আদি। আজিকালি অধিকাংশ ব্যক্তিগত কম্পিউটাৰ অথবা ছেল ফোনতেই এই সুবিধাবোৰ যোগ কৰা থাকে। এইবোৰে ব্যৱহাৰকাৰীক মাত্র এটা যতনৰ সহায়ত একাধিক কাম কৰাৰ সুযোগ প্রদান কৰিছে।

৯) অইন সুবিধাবোৰতকৈ পৃথক আন এটা প্রধান উল্লেখনীয় সুবিধা হৈছে মাত্র কেইছেকেণ্ডমানৰ ভিতৰতে যিকোনো সময়তে ফটোগ্রাফকে আদি কৰি যিকোনোধৰণৰ ডেটা প্রেৰণ আৰু গ্রহণৰ ক্ষেত্রত থকা প্রচুৰ সম্ভাৱনা। ই আমাৰ ইমান সময় ৰাহি কৰে যে সিমানখিনি সময়ৰ ভিতৰত আমি অন্য বহুতো কাম সমাধা কৰিব পাৰো। সাধাৰণ উদাহৰণ এটালৈ মন কৰক, এজন ছাত্র অথবা ব্যক্তিয়ে ক'ৰবালৈ আবেদন-পত্র এখন পঠিয়াব লাগে। তেওঁ পোনপ্রথমে পত্রখন ইণ্টাৰনেটৰ পৰা ডাউনলোড (Download) কৰিব লাগে। প্র-পত্রখন পূৰাই কেইছেকেণ্ডমানৰ ভিতৰতে পুনৰ অন্‌লাইনত প্রেৰণ কৰি দিলেই হ'ল। আন কোনোবাই হয়তো সেই একেখন আবেদন-পত্র সংগ্রহ আৰু প্রেৰণ কৰিবলৈ ডাকঘৰ নাইবা কুৰিয়াৰ সেৱাৰ দ্বাৰস্থ হৈছে। তেওঁৰ প্র-পত্র যথাস্থান গৈ পাবলৈ বহুদিন লাগিব।

১০) আন এটা গুৰুত্বপূর্ণ সুবিধা হ'ল তথ্য প্রসাৰৰ ইমানবোৰ উপায় মুকলি হোৱা সত্ত্বেও, নব্য প্রচাৰ মাধ্যমৰ বিকাশৰ লগে লগে মানুহক প্রৱঞ্চনা কৰাটো দুৰূহ হৈ পৰিছে। অন্য এটা উদাহৰণলৈ চাওক, কেইবছৰমানৰ আগতে ইজৰাইলে পেলেষ্টাইনৰ ওপৰত তুমুল গোলাবর্ষণ কৰিছিল। আন্তঃৰাষ্ট্রীয় সংবাদ প্রতিষ্ঠান ৰয়টাৰে তোলা ফটো এখন সকলোবোৰ অগ্রণী বাতৰি-কাকতত প্রকাশিত হৈছিল। প্রায় তিনি দিনৰ পাছত ইণ্টাৰনেট 'ব্লগ' এটাৰ জৰিয়তে সর্বত্র প্রচাৰ কৰা হ'ল যে সেই বিশেষ ফটোখন দৰাচলতে এখন ভুৱা ফটো। ৰয়টাৰে লগে লগে বিষয়টোৰ অনুসন্ধান কৰিলে। পেলেষ্টাইনত থকা তেওঁলোকৰ ফ্রীলান্স সাংবাদিকজনে অৱশেষত স্বীকাৰ কৰিলে যে ফটোখনৰ প্রায় ৩০% ৰহন সনা হৈছিল অর্থাৎ

কৃত্রিমভাৱে লগ লগোৱা হৈছিল। এইদৰে কম্পিউটাৰ গ্রাফিকছ্ ছফ্টৱেৰ'ৰ ব্যৱহাৰ কৰি প্রকৃত তথ্য বিকৃত কৰাৰ প্রক্রিয়াটোক 'ডক্টৰড্' (Doctored) কৰা বোলা হয়। ৰয়টাৰে ক্ষমা প্রার্থনাসহ সেই ফটোখন উঠাই লৈছিল আৰু তথাকথিত সাংবাদিকজনৰ সৈতে কৰা চুক্তি বাতিল কৰিছিল। এনে আৰু বহুতো উদাহৰণ আছে। কোনোবাই কাৰোবাক সাময়িকভাৱে প্রৱঞ্চনা কৰিবলৈ সক্ষম হ'লেও এটা সময়ত তেনে প্রৱঞ্চনাৰ স্বৰূপ ওলাই পৰিবই।

প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতাৰ মৌলিক সুবিধাটো হ'ল ই আমাৰ দৈনন্দিন জীৱন কিছু সহজ কৰি তুলিছে। আমাৰ কামৰ বোজা বহুখিনি পাতল কৰিছে। কিন্তু প্রচাৰ মাধ্যম সমকেন্দ্রিকতা মানে কেৱল ইতিবাচক কথাৰ সমষ্টিয়েই নহয়। এই সমকেন্দ্রিকতা সন্দর্ভত শিক্ষাক্ষেত্রৰ সৈতে জড়িত ব্যক্তি তথা বিদ্বান সমাজৰ একাংশ সদস্যই নানা চিন্তা-সন্দেহৰ অৱতাৰণা কৰিছে। তলত তাৰে কেইটামান আলোচনা কৰা হ'ল।

## ৩.৬.৩ প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতা বিষয়ক বর্দ্ধিত চিন্তা-সন্দেহসমূহ (Rising Concerns About Media Convergence)

সমকেন্দ্রিকতা বিষয়ক উদ্বেগৰ কেইবাটাও কাৰণ আছে। তলত কেইটামান কাৰণ সম্পর্কে আলোচনা কৰা হ'ল—

১) প্রযুক্তিৰ সমকেন্দ্রিকতাই আমাৰ জীৱনৰ আগতকৈ বহুখিনি উজু আৰু আৰামদায়ক কৰি তুলিছে সঁচা, কিন্তু এই সমগ্র প্রক্রিয়াটোৱে আমাক এলেহুৱাও কৰি তুলিছে। আজি আমি বিভিন্ন গেজেটৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰশীল হৈ পৰিছো। আমি প্রতিটো কথা আৰু কামৰ বাবেই গেজেটৰ সহায় লোৱাৰ বিষয়ে ভাবো।

২) ই আমাক পৰিয়াল আৰু বন্ধুবর্গৰ সৈতে সংলগ্ন হৈ থাকিব পৰাকৈ বহুতো নতুন যোগাযোগ পন্থাৰ সুবিধা আগবঢ়াইছে। কিন্তু আমি ব্যক্তিগত শৈলীৰে যোগাযোগ স্থাপন কৰাৰ কলা পাহৰি গৈছো। আজিকালি আমি কাৰোবাক সোঁশৰীৰে লগ ধৰাতকৈ ফোনত কথা পাতি নাইবা এছ-এম-এছ প্রেৰণ কৰিহে খা-খবৰ লওঁ।

৩) তথ্যৰ জগতত নিজৰ কেৰিয়াৰ গঢ়িবলৈ আগ্রহীসকলৰ বাবে এই সহধর্মিতাই চাকৰি আৰু কেৰিয়াৰৰ ক্ষেত্র খন অনিশ্চয়তাৰে ভৰা কৰি তুলিছে। প্রযুক্তিৰ অবিৰত অগ্রগতিৰ বাবে কোম্পানীবোৰে প্রতি মুহূর্ততে নিজকে ন-ৰূপত প্রতিষ্ঠা কৰাৰ যুঁজত ব্রতী হ'বলগীয়া হৈছে। ইয়াৰ ফলত ৰেডিঅ', টিভি অথবা সাংবাদিকতাৰ ক্ষেত্র খন ভৰি দিয়াত আগ্রহী শিক্ষার্থীয়ে নিজৰ জ্ঞান, অর্হতা আৰু দক্ষতা প্রতি মুহূর্ততে বঢ়াই গৈ থকাৰ প্রয়োজনীয়তা আহি পৰিছে। কাৰণ নিমিষতে পুৰণি তথা প্রচলিত কাম নাইকিয়া হৈ নতুন কর্মধাৰাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা প্রতি মুহূর্ততে প্রবল হৈ পৰিছে।

৪) ব্রডকাষ্ট বিষয়ৰ কাৰিকৰী বিভাগৰ কর্মচাৰী, টাইপষ্টোৰ, টেলিফোন অপাৰেটৰ আদিৰ দৰে চাকৰিসমূহ নাইকিয়া হৈ পৰাৰ সম্ভাৱনা আছে। তথ্য পদ্ধতিত ঘটা বিকাশ আৰু কাম-কাজবোৰ স্বয়ং সম্পাদিত কৰিবলৈ প্রযুক্তিৰ উদ্ভাৱনেই হ'ল ইয়াৰ প্রধান কাৰণ। এটা কম্পিউটাৰ আৰু এটা স্কেনাৰে ইমানবোৰ কাম কৰিবলৈ সক্ষম যে এই যন্ত্র দুবিধৰ বাবে প্রচাৰ মাধ্যমৰ বহুতো চাকৰি চিৰদিনৰ বাবে নিঃচিহ্ন হৈ যাব পাৰে।

৫) ছাইবাৰ আসক্তি (Cyber Addition) আন এটা প্রধান উদ্বেগৰ বিষয়। যুৱসমাজ কম্পিউটাৰৰ প্রতি অতিশয় আসক্ত হৈ পৰিছে। কাৰণ আজিকালি কম্পিউটাৰৰ সহায়ত কৰিব নোৱাৰা কাম একা নাই। তেওঁলোকে কম্পিউটাৰত বন্ধুৰ সৈতে 'চ্যাট' (Chat) কৰিব পাৰে, চিনেমা চাব পাৰে, গেইম খেলিব পাৰে নাইবা গীত শুনিব পাৰে। তেওঁলোকে এই যন্ত্রটোৰ সৈতে ইমান একাত্ম হৈ পৰিছে যে বাহিৰৰ বাস্তৱ পৃথিৱীখনৰ সৈতে তেওঁলোকৰ সম্পর্ক প্রায় নোহোৱাৰ দৰেই হৈ পৰিছে।



## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৯ ঃ** সমকেন্দ্রিকতা কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ১০ ঃ** সমকেন্দ্রিকতাৰ প্রযুক্তি ব্যৱহাৰ কৰা কেইটামান সাধাৰণ গেজেট নাইবা সামগ্রীৰ নাম উল্লেখ কৰক।

.....

.....

.....

.....

.....

**প্রশ্ন নং ১১ ঃ** প্রযুক্তিয়ে বিজ্ঞাপন উদ্যোগক কেনেদৰে প্রভাৱিত কৰিছে?

.....

.....

.....

.....

.....



## ৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নব্য প্রচাৰ মাধ্যমে আমাৰ আধুনিক জীৱন যাত্রাত সুগভীৰ প্রভাৱ পেলাইছে।
- প্রযুক্তিৰ সহায়ৰ বাবে আজি তথ্য সুলভ হৈ পৰিছে, সংবাদ দ্রুতবেগে বিয়পি পৰিছে আৰু সকলোবোৰতে তাৎক্ষণিকতা পৰিলক্ষিত হৈছে।
- নব্য প্রযুক্তিয়ে আমি বাস কৰা সমাজখন নতুনকৈ গঢ়ি তুলিছে। প্রযুক্তিবোৰে আমাৰ জীৱনত এনেদৰে প্রৱেশ কৰিছে যে বর্তমান এইবোৰ আমাৰ সংস্কৃতিবো অংশস্বৰূপ হৈ পৰিছে।
- প্রচাৰ মাধ্যমৰ পৰিৱর্তনশীল দৃশ্যপটে আমাৰ প্রমূল্য আৰু বিশ্বাসকো নকৈ গঢ় দিছে। আমাৰ পছন্দ-অপছন্দজনিত সকলো সিদ্ধান্তকে ই প্রভাৱিত কৰে।
- আজিৰ যুৱসমাজৰ বাবে প্রযুক্তি কেৱল সময় কটোৱাৰ আহিলা নহয়। ই যুৱ প্রজন্মৰ সাংস্কৃতিক প্রাণকেন্দ্রস্বৰূপ।
- আমাৰ জীৱনৰ সকলো দিশতে প্রযুক্তিয়ে এনেদৰে শিপাইছে যে আজিকালিৰ ‘এছ-এম-এছ’ৰ ভাষা আমাৰ কথিত আৰু লিখিত যোগাযোগৰ এক এৰাব নোৱাৰা অংশত পৰিণত হৈছে।
- নব্য প্রচাৰ মাধ্যম প্রযুক্তিয়ে আমাৰ ৰাজনৈতিক পদ্ধতিটোকো প্রভাৱিত কৰিছে। ই গণতন্ত্র বর্তি থকাত সহায় কৰিছে, কাৰণ ইয়াৰ সহায়ত প্রক্রিয়াটোত সর্বসাধাৰণেও ভাগ ল’ব পাৰিছে। ৰাজনৈতিক নেতাসকলেও নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰৰ গুৰুত্ব উপলব্ধি কৰিছে। ৰাইজৰ কায চাপিবলৈ তেওঁলোকে ইণ্টাৰনে’টৰ সহায় লৈছে।
- ইণ্টাৰনেটে সর্বসাধাৰণক অধিক সজাগ আৰু জ্ঞানসমৃদ্ধ কৰি তুলিছে। ই ৰাজনৈতিক দৃশ্যপটত অধিক স্বচ্ছতাৰ দাবী সবল কৰি তুলিছে।
- নিজ নিজ চিন্তা-ধাৰণা প্রচাৰ কৰিবলৈ আৰু ৰাইজৰ প্রত্যক্ষ সঁহাৰি লাভ কৰিবলৈ ৰাজনৈতিক নেতাসকলে ৱ’ৰ্ল্ড ৱাইড ৱেবক নতুন সমৰক্ষেত্র ৰূপে বাচনি কৰিছে।
- উন্নয়ন খণ্ডত নব্য প্রচাৰ মাধ্যম প্রযুক্তি প্রয়োগ কৰাৰ প্রয়োজনীয়তাৰ বিষয়ে ভাৰতে গভীৰভাৱে উপলব্ধি কৰিছে।
- যদিও এই ক্ষেত্রখনত নব্য প্রযুক্তিৰ প্রৱেশ ঘটিছে, তথাপি অন্য দিশবোৰত ই এতিয়াও ভবা ধৰণে প্রভাৱ বিস্তাৰ কৰিব পৰা নাই।
- যদি নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰ গ্রাম্য তথা কৃষি খণ্ডৰ বিকাশ কার্যত ব্যৱহাৰ কৰা

হয় তেন্তে ইয়াৰ দ্বাৰা অধিক সুফল লাভ কৰিব পৰা যাব।

- নব্য প্রচাৰ মাধ্যম প্রযুক্তিয়ে সংযোগ স্থাপন প্রক্রিয়া তথা অধিকাংশ উন্নয়নমূলক আঁচনিলৈকে সহায় আগবঢ়াব পাৰে। তথ্যৰ অভাৱত এনে আঁচনিবোৰৰ বিষয়ে প্রকৃত লাভার্থী অজ্ঞ হৈ থাকে। যদি গ্রামাঞ্চলৰ বাসিন্দাই এই প্রযুক্তিবোৰ ব্যৱহাৰ কৰাৰ সুযোগ পায়, তেন্তে ইণ্টাৰনেট অথবা ছেল ফোন আদিৰ মাধ্যমেৰে তেওঁলোকক সকলো আঁচনিৰ তথ্য যোগান ধৰাটো সহজ হৈ পৰিব।
- যদি গ্রাম্যাঞ্চলত নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰ সুলভ হৈ পৰে, তেন্তে দক্ষ বৃত্তিজীৱি লোকসকলেও গাঁৱত থাকি কাম কৰাৰ প্রতি আগ্রহী হ'ব।
- এই প্রযুক্তিবোৰ গ্রাম্য পর্যটন আৰু গাঁৱত উৎপাদিত বিশেষ সামগ্রী আদিৰ পৃষ্ঠপোষকতা কৰাৰ কামত ব্যৱহাৰ কৰিব পৰা যায়।
- নব্য প্রযুক্তিৰ বিকাশে প্রচাৰ মাধ্যম উদ্যোগসমূহকো গভীৰভাৱে প্রভাৱিত কৰিছে।
- সংবাদ গোটোৱা কৌশলসমূহ সলনি হৈছে। সাংবাদিকসকলে এতিয়া আগতকৈ বেছি কথা জানিব লাগে। তেওঁলোকে বহুমুখী দক্ষতা আৰু যোগ্যতা আহৰণ কৰিব লাগে।
- অধিকাংশ কামেই ডিজিটেল পদ্ধতিৰে সম্পন্ন হয় বাবে সাংবাদিকসকল আগতকৈ অধিক 'টেক্‌ন' ছেভী' (Techno Savvy) হ'ব লাগে। তেওঁলোকে এতিয়া কম্পিউটাৰত কেনেকৈ কাম কৰে, বিভিন্ন ছফ্‌টৱেৰ কেনেদৰে ব্যৱহাৰ কৰা হয় সেয়া জানিব লাগে।
- বিভিন্ন সম্পাদনা আৰু সংযোগ লিখন ছফ্‌টৱেৰ-এ সাংবাদিকৰ কাম সহজ কৰিছে যদিও ই তেওঁলোকৰ সম্পাদনা সামর্থৰ প্রশ্নৰ অৱতাৰণা কৰিছে।
- ফটো জার্নেলিজমৰ দৰে শিতান এটাৰ ওপৰতো নব্য প্রযুক্তিৰ গভীৰ প্রভাৱ পৰিছে। নতুন আৰু উন্নত কেমেৰাবোৰে আজিকালি ফটোগ্রাফাৰক অধিক উন্নত মানৰ ফটো লোৱাত সহায় কৰে। এতিয়া তেওঁলোকে আগতকৈ বহুগুণে অধিক ক্ষিপ্রতাৰে সম্পাদনা টেবুললৈ ফটোবোৰ প্রেৰণো কৰিব পাৰে। কিন্তু প্রযুক্তিয়েই কঢ়িয়াই অনা সুবিধাৰ বাবে অধিকাংশ ফটোগ্রাফাৰ আৰু সম্পাদনা বোর্ডে নিজস্ব নৈতিক প্রমূল্য বিসর্জনো দিছে। তেওঁলোকৰ নিজৰ যুক্তি প্রতিপন্ন কৰিবলৈ ছবিবোৰক কৃত্রিমৰূপ দিয়াৰ অথবা 'ডক্টৰ' কৰাৰ প্রৱণতা বৃদ্ধি পাইছে।
- প্রযুক্তিৰ বিকাশৰ লগে লগে ব্রডকাষ্ট সাংবাদিকতাও বহু উন্নত হৈ পৰিছে। টিভি সাংবাদিকসকলে আজি পৃথিৱীৰ যিকোনো প্রান্তৰ পৰা সহজে 'লাইভ' সংবাদো পৰিৱেশন কৰিব পৰা হৈছে। যুদ্ধকালীন সংবাদিকতা, ক্রীড়া সংবাদিকতা আদিৰ মান আগতকৈ যথেষ্ট উন্নত হৈছে
- নব্য প্রযুক্তিয়ে বিজ্ঞাপন উদ্যোগৰ ওপৰতো প্রভাৱ পেলাইছে। এতিয়া নির্দ্ধাৰিত দর্শক শ্রেণীটোৰ কথা মনত ৰাখিহে বিজ্ঞাপন প্রস্তুত কৰা হয়। প্রযুক্তিয়ে কোম্পানীবোৰক নিজ নিজ প্রাণস্পন্দনস্বৰূপ কেন্দ্রীয় দর্শকশ্রেণীটো চিহ্নিত কৰি উলিওৱাত সহায় কৰে। তেওঁলোকে সেয়েহে কেৱল সেই শ্রেণীটোৰ সম্ভাব্য দর্শক গ্রাহকৰ বাবেহে

বিজ্ঞাপন যুগুত কৰে।

- সমকেন্দ্রিকতা হ'ল নব্য প্রযুক্তিৰ বিকাশৰ পার্শ্বফল। যেতিয়া দুটা প্রযুক্তিৰ একেখন উমৈহতীয়া মঞ্চতে মিলন ঘটে তেতিয়াই তাক সমকেন্দ্রিকতা বুলি কোৱা হয়।
- আজিকালি অধিকাংশ বৈদ্যুতিক গেজেট তথা সা-সঁজুলিতে সহধর্মী প্রযুক্তি ব্যৱহাৰ কৰা হয়। প্রতিটো যতনকে একাধিক কামত ব্যৱহাৰ কৰিব পাৰি। এটা ছেলফোনে কেমেৰাৰ কামো কৰে। এটা কম্পিউটাৰে চিনেমা দেখুওৱা কামটোও কৰিব পাৰে। ইণ্টাৰনে'টক টেলিফোন কৰিবলৈও ব্যৱহাৰ কৰিব পৰা যায়। উক্ত সকলোবোৰ ক্ষেত্র তে দুটা প্রযুক্তিৰ এখন মঞ্চতে সমন্বয় ঘটিছে।
- প্রচাৰ মাধ্যম খণ্ডৰ এনে মিলনক প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতা বোলে। যেতিয়া পৰম্পৰাগত প্রচাৰ মাধ্যম বাহকবোৰে কম্পিউটাৰ আৰু ইণ্টাৰনে'টৰ দৰে নব্য প্রচাৰ মাধ্যমৰ বাহকৰ সৈতে মিলিত হয় তেতিয়াই ইয়াক প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতা বুলি কোৱা হয়।
- আজিকালি অধিকাংশ প্রচাৰ মাধ্যম বাহকে গুণ আৰু সেৱা উন্নত কৰিবলৈ প্রযুক্তিৰ সহায় লয়। বাতৰিকাকতৰ অন্‌লাইন সংস্কৰণ আছে, টেলিভিছন আন্তঃক্রিয়াশীল হৈ পৰিছে আৰু ৰেডিঅ' অনুষ্ঠানবোৰে শ্রোতাৰ সৈতে যোগাযোগ স্থাপন কৰিবলৈ টেলিসংযোগ ব্যৱস্থা প্রয়োগ কৰিবলৈ লৈছে।
- সমকেন্দ্রিকতাৰ উদাহৰণ দাঙি ধৰা সবাতোকৈ সাধাৰণ আহিলাবিধ হৈছে ম'বাইল ফোন। এনে ফোনৰ দ্বাৰা 'কল' কৰিব পাৰি, লিখিত তথা ভিডিঅ' বার্তা প্রেৰণ কৰিব পাৰি, ইণ্টাৰনে'ট সংযোগ স্থাপন কৰিব পাৰি, বিভাগীয় নথি-পত্র তৈয়াৰ কৰিব পাৰি, স্থিৰ আৰু ভিডিঅ' ছবি তুলিব পাৰি, অডিঅ' সমল বাণীবদ্ধ কৰিব পাৰি, গীত শুনিব পাৰি, বিভিন্ন গেইম খেলিব পাৰি ইত্যাদি।
- সমকেন্দ্রিকতাৰ অনেক সুবিধা আছে। সবাতোকৈ উল্লেখযোগ্য সুবিধাটো হ'ল ই আমাৰ জীৱনবোৰ অধিক সহজ কৰি তুলিছে। আমাৰ হাতত মাত্র এটা গেজেট থাকিলেই আমি প্রায়বোৰ লাগতিয়াল কাম কৰি আঁতাব পাৰো।
- সকলো প্রকাৰৰ তথ্য দ্রুতগতিত আৰু অধিক সঠিকৰূপত প্রসাৰিত হয়। আপুনি এই মুহূর্তত য'তেই নাথাকক কিয় প্রয়োজনীয় যিকোনো তথ্য তৎমুহূর্ততে লাভ কৰাৰ সুবিধা আছে।
- বহুতো পৰিশ্রম কৰিবলগীয়া জটিল কাম কিছুমান তেনেই সহজ হৈ পৰিছে।
- সুবিধাৰ লগতে সমকেন্দ্রিকতাৰ কিছুমান অসুবিধাও আছে। ই মানুহক এলেহুৱা কৰি তোলাৰ লগতে চিন্তনীয়ভাৱে প্রযুক্তি আসক্ত কৰি তুলিছে (Techno Geeks)।
- মানুহ নিজৰ গিঝম' (Gizmo)বোৰৰ ওপৰত এনেদৰে নির্ভৰশীল হৈ পৰিছে যে তেওঁলোকে কাম সমাধান কৰাৰ বিকল্প পথ বিচাৰি নোপোৱা হৈছে।
- কেৰিয়াৰ আৰু চাকৰি ক্ষেত্র খনত ইয়াৰ কু-প্রভাৱ পৰিছে। যদি ব্যক্তি এজন প্রযুক্তি

নিয়ন্ত্রণ কৰিব পৰাকৈ বহুমুখী দক্ষতাসম্পন্ন নহয়, তেন্তে তেওঁ হয়তো সদা-পৰিৱর্তনশীল উদ্যোগ এটাত বেছিদিন তিষ্ঠি থাকিব নোৱাৰে। কম্পিউটাৰ আৰু অন্য প্রযুক্তিবোৰে বেছিভাগ চাকৰিকেই বিলুপ্ত কৰিছে। কাৰণ বর্তমান কামবোৰ কৰিবলৈ আগতকৈ কম মানৱীয় শক্তিৰ প্রয়োজন হয়।



## ৩.৮ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Bhatia, Arun (2005), *Impact of Internet on Journalism*, Akansha Publishing House, New Delhi.
2) Chakraborty, Jagadesh.*Net*, *Media and Mass Communication*, Authors Press, New Delhi.
3) Ganesh, T. K. (2006), *Digital Media, Building the Global Audience*, Gnosis Publishers, New Delhi.
4) Sengupta, Aditya, *Electronic Journalism, Principles and Practices*, Authors Press, New Delhi.




## ৩.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যমে আমাৰ দৈনন্দিন জীৱনবোৰত গুৰুতৰ প্রভাৱ বিস্তাৰ কৰিছে। আমাৰ সকলো কাম-কাজত ইমান গভীৰভাৱে ই শিপা মেলিছে যে আজি আৰু আমি এই প্রযুক্তিবোৰ অবিহনে জীৱন কল্পনাও কৰিব নোৱাৰো। ছেল ফোনবিহীন, টেলিভিছনবিহীন, কম্পিউটাৰবিহীন জীৱন এটাৰ কথা ভাবকচোনহ্ল আধুনিক সমাজখন এনে অসংখ্য প্রযুক্তিৰ ওপৰত সম্পূর্ণৰূপে নির্ভৰশীল বাসিন্দাৰে গঢ় লৈ উঠিছে। আমাৰ ঘৰ, কার্যস্থলী, স্কুল আৰু কলেজবোৰ নব্য প্রচাৰ মাধ্যম প্রযুক্তি আসক্ত হৈ পৰিছে। আৰু এয়া কেৱল নগৰ-চহৰ নাইবা চহৰাঞ্চলতেই সীমাৱদ্ধ পৰিঘটনা নহয়। প্রতিটো নতুন প্রযুক্তি গ্রাম্যাঞ্চলত এতিয়াও সুলভ হৈ পৰা নাই যদিও প্রধান প্রধান প্রযুক্তিবোৰে তাতো ভুমুকি মাৰিছে। টেলিসংযোগ নে'টৱর্কে গাঁওবোৰক ব্যাপকভাৱে সামৰি লৈছে, প্রায় সকলোৰে ঘৰে ঘৰে টেলিভিছন আছে। বহুতো সৰু চহৰ আৰু গাঁৱত আনকি ছেটেলাইট টিভি সুলভ হৈ পৰিছে। এই আটাইবোৰ প্রযুক্তিয়ে পৃথিৱীখনক ওচৰ চপাই আনিছে। প্রযুক্তি-বোৰে জনসাধাৰণক পৃথিৱীৰ ক'ত কি ঘটি আছে সেয়া জনাৰ সুযোগ দিছে। পৃথিৱীখন এখন বিশ্বজনীন (Global) গাঁৱত পৰিণত হৈছে।

এয়া সম্ভৱ হৈছে কেৱল নব্য প্রচাৰ মাধ্যম প্রযুক্তিবোৰৰ প্রসাৰ ঘটাৰ বাবে।

**২নং প্রশ্নৰ উত্তৰ ঃ** নব্য প্রচাৰ মাধ্যম প্রযুক্তিক সামাজিক উন্নয়নৰ কামত বিভিন্নধৰণে প্রয়োগ কৰিব পৰা যায়। প্রযুক্তিবোৰে চৰকাৰ তথা গ্রাম্যাঞ্চলৰ বাসিন্দাসকলৰ মাজৰ সংযোগ স্থাপন প্রক্রিয়াটোত সহায় আগবঢ়াব পাৰে। ইণ্টাৰনেটৰ মাধ্যমেৰে গ্রাম্যাঞ্চলৰ বাসিন্দাই তেওঁলোকৰ অভাৱ-অভিযোগ সংশ্লিষ্ট কর্তৃপক্ষক অৱগত কৰিব পাৰে। এনে অঞ্চলত কর্মৰত অনা-চৰকাৰী সংগঠনবোৰে বাহিৰৰ পৃথিৱীৰ লগত যোগাযোগ কৰি পুঁজি সংগ্রহ কৰিব পাৰে। উপযুক্ত প্রযুক্তি সুলভ হৈ পৰাৰ লগে লগে দক্ষ বৃত্তিজীৱীসকলো গ্রাম্যাঞ্চলত কাম কৰিবলৈ ইচ্ছুক হৈ পৰিব। ইণ্টাৰনেটৰ জৰিয়তে গ্রাম্য পর্যটনৰ পৃষ্ঠপোষকতা আৰু খিলঞ্জীয়া সা-সামগ্রী বিপণনৰ ব্যৱস্থা ল'ব পৰা যায়। গএগ উৎপাদনকাৰীয়ে স্থানীয় এলেকাত পোৱাতকৈ দূৰৱর্তী অঞ্চলবোৰৰ পৰা নিজ নিজ সামগ্রীৰ বাবদ কিমান অধিক মূল্য লাভ কৰিব তাৰ তথ্য সহজে পাব। এতিয়া কোনো প্রমাণপত্র ডাউনলোড কৰি ছপা কৰা কামটোও সহজ হৈ পৰিছে। এনে প্রমাণপত্র মাটিৰ মালিকীস্বত্বৰো হ'ব পাৰে, বিবাহ পঞ্জীকৰণৰো হ'ব পাৰে। বিভিন্ন পৰীক্ষা তথা বাচনি পৰীক্ষাৰ ফলাফল আদি লাভ কৰাটোও সহজ হৈ পৰিছে।

**৩নং প্রশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ, খ) অশুদ্ধ, গ) অশুদ্ধ, ঘ) শুদ্ধ, ঙ) শুদ্ধ

**৪নং প্রশ্নৰ উত্তৰ ঃ** ৰাজহুৱা মাধ্যম অর্থাৎ Social Media অভিধাটোৱে ৱেব ছাইট ভিত্তিক আৰু ম'বাইল প্রযুক্তিৰ সহায়ত সংযোগক আদান-প্রদানমূলক সংলাপলৈ পৰিবর্তন কৰে। ৰাজহুৱা মাধ্যম অর্থাৎ ছ'চিয়েল মেডিয়া (Social Media) হৈছে সেইটো গুৰুত্বপূর্ণ ইণ্টাৰনেট ভিত্তিক বৈদ্যুতিক সংযোগ যাৰ মাধ্যমেদি ব্যৱহাৰকাৰীয়ে (Users) তথ্য, চিন্তা, ব্যক্তিগত সংবাদ, ভিডিঅ' আৰু অন্য বিষয়ৰ পাৰস্পৰিক অংশীদাৰ হ'বলৈ অনলাইন গোট (Online Communities) সৃষ্টি কৰে।

**৫নং প্রশ্নৰ উত্তৰ ঃ** ব্লগ হৈছে ৱেবল'গ (Weblog) চুটি ৰূপ। এই অভিধাটো সেইটো ৱেবছাইট (Website)ক নির্দেশ কৰে য'ত এজন ব্যক্তিৰ লগত জড়িত তথ্য ক্রমানুসাৰে সংগ্রহ কৰা হয়। ব্লগত ব্লগৰ লেখক গৰাকীয়ে তেওঁৰ মনোযোগ আকর্ষণ কৰা তথ্য বা কথা সন্নিৱিষ্ট কৰাৰ লগে লগে তেওঁৰ জীৱনৰ বা তেওঁ দিব খোজা শেহতীয়া তথ্য বা-বাতৰি ব্লগত সন্নিৱিষ্ট কৰা হয়। সেই তথ্যসমূহক ব্যক্তি বিশেষ বা ব্যক্তিসমূহৰ গোটে বিভিন্ন বিষয়ত নিজৰ মতামত ব্যক্ত কৰিব পাৰে।

**৬নং প্রশ্নৰ উত্তৰ ঃ** জর্ন বার্গাৰে সৃষ্টি কৰা ৱেৱল'গটোৰ (Weblog) নাম হ'ল ৰবট ৱিচদম্ (Robot Wisdom)।

**৭নং প্রশ্নৰ উত্তৰ ঃ** কম্পিউটাৰ এছিষ্টেড ৱিপ'র্টিং অথবা 'কাৰ' (CAR) মানে হ'ল সংবাদ সংগ্রহ কার্যত কম্পিউটাৰৰ ব্যৱহাৰ। সাংবাদিকসকলে আজিকালি নিয়মীয়াকৈ বৈদ্যুতিক মাধ্যমেৰে চৰকাৰী ডেটাৱেছ আৰু অন্‌লাইন আর্কাইৱ (Online Archive) আদিৰ দৰে উৎসসমূহত প্রাসংগিক তথ্য বিচাৰে। এইবোৰৰ পৰা তেওঁলোকে কাহিনীৰ ধাৰণা,

বিষয়বস্তু, প্রয়োজনীয় পশ্চাদ তথ্য আহৰণ কৰে আৰু সংগৃহিত তথ্যসমূহ পৰম্পৰাগত লেগৰ'কৰ বৈদ্যুতিক এনাল'গত পৰীক্ষা কৰি চায়। তেওঁলোকে তথ্য বিচাৰিবলৈ, জমা কৰিবলৈ আৰু ডেটা প্র'ছেছ কৰিবলৈ 'স্প্রেডশ্বীট' (Spread Sheet) তথা 'ডেটা মাইনিং প্র'গ্রাম্ছ' (Date Mining Programme)ৰ দৰে ছফ্টৱেৰ'ৰ আহিলাৰ সহায় লয়।

**৮নং প্রশ্নৰ উত্তৰ ঃ** স্প'ৰ্টছ ৰাইটাৰ।

**৯নং প্রশ্নৰ উত্তৰ ঃ** সমকেন্দ্রিকতা হ'ল একেখন মঞ্চতে দুটা প্রযুক্তিৰ মিলন। আজিকালিৰ অধিকাংশ গেজেটেই সমকেন্দ্রিকতা প্রযুক্তিৰ ওপৰত ভিত্তি কৰি নির্মাণ কৰা হয়। উদাহৰণস্বৰূপে ছেল ফোন এটাৰ ক্ষেত্রত টেলিসংযোগ প্রযুক্তিৰ ডিজিটেল ফটোগ্রাফীৰ প্রযুক্তি এটাৰ সৈতে সমন্বয় সাধন কৰা হয়। আন্তঃক্রিয়াশীল টিভি সৃষ্টি কৰিবলৈ ব্রডকাষ্ট প্রযুক্তিক কম্পিউটাৰকৃত প্রযুক্তিৰ সৈতে মিলিত কৰোৱা হৈছে।

**১০নং প্রশ্নৰ উত্তৰ ঃ** সমকেন্দ্রিকতা প্রযুক্তিৰ প্রয়োগ ঘটা কেইটামান সাধাৰণ গেজেট হ'ল— ম'বাইল ফোন, কম্পিউটাৰ, টেলিভিছন, ৰাশ্বিং মেছিন, আইপ'ড আদি। এটা ম'বাইল ফোনৰ পৰা 'কল' কৰিব পাৰি, লিখিত তথা ভিডিঅ' বার্তা প্রেৰণ কৰিব পাৰি, ইণ্টাৰনে'ট সংযোগ স্থাপন কৰিব পাৰি, বিভাগীয় নথি-পত্র যুগুত কৰিব পাৰি, স্থিৰ আৰু ভিডিঅ' ছবি তুলিব পাৰি, অডিঅ' সমল বাণীৱদ্ধ কৰিব পাৰি, গীত শুনিব পাৰি, বিভিন্ন গেইমছ খেলিব পাৰি আদি। ব্যক্তিগত কম্পিউটাৰ এটা চিনেমা চোৱাৰ কামত নাইবা গীত শুনিবলৈ ব্যৱহাৰ কৰিব পাৰি। আন্তঃক্রিয়াশীল টিভিয়ে দর্শকক মনোমত অনুষ্ঠান বাচনি কৰাৰ সুযোগ দিয়ে। ৰাশ্বিং মেছিন আৰু ৰেফ্রিজাৰেটৰে আজিকালি গ্রাহকৰ/ব্যৱহাৰকাৰীৰ সৈতে কথা পাতি মেছিনটো কেনেদৰে ব্যৱহাৰ কৰিব লাগে সেয়া শিকাই দিয়ে। আইপ'ড এটাৰ সহায়ত গীত শুনিব পাৰি, চিনেমা চাব পাৰি, ৰেডিঅ' শুনিব পাৰি, গেইম খেলিব পাৰি, যোগাযোগ সম্পর্কীয় তথ্য জমা কৰি থ'ব পাৰি আদি।

**১১নং প্রশ্নৰ উত্তৰ ঃ** অন্য প্রচাৰ মাধ্যম খণ্ডবোৰৰ দৰে বিজ্ঞাপন উদ্যোগৰ ওপৰতো প্রযুক্তিৰ গভীৰ প্রভাৱ পৰিছে। বিজ্ঞাপনসমূহ আজিকালি নির্দ্ধাৰিত ব্যৱহাৰকাৰীৰ কথা মনত ৰাখি প্রস্তুত তথা বিতৰণ কৰা হয়। ইণ্টাৰনে'ট প্রযুক্তিয়ে কোম্পানীবোৰক নিজ নিজ সম্ভাব্য গ্রাহকবর্গ চিহ্নিত কৰি উলিওৱাত সহায় কৰে। সেয়েহে কোম্পানীবোৰে এতিয়া সেই গ্রাহকসকলৰ ৰুচি আৰু আগ্রহ অনুসৰিহে বিজ্ঞাপন প্রস্তুত কৰে। আনকি বিজ্ঞাপন তৈয়াৰীৰ সৈতে জড়িত থকা সৃজনশীল বিভাগৰ লোকসকলেও প্রত্যাশিত সামগ্রীৰ বিজ্ঞাপন সৃষ্টিকৰিবলৈ প্রযুক্তিৰ সহায় লয়। শ্রেষ্ঠ শ্ব'টটো ল'বলৈ তেওঁলোকে উচ্চ ক্ষমতাসম্পন্ন, মানবিশিষ্ট কেমেৰাকে আদি কৰি অন্য ডিজিটেল ছফ্টৱেৰ'ৰ ব্যৱহাৰ কৰে। কেতিয়াবা প্রযুক্তিয়ে তেওঁলোকক ধন ৰাহি কৰাতো সহায় কৰে। এজনী মডেলৰ কোনো ষ্টুডিঅ'ৰ ভিতৰতে ফটো তোলা হ'ব পাৰে। পাছত ষ্টুডিঅ'ৰ পিছফালৰ পর্দাবোৰ

আঁতৰাই প্রযুক্তিৰসহায়ত মডেলজনীক কোনো আকর্ষণীয় দৃশ্যপটত খাজে-খাপে মিলাই দিয়া হয়।

## ৩.১০ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন ঃ**

**প্রশ্ন ১ ঃ** Flicker বুলিলে কি বুজে?

**প্রশ্ন ২ ঃ** নাগৰিক সাংবাদিকতা (Citizen Journalism) বুলিলে কি বুজে?

**প্রশ্ন ৩ ঃ** কেতিয়া ব্লগাৰ (Blogger) নামৰ প্রথম ব্লগিং এপ্লিকেশ্বন (Application)টোৰ সৃষ্টি হৈছিল?

**খ) চুটি প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** এড্ সৃষ্টিৰ প্রক্রিয়াত প্রযুক্তিয়ে কিদৰে প্রভাৱ পেলাইছে?

**প্রশ্ন ২ ঃ** আপুনি ভাবে নেকি যে সাম্প্রতিক সময়ত ছাইবাৰ আসক্তি এটা গুৰুতৰ চিন্তাৰ বিষয় হৈ পৰিছে? আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি দর্শাওক।

**প্রশ্ন ৩ ঃ** ছপা আৰু বৈদ্যুতিক মাধ্যমত এক সমকেন্দ্রিকতাৰ (Convergence) প্রভাৱ কি আলোচনা কৰক।

**প্রশ্ন ৪ ঃ** প্রচাৰ মাধ্যমত সমকেন্দ্রিকতাৰ যিকোনো পাঁচটা সুবিধা উল্লেখ কৰক।

**গ) ৰচনাধর্মী প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** আধুনিক যুগৰ সংস্কৃতিত নব্য প্রচাৰ মাধ্যমৰ প্রভাৱ সুস্থ লক্ষণ নহয়— আলোচনা কৰক।

**প্রশ্ন ২ ঃ** প্রচাৰ মাধ্যমৰ সমকেন্দ্রিকতাৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** ৱর্ল্ড ৱাইড ৱেব (World Wide Web) ৰাজনৈতিক দলসমূহৰ বাবে নতুন যুদ্ধক্ষেত্র হৈ পৰিছে।' ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় নির্বাচন (Election)ৰ প্রসংগত এই উক্তিৰ আলোচনা আগবঢ়াওক।

**প্রশ্ন ৪ ঃ** এই সদা পৰিবর্তনশীল পৃথিৱীত প্রযুক্তিয়ে মানুহে কৰা সৰহসংখ্যক কাম কৰিবলৈ লোৱাৰ পৰিপ্রেক্ষিতত সাংবাদিকতা কিদৰে বর্তি থাকিব?

*** ***** ***

# অধ্যায় ৪ ঃ কম্পিউটাৰ বিপ্লৱ আৰু ইণ্টাৰনেট (COMPUTER REVOLUTION AND INTERNET)

## অধ্যায় গাঁথনি


৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ কম্পিউটাৰৰ ক্ৰমবিকাশ

৪.৪ ইণ্টাৰনেট কি?

- ৪.৪.১ ইণ্টাৰনেটৰ ইতিহাস
- ৪.৪.২ ভাৰতলৈ ইণ্টাৰনেট কেনেকৈ আহিল
- ৪.৪.৩ ইণ্টাৰনেটৰ বৈশিষ্ট্য
- ৪.৪.৪ ইণ্টাৰনেটৰ অৱদান

৪.৫ ইণ্টাৰনেট সেৱা

- ৪.৫.১ ই-মেইল
- ৪.৫.২ ফাইল ট্ৰেন্সফাৰ প্ৰট'কল/এফটিপি
- ৪.৫.৩ টেলনেট
- ৪.৫.৪ গোফাৰ
- ৪.৫.৫ ৱৰ্ল্ড ৱাইড ৱেব

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্ৰগতিৰ খতিয়ান

৪.৯ আৰ্হি প্ৰশ্ন


## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিগত সময়ছোৱাত কেনেদৰে কম্পিউটাৰৰ ক্ৰমবিকাশ ঘটিল সেই বিষয়ে আলোচনা কৰিব পাৰিব
- ইণ্টাৰনেট কি সেয়া ব্যাখ্যা কৰিব পাৰিব
- ইণ্টাৰনেটৰ ইতিহাস আলোচনা কৰিব পাৰিব
- ইণ্টাৰনেটৰ বৈশিষ্ট্য আৰু অৱদান চিনাক্ত কৰি উলিয়াব পাৰিব
- বিভিন্ন ইণ্টাৰনেট সেৱাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- ৱৰ্ল্ড ৱাইড ৱেব (www) মানে কি সেয়া ব্যাখ্যা কৰিব পাৰিব।

## ৪.২ পৰিচয়

প্ৰথম অধ্যায়ত আপুনি নব্য প্ৰচাৰ মাধ্যমৰ উত্থান আৰু কম্পিউটাৰে কেনেদৰে পৰম্পৰাগত প্ৰচাৰ মাধ্যম বাহকবোৰৰ সমগ্ৰ ধাৰণাটোকে সলনি কৰি পেলাইছে সেই বিষয়ে পঢ়িলে। আপুনি নিশ্চয় পৰিষ্কাৰকৈ বুজি পাইছে যে কম্পিউটাৰে তথ্য ভাগ-বাটোৱাৰা আৰু প্ৰসাৰৰ ব্যৱসায়টোলৈ আমূল পৰিৱৰ্তন কঢ়িয়াই অনাৰ লগতে নব্য প্ৰচাৰ মাধ্যম নামৰ এক সম্পূৰ্ণ নতুন ধাৰণাৰো জন্ম দিছে। কিন্তু কম্পিউটাৰে কেনেদৰে সংযোগ স্থাপন ক্ষেত্ৰখনৰ ৰূপ সলনি কৰিছে সেয়া খৰচি মাৰি জানিবলৈ হ'লে আপুনি কম্পিউটাৰৰ বিষয়েও বিতংকৈ জানিব লাগিব। এই অধ্যায়টোত সেয়েহে আমি কম্পিউটাৰ কি আৰু বিগত সময়ছোৱাত কম্পিউটাৰৰ ক্ৰমবিকাশ কেনেদৰে ঘটিল সেই সম্পৰ্কে বিশদভাৱে আলোচনা কৰিম।

এই অধ্যায়টোত ইণ্টাৰনেটৰ ওপৰতো আলোকপাত কৰা হ'ব। কাৰণ আজিৰ বিশ্বত ইণ্টাৰনেট হ'ল সৰ্বাধিক জনপ্ৰিয় কম্পিউটাৰৰ অংগাংগী বিষয়। আমি ইণ্টাৰনেটৰ বিকাশ, বৈশিষ্ট্য আৰু অৱদানৰ বিষয়ে বহলাই আলোচনা কৰিম। এই অধ্যায়টোত বিভিন্ন ইণ্টাৰনেট সেৱা বিশেষকৈ ৱৰ্ল্ড ৱাইড ৱেবৰ বিষয়েও খৰচি মাৰি আলোচনা কৰা হ'ব।

তেনেহ'লে আহকচোন, প্ৰথমে কম্পিউটাৰৰ ক্ৰমবিকাশৰ ইতিহাস জানি লৈ আমাৰ কম্পিউটাৰ বিষয়ক জ্ঞানৰ পৰিধি ব্যাপক কৰাৰ প্ৰয়াস কৰো।

## ৪.৩ কম্পিউটাৰৰ ক্ৰমবিকাশ (EVOLUTION OF COMPUTERS)

মানুহেই আছিল পৃথিৱীৰ সৰ্বপ্ৰথম কম্পিউটাৰহু 'কম্পিউটাৰ' শব্দটো দৰাচলতে হ'ল এটা পদবীৰ নাম। গ্ৰহ-নক্ষত্ৰৰ অৱস্থান, জোৱাৰ-ভাটা উঠা অথবা বানপানী হোৱা অথবা উৎসৱ-পাৰ্বনৰ লগ্ন নিৰূপণ কৰা তালিকা তথা জাহাজৰ দিশ নিয়ন্ত্ৰক সূচী যুগুত কৰিবলৈ প্ৰয়োজনীয় গণনা কৰোঁতাসকলৰ পদবীটোক 'কম্পিউটাৰ' আখ্যা দিয়া হৈছিল। বৈদ্যুতিক অথবা যান্ত্ৰিক কম্পিউটাৰৰ বিকাশ ঘটাৰ আগতে বিভিন্ন পদত কৰ্মৰত বিভিন্ন মানুহে সকলোপ্ৰকাৰৰ প্ৰয়োজনীয় হিচাব-নিকাচ কৰিছিল। মানৱীয় ভুলৰ বাবে বহু সময়ত নানা বেমেজালিৰ সৃষ্টি হৈছিল। সেয়েহে এই কঠিন কামটোৰ পৰা মানুহক অব্যাহতি দিব পৰা যান্ত্ৰিক কৌশলৰ বিকাশ ঘটাবলৈ উদ্ভাৱনকাৰীসকলে বিভিন্ন পন্থাৰে নিজ নিজ প্ৰয়াস অব্যাহত ৰাখিছিল।

তাৰ পাছত বহুকেইটা উদ্ভাৱন ঘটিল। এবাকাছ (The Abacus), ল'গাৰিথ্‌ম টেবল্‌ছ (The Logarithm Tables), পাস্কেলাইন (The Pascaline) আৰু ডিফাৰেঞ্চ ইঞ্জিন (The Difference Engine) আদি হ'ল কেইটামান অতি জনপ্ৰিয় গণনাকাৰী যন্ত্ৰৰ ৰূপ। আনকি বিশ্বৰ আগশাৰীৰ কম্পিউটাৰ নিৰ্মাণকাৰী কোম্পানী আই-বি-এম (IBM)য়েও যান্ত্ৰিক গণনাযন্ত্ৰ/কেলকুলেটৰ নিৰ্মাণ কৰিবলৈ ল'লে আৰু বিত্তীয় হিচাপ-নিকাচ কৰিবলৈ কেলকুলেটৰৰ

প্ৰয়োজন হোৱা ব্যৱসায় প্ৰতিষ্ঠানবোৰক এই যন্ত্ৰবিধ যোগান ধৰাৰ কাম আৰম্ভ কৰিলে। তথাপি এই দিশৰ প্ৰয়োজনীয়তা পূৰ নহ'ল। আমেৰিকাৰ সামৰিক বাহিনীক তেওঁলোকৰ যুদ্ধ-জাহাজ তথা অন্য সামৰিক সা-সৰঞ্জামত ব্যৱহাৰ কৰিবলৈ অত্যাধুনিক কেলকুলেটৰৰ প্ৰয়োজন হ'ল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত আমেৰিকাৰ যুদ্ধজাহাজবোৰ একো একোখন সৰু গাড়ীৰ সমান ওজনৰ গোলাবৰ্ষণ কৰিব পৰাকৈ সক্ষম আছিল। কিন্তু ইয়াৰ বাবে তেওঁলোকক নিৰ্ভুল গণনাৰ প্ৰয়োজন হৈছিল। তেওঁলোকৰ সৈতে ভৰ (Gravity), বায়বীয় পশ্চাৎ আকৰ্ষণ (Atmospheric Drag), গতিবেগ (Velocity) আদি বিষয়ৰ প্ৰয়োজনীয় গণনা সম্পাদনকাৰী লোক আছিল। এই লোকসকলে নৌবাহিনীৰ অস্ত্ৰ-শস্ত্ৰ বিভাগক যাৱতীয় গোলাবৰ্ষণ সূচী যুগুত কৰি দিছিল। যুদ্ধৰ সময়ত আমেৰিকাৰ সেনাবাহিনীয়ে চৌদিশে গণনা কাৰ্য সম্পাদন কৰিবলৈ গণিতক গুৰু বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ বিচাৰিছিল। কিন্তু উপযুক্ত অৰ্হতা থকা ব্যক্তিৰ নাটনি হোৱা হেতুকে বহুসময়ত অস্ত্ৰ-শস্ত্ৰ বিভাগটোক অস্ত্ৰ-শস্ত্ৰ অথবা গোলাবৰ্ষণৰ কোনো নিৰ্দিষ্ট সূচী অবিহনেই যুদ্ধক্ষেত্ৰলৈ প্ৰেৰণ কৰা হৈছিল। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমেৰিকান সেনাবাহিনীয়ে যিকোনোধৰণৰ সহায়ক হ'ব পৰা প্ৰস্তাৱ অথবা কৌশল গ্ৰহণ কৰিবলৈ উন্মুখ হৈ পৰিছিল। এই ক্ষেত্ৰত প্ৰাথমিকভাৱে সফলতা লাভ কৰা কম্পিউটাৰটোৰ নাম আছিল 'হাৰ্ভাৰ্ড মাৰ্ক ওৱান কম্পিউটাৰ' (Harvard Mark I Computer)। ১৯৪৪ চনত আই-বি-এম (IBM) আৰু হাৰ্ভাৰ্ড (Harvard)এ যুটীয়াভাৱে এই কম্পিউটাৰটো সাজি উলিয়াইছিল। ই আছিল আমেৰিকাৰ প্ৰথমটো 'প্ৰগ্ৰেমেবল্ ডিজিটেল কম্পিউটাৰ (Programmable Digital Computer)। কিন্তু কম্পিউটাৰটো সম্পূৰ্ণৰূপে বৈদ্যুতিক নাছিল। আধুনিক যুগৰ কম্পিউটাৰৰ আন এক বাটকটীয়া হ'ল ক'ল'ছাছ (Colossus) কম্পিউটাৰ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ব্ৰিটেইনে এই কম্পিডটাৰটো সাজি উলিয়াইছিল। ইয়াৰ সহায়ত জাৰ্মান ৰেডিঅ'ই প্ৰচাৰ কৰা বহুতো সাংকেতিক বাতৰিৰ পাঠোদ্ধাৰ কৰা হৈছিল।

আমেৰিকান আৰু ব্ৰিটিছসকলৰ মাজত কোনে প্ৰথমে কম্পিউটাৰ উদ্ভাৱন কৰিছিল তাক লৈ বাদানুবাদৰ সৃষ্টি হৈছিল। কিন্তু ১৯৬৪ চনত ক'নৰাড ঝুছৰ (Konard Zuse) লেখনিসমূহ প্ৰকাশিত হোৱাৰ পাছত এই সম্পৰ্কীয় সকলো বিতৰ্ক তল পৰিল। ঝুছে নাজী জাৰ্মানীত সাধাৰণ উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা কম্পিউটাৰৰ এলানি শৃংখলা তৈয়াৰ কৰিছিল। এই শৃংখলাৰ প্ৰথমটো কম্পিউটাৰৰ নাম আছিল 'ঝিড ওৱান' (Z1) আৰু ইয়াক ১৯৩৬ চনতে সাজি উলিওৱা হৈছিল। ১৯৪১ চনত তেওঁ শৃংখলাটোৰ তৃতীয়টো কম্পিউটাৰ 'ঝিড থ্ৰি' (Z3) সাজি উলিয়াইছিল। এইটোৱেই আছিল সম্ভৱতঃ বিশ্বৰ প্ৰথমটো ছ'ফটৱেৰ নিয়ন্ত্ৰিত ডিজিলে কম্পিউটাৰ। তেওঁৰ প্ৰথম তিনিওটা কম্পিউটাৰেই মিত্ৰবাহিনীৰ বোমাবৰ্ষণত ধ্বংস হয়। ঝুছে কেৱল 'ঝিড ফোৰ' (Z4) কম্পিউটাৰটো ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। যিহেতু সেই সময়ত তেওঁৰ মেছিনকেইটাৰ বিষয়ে জাৰ্মানীৰ বাহিৰৰ পৃথিৱীখনে জনা নাছিল, সেয়েহে ই আমেৰিকাত কম্পিউটাৰৰ ক্ৰমবিকাশৰ ওপৰত কোনো প্ৰভাৱ পেলোৱা নাছিল। তথাপিও সেই

***ক'নৰাড ঝুছ(Konrad Zuse)*** ঃ তেওঁ বৃত্তিত এজন জাৰ্মান অসামৰিক অভিযন্তা আছিল। তেওঁক কম্পিউটাৰ ক্ষেত্ৰখনৰ এজন বাটকটীয়া বুলি গণ্য কৰা হয়।

***'এনিয়াক'ৰ(ENIAC)*** সম্পূৰ্ণ অৰ্থ হ'ল ইলেক্ট'নিক নিউমেৰিকেল ইন্টিগ্ৰেট'ৰ এণ্ড কেলকুলেটৰ। ১৯৪৩ আৰু ১৯৪৫ চনৰ মাজভাগত জন মাউক্‌লী আৰু জে. প্ৰেস্পাৰ একার্টে য়ুনিভাৰ্ছিটি অফ পেনছিলভেনিয়াত এই কম্পিউটাৰবিধ নিৰ্মাণ কৰি উলিয়াইছিল। যুদ্ধ বিভাগৰ পৰা তেওঁলোকে কম্পিউটাৰ সাজি উলিবলৈ পুঁজি লাভ কৰিছিল।

কম্পিউটাৰকেইটাৰ গঠন প্ৰণালীৰে আজিৰ কম্পিউটাৰৰ সৈতে নিশ্চিত সাদৃশ্য আছে।

ঝুছৰ প্ৰয়াস অগ্ৰাহ্য নকৰিলেও আজিৰ ডিজিটেল কম্পিউটাৰৰ পূৰ্বসূৰী বুলি সৰ্বত্ৰ 'এনিয়াক'কহে (ENIAC) গণ্য কৰা হয়। 'এনিয়াক'ৰ পাছত বজাৰলৈ আৰু বহুতো হাস্যকৰ নামৰ কম্পিউটাৰৰ আগমন ঘটিল। ইয়াৰে কেইটামান উদাহৰণ হ'ল— এডভেক (EDVAC), ইল্লিয়াক (ILLIAC), জ'নিয়াক (JOHNNIAC) আৰু মেনিয়াক (MANIAC)।

১৯৫০ৰ দশকটো শেষ হোৱাৰ আগে আগে 'এনিয়াক' (ENIAC), 'একাৰ্ট' (Eckert) আৰু 'মাউক্‌লী' (Mauchly) কম্পিউটাৰৰ নিৰ্মাতাসকলে নিজা ব্যৱসায় আৰম্ভ কৰিলে আৰু 'ইউনিভেক' (UNIVAC) নামৰ বিশ্বৰ প্ৰথমটো ব্যৱসায়িক কম্পিউটাৰ নিৰ্মাণ কৰি উলিয়ালে। কিন্তু তেওঁলোকে ভবা ধৰণে খ্যাত নহ'ল আৰু ব্যৱসায়ো আগ নাবাঢ়িলে। ১৯৬০ৰ দশকত বজাৰত প্ৰতিদ্বন্দ্বিতা কৰি থকা সকলো কোম্পানীতকৈ আই-বি-এম-এ অধিক কম্পিউটাৰ বিক্ৰী কৰিছিল। 'মাইক্ৰ'ছ'ফ্‌ট' (Microsoft) নামৰ এখন সৰু ফাৰ্মে ছ'ফ্‌ট'ৱেৰ সম্ৰাটৰ ৰূপ ধাৰণ কৰাৰ ফলতহে 'আই-বি-এম'ৰ উত্থানত যতি পৰিছিল। ভাগ্যৰ প্ৰহসন, 'আই-বি-এম'এ প্ৰথমাৱস্থাত নিজৰ কম্পিউটাৰৰ বাবে ছ'ফটৱেৰ যোগান ধৰিবলৈ 'মাইক্ৰ'ছ'ফট' নামৰ অল্পখ্যাত ফাৰ্মখনক ভাৰালৈ লৈছিল। যিখন অল্পখ্যাত ফাৰ্ম পৰৱৰ্তী সময়ত বিশ্বৰ আগশাৰীৰ ছফ্‌ৱেৰ সম্ৰাট ৰূপে প্ৰতিষ্ঠিত হয়।

কম্পিউটাৰৰ ইতিহাস এটা অতি আকৰ্ষণীয় ৰূপকথাৰ সমতুল্য। এই অধ্যায়টোত বৰ্তমান যুগৰ কম্পিউটাৰবোৰৰ সৃষ্টিৰ আঁৰৰ কাহিনীবোৰ আপোনালোকক বিশদভাৱে জনোৱা হ'ব।

### জানি থোৱা ভাল

'হাৰ্ভাৰ্ড মাৰ্ক ওৱান' (Havard Mark-1) কম্পিউটাৰবিধ বিভিন্নপ্ৰকাৰৰ ছুইচ, ৰীলে পদ্ধতি, ৰোটেটিং শ্বাফট (Rotating Shafts) আৰু ক্লাট্‌ছ (Clutch)ৰ সহায়ত নিৰ্মাণ কৰা হৈছিল। যন্ত্ৰবিধৰ ওজন আছিল ৫ টন। ইয়াৰ সৈতে ৫০০ মাইল দীঘল তাঁৰ সংলগ্ন কৰা হৈছিল। যন্ত্ৰটো আছিল ৮ ফুট ওখ আৰু ৫১ ফুট দীঘল। দৈর্ঘ্য সমানেই যন্ত্ৰটোৰ ৫০ ফুট 'ৰোটেটিং শ্বাফ্‌ট' আছিল। যন্ত্ৰটো ৫ অশ্বশক্তিৰ বৈদ্যুতিক মটৰেৰে চলিছিল। মাৰ্ক ওৱান-এ ১৫ বছৰ অবিৰত সেৱা আগবঢ়াইছিল। যন্ত্ৰটো চলি থকাৰ সময়ত এজাক মহিলাই কোঠা এটাৰ ভিতৰত বহি ঊল গোঁঠা শলাৰ শব্দ কৰি থকা যেন লাগিছিল।



## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** মানুহক কিয় 'কম্পিউটাৰ' বোলা হৈছিল?

.....

.....

.....

.....

.....

**প্রশ্ন নং ২ ঃ**আমেৰিকান সেনাবাহিনীক কিয় কম্পিউটাৰৰ প্রয়োজন হৈছিল?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৩ ঃ** তলত বাক্যবোৰ শুদ্ধ নে অশুদ্ধ কওক—

ক)দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ক'নৰাড ঝুছৰ আটাইকেইটা কম্পিউটাৰ ধ্বংস হৈছিল। (শুদ্ধ/অশুদ্ধ)

খ)'ক'গনিয়াক (COGNIAC) এবিধ কম্পিউটাৰৰ নাম। (শুদ্ধ/অশুদ্ধ)

গ)আমেৰিকানসকলৰ বাবে প্রধানকৈ কম্পিউটাৰৰ বিকাশ ঘটিল বুলি ক'ব পৰা যায়। (শুদ্ধ/অশুদ্ধ)

ঘ)'ঝিড থ্রি' (Z3) আছিল বিশ্বৰ প্রথমটো ছ'ফ্টৱেৰ নিয়ন্ত্রিত ডিজিটেল কম্পিউটাৰ। (শুদ্ধ/অশুদ্ধ)

ঙ)'ইউনিভেক' (UNIVAC) আৰু 'এনিয়াক' (ENIAC) একেটা কম্পিউটাৰৰে দুটা নাম। (শুদ্ধ/অশুদ্ধ)

চ) বিল গে'টছ আৰু প'ল এলেন হ'ল 'মাইক্র'ছ'ফ্ট'ৰ জন্মদাতা। (শুদ্ধ/অশুদ্ধ)

ছ) জন মাউক্লী আৰু জে. প্রেস্পাৰ একার্ট সফল ব্যৱসায়ী আছিল। (শুদ্ধ/অশুদ্ধ)

জ) ক'ল'ছাছ (Colossus) এটা জাপানী আৱিষ্কাৰ আছিল। (শুদ্ধ/অশুদ্ধ)

## ৪.৪ ইণ্টাৰনেট কি ? (WHAT IS INTERNET)

প্ৰথম অধ্যায়ত আপুনি ইণ্টাৰনেটৰ বিষয়ে কিছু কথা পঢ়িছে। অৱশ্যে তাক তেনেই চমু আভাস এটাহে বুলিব পাৰি। নব্য প্ৰচাৰ মাধ্যমৰ শিক্ষাৰ্থীৰ বাবে ইণ্টাৰনেটৰ জ্ঞান অপৰিহাৰ্য। আজিৰ পৃথিৱীখন ইণ্টাৰনেট আৰু বিভিন্ন ইণ্টাৰনেট সেৱাৰ জৰিতে চলি আছে বুলি ক'লেও বঢ়াই কোৱা নহয়। এই শিতানটোত আপুনি ইণ্টাৰনেট কি আৰু ই কেনেকৈ কাম কৰে সেই বিষয়ে জানিব পাৰিব।

একেবাৰে সহজ অৰ্থত ইণ্টাৰনেট হ'ল আন্তঃসংযোজিত কম্পিউটাৰ (Interconnected) বিশ্বজনীন নেটৱৰ্ক। দৰাচলতে ই হ'ল অসংখ্য নেটৱৰ্কৰ সন্মিলিত মহানেটৱৰ্ক। ব্যক্তিগত, ৰাজহুৱা, ব্যৱসায়ীক আৰু চৰকাৰীভিত্তিক বিভিন্ন স্থানীয় তথা বিশ্বজনীন সেৱা আগবঢ়োৱা অগণন নেটৱৰ্কৰ একত্ৰ সেৱা আগবঢ়োৱা ৰূপটো হ'ল ইণ্টাৰনেট। এনে কম্পিউটাৰবোৰ তামৰ তাঁৰেৰে সংলগ্ন হ'ব পাৰে, ফাইবাৰ অপ্টিক তাঁৰেৰে সংলগ্ন হ'ব পাৰে। তাঁৰবিহীনভাৱে যুক্ত হ'ব পাৰে নাইবা অন্য কোনো প্ৰযুক্তিৰ দ্বাৰা লগ লগোৱা হ'ব পাৰে। ইণ্টাৰনেটৰ সৈতে সংযোগ স্থাপনৰ সুবিধা থকা প্ৰতিটো কম্পিউটাৰেই কোনো নেটৱৰ্কৰ অংশ। আপোনাৰ ঘৰত থকা কম্পিউটাৰটোও ইয়াৰ ব্যতিক্ৰম নহয়। কোনো ইণ্টাৰনেট সেৱা সংযোগকাৰীৰ (Internet Service Provider/ISP) সৈতে সংযোগ স্থাপন কৰিবলৈ আপুনি হয়তো ম'ডেম (Modem) ব্যৱহাৰ কৰে নাইবা নম্বৰ এটালৈ ফোন কৰে।

এটা নেটৱৰ্কত অন্তঃসংযোজিত হৈ থকা কম্পিউটাৰবোৰে ইণ্টাৰনেটৰ সহায়ত তথ্যৰ আদান-প্ৰদান কৰিব পাৰে। ইণ্টাৰনেটৰ সৈতে সংযোগ স্থাপন কৰা কম্পিউটাৰ এটাই বিভিন্ন কম্পিউটাৰৰ পৰা অতি সহজে বিভিন্ন তথ্য গোটাব পাৰে। ই তথ্যবোৰ কেৱল নিজৰ 'লোকেল মেম'ৰী'লৈ (Local Memory) স্থানান্তৰ কৰিলেই হ'ল। একেটা সংযোগ ব্যৱস্থাৰে ই নিজৰ তথ্য অন্য কম্পিউটাৰলৈও প্ৰেৰণ কৰিব পাৰে। ইণ্টাৰনেটৰ মাধ্যমেৰে এইদৰে তথ্য আদান-প্ৰদান কৰা কামটো টি-চি-পি/আই-পি (TCP/IP) ইণ্টাৰনেট প্ৰ'ট'কল পদ্ধতি ব্যৱহাৰ কৰা এটা 'পেকেট ছুইট্‌ছিং' প্ৰণালীৰ (Packet Switching System) সহায়ত সমাধা কৰা হয়।

কিন্তু এটা কথা সদায় মনত ৰাখিব, ইণ্টাৰনেটত নিজাববীয়াকৈ কোনো তথ্য মজুত নাথাকে। সেয়েহে 'অমুক তথ্যটো ইণ্টাৰনেটত পালোঁ' বুলি কোৱাতো ভুল। সঠিক উক্তিটো হ'ব 'অমুক তথ্যটো ইণ্টাৰনেটৰ মাধ্যমেৰে অথবা ইণ্টাৰনেট ব্যৱহাৰ কৰি পালোঁ'।

ইণ্টাৰনেট সম্পৰ্কীয় আন এটা মজাৰ তথ্য হ'ল ইয়াৰ কোনো প্ৰকৃত মালিক নাই। ১৯৯২ চনত গঠন কৰা 'ইণ্টাৰনেট ছ'চাইটি'এ (Internet society) ইণ্টাৰনেট ব্যৱহাৰ কৰাৰ নীতি আৰু প্ৰ'ট'কলসমূহ নিৰ্দ্ধাৰণ কৰি দিয়ে। ই এটা অনা-লাভ আহৰণকাৰী সংস্থা (Non-Profit Organisation)। ইয়াৰ পাছৰ শিতানটোত ইণ্টাৰনেটৰ ইতিহাস আৰু বৰ্তমানৰ পৰ্যায় আহি পোৱাৰ সময়লৈকে ইয়াৰ যাত্ৰাপথ সম্পৰ্কে আলোকপাত কৰা হ'ব।



***ম'ডেম (Modem)*** ঃ ম'ডেম এনেকুৱা আহিলা যিটোৱে ডিজিটেল তথ্যক সাংকেতিক লিপিলৈ পৰিৱৰ্তন কৰিবলৈ এনাল'গ কেৰিয়াৰ ছিগ্‌নেল (Analog Carrier Signal) প্ৰয়োজনীয় কম্পন বা স্পন্দনৰ সৃষ্টি কৰে। তদুপৰি ই সংচাৰিত (Transmitted) হোৱা তথ্যৰ সংকেত উদ্ধাৰ কৰিবলৈ (Decode) এনে কেৰিয়াৰ ছিগ্‌নেল সংকেত ধ্বনিৰ পৰা তথ্য সংগ্ৰহ কৰে (Demodulates)। ম'ডেম দুটা শব্দৰ সন্মিলিত ৰূপ— ম'ডুলেট'ৰ আৰু ডিম'ডুলেট'ৰ।

***টি-চি-পি/আই-পি (TCP/IP)*** ঃ টি-চি-পি/আই-পিৰ সম্পূৰ্ণ অৰ্থ হৈছে ট্ৰেন্সমিছন কণ্ট্ৰ'ল প্ৰ'ট'কল/ইণ্টাৰনেট প্ৰ'ট'কল (Transmission Control Protocal/Internet Protocal)। TCP/IP হৈছে এটা নেটৱৰ্ক ছিষ্টেমত (Network System) তথ্যৰ আদান-প্ৰদান কৰা ম'ডেল বা আৰ্হি। কম্পিউটাৰ বিজ্ঞানত প্ৰ'ট'কল হৈছে এনে কিছুমান নীতি যিয়ে ডেটা (Data)ৰ ফ'ৰ্মেট (Format) আৰু ডেটাৰ সঞ্চাৰণ নিৰ্ধাৰণ কৰে।

## ৪.৪.১ ইণ্টাৰনেটৰ ইতিহাস (History of Internet)

১৯৬০ৰ দশকৰ কেইগৰাকীমান মহান ভৱিষ্যৎ দ্ৰষ্টাৰ অবিৰত প্ৰয়াসৰ ফলশ্ৰুতিতে ইণ্টাৰনেটৰ আত্মপ্ৰকাশ ঘটিল। এই লোককেইগৰাকীয়ে কম্পিউটাৰবোৰক তথ্যৰ আদান-প্ৰদান কৰিবলৈ সুযোগ দিলে কি সুফল পোৱা যাব সেই সম্ভাৱনাটোৰ অর্থ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। এম-আই-টিৰ (Massachusetts Institute of Technology) জে. চি. আৰ লিকলিডাৰে (JCR Licklider) ১৯৬২ চনত পোন প্ৰথমবাৰৰ বাবে কম্পিউটাৰৰ বিশ্বজনীন নেটৱৰ্ক এটা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাটোক এক প্ৰস্তাৱৰ ৰূপত উপস্থাপন কৰিছিল। তেওঁ আনকি আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগৰ উন্নত গৱেষণা প্ৰকল্প এজেন্সীলৈ (Defense Advanced Research Project Agency/ DARPA) নিজৰ কৰ্মস্থান সলনিও কৰিছিল। তাতে তেওঁ নিজৰ চিন্তাপ্ৰসূত ধাৰণাটোক বাস্তৱ ৰূপ দিয়াত মগ্ন হৈছিল। লিওনার্ড ক্লেইনৰ'ক আৰু ল'ৰেঞ্চ ৰ'বার্টছ্ৰ দৰে অন্য গৱেষকসকলে এই ধাৰণাটোৰ পৰৱর্তী পর্যায়ৰ বিকাশত অৰিহণা যোগাইছিল। ক্লেইনৰ'কে 'পেকেট ছুইট্ছিং' (Packet Switching Theory)ৰ সূত্ৰ বাহিৰ কৰিছিল। ৰ'বার্টছে ১৯৬৫ চনত 'ডায়েল-আপ' (Dial-up) টেলিফোন সংযোগৰ সহায়ত কেলিফ'র্ণিয়াত থকা এটা কম্পিউটাৰ আৰু এটা মাছাছুছেটছ্ত থকা কম্পিউটাৰৰ মাজত সংযোগ স্থাপন কৰিছিল। কেইনৰ'কৰ 'পেকেট ছুইট্ছিং' সূত্ৰটোৱে স্বীকৃতি লাভ কৰিছিল। ল'ৰেঞ্চ ৰ'বার্টছে 'এম-আই-টি' (MIT) এৰি 'ডি-এ-আৰ-পি-এ'লৈ (DARPA) গুচি আহিছিল আৰু 'এআৰপিএনেট'/'আর্পানেট'ৰ (ARPANET) পৰিকল্পনা যুগুতাই উলিয়াইছিল।

১৯৬৯ চনত 'আর্পানেট', এতিয়াৰ 'ইণ্টাৰনেট' অন্লাইনত উপলব্ধ হৈছিল। উন্নত গৱেষণা প্ৰকল্প এজেন্সীৰ (ARPA) পৃষ্ঠপোষকতাত চাৰিখন বিশ্ববিদ্যালয়ৰ (য়ু-চি-এল-এ/UCLA, ষ্ট্যানফ'র্ড গৱেষণা প্ৰতিষ্ঠান/Stanford Research Institute, য়ু-চি-এছ-বি/UCSBআৰু উটাহ বিশ্ববিদ্যালয়/University of Utah) চাৰিটা প্ৰধান কম্পিউটাৰৰ মাজত আন্তঃসংযোগ স্থাপন কৰা হৈছিল। ১৯৭০ চনৰ ভিতৰত হার্ভার্ড, এম-আই-টি (MIT), বি-বি-এন (BBN) আৰু ছাণ্টাম'নিকাৰ ছিষ্টেমছ্ ডেভেলপমেণ্ট ক'ৰ-ও (Systems Development Corps/SDC) এই অন্তঃসংযোগ ব্যৱস্থাৰ অংশ হৈছিল। ইয়াৰ কেইমাহমানৰ পাছতেই ষ্ট্যানফ'র্ড, এ-আই-টিৰ লিংকন গৱেষণাগাৰ, কার্নেগী-মেল'ন, কেছ-ৱেষ্টার্ন ৰিজার্ভ বিশ্ববিদ্যালয়, নাছা/এমিছ, মিট্র (Mitre), বুৰুজ (Burroughs), আৰ-এ-এন-ডি (RAND) আৰু ইলিন'ইছ বিশ্ববিদ্যালয়ৰ দৰে বহুতো আগশাৰীৰ অনুষ্ঠান-প্ৰতিষ্ঠানক এই নেটৱৰ্কৰ সৈতে সংলগ্ন কৰা হ'ল।

আৰম্ভণিতে কেৱল কম্পিউটাৰ বিশষজ্ঞ, বৈজ্ঞানিক, অভিযন্তা আৰু

গ্ৰন্থাগাৰিকসকলেহে প্ৰধানকৈ কম্পিউটাৰ ব্যৱহাৰ কৰিছিল। আদিতে ই এটা অতি জটিল প্ৰক্ৰিয়া আছিল। আমি এতিয়াহে ব্যৱহাৰকাৰীৰ বাবে সুচল আৰু সৰল কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ পাইছো। '৭০ৰ দশকতে ইয়াৰ আৰু বিকাশ ঘটিল। টি-চি-পি/আইপিৰ (TCP/IP) গঠন বিন্যাসত ঘটা পৰিৱৰ্তনে এই বিকাশত উদগনি যোগালে। বব কান (Bob Kahn) নামৰ বিজ্ঞানীজনে এই পৰিৱৰ্তনৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। পাছত তেওঁ ৱিণ্ট কাৰ্ফ (Vint Carf) নামৰ আন এগৰাকী বিজ্ঞানীৰ সৈতে লগ লাগি এই বিকাশ সম্ভৱপৰ কৰি তুলিছিল। ১৯৮০ চনত প্ৰতিৰক্ষা বিভাগে নে'টৱৰ্ক নিয়ন্ত্ৰণ প্ৰ'ট'কল (NCP) আঁতৰাই নতুন পদ্ধতিটো গ্ৰহণ কৰিলে। ১৯৮৩ চনত সমগ্ৰ বিশ্বই নতুন পদ্ধতিটোক স্বীকৃতি প্ৰদান কৰিলে।

প্ৰথমে ইণ্টাৰনে'ট ব্যৱস্থাটোলৈ আমেৰিকাৰ চৰকাৰে পুঁজিৰ যোগান ধৰিছিল। কেৱল গৱেষণা প্ৰতিষ্ঠান, বিশ্ববিদ্যালয় আৰু চৰকাৰী কাৰ্যালয়সমূহতে ইণ্টাৰনে'টৰ ব্যৱহাৰ সীমাৱদ্ধ আছিল। কিন্তু '৯০ৰ দশকৰ আৰম্ভণিতে ইণ্টাৰনে'টে ব্যৱসায়িক ৰূপ ল'লে। গ্ৰাহকলৈ ইণ্টাৰনে'টৰ ব্যৱসায়ভিত্তিক অন্‌লাইন সেৱা আগবঢ়োৱা প্ৰথমটো কোম্পানীৰ নাম হ'ল 'ডেলফি' (Delphi)। মাইক্ৰ'ছফ্‌টে ব্যৱসায়িক জগতত ভৰি দিয়াৰ লগে লগে ব্যৱসায়ভিত্তিক ইণ্টাৰনে'ট সেৱাৰ সম্পূৰ্ণ নতুন যুগৰ সূচনা হ'ল।

### জানি থোৱা ভাল

ইণ্টাৰনে'ট কোনে প্ৰথমে ব্যৱহাৰ কৰিছিল?

ছাৰ্লি ক্লাইন (Charley Kline)। ১৯৬৯ চনৰ ২৯ অক্টোবৰৰ দিনা তেওঁ 'আৰ্পানে'টৰ (ARPANET) মাধ্যমেৰে য়ু-চি-এল-এৰ (UCLA) পৰা ষ্ট্যানফ'ৰ্ড গৱেষণা প্ৰতিষ্ঠানলৈ (Stanford Research Institute) প্ৰথমটো 'পেকেট' (Packet) পঠিয়াবৰ বাবে সংযোগ স্থাপনৰ চেষ্টা কৰিছিল। 'ল'গিন'ৰ (LOGIN) 'G' আখৰটো পোৱাৰ লগে লগে সমগ্ৰ প্ৰণালীটো বিকল হৈ পৰিছিল।



### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৪ ঃ** কম্পিউটাৰ নে'টৱৰ্ক মানে কি?

.....

.....

.....

.....

.....

**প্ৰশ্ন নং ৫ ঃ** ইণ্টাৰনেটক কিয় নেটৱৰ্ক অৰ্থাৎ মহানেটৱৰ্ক বুলি কোৱা হয়?

.....

.....

.....

.....

.....

**প্ৰশ্ন নং ৬ ঃ** ইণ্টাৰনেট ছাৰ্ভিছ প্ৰ'ভাইডাৰ অথবা ইণ্টাৰনেট সেৱা যোগানকাৰী বুলি কাক কোৱা হয়?

.....

.....

.....

.....

.....

## ৪.৪.২ভাৰতলৈ ইণ্টাৰনেট কেনেকৈ আহিল (Internet in India)

১৯৮০ৰ দশকত ভাৰতত ইণ্টাৰনেট সেৱাৰ সূচনা হয়। 'ইআৰনেট'-এ (ERNET) এই অধ্যায়ৰ পাতনি মেলে। ভাৰত চৰকাৰ, ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচী (UNDP) আৰু বৈদ্যুতিক বিভাগে (DoE) সন্মিলিতভাৱে এই প্ৰকল্পটোলৈ পুঁজিৰ যোগান ধৰিছিল। প্ৰকল্পটোৰ সৈতে ৫টা আগশাৰীৰ প্ৰতিষ্ঠান জড়িত আছিল। প্ৰতিষ্ঠানকেইটা হ'ল— ছ'ফ্টৱেৰ প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় কেন্দ্ৰ (NCST) বোম্বে, ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান (IISc) বাংগালোৰ, পাঁচখন ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (IIT) আৰু বৈদ্যুতিক বিভাগ (DoE)। 'ইআৰনেট'-এ আজি ইয়াৰ চালুকীয়া পৰ্যায় অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। ই বৰ্তমান ভাৰতৰ সকলোবোৰ প্ৰধান শৈক্ষিক তথা গৱেষণা প্ৰতিষ্ঠানক ইণ্টাৰনেট সেৱা যোগান ধৰে। 'ইআৰনেট'ৰ অৱশ্যে সাধাৰণ ৰাইজলৈ ইণ্টাৰনেট সেৱা আগবঢ়োৱাৰ অধিকাৰ নাই।

সাধাৰণ ভাৰতীয় গ্ৰাহকৰ বাবে ১৯৯৫ চনৰ ১৫ আগষ্টৰ পৰা ইণ্টাৰনেট সেৱা সুলভ হৈ পৰিল। বিদেশ সঞ্চাৰ নিগম লিমিটেড-এ (VSNL) এই সেৱাৰ যোগান ধৰা

আৰম্ভ কৰিলে। প্ৰথম অৱস্থাত দেশত ইণ্টাৰনেট সেৱাৰ প্ৰসাৰ অতি মন্থৰ আছিল। কিন্তু '৯০ৰ দশকৰ শেষৰফালে ই দ্ৰুতগতিত বাঢ়িবলৈ ল'লে। টেলিসংযোগ সেৱা মুকলি হোৱাৰ লগে লগে বজাৰলৈ কেইবাটাও সেৱা যোগানকাৰী কোম্পানীৰ আগমন ঘটিল।

## ৪.৪.৩ ইণ্টাৰনেটৰ বৈশিষ্ট্য (Characteristics of Internet)

ইতিমধ্যে আপুনি নিশ্চয় পৰিস্কাৰকৈ বুজি উঠিছে যে ইণ্টাৰনেট হ'ল কম্পিউটাৰৰ একাধিক নেটৱৰ্কৰ সন্মিলিত নেটৱৰ্ক। এই গোলকীয় পৰিঘটনাটোৰ কেতবোৰ মৌলিক বৈশিষ্ট্য আছে। সেইবোৰ হ'ল—

ক) ই কোনো কেন্দ্ৰীয় কৰ্তৃপক্ষৰ দ্বাৰা কেন্দ্ৰীয়ভাৱে নিয়ন্ত্ৰিত প্ৰণালী নহয়।

খ) ইণ্টাৰনেট হ'ল এটা বিশ্বজনীনভাৱে বিতৰণ হোৱা ৰাজহুৱা সম্পদ প্ৰণালী।

গ) ইণ্টাৰনেটৰ চোৱাচিতাৰ দিশটো সহযোগিতা আৰু সমন্বয় সাধনৰ উদাহৰণ ওপৰত আধাৰিত।

ঘ) ইণ্টাৰনেটৰ সুচলাৱস্থা (Access) আৰু ইয়াৰ জৰিয়তে লাভ কৰিব পৰা সম্পদসমূহৰ মাত্ৰা পৃথিৱীৰ সৰ্বত্ৰতে সমান নহয়।

ঙ) 'নেটিঝেন' অৰ্থাৎ ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ মাজত সমানতা আছে। ইণ্টাৰনেট ব্যৱহাৰ কৰা সকলো লোকেই সমানে সুচলভাৱে ইয়াৰ সেৱাসমূহ উপভোগ কৰিব পাৰে।

চ) এবাৰ ইণ্টাৰনেট ব্যৱহাৰ কৰিবলৈ শিকি লোৱাসকলৰ বাবে ই হ'ল এটা স্ব-শিক্ষণ আহিলা (Self-Learning Tool)।

ছ) ইণ্টাৰনেটক অবিৰতভাৱে বিশ্বব্যাপী আদৰি লোৱা হৈছে।

জ) বৃহৎ স্তৰৰ তথ্য বিনিময় কৰিবলৈ ইণ্টাৰনেট হ'ল এটা বিস্তৃত আৰু প্ৰশস্ত পন্থা।

ঝ) সমগ্ৰ বিশ্বৰে সৰ্বসাধাৰণ নাগৰিকে সকলোধৰণৰ তথ্য লাভ কৰিব পৰা সুযোগ-টোলৈ চাই ইণ্টাৰনেটক এক অভূতপূৰ্ব বিপ্লৱ বুলি অভিহিত কৰিব পাৰি।

ঞ) ইণ্টাৰনেট তথ্যৰ প্ৰসাৰ প্ৰক্ৰিয়াটোক প্ৰায় গণতান্ত্ৰিক ৰূপ প্ৰদান কৰিছে।

ট) ইণ্টাৰনেট তথ্যৰ ওপৰত যিকোনো প্ৰকাৰৰ বাধ্যবাধকতা আৰোপ কৰাটো কাৰ্যতঃ অসম্ভৱ কৰি তুলিছে। ইণ্টাৰনেটৰ বাবে আজি কোনো তথ্যকে একান্ত গোপনীয় কৰি ৰাখিব পৰা নাযায়।

## ৪.৪.৪ ইণ্টাৰনেটৰ অৱদান (Contribution of the Internet)

ইণ্টাৰনেট ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত থকা আপোনাৰ নিজস্ব অভিজ্ঞতাৰ পৰা আৰু এই অধ্যায়টোৰ পূৰ্বৱৰ্তী শাখাকেইটা পঢ়াৰ পাছত আপুনি নিশ্চয় ইণ্টাৰনেটৰ

উপকাৰিতা সম্পৰ্কে এটা স্পষ্ট ধাৰণা কৰিব পৰা হৈছে। ইয়াৰ প্ৰধান কাম হ'ল সংযোগ স্থাপনকাৰী প্ৰক্ৰিয়াটোক সহায় কৰা। এই কামটোৰ আধাৰতে ইণ্টাৰনেটে আজিৰ পৃথিৱীখনলৈ ফলপ্ৰসূ অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। ইয়াৰ দুটামান অৱদানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

ক) ই জ্ঞান আৰু তথ্যৰ এটা সুসম পৰ্যায় গঢ়ি তুলিছে।

খ) তথ্যই বিশ্বৰ সকলো প্ৰান্তলৈ অবাধে গতি কৰিব পাৰে।

গ) ইণ্টাৰনে'টে ব্যৱহাৰকাৰীক সহজে নোপোৱা তথ্যও বিচাৰি উলিওৱাত সহায় কৰে।

ঘ) দূৰ-দূৰণিত থকা বন্ধু-বান্ধৱৰ সৈতে সংযোগ স্থাপন কৰাত ইণ্টাৰনে'টে সহায় কৰে।

ঙ) ইণ্টাৰনেটে বিজ্ঞাপনদাতাক নিজৰ সামগ্ৰীৰ বিষয়ে বিজ্ঞাপন দিবলৈ আৰু অন্-লাইনত বস্তু বেচা-কিনা কৰাৰ সুযোগ দিয়ে।

চ) ইণ্টাৰনে'টে শিক্ষণ প্ৰক্ৰিয়াটোতো সহায় কৰে। আজিকালি দূ�ৰণিবটীয়া শিক্ষা পদ্ধতিয়ে আগবঢ়োৱা বিভিন্ন শিক্ষা ইণ্টাৰনে'টৰ মাধ্যমেৰে গ্ৰহণ কৰি বিভিন্ন অৰ্হতা আহৰণ কৰিব পৰা যায়।



### জানি থোৱা ভাল

নব্য প্ৰচাৰ মাধ্যমৰ বিভিন্ন সা-সজুঁলিৰ মাজৰে এটা হ'ল ছুপাৰ কম্পিউটাৰ (Super Computer)। ই হ'ল এটা অতি উন্নতমানৰ তথ্য আহৰণকাৰী বিতৰণকাৰী যন্ত্ৰ। কেইদশকমানৰ আগতে আমেৰিকাৰ ছেইমূৰ ক্ৰে নামৰ ব্যক্তি এগৰাকীয়ে এই যন্ত্ৰটো বিকশাই তুলিছিল। ইয়াৰ সৈতে একাধিক কম্পিউটাৰ সংলগ্ন কৰি একোটা কম্পিউটাৰ বেংক গঠন কৰা হয়। ইয়াৰ ফলত মিনিট অথবা ছেকেণ্ডৰ ভিতৰতে অজস্ৰ গণনাকাৰ্য অথবা সমস্যাৰ বিশ্লেষণ বাহিৰ কৰিব পৰা যায়। এই যন্ত্ৰটো বতৰৰ বতৰা দিবলৈ অথবা যুদ্ধৰ পৰিৱেশ আদিৰ বিৱৰণী দিবলৈ বিশেষভাৱে উপযোগী। আমাৰ দেশে এই যন্ত্ৰটোৰ আৰ্হিত এটা থলুৱা যন্ত্ৰ বিকশাই তুলিছে। ইয়াৰ নাম ৰখা হৈছে 'পৰম' (Param)। যন্ত্ৰটোৱে উন্নত পশ্চিমীয়া দেশবোৰৰ পৰা সন্মাজনক মন্তব্য লাভ কৰিবলৈ সক্ষম হৈছে।

## ৪.৫ ইণ্টাৰনেট সেৱা (INTERNET SERVICES)

ইণ্টাৰনেটৰ বৈশিষ্ট্য আৰু অৱদানৰ বিষয়ে পঢ়াৰ পাছত আপুনি নিশ্চয় ইণ্টাৰনেটে আগবঢ়োৱা বিভিন্ন সেৱাৰ বিষয়েও অৱগত হৈছে। কিন্তু প্ৰধান ইণ্টাৰনেট সেৱা বুলি গণ্য কৰা সেৱাসমূহৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা। সেইবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

### ৪.৫.১ ই-মেইল (E-mail)

আজিকালি প্ৰায় সকলোৱেই ই-মেইলৰ বিষয়ে জানে। ইণ্টাৰনেটে আগবঢ়োৱা সেৱা-বোৰৰ ভিতৰত ই হ'ল সবাতোকৈ জনপ্ৰিয় সেৱা। ই-মেইল অথবা ইলেক্ট্ৰনিক মেইল হ'ল ডাকযোগে প্ৰেৰণ কৰা পত্ৰৰ কম্পিউটাৰকৃত সংস্কৰণ। ই-মেইল হ'ল এটা কম্পিউটাৰ ব্যৱহাৰ কৰি কোনোবাই চিঠি এখন আন এটা কম্পিউটাৰ ব্যৱহাৰ কৰা অন্য এজনলৈ প্ৰেৰণ কৰা প্ৰক্ৰিয়া। একোখন ই-মেইলত একোটা 'হেডাৰ' (Header) নাইবা গ্ৰাহকজনৰ ঠিকনা লিখিবলৈ নিৰ্দিষ্ট ঠাই এডোখৰ থাকে। তাৰপাছত মূল বাৰ্তাটো লিখিবলৈ একো একোটা 'বডী' (Body) থাকে। তাতে লিখি কোনো তথ্য প্ৰেৰণ কৰা হয়। এই সেৱাটো 'আৰ্পানেট'ৰ (ARPANET) বাবে ৰে' টমলিন্সন নামৰ ব্যক্তিগৰাকীয়ে বিকশাই তুলিছিল। তেৱেঁই ঠিকনা আৰু ব্যৱহাৰকাৰীৰ নামৰ (User-Name) মাজত যোগসূত্ৰ স্থাপনকাৰী @ চিহ্নটোৰো জনক।

### ৪.৫.২ ফাইল ট্ৰেন্সফাৰ প্ৰ'টকল/এফটিপি File Transfer Protocol/FTP)

এই সেৱাই ব্যৱহাৰকাৰীক দূৰণিবটীয়া স্থানত থকা কম্পিউটাৰ এটাত 'লগইন' (Login) কৰিবলৈ, ফাইল আপলোড-ডাউনলোড কৰি গ্ৰহণ অথবা প্ৰেৰণ কৰিবলৈ সুবিধা দিয়ে। ই হ'ল ইণ্টাৰনেট নেটৱৰ্কত অন্য এটা কম্পিউটাৰ যন্ত্ৰ ব্যৱহাৰৰ সুবিধা আহৰণ কৰা পদ্ধতি। এই সুবিধাটো আহৰণ কৰি কম্পিউটাৰটোৰ পৰা সহজে ফাইল স্থানান্তৰ কৰিব পাৰি। এফ-টি-পিৰ (FTP) বহুতো সুবিধা আছে। এই পদ্ধতিটোৰ সহায়ত ব্যৱহাৰকাৰীয়ে নতুন ছফ্টৱেৰ বিনামূলীয়াকৈ অথবা কোনো পুৰণি প্ৰ'গ্ৰেমৰ নতুন সংস্কৰণ ডাউনলোড কৰিব পাৰে। ই বৃহৎ কলেৱৰৰ ফাইল কোনো অসুবিধা নোহোৱাকৈ গ্ৰহণ আৰু প্ৰেৰণ কৰাত সহায় কৰে। অপাৰেটিং পদ্ধতি ভিন ভিন হ'লেও ফাইল গ্ৰহণ আৰু প্ৰেৰণ কৰাত কোনো অসুবিধা নহয়।

### ৪.৫.৩ টেলনেট (Telnet)

এই সেৱাই ব্যৱহাৰকাৰীয়ে শাৰীৰিকভাৱে ঢুকি নোপোৱা স্থানত থকা কম্পিউটাৰ এটাৰ সৈতে সংযোগ স্থাপন কৰাত অৰ্থাৎ 'লগ ইন' কৰাত সহায় কৰে।

আপুনি মাত্ৰ সংযোগ স্থাপন কৰিব খোজা কম্পিউটাৰটোৰ নামটো জানিব লাগিব। তাৰপাছত আপুনি আন এটা কম্পিউটাৰ ব্যৱহাৰ কৰি সেই কম্পিউটাৰটোত 'লগ ইন' কৰিব পাৰে। উদাহৰণস্বৰূপে 'telnet science.newu.edu' নামত 'লগ ইন' কৰিলে আপুনি 'science.newu.edu' নামৰ কম্পিউটাৰ/যন্ত্ৰটোৰ সৈতে সংযোগ স্থাপন কৰিব পাৰিব।

### ৪.৫.৪ গোফাৰ (Gopher)

গোফাৰ হ'ল এটা 'মেন্যু' (Manu) আধাৰিত সুবিধা। ই ইণ্টাৰনেট সম্পৰ্কীয় তথ্য আহৰণ কৰাত সহায় কৰে। ই মূলতঃ এটা প্ৰ'টকল পদ্ধতি। ইয়াত ফাইলবোৰ উচ্চৰ পৰা নিম্নক্ৰমত সজোৱা থাকে। ইয়াৰ ফলত অকলশৰীয়া স্থানত থকা কম্পিউটাৰ ব্যৱহাৰ কৰিও ফাইলবোৰ চাব পৰা যায়। এই পদ্ধতিটো মিনেছোটা বিশ্ববিদ্যালয়ে প্ৰথমে বিকশাই তুলিছিল। বিশ্ববিদ্যালয়খনে ইয়াৰ স্থানীয় নেটৱৰ্কটোৰ মাধ্যমেৰে বিশ্ববিদ্যালয় পৰিসৰৰ ভিতৰত থকা তথ্য আৰু ফাইলবোৰ সকলোৰে বাবে সুলভ কৰি তুলিবলৈ এখন সূচী অৰ্থাৎ 'মেন্যু' বিকশাই তুলিব খুজিছিল। তাৰ পৰিণতিতে 'গোফাৰ'-এ আত্মপ্ৰকাশ কৰিলে। বিশ্ববিদ্যালয়খনৰ 'মেস্কট' অৰ্থাৎ প্ৰতীক চিহ্ন গোল্ডেন গোফাৰৰ নাম অনুসৰি নতুন পদ্ধতিটোক 'গোফাৰ' নাম দিয়া হ'ল।

গোফাৰ প্ৰ'টকল বিকাশ কৰাৰ আঁৰৰ উদ্দেশ্য আছিল আমেৰিকাৰ বিভিন্ন স্থানৰ বিভিন্ন শৈক্ষিক অনুষ্ঠানৰ সৈতে জড়িত ব্যক্তিক ফাইল আৰু নথি-তথ্য আদিৰ আদান-প্ৰদান কৰাৰ সুযোগ দিয়া। সেয়েহে এনে ফাইল আৰু নথি-তথ্য আদিক অতি সুশৃংখল-ভাৱে সজোৱাৰ কথা ভবা হৈছিল। যাতে বিচৰা তথ্য সহজতে পাব পৰা যায়। আত্ম-প্ৰকাশৰ পাছৰ কিছুসময়লৈ গোফাৰে প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল। কিন্তু ৱৰ্ল্ড ৱাইড ৱেব (www) আৰু হাইপাৰ টেক্সট্ ট্ৰেন্সফাৰ প্ৰ'টকলৰ (Hyper Text Transfer Protocol) বিকাশ ঘটাৰ লগে লগে 'গোফাৰ' ব্যৱহাৰকাৰীৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰিলে। ৱৰ্ল্ডৱাইড ৱেব-এ ফাইল বিচাৰি উলিওৱা আৰু আদান-প্ৰদান কৰাত সহায় কৰে। আনহাতে 'এইচটিটিপি'-এ (http) সংশ্লিষ্ট নথি আৰু ফাইলৰ সৈতে যোগসূত্ৰ স্থাপন কৰাত সহায় কৰে।

### ৪.৫.৫ ৱৰ্ল্ড ৱাইড ৱেব (World Wide Web)

ইণ্টাৰনেটে আগবঢ়োৱা আন এটা সৰ্বাধিক জনপ্ৰিয় সেৱা হ'ল www অথবা 'ৱেব' (Web)। এই সেৱাটো ইমানেই জনপ্ৰিয় হৈ পৰিছে যে আজি ইণ্টাৰনেট বুলিলে 'www'কে বুজা যায়। 'ৱেব' হ'ল দৰাচলতে নথি-তথ্যৰ ভঁৰাল। এনে নথি-তথ্যবোৰ এটা কম্পিউটাৰৰ পৰা আন এটা কম্পিউটাৰলৈ 'http' যোগসূত্ৰ স্থাপন কৰি স্থানান্তৰ

কৰিব পাৰি। তাৰপাছত ইণ্টাৰনেটৰ মাধ্যমেৰে এনে তথ্য খুলি চাব পাৰি। 'ৱেব পে'জ' অথবা ৱেব পৃষ্ঠা এটাত বিভিন্ন লিখিত কথা, ফটো, ভিডিঅ' আৰু অন্য 'ডেটা' থাকিব পাৰে। এটা 'ৱেব ব্ৰাউছাৰ'ৰ (Web Browser) সহায়ত এই তথ্যবোৰ 'ব্ৰাউজ' কৰিব পাৰি অৰ্থাৎ খুলি চাব পাৰি।

১৯৮৯ চনত ইউৰোপীয়ান লেব'ৰেট'ৰী ফৰ প্ৰেক্টিকেল ফিজিকছ্‌ত, যাক চি-ই-আৰ-এন (CERN) বুলিও জনা যায়, কৰ্মৰত টিম বৰ্ণাৰ্ছ-লী আৰু তেওঁৰ কেইগৰাকীমান সহযোগীয়ে 'www' বিকশাই তুলিছিল। আৰম্ভণিতে ইয়াক কেৱল বিশ্ববিদ্যালয় আৰু অন্য চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানতহে ব্যৱহাৰ কৰা হৈছিল। ১৯৯৩ চনত 'চি-ই-আৰ-এন'এ ঘোষণা কৰিলে যে কোনো ৰয়েল্টি নিদিয়াকৈয়ে সকলোৱে 'ৱেব প্ৰ'ট'কল' ব্যৱহাৰ কৰিব পাৰিব। ই 'গোফাৰ প্ৰ'ট'কল'ৰ ওপৰত কৰা এক মোক্ষম আঘাত। কাৰণ মিনেছোটা বিশ্ববিদ্যালয়ে গোফাৰ প্ৰ'ট'কল'ৰ পেটেণ্ট আহৰণ কৰিছিল। ৱেব সৰ্বসাধাৰণৰ বাবে সহজলভ্য হৈ পৰাৰ বিপৰীতে গোফাৰৰ প্ৰয়োগ নাইকিয়া হ'ল। ১৯৯৩ চনত বৰ্ণাৰ্ছ-লীয়ে 'ৱ'ৰ্ল্ড ৱাইড ৱেব কনছ'ৰটিয়াম' (X3C) গঠন কৰিলে। এই কনছ'ৰটিয়াম-এ সিদ্ধান্ত গ্ৰহণ কৰিলে যে 'ৱেব'ক ৰয়েল্টি-ফ্ৰী প্ৰযুক্তিত বিন্যাস কৰা হ'ব। ইয়াৰ ফলত এই পদ্ধতিটো সহজে গ্ৰহণ কৰিব পৰা হৈ উঠিল।

১৯৯৬ চনলৈ 'ৱেব' এক আন্তঃৰাষ্ট্ৰীয় পৰিঘটনাত পৰিণত হ'ল। আৰম্ভণিতে সাধাৰণ ৰাইজে কেৱল বিনামূলীয়া প্ৰকাশন আৰু তথ্যৰ তাৎক্ষণিক প্ৰসাৰ দেখিছিল। কিন্তু 'ৱেব'-এ তাৎক্ষণিক দ্বি-মুখী সংযোগ স্থাপন কৰিব পাৰে বুলি সকলোৱে বুজি উঠাৰ লগে লগে 'ই-কমার্ছ' (e-commerce) নামৰ ৱেবভিত্তিক বাণিজ্য সেৱাও গঢ় লৈ উঠিল।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৭ ঃ** ইণ্টাৰনেটৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰ কি কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৮ ঃ** ইণ্টাৰনেটে কি কি সেৱা আগবঢ়ায়?

.....

.....

.....

.....

**প্ৰশ্ন নং ৯ ঃ** গোফাৰ প্ৰ'ট'কল কিয় অচল হৈ পৰিল?

.....

.....

.....

.....



**অনুশীলনী ৪.১**

ৱ'ল্ড ৱাইড ৱেব 'ব্ৰাউজ' কৰি শৈক্ষিক লাভালাভৰ বাবে 'ৱেব'ৰ সহায়ত কি কি কাম কৰিব পৰা যায় তাৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....



## ৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্নধৰণৰ গণনা কাৰ্যত লিপ্ত মানুহক আদিতে কম্পিউটাৰ বোলা হৈছিল।
- গণনা কাৰ্য উজু কৰি তুলিবলৈ বিগত কালছোৱাত বহুতো যান্ত্ৰিক কেলকুলেটৰ উদ্ভাৱন কৰা হৈছিল।
- মানৱীয় ভুলৰ বাবে বিভিন্নধৰণৰ সমস্যা সৃষ্টি হৈছিল বাবে আৰু মানুহক গণনা কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল বাবে বিজ্ঞানী আৰু গৱেষকসকলে প্ৰথমে যান্ত্ৰিক আৰু পাছলৈ বৈদ্যুতিক কেলকুলেটৰ সাজি উলিওৱাৰ প্ৰচেষ্টা চলাইছিল।
- দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত কেলকুলেটৰ যন্ত্ৰৰ প্ৰয়োজনীয়তা গভীৰভাৱে অনুভৱ কৰা হৈছিল। আমেৰিকান সেনাবাহিনীয়ে অস্ত্ৰ-শস্ত্ৰ বিভাগৰ বাবে নিৰ্ভুল গণনা কৰি সূচী তৈয়াৰ কৰিবলৈ অৰ্হতাসম্পন্ন লোক বিচাৰি চৌদিশ চলাথ কৰিছিল।
- হাৰ্ভাৰ্ড মাৰ্ক ওৱান আৰু ক'ল'ছাছ হ'ল আৰম্ভণিৰ কালছোৱাত নিৰ্মিত দুটা কম্পিউটাৰৰ নাম। প্ৰথমটো আমেৰিকাত আৰু দ্বিতীয়টো বৃটেইনত নিৰ্মাণ কৰা হৈছিল।

- নাজী জার্মেনীত ক'নৰাড ঝুছে নির্মাণ কৰা ঝুছ কম্পিউটাৰকেইটাই হ'ল সম্ভৱতঃ বিশ্বৰ সর্বপ্রথম কম্পিউটাৰ। তেওঁৰ প্রথম তিনিটা কম্পিউটাৰ ঝুছ ওৱান, টু আৰু থ্রী মিত্র-বাহিনীৰ বোমাবর্ষণত ধ্বংস হৈছিল। ঝুছে বর্তমানৰ কম্পিউটাৰৰ সৈতে বহুখিনি সাদৃশ্য থকা কম্পিউটাৰ নির্মাণ কৰি উলিয়াইছিল যদিও তেওঁৰ প্রয়াসে আমেৰিকাৰ কম্পিউটাৰ বিপ্লৱত কোনো প্রভাৱ পেলোৱা নাছিল।
- তাৰপাছত আহিল 'এনিয়াক' যি পাছলৈ 'ইউনিভেক' নামেৰে জনাজাত হ'ল। ১৯৫০ৰ দশকত এই কম্পিউটাৰবিধ সাধাৰণ গ্রাহকৰ বাবে ব্যৱসায়িকভাৱে সুলভ হৈ পৰিল। তাৰপাছত আই-বি-এম-এ বজাৰত প্রৱেশ কৰিলে আৰু মাইক্র'ছ'ফটৰ উত্থানৰ আগলৈকে কম্পিউটাৰ বজাৰখনত একাধিপত্য বিস্তাৰ কৰি আছিল।
- ইণ্টাৰনেট হ'ল একাধিক নেটৱর্কৰ এটা বিশ্বজনীন নেটৱর্ক। ই দুটা অথবা তাতোকৈ অধিক কম্পিউটাৰৰ মাজত তথ্যৰ প্রসাৰ আদান-প্রদান আৰু বার্তা প্রেৰণ তথা গ্রহণ কৰাত সহায় কৰে।
- ইণ্টাৰনেটৰ মাধ্যমেৰে তথ্য প্রেৰণ-গ্রহণ তথা নেটৱর্কৰ অন্তর্ভুক্ত কোনো কম্পিউটাৰত জমা থকা তথ্য আহৰণ কৰিব পাৰি।
- ১৯৬৯ চনত ইণ্টাৰনেটে আত্মপ্রকাশ কৰিছিল। তেতিয়া ইয়াক 'আর্পানেট' বুলি জনা গৈছিল। প্রথম অৱস্থাত কেৱল চাৰিখন বিশ্ববিদ্যালয়ৰ চাৰিটা প্রধান কম্পিউটাৰহে ইণ্টাৰনেটৰ দ্বাৰা সংলগ্ন কৰা হৈছিল।
- প্রথমতে কেৱল গৱেষণা আৰু চৰকাৰী কাম-কাজতহে ইণ্টাৰনেট ব্যৱহাৰ কৰা হৈছিল। ১৯৯০ৰ দশকৰ পৰাহে ইণ্টাৰনেট সেৱা সর্বসাধাৰণৰ বাবে মুকলি হয়।
- গ্রাহকক ব্যৱসায়ভিত্তিক ইণ্টাৰনেট সেৱা আগবঢ়োৱা প্রথম কোম্পানীটো হ'ল 'ডেলফি'।
- ভাৰতত চৰকাৰ, ৰাষ্ট্রসংঘৰ উন্নয়ন কার্যসূচী (UNDP) আৰু বৈদ্যুতিক বিভাগে (DoE) মিলি ইণ্টাৰনেট সেৱাৰ পাতনি মেলিছিল। দেশৰ পাঁচখন অগ্রণী শিক্ষানুষ্ঠানক জড়িত কৰি 'ইআৰনেট' (ERNET) নামৰ প্রকল্প এটা আৰম্ভ কৰা হৈছিল।
- ১৯৯৫ চনৰ ১৫ আগষ্টৰ পৰা ভাৰতত ইণ্টাৰনেট সর্বসাধাৰণৰ বাবে সুলভ হৈ পৰিল।
- কোনো কেন্দ্রীয় প্রতিষ্ঠানে ইণ্টাৰনেট নিয়ন্ত্রণ নকৰে। ইয়াক কেৱল সহযোগিতা তথা সমন্বয় সাধন নীতিৰ আধাৰত চোৱাচিতা কৰা হয়।
- ইণ্টাৰনেটে জ্ঞান আৰু তথ্যৰ এক সুসম পর্যায় গঢ়ি তুলিছে। এতিয়া পৃথিৱীৰ যিকোনো প্রান্তৰ যিকোনো তথ্য আহৰণ কৰা প্রক্রিয়াটো একেবাৰে সৰল হৈ পৰিছে।
- ইণ্টাৰনেটে ই-মেইল, এফটিপি, টেলনেট, গোফাৰ আৰু ৱর্ল্ড ৱাইড ৱেবৰ দৰে বিভিন্ন সেৱা আগবঢ়ায়।
- ৱ'র্ল্ড ৱাইড ৱেব হ'ল ইণ্টাৰনেটৰ সবাতোকৈ জনপ্রিয় সেৱা। ৱেব-এ নিজাববীয়াকৈ আন বহুতো সেৱা আগবঢ়ায়। ইয়াৰে দুটা উদাহৰণ হ'ল ই-মেইল আৰু ফাইল ট্রেন্সফাৰ।

- আজি সমগ্ৰ বিশ্বৰে বাসিন্দাৰ বাবে ইণ্টাৰনেট'ট আৰু কম্পিউটাৰ প্ৰায় এটা 'মৌলিক প্ৰয়োজন'ৰ সমকক্ষ প্ৰয়োজনৰ দৰে হৈ পৰিছে।



## ৪.৭ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*

1) Bhatia, Arun (2005), *Impact of Internet on Journalism*, Akansha Publishing House, New Delhi.

2) Ganesh, T. K. (2006), *Digital Media, Building the Global Audience*, Gnosis Publishers, New Delhi.



## ৪.৮ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** আগতে মানুহেই সকলো প্ৰকাৰৰ প্ৰধান হিচাপ-নিকাচ কৰিছিল। লঘু অথবা গুৰু গণনা কৰিবলৈ কোনোধৰণৰ যান্ত্ৰিক অথবা বৈদ্যুতিক সাধন নাছিল। যিবোৰ মানুহে এনে গণনা কাৰ্য সমাধা কৰিছিল তেওঁলোকক কম্পিউটাৰ বোলা হৈছিল। এনে লোকসকলৰ কামৰ প্ৰতি সন্মান জনাই 'কম্পিউটাৰ'ক তেওঁলোকৰ পদবীটোৰ নামেৰে নামকৰণ কৰা হৈছে।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** আমেৰিকান সেনাবাহিনীয়ে যুদ্ধৰ সময়ত অস্ত্ৰ-শস্ত্ৰ বিভাগৰ বাবে প্ৰয়োজনীয় হিচাপ গণনা আদি কৰিবলৈ কম্পিউটাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আমেৰিকান সেনাবাহিনীয়ে বহুতো বৃহৎ বোমা আৰু অস্ত্ৰ-শস্ত্ৰ বিকশাই তুলিছিল। কিন্তু সেইবোৰ প্ৰয়োগ কৰিবলৈ বৰ্ষণ সূচী (Firing Table) তৈয়াৰ কৰাৰ প্ৰয়োজন হৈছিল। তেনে সূচীত গতিবেগ, ভৰ আদিৰ বিভিন্ন হিচাপ-নিকাচ থাকে যিবোৰৰ সহায়ত নিৰ্ভুলভাৱে ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা হয়। কিন্তু এনে সূচী যুগুত কৰিবলৈ প্ৰয়োজন হোৱা অৰ্হতাসম্পন্ন ব্যক্তি বিচাৰি উলিওৱাটো অতি কঠিন কাম আছিল। সেয়েহে প্ৰয়োজনীয় গণনা সম্পন্ন কৰিবলৈ বাহিনীয়ে কোনো যান্ত্ৰিক বিকল্পৰ সন্ধান কৰিছিল।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ক) অশুদ্ধ, খ) অশুদ্ধ, গ) শুদ্ধ, ঘ) শুদ্ধ, ঙ) শুদ্ধ, চ) শুদ্ধ, ছ) অশুদ্ধ, জ) অশুদ্ধ।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** নেটৱৰ্ক মানে হ'ল কেবল, তাঁৰ আৰু অন্য বিভিন্ন প্ৰযুক্তিৰে সংলগ্ন হৈ থকা একাধিক কম্পিউটাৰৰ সমষ্টি। এটা নেটৱৰ্কৰ অন্তৰ্ভুক্ত কম্পিউটাৰবোৰৰ ইটোৰ সৈতে সিটোৰ সংযোগ থকা হেতুকে এইবোৰৰ জৰিয়তে সংযোগ স্থাপনৰ লগতে তথ্য আৰু সম্পদ আদান-প্ৰদান কৰিব পৰা যায়।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** ইণ্টাৰনেটক নেটৱৰ্কৰ নেটৱৰ্ক বোলাৰ কাৰণ হ'ল ই বিশ্বৰ সকলো ঠাইৰে বহুতো সৰু-বৰ কম্পিউটাৰ নেটৱৰ্কৰ মাজত সংযোগ স্থাপন কৰে। ইণ্টাৰনেটৰ সৈতে অন্তঃসংযোগ থকা যিকোনো নেটৱৰ্কৰ কম্পিউটাৰেই অন্য কম্পিউটাৰ এটাৰ সৈতে তথ্য আদান-প্ৰদান কৰিব পাৰে। এইক্ষেত্ৰত দুটা কম্পিউটাৰৰ অৱস্থিতিৰ মাজত বিস্তৰ ব্যৱধানো থাকিব পাৰে।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** 'ইণ্টাৰনেট ছাৰ্ভিছ প্ৰ'ভাইডাৰ' হ'ল এটা কোম্পানী অথবা এখন ফাৰ্ম। তেওঁলোকে গ্ৰাহকক ইণ্টাৰনেট সেৱা ব্যৱহাৰ কৰাৰ সুযোগ আগবঢ়ায়। 'আই-এছ-পি'বোৰে (ISP) গ্ৰাহকক ইণ্টাৰনেটৰ সৈতে সংযোগ কৰাই দিবলৈ কেবল ম'ডেম, অনাতাঁৰ প্ৰণালী অথবা ডায়েল-আপ পদ্ধতি আদিৰ যোগান ধৰে।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** ইণ্টাৰনেটৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হৈছে ই কোনো প্ৰাধিকৰণৰ দ্বাৰা নিয়ন্ত্ৰিত সুবিধা নহয়। ই হ'ল এটা সম্পদ উৎস পদ্ধতি। ইয়াৰ দ্বাৰা বিশ্বজনীনভাৱে তথ্য বিতৰণ কৰা হয়। সহযোগিতা আৰু সমন্বয় সাধন নীতিৰ ওপৰত ইণ্টাৰনেট প্ৰতিষ্ঠিত।

**৮নং প্ৰশ্নৰ উত্তৰ ঃ** ইণ্টাৰনেটে আগবঢ়োৱা দুটামান প্ৰধান সেৱা হ'ল— ই-মেইল, ফাইল ট্ৰেন্সফাৰ প্ৰ'ট'কল (FTP), টেলনেট, গোফাৰ আৰু ৱৰ্ল্ড ৱাইড ৱেব।

**৯নং প্ৰশ্নৰ উত্তৰ ঃ** গোফাৰ প্ৰ'ট'কল অচল হৈ পৰাৰ কাৰণ হ'ল ৱৰ্ল্ড ৱাইড ৱেবৰ বিকাশ। তদুপৰি, মিনেছোটা বিশ্ববিদ্যালয়ে গোফাৰ প্ৰ'ট'কলৰ ওপৰত কপিৰাইট চৰ্ত আৰোপ কৰিছিল। কিন্তু 'ৱেব' নিৰ্মাতাসকলে wwwক সকলোৱে ব্যৱহাৰ কৰিব পৰা বিনামূলীয়া সম্পদত পৰিণত কৰিছিল।

## ৪.৯ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন ঃ**

**প্ৰশ্ন ১ ঃ** এনিয়াৰ (ENIAC) বুলিলে কি বুজে? ইয়াৰ নিৰ্মাতা কোন?

**প্ৰশ্ন ২ ঃ** আমেৰিকাৰ প্ৰথমটো প্ৰ'গ্ৰেমেবল্ (Programmable) ডিজিটেল কম্পিউটাৰৰ নাম লিখক।

**প্ৰশ্ন ৩ ঃ** ম'ডেম (Modem) বুলিলে কি বুজে?

**প্ৰশ্ন ৪ ঃ** কেতিয়া ইণ্টাৰনেট ছ'চাইটি (Internet Society) স্থাপিত হৈছিল?

**প্ৰশ্ন ৫ ঃ** আমাৰ দেশত কেতিয়া বিদেশ সঞ্চাৰ নিগম লিমিটেডে (VSNL) ইণ্টাৰনেট সেৱা আৰম্ভ কৰিছিল?

**প্ৰশ্ন ৬ ঃ** ছুপাৰ কম্পিউটাৰ বুলিলে কি বুজে?

**খ) চুটি প্ৰশ্ন** (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** কিদৰে ইণ্টাৰনেটৰ বিকাশে ই-বাণিজ্যৰ প্ৰসাৰ আৰু বৃদ্ধিত সহায় কৰিছে?

**প্ৰশ্ন ২ ঃ** 'ইণ্টাৰনেট এটা গোলকীয় পৰিঘটনা' ব্যাখ্যা কৰক।

গ) **ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ ঃ** 'ইণ্টাৰনেট আৰু ৱৰ্ল্ড ৱাইড ৱেব (World Wide Web) ভাবে ব্যৱহাৰ কৰা হয়। আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** কম্পিউটাৰ প্ৰযুক্তিৰ বিকাশত আমেৰিকানসকলৰ বৰঙণি অপৰিসীম— বহলাই আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** ইণ্টাৰনেটে বিশ্বব্যাপি স্বীকৃতি লাভ কৰিছে। মতামত ব্যক্ত কৰক।

*** ***** ***

# অধ্যায় ৫ ঃ ডিজিটেল প্রচাৰ মাধ্যম (DIGITAL MEDIA)

## অধ্যায় গাঁথনি


৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ডিজিটেল প্রচাৰ মাধ্যম

- ৫.৩.১ ডিজিটেল প্রচাৰ মাধ্যম
- ৫.৩.২ এনাল'গ প্রচাৰ মাধ্যম
- ৫.৩.৩ কিয় ডিজিটেল পদ্ধতি অনুসৰণ কৰিব লাগে
- ৫.৩.৪ ডিজিটেল প্রচাৰ মাধ্যমৰ সুবিধাসমূহ

৫.৪ ডিজিটেল ভিডিঅ' আৰু ডিজিটেল টেলিভিছন

- ৫.৪.১ ডিজিটেল ভিডিঅ'
- ৫.৪.২ ডিজিটেল ভিডিঅ' —এক চমু ইতিহাস
- ৫.৪.৩ ডিজিটেল টিভি
- ৫.৪.৪ এনাল'গ টিভিৰ তুলনাত ডিজিটেল টিভিৰ সুবিধাসমূহ

৫.৫ ডিজিটেল ৰেডিঅ' আৰু ডিজিটেল ফটোগ্রাফী

- ৫.৫.১ ডিজিটেল ৰেডিঅ'
- ৫.৫.২ এটা বাকচৰ ভিতৰত ৰেডিঅ'
- ৫.৫.৩ ডিজিটেল ফটোগ্রাফী

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন


## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ডিজিটেল প্রচাৰ মাধ্যমৰ সংজ্ঞা দিব পাৰিব
- ডিজিটেল প্রচাৰ মাধ্যমৰ সুবিধাসমূহ বর্ণনা কৰিব পাৰিব
- ডিজিটেল ভিডিঅ'ৰ সংজ্ঞা দিব পাৰিব
- ডিজিটেল টিভি কাক কয় সেয়া বুজিব পাৰিব
- ডিজিটেল ফটোগ্রাফীৰ বিষয়ে বহলাই ব্যাখ্যা কৰিব পাৰিব।

## ৫.২ পৰিচয়

আজিকালি প্রচাৰ মাধ্যমৰ প্রায় প্রতিটো বিভাগেই 'ডিজিটেল' ৰূপ ধাৰণ কৰিছে। সেয়েহে আমি আটায়ে 'ডিজিটেল' মানেনো কি সেয়া সম্পূর্ণৰূপে বুজি পোৱাটো দৰকাৰী হৈ পৰিছে। কিয় প্রচাৰ মাধ্যমটোৱে ইমান দ্রুতগতিত ডিজিটেল প্রযুক্তিক আঁকোৱালি লোৱা আৰম্ভ কৰিছে? সকলো প্রকাৰৰ বৈদ্যুতিক সা-সামগ্রীকেই আজি ডিজিটেল পদ্ধতিৰে বিকশাই তোলাৰ ওপৰত জোৰ দিয়া হয়। প্রচাৰ মাধ্যমৰ শিক্ষার্থী হিচাপে আপুনি ডিজিটেল পৃথিৱী এখনৰ ৰূপ ল'বলৈ অগ্রসৰ হোৱা এই নতুন ধাৰাটো সম্পর্কে সজাগ হোৱা উচিত।

এই অধ্যায়টোত আপোনাক 'ডিজিটেল' শব্দটোৱে কি বুজায় তাৰ এটা আভাস দিয়াৰ চেষ্টা কৰা হ'ব। তাৰ লগতে ডিজিটেল প্রচাৰ মাধ্যম মানে কি সেই বিষয়েও কিছু কথা জনোৱা হ'ব। এই অধ্যায়টোতে ডিজেটেল প্রচাৰ মাধ্যমৰ গুৰুত্ব তথা ডিজিটেল টিভি, ৰেডিঅ' আৰু ডিজিটেল ফটোগ্রাফীৰ দৰে বিভিন্ন ডিজিটেল প্রচাৰ মাধ্যমৰ প্রকাৰৰ ওপৰতো আলোকপাত কৰা হ'ব।

আন বহুতো কথাৰ লগতে এই অধ্যায়টোত আজিৰ পৃথিৱীত কিয় ডিজিটেল মিডিয়াই উন্নতিৰ শীর্ষত অৱতীর্ণ হ'ব পাৰিছে সেই বিষয়েও আলোচনা কৰা হ'ব। প্রচলিত এনাল'গ পদ্ধতিতকৈ ই কিহত বেলেগ সেয়াও ফঁহিয়াই চোৱা হ'ব। ডিজিটেল আৰু এনাল'গ প্রচাৰ মাধ্যমৰ প্রভেদ তথা কেনেদৰে ডিজিটেল প্রচাৰ মাধ্যমে এনাল'গ পদ্ধতিটোক চেৰ পেলাই গৈছে আপুনি সেই বিষয়েও জনাৰ সুযোগ পাব।

তেনেহ'লে আহকচোন, ডিজিটেল প্রচাৰ মাধ্যম বুলি অভিহিত কৰা ধাৰণাটোৰ আলোচনাৰে এই অধ্যায়টিৰ পাতনি মেলোহ্লু ইয়াৰ পৰৱর্তী শাখাবোৰৰ পৰা আপুনি এই বহুল চর্চিত ধাৰণাটো সম্পর্কে স্পষ্টৰূপত কিছু কথা জানিব পাৰিব।

## ৫.৩ ডিজিটেল প্রচাৰ মাধ্যম (DIGITAL MEDIA)

আধুনিক প্রচাৰ মাধ্যমৰ কথা আলোচনা কৰিলে ডিজিটেল প্রচাৰ মাধ্যমৰ ভূমিকা আৰু পৰিসৰৰ কথা উল্লেখ নকৰিলে আধুনিক প্রচাৰ মাধ্যমৰ আলোচনা আধৰুৱা হ'ব। এই শাখাটোৰ অন্তর্গত উপশাখাসমূহত ডিজিটেল প্রচাৰ মাধ্যমৰ এটা সম্যক পৰিচয় দিবলৈ যত্ন কৰা হৈছে।

### ৫.৩.১ ডিজিটেল প্রচাৰ মাধ্যম (Digital Media)

কিয় প্রতিটো প্রচাৰ মাধ্যমেই ডিজিটেল ৰূপ ধাৰণ কৰিবলৈ উঠি পৰি লাগিছে আৰু এই ডিজিটেল প্রচাৰ মাধ্যম মানেনো কি সেই বিষয়ে জনাৰ আগতে আমি 'ডিজিটেল' শব্দটোৰ অর্থ বুজি পাব লাগিব। ডিজিটেল হ'ল বৈদ্যুতিক প্রযুক্তিৰ এটা প্রকাৰ। এই পদ্ধতিৰে যিকোনো 'ডেটা' দুটা পর্যায়ত প্রস্তুত, জমা তথা প্র'ছেছ কৰা

হয়। পর্যায় দুটা হ'ল— ধনাত্মক (Positive) আৰু ঋণাত্মক (Negative) পর্যায়। ধনাত্মক পর্যায়টো '1' (এক) সংখ্যাৰে আৰু ঋণাত্মক পর্যায়টো '0' (শূন্য) সংখ্যাৰে প্রকাশ কৰা হয়। সেয়েহে ডিজিটেল পদ্ধতিৰে সংগ্রহ অথবা প্রেৰণ কৰা যিকোনো প্রকাৰৰ 'ডেটা'কেই '0' আৰু '1'ৰ এলানি শৃংখলাৰ সহায়ত সৃষ্টি কৰা আৰু প্রেৰণ কৰা হয়। এই ধ্রুৱক সংখ্যা দুটাক 'বিট্ছ' (Bits) বুলি কোৱা হয়। বিট্ছৰ সমষ্টিক 'বাইট' (Byte) বুলি কোৱা হয়।

ডিজিটেল শব্দটো প্রাথমিকভাৱে কম্পিউটাৰ প্রযুক্তিৰ ক্ষেত্র খনত ব্যৱহাৰ কৰা হয়। তাত যিকোনো তথ্যৰে ক্ষুদ্রাতিক্ষুদ্র অংশ এটাকো 'বাইনেৰী' (Binary) ৰূপলৈ সলনি কৰা হয়। অর্থাৎ কম্পিউটাৰৰ সকলো তথ্যক '0' আৰু '1'লৈ ৰূপান্তৰ ঘটোৱা হয়। কম্পিউটাৰ হ'ল প্রাথমিক ডিজিটেল যতন। কাৰণ ই সকলো প্রকাৰৰ গণনা '1' আৰু '0'ৰ সহায়ত কৰে।

ডিজিটেল প্রযুক্তিৰ প্রসাৰ আৰম্ভ হোৱাৰ আগতে সকলোবোৰ বৈদ্যুতিক প্রযোজনা আৰু প্রচাৰ এনাল'গ প্রযুক্তিৰ মাধ্যমেৰে সম্পাদন কৰা হৈছিল। আনকি প্রচাৰ মাধ্যম-সমূহো এনাল'গ প্রযুক্তিৰ সহায়ত চলিছিল। পুৰণি মডেলৰ এনাল'গ কেমেৰা, অডিঅ' টে'প আৰু ৰেক'র্ডাৰৰ সহায়ত ছবি, ভিডিঅ' অথবা অডিঅ' সমল যুগুতাই উলিওৱা হৈছিল। সেইবোৰ এনাল'গ প্রযুক্তিৰ সহায়তেই প্রচাৰ কৰা হৈছিল।

আজিকালি প্রায় সকলোবোৰ প্রচাৰ মাধ্যমেই অনুষ্ঠান প্রযোজনা তথা প্রচাৰৰ বাবে ডিজিটেল প্রযুক্তিৰ প্রয়োগ কৰাৰ চেষ্টা আৰম্ভ কৰিছে। টেলিভিছন, ৰেডিঅ', ভিডিঅ' আৰু ফটোগ্রাফী সকলোতে এই প্রচেষ্টা পৰিলক্ষিত হৈছে। অৱশ্যে এতিয়াও পৃথিৱীৰ প্রায় সকলো দেশতে এনাল'গ প্রযুক্তি বিদ্যমান।

সেয়েহে আমি ক'ব পাৰো যে ডিজিটেল প্রচাৰ মাধ্যম বুলিলে সেইবোৰ বৈদ্যুতিক প্রচাৰ মাধ্যমৰ কথা বুজা যায় যিবোৰে '0' আৰু '1'ৰ ডিজিটেল সংকেত প্রয়োগ কৰি কাম কৰে। ডিজিটেল প্রচাৰ মাধ্যম মানে হ'ল ভিডিঅ', অডিঅ' আৰু স্থিৰ চিত্রৰ দৰে সকলোবোৰ প্রচাৰৰ মাধ্যম প্রকাৰ যিবোৰক 'বাইনেৰী' ৰূপ ব্যৱহাৰ কৰি নির্মাণ আৰু বিতৰণ কৰিব পাৰি।

ডিজিটেল প্রচাৰ মাধ্যমৰ সবাতোকৈ জনপ্রিয় প্রকাৰ কেইটামান হ'ল—

১) ডিজিটেল ভিডিঅ'
২) ডিজিটেল টেলিভিছন
৩) ডিজিটেল ৰেডিঅ'
৪) ডিজিটেল ফটোগ্রাফী
৫) ই-বুক (e-Book)
৬) ইণ্টাৰনেট
৭) ভিডিঅ' গে'মছ

৮) ৱর্ল্ড ৱাইড ৱেব (www)

৯) ছেল ফোন

১০) কম্প্যাক্ট ডিস্ক (CD)

## ৫.৩.২ ডিজিটেল প্রচাৰ মাধ্যম বনাম এনাল'গ প্রচাৰ মাধ্যম (Digital Media vs. Analog Media)

পূর্বৱর্তী উপ-শাখাটো পঢ়ি উঠাৰ পাছত আপুনি ডিজিটেল প্রচাৰ মাধ্যম কি সেই সম্পর্কে মৌলিক ধাৰণা এটা নিশ্চয় কৰিব পাৰিব। কিন্তু ধাৰণাটো সম্পূর্ণৰূপে হৃদয়ংগম কৰিবলৈ আপুনি ইয়াক এনাল'গ প্রচাৰ মাধ্যমৰ সৈতে তুলনা কৰি চাব লাগিব। ডিজিটেল প্রচাৰ মাধ্যমে লাহে লাহে এনাল'গ প্রচাৰ মাধ্যমক সম্পূর্ণৰূপে অচল কৰি তোলাৰ প্রক্রিয়া আৰম্ভ কৰিছে। সেয়েহে এনাল'গৰ পৰা ডিজিটেল অভিমুখী প্রচাৰ মাধ্যমৰ এই ৰূপান্তৰ প্রক্রিয়াটোৰ বিষয়ে পৰিস্কাৰকৈ বুজিবলৈ হ'লে আপুনি এনাল'গ প্রচাৰ মাধ্যমটোৰ বিষয়েও বিতংকৈ জানিব লাগিব।

আগতেই উল্লেখ কৰা হৈছে যে কম্পিউটাৰ, হার্ড ডিস্ক, চিডি প্লেয়াৰ আৰু ৰেকর্ডাৰ, ছেল ফোন আদি সঁজুলি হ'ল ডিজিটেল প্রচাৰ মাধ্যমত ব্যৱহৃত যতন। আনহাতে ৰিছিআৰ, টে'প প্লেয়াৰ, ৰেক'র্ড প্লেয়াৰ আদি হ'ল এনাল'গ প্রচাৰ মাধ্যমত ব্যৱহাৰ হোৱা যতন। ডিজিটেল যন্ত্রপাতিবোৰে '0' আৰু '1'ৰ ৰূপত 'ডেটা' ৰেকর্ড কৰে আৰু পঢ়ে। এনাল'গ যন্ত্রপাতিবোৰে এটা বিন্দুৰ পৰা আন এটা বিন্দুলৈ 'লিনিয়েৰ' (Linear) ৰূপত 'ডেটা' ৰেক'র্ড কৰে আৰু পঢ়ে। এই যন্ত্রবোৰে 'আপ', ডাউন, 'বাম্প', 'ডিপ' আদি নির্দেশ অনুসৰি মূর্তমান 'ডেটা' (Physical Data) স্কেন কৰে। তাৰ পাছত সেই ডেটাবোৰ শ্রব্য অথবা দৃশ্য-শ্রব্য সংকেতৰ ৰূপত প্রচাৰ কৰে।

এইখিনিতে এটা মন কৰিবলগীয়া কথা হ'ল— ডিজিটেল যন্ত্রপাতিবোৰে '0' আৰু '1' হিচাপে তথ্যবোৰ পঢ়ি শব্দ অথবা দৃশ্য তৰংগবোৰ অনুমানহে কৰিব পাৰে। কিন্তু এনাল'গ যন্ত্রপাতিবোৰে ৰেকর্ড কৰা শব্দ অথবা দৃশ্যসমূহ হুবহু পঢ়িব পাৰে। সেয়েহে ক'ব পাৰি যে এনাল'গ প্রযুক্তিয়ে কোনো 'ডেটা' অথবা তথ্য অধিক উন্নত ৰূপত উপস্থাপন কৰিবলৈ সক্ষম।

## ৫.৩.৩ কিয় ডিজিটেল পদ্ধতি অনুসৰণ কৰিব লাগে? (Why Go Digital?)

ইয়াৰ আগৰ শিতানত উল্লেখ কৰা হৈছে যে ডিজিটেল প্রযুক্তিতকৈ এনাল'গ প্রযুক্তিয়ে কোনো 'ডেটা' অথবা তথ্য অধিক শুদ্ধ ৰূপত উপস্থাপন কৰিব পাৰে। তেনেহ'লে কিয় সকলোৱে ডিজিটেল প্রযুক্তি আদৰি লোৱা আৰম্ভ কৰিছে? কিয় এনাল'গ প্রযুক্তি লাহে লাহে মৃত্যুমুখী হ'ব ধৰিছে? ইয়াৰ একমাত্র কাৰণ হ'ল

কম্পিউটাৰৰ ক্ৰমবৰ্দ্ধমান গুৰুত্ব।

আজিকালি আমাৰ অধিকাংশ কাম-কাজেই কম্পিউটাৰত অথবা কম্পিউটাৰৰ দ্বাৰা সম্পাদন কৰা হয়। দৰাচলতে কম্পিউটাৰবোৰ হ'ল একো একোটা ডিজিটেল প্ৰ'ছেছিং যন্ত্ৰ। কম্পিউটাৰ '0' আৰু '1' বাইনেৰী সংখ্যা দুটাৰ সহায়ত চলে। আমাৰ অধিকাংশ কাম যিহেতু কম্পিউটাৰতে সমাধা হয়, সেয়েহে আমি ইয়াক যোগান ধৰা 'ডেটা' সমূহো নিশ্চিতভাৱে ডিজিটেল হ'ব লাগিব। সেয়েহে এনাল'গ প্ৰযুক্তিৰ সহায়ত আমি যিয়েই ডেটা তৈয়াৰ কৰো অথবা নপঢ়ো কিয় সেয়া ডিজিটেল সংকেতলৈ সলনি কৰাৰ পাছতহে আমি তাক কম্পিউটাৰত সুমুৱাই লৈ কাম কৰিব পাৰো। এবাৰ ডেটাবোৰ ডিজিটেল কৰি লৈ কম্পিউটাৰত সুমুৱাই দিয়াৰ পাছত ই সেইবোৰ নিজে নিজে সম্পাদনা কৰে, বিভিন্ন ইফেক্ট যোগ দিয়ে। এই কামবোৰ অন্য উপায়েৰে সমাধা কৰা সম্ভৱ নহয়।

ডিজিটেল ডেটা হ'ল নন-লিনিয়েৰ শৈলীৰ। সেইবোৰ যিকোনো বিন্দুৰ পৰাই সম্পাদনা কৰিব পাৰি নাইবা চলাই যাব পাৰি। সেয়েহে এনাল'গ টেপ সম্পাদনা কৰাতকৈ ডিজিটেল সম্পাদনাত সময় যথেষ্ট কম লাগে। ডিজিটেল প্ৰযুক্তিয়ে যিকোনো ডেটা সৃষ্টি, সম্পাদনা আৰু পুনৰ নিৰ্মাণৰ কামবোৰ যথেষ্ট দ্ৰুত আৰু সহজ কৰি তুলিছে। তদুপৰি ডিজিটেল ডেটাৰ আয়ুস দীঘল। এনাল'গ টে'প অথবা ৰেক'ৰ্ডৰ দৰে এইবোৰ বাৰে বাৰে ব্যৱহাৰ কৰি থাকিলে কম দিনৰ ভিতৰতে বেয়া হৈ নাযায়।

সেয়েহে ডিজিটেল তথ্য যদিও এনাল'গ তথ্যৰ সমান নিখুঁট নহয়, তথাপিও ই অধিক জনপ্ৰিয় আৰু ব্যৱহাৰ কৰিবলৈ সহজ। ডিজিটেল প্ৰযুক্তিয়ে তথ্যক স্বতন্ত্ৰ টুকুৰাৰ ৰূপত জমা কৰি ৰাখে। এনাল'গ প্ৰযুক্তিয়ে তথ্য হুবহু ৰূপত জমা কৰি ৰাখে। সেয়েহে এনে তথ্য সম্পূৰ্ণ সঠিক ৰূপত আৰম্ভণিৰে পৰা চলাব পাৰি। কিন্তু সময় বাগৰাৰ লগে লগে এনে তথ্য নষ্ট হৈ পৰে। ডিজিটেল প্ৰযুক্তিক সেয়েহে অধিক সুসংগত আৰু সময়ৰ সৈতে ই সহজে নষ্ট হৈ নাযায়। সেয়েহে আজিৰ অডিঅ' তথা ভিডিঅ' ফৰমেটৰ বাবে ডিজিটেল প্ৰযুক্তি হ'ল সকলোৰে মনঃপুত মাধ্যম।

## ৫.৩.৪ ডিজিটেল প্ৰচাৰ মাধ্যমসমূহৰ সুবিধাসমূহ (Advantages of Digital Media)

আজিকালি সকলোৱে প্ৰতিটো বৈদ্যুতিক বিভাগতে নিশ্চিতভাৱে ডিজিটেল প্ৰযুক্তিয়েই ব্যৱহাৰ কৰিবলৈ লৈছে। প্ৰচাৰ মাধ্যমো ইয়াৰ ব্যতিক্ৰম নহয়। লাহে লাহে প্ৰতিটো বৈদ্যুতিক প্ৰচাৰ মাধ্যম যতনেই ডিজিটেল ৰূপ লৈছে। আজি আমি ডিজিটেল টিভি সম্প্ৰচাৰণ চাঁও, আমাৰ ঘৰত ডিজিটেল টিভি ছেট আছে, ডিজিটেল মিউজিক ছিষ্টেম আছে, ডিজিটেল কেমেৰা আছে। এইদৰে সা-সঁজুলিবোৰৰ ডিজিটেল প্ৰযুক্তিলৈ

সম্পূর্ণ ৰূপান্তৰ ঘটাৰ ফলত বহুকেইটা সুফল উপভোগ কৰিব পৰা গৈছে। তাৰে দুটামানৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- ডিজিটেল প্রচাৰ মাধ্যমে বৈদ্যুতিক ডেটা দীর্ঘদিন ধৰি সংৰক্ষণ কৰি থ'ব পাৰি। এনাল'গ প্রযুক্তিয়ে ডেটা এটা যিদৰে প্রস্তুত কৰা হয় হুবহু সেইদৰে সংৰক্ষণ কৰি থয়। কিন্তু একেটা ডেটাৰ একাধিকবাৰ প্রতিৰূপ তৈয়াৰ কৰিলে এনাল'গ ডেটা এটা নষ্ট হোৱাৰ সম্ভাৱনা থাকে। কিন্তু ডিজিটেল প্রচাৰ মাধ্যমত তেনে ডেটাৰ যিমানবোৰেই প্রতিৰূপ তৈয়াৰ অথবা সম্পাদনা কৰা নহওক কিয়, দীর্ঘদিন ধৰি সংৰক্ষণ কৰি থ'ব পাৰি।

- অডিঅ', ভিডিঅ' অথবা স্থিৰচিত্র — যিধৰণৰে ডেটা নহওক কিয়, সকলোপ্রকাৰৰ ডেটাৰে ডিজিটেল প্রচাৰ অতি উচ্চ মানবিশিষ্ট। সেয়েহে উন্নতমানৰ ছবি সম্প্রচাৰ কৰিব পৰা ক্ষমতা থকা বাবেই টিভি সম্প্রচাৰকসকলে লাহে লাহে ডিজিটেল প্রযুক্তিক আদৰি লৈছে।

- ডিজিটেল প্রচাৰ মাধ্যমত ডেটা তৎক্ষণাৎ পুনৰ প্রস্তুত কৰিব পাৰি। উদাহৰণস্বৰূপে ডিজিটেল কেমেৰাৰে তোলা ফটো সাধাৰণ ৰোল কেমেৰাৰে তোলা ফটোতকৈ যথেষ্ট দ্রুতগতিৰে প্র'ছেছ কৰিব পাৰি।

- আজিকালি বেছিভাগ কামেই কম্পিউটাৰৰ সহায়ত সমাধা কৰা হয়। কম্পিউটাৰ হ'ল এটা ডিজিটেল মাধ্যম। সেয়েহে ডিজিটেল প্রচাৰ মাধ্যম আৰু কম্পিউটাৰ উভয়ে উভয়ৰ সহায়ক হিচাপে যথেষ্ট খৰতকীয়াভাৱে কাম কৰিব পাৰে।

- ডিজিটেল মাধ্যম ছপা প্রক্রিয়াত 'ফুল কালাৰ ডিজাইন'ৰ (full colour design) ব্যয় 'একক কালাৰ ডিজাইন' (one colour design) ব্যয়ৰ সমান। কিন্তু এনাল'গ মাধ্যম ছপা প্রক্রিয়াত প্রতিটো ৰঙৰে খৰচ সুকীয়া সুকীয়া হয়। ডিজিটেল মাধ্যম সম্পূর্ণৰূপে কম্পিউটাৰ নির্ভৰশীল। সেয়েহে কাগজে-পত্রই লিখা-মেলা কৰাৰ প্রয়োজন কম। অধিকাংশ কাম কম্পিউটাৰতেই সমাধা কৰা হয় বাবে অন্যান্য বহুত খৰচ কমি যায়।

- ডিজিটেল মাধ্যম হ'ল নন-লিনিয়েৰ। ডিজিটেল প্রযুক্তিৰ সহায়ত কোনো ডেটা যিকোনো বিন্দুৰ পৰা সম্পাদনা কৰিব পাৰি। ইয়াৰ বাবে ডেটাটো প্রথমৰ পৰা শেষলৈ একাদিক্রমে সম্পাদনা কৰোঁতে হ'ব পৰা সময়ৰ খৰছ কমি যায়।

- ছেলুলয়ড টে'পত কোনো তথ্য চলোৱা অথবা বজোৱা এটা বেমেজালিভৰা কাম হৈ উঠে। ইয়াৰ উপৰি এনে টে'প ডিজিটেল সা-সঁজুলিৰ তুলনাত বহু সোনকালে নষ্ট হয়।



## জানি থোৱা ভাল

ডিজিটেল প্রচাৰ মাধ্যমৰ সুবিধাবোৰলৈ লক্ষ্য কৰি কেইবছৰমান আগতে অল ইণ্ডিয়া ৰেডিঅ'ই (AIR) ইয়াৰ সকলোবোৰ টে'পত সংৰক্ষণ কৰি ৰখা ডেটা ডিভিডি (DVD) ৰূপলৈ ৰূপান্তৰিত কৰাৰ কাম হাতত লৈছিল। এনে কৰাৰ ফলত দৃশ্য-শ্রব্য সমল অথবা শ্রব্য অথবা দৃশ্যমান অনুষ্ঠানবোৰ পৃথকে পৃথকে আগতকৈ অধিক কাল কোনো হৰণ-ভগন নোহোৱাকৈ অক্ষুণ্ণ হৈ ৰ'ব। টে'পৰ ক্ষেত্ৰত এনে সম্ভাৱনা ক্ষীণ আছিল।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** 'ডিজিটেল' শব্দটোৱে কি বুজায়?

.....

.....

.....

**প্রশ্ন নং ২ ঃ** এনাল'গ প্রযুক্তি মানে কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৩ ঃ** ডিজিটেল প্রযুক্তিৰ দ্রুত প্রসাৰ ঘটাৰ আঁৰত থকা প্রধান কাৰণটো কি?

.....

.....

.....

.....

.....

.....

## ৫.৪ ডিজিটেল ভিডিঅ' আৰু ডিজিটেল টেলিভিছন (DIGITAL VIDEO AND DIGITAL TELEVISION)

এই শাখাটোৰ অন্তর্গত উপশাখাসমূহত আপুনি ডিজিটেল ভিডিঅ' আৰু ডিজিটেল টেলিভিছনৰ লগত জড়িত বিভিন্ন দিশৰ বিষয়ে পঢ়িবলৈ পাব।

### ৫.৪.১ ডিজিটেল ভিডিঅ' (Digital Video)

ডিজিটেল ভিডিঅ' হ'ল ডিজিটেল প্রচাৰ মাধ্যমৰ এটা তেনেই চিনাকি ৰূপ। ই হ'ল এটা ভিডিঅ' ৰেকর্ডিং পদ্ধতি। ইয়াত ৰেক'র্ড কৰিবলৈ এনাল'গ ভিডিঅ' সংকেতৰ সলনি ডিজিটেল সংকেত ব্যৱহাৰ কৰা হয়। ই হ'ল বাইনেৰী শৈলীত জমা হৈ থকা শ্রব্য/দৃশ্যমান ডেটা। ডিজিটেল ভিডিঅ' তথ্য '0' আৰু '1'ৰ এলানি শৃংখলাৰ মাধ্যমেৰে পৰিৱেশন কৰা হয়। এনাল'গ ভিডিঅ'ৰ তুলনাত ডিজিটেল ভিডিঅ'ৰ বহুকেইটা সুবিধা আছে। সেয়েহে আজিকালি সকলোৱে ডিজিটেল ভিডিঅ' পছন্দ কৰে। ডিজিটেল ভিডিঅ' সহজে জমা কৰি থ'ব পাৰি নাইবা অন্যৰ সৈতে ভাগ-বটোৱাৰা কৰিব পাৰি।

ডিজিটেল ভিডিঅ' এলানি 'অর্থ'গ'ন্যাল বিটম্যাপ ডিজিটেল ইমেজ'ৰ (Orthogonal Bitmap Digital Images) সহায়ত তৈয়াৰ কৰা হয়। এনে ইমেজবোৰ এটা নির্দিষ্ট ধ্রুৱক গতিত অতি দ্রুতভাৱে প্রদর্শন কৰা হয়। এনে ইমেজৰ একোটা সমষ্টিক 'ফ্রেম' (Frame) বোলা হয়। প্রতিটো ফ্রেমতে একাধিক 'পিক্সেল'ৰ (Pixel) 'ৰ্যাষ্টাৰ' (Raster) থাকে। যদি ফ্রেম এটাৰ প্রস্থ 'W' পিক্সেল আৰু উচ্চতা 'H' পিক্সেল, তেন্তে ফ্রেমটোৰ আকৃতি হ'ব W x H.

পিক্সেলত থকা একমাত্র উপাদানবিধ হ'ল ৰং। প্রতিটো পিক্সেলত থকা ৰঙৰ মাত্রা নির্দিষ্ট সংখ্যক 'বিট'ৰ (Bits) জৰিয়তে বুজোৱা হয়। যদি বিটৰ পৰিমাণ বেছি তেন্তে ৰঙৰ অতি সূক্ষ্ম বর্ণগাঢ়তাসমূহ সৃষ্টি কৰিব পৰা যায়। ইয়াক ভিডিঅ' এটাৰ 'কালাৰ ডেপ্থ' (CD) বুলি কোৱা হয়। দৃশ্যমান উপাদানৰ গুণমানৰ কোনো ক্ষতি নকৰাকৈ ডিজিটেল ভিডিঅ' ডেটাৰ বাৰে বাৰে প্রতিৰূপ তৈয়াৰ কৰিব পৰা যায়। কোনো গুৰুতৰধৰণৰ ব্যয় নকৰাকৈয়ে এনে ডেটাৰ অতি সহজে প্রতিৰূপ তৈয়াৰ কৰিব পাৰি।

### ৫.৪.২ ডিজিটেল ভিডিঅ' ঃ এক চমু ইতিহাস (Digital Video : A Brief History)

১৯৭০ আৰু '৮০ৰ দশকত বিভিন্নপ্রকাৰৰ ভিডিঅ' ছবি নির্মাণ উপকৰণ বজাৰলৈ আহিছিল। এনে উপকৰণবোৰে কোনো এনাল'গ ভিডিঅ' ইনপুটক ডিজিটেল

*পিক্সেল (Pixel)* ঃ পিক্সেল হ'ল 'ইমেজ' এটাৰ ভিতৰত থকা তথ্যৰ ক্ষুদ্রতম অংশ। পিক্সেলক সাধাৰণতে দ্বি-মাত্রীয় গ্রিডত (2-Dimensional Grid) সজোৱা হয়। প্রায়েই বিন্দু অথবা চতুর্ভূজ (Dot or Squares) ব্যৱহাৰ কৰি পিক্সেলৰ অর্থ বুজোৱা হয়।

*ৰ্যাষ্টাৰ (Raster)* ঃ ই হ'ল সমান্তৰাল স্কেনিং লাইনৰ আয়তাকাৰ বিন্যাস। ই কম্পিউটাৰ মণিটৰ অথবা টেলিভিছন পর্দাৰ ইলেক্ট্রন ৰশ্মিক পথ নির্দেশনা দিয়ে।

*ছোনিৰ ডি-ৰান (Sony D-1)* ফৰমেটটো আছিল বৃত্তিজীৱিসকলে ব্যৱহাৰ কৰা বিশ্বৰ প্রথমটো গুৰুতৰবিধৰ ডিজিটেল ভিডিঅ' ফৰমেট। ১৯৮৬ চনত ইয়াৰ আত্মপ্রকাশ ঘটিছিল। ডি-ৰান আছিল অত্যন্ত দামী সঁজুলি। এই ফৰমেটত প্রচলিত শৈলী এটা খাপ খুৱাবলৈ সমগ্র সা-সুবিধাবোৰৰে বৃহৎ অন্তঃগাঁথনিমূলক পৰিৱর্তন ঘটোৱাৰ প্রয়োজন হৈছিল।

সংকেতলৈ পৰিৱৰ্তিত কৰিছিল। কাৰণ ডিজিটেল সংকেতসম্পাদনা কৰা, প্রয়োজনীয় শুধৰণি ঘটোৱা আৰু বিভিন্ন ইফেক্ট সংযোজিত কৰা আপেক্ষিকভাৱে সহজ কাম।

এবাৰ ডিজিটেল সংকেতবোৰ উন্নতমানৰ হোৱাৰ পাছত সেইবোৰ পুনৰ এনাল'গ ভিডিঅ'লৈ সলনি কৰা হৈছিল। এনে ভিডিঅ' উপকৰণ দুটামানৰ নাম হ'ল— টাইম বেছ কাৰেক্টৰছ্ (TBC) আৰু ডিজিটেল ভিডিঅ' ইফেক্টছ্ ইউনিট (DVE)। '৭০ৰ দশকটোৰ শেষৰফালে কিছুমান ভিডিঅ' উপকৰণ নির্মাতাই নিজ নিজ গৱেষণাগাৰত ডিজিটেল ভিডিঅ' টে'প ৰেকর্ডাৰ নির্মাণৰ কাম আৰম্ভ কৰিলে। কিন্তু তেনেদৰে বিকশাই তোলা কোনো যন্ত্র ব্যৱসায়িকভাৱে বজাৰত মুকলি কৰি দিয়া নহ'ল।

১৯৮৬ চনত 'ছোনি ডি-ৱান' (Sony D-1) শৈলীত পোন প্রথমবাৰৰ বাবে ডিজিটেল ভিডিঅ'ই ব্যৱসায়িকৰূপত বজাৰত আত্মপ্রকাশ কৰিলে। এই যন্ত্রবিধে অসংকুচিত মানক সংজ্ঞাৰ ভিডিঅ' সংকেত উপাদানক (Uncompressed Standard Definition Component Video Signal) ডিজিটেল ৰূপত ৰেক'র্ড কৰিব পাৰিছিল। কিন্তু এই যন্ত্রবিধৰ দাম অতি বেছি আছিল। সেয়েহে ইয়াক কেৱল বৃহৎ টেলিভিছন নে'টৱর্কবোৰেহে ব্যৱহাৰ কৰিছিল। অৱশ্যে অতি কম সময়ৰ ভিতৰতে যন্ত্রবিধৰ সংকুচিত ডেটা ব্যৱহাৰ কৰিব পৰা ছোনিৰ ডিজিটেল বিটাকেমৰ দৰে কম ব্যয়বহুল সংস্কৰণবোৰে বজাৰ দখল কৰিলে। এই ভিডিঅ' অনুষ্ঠান প্রস্তুত শৈলীটো আজিও টিভি প্রযোজকসকলৰ মাজত অতি জনপ্রিয়।

১৯৯০ চনত'কুইক টাইম' (Quick Time) নামৰ সঁজুলিবিধে বজাৰত ভুমুকি মৰাৰ লগে লগে ডিজিটেল ভিডিঅ' সাধাৰণ গ্রাহকৰ বাবে সুলভ হৈ পৰিল। প্রথমাৱস্থাৰ গ্রাহক স্তৰৰ বিষয়সূচী সৃষ্টিকাৰী উপকৰণসমূহ (Consumer Level Content Creation Tools) অতি সাধাৰণ আৰু অপৰিপক্ক বিধৰ আছিল। এনে যন্ত্রৰে ৰেক'র্ড কৰা তথ্য কম্পিউটাৰে পঢ়িব পৰাকৈ ডিজিটেল কৰি তুলিবলৈ একো একোটা এনাল'গ ভিডিঅ' উৎসৰ প্রয়োজন হৈছিল। অৱশ্যে পাছত দ্রুতগতিত গ্রাহকৰ বাবে নির্মিত ডিজিটেল ভিডিঅ'ৰ গুণ উন্নত হ'ল। 'এমপেগ-ৱান' (MPEG-1) আৰু 'এমপেগ-টু'ৰ (MPEG-2) দৰে উচ্চমানৰ প্লে'বেক সামগ্রীবোৰে এই পৰিবর্তনৰ সূচনা কৰিলে। তাৰ পাছত আহিল ডিৰি টে'পছ (DV Tapes)। এই যন্ত্রবিধে প্রত্যক্ষভাৱে ডিজিটেল মাধ্যমত ডাটা ৰেক'র্ড কৰাৰ সুবিধা আগবঢ়াইছিল। ফলত সম্পাদনা প্রক্রিয়াটো বহুখিনি উজু হৈ পৰিল। নন-লিনিয়েৰ সম্পাদনা পদ্ধতি কমখৰচি আৰু জনপ্রিয় হৈ পৰিল। কম্পিউটাৰতে ভিডিঅ' সম্পাদনা কৰিব পৰা হ'ল। ইয়াৰ বাবে কোনো বাহ্যিকভাৱে সংযোজিত কৰিবলগীয়া প্লে'বেক অথবা ৰেক'ডিং যন্ত্র-পাতিৰ প্রয়োজন নাইকিয়া হ'ল।

## ৫.৪.৩ ডিজিটেল টিভি (Digital TV)

ডিজিটেল টিভি অথবা ডিটিভি হ'ল স্বতন্ত্র ডিজিটেল প্রতীকৰ দ্বাৰা গতিশীল ছবি প্রেৰণ আৰু গ্রহণ কৰা প্রক্রিয়া। ডিজিটেল টিভি বুলি কোৱা ধাৰণাটোৰ সৈতে ডিজিটেল সম্প্রচাৰ আৰু ডিজিটেল টিভি ছেট —এই বিষয় দুটা সাঙোৰ খাই আছে। ডিজিটেল সম্প্রচাৰৰ সময়ত ডিজিটেল প্রযুক্তিৰ সহায় লোৱা হয়। ফলত আগতকৈ বহু অধিক সংখ্যক চেনেলৰ সেৱা আৰু উন্নত মানৰ ছবি তথা ধ্বনি আগবঢ়াব পৰা হৈছে। ই বায়ুমণ্ডলৰ মাধ্যমেৰে (Over-the-Air) সম্প্রচাৰ সেৱা আগবঢ়োৱাৰ ফলত ছেটেলাইট ডিশ্য নাইবা কেবল সংযোগ অবিহনে মাত্র একোডাল পৰম্পৰাগত এণ্টেনাৰ সহায়তেই দর্শকে অনুষ্ঠান উপভোগ কৰিব পাৰে।

কিছুদিনৰ আগলৈকে টিভি অনুষ্ঠান সম্প্রচাৰৰ মাধ্যম আছিল এনাল'গ প্রযুক্তি। আমাৰ টিভি ছেটবোৰো আছিল সাধাৰণ। কিন্তু ডিজিটেল প্রযুক্তিয়ে এনাল'গ প্রযুক্তিক এলাগী কৰি পেলোৱাৰ ফলত আজি বিশ্বৰ অধিকাংশ দেশেই সম্প্রচাৰ সেৱা সম্পূর্ণ ডিজিটেল কৰি তুলিছে। আজিকালিৰ অধিকাংশ উচ্চমানৰ টিভি ছেটো ডিজিটেল হৈ পৰিছে।

২০০৭ চনৰ শেষলৈ বিশ্বৰ সাতখন দেশে স্থলভাগেদি কৰা এনাল'গ সম্প্রচাৰ (Analog Terrestrial [over- the-air] Broadcasting) পদ্ধতি সম্পূর্ণৰূপে বাতিল কৰাৰ প্রক্রিয়া সমাপ্ত কৰিছে। ২০০৬ চনত লাক্সেমবার্গে বিশ্বৰ প্রথমখন সম্পূর্ণ ডিজিটেল সম্প্রচাৰকাৰী দেশত পৰিণত হোৱাৰ গৌৰৱ অর্জন কৰিছে। ২০০৬ চনৰে শেষৰফালে নেডাৰলেণ্ডে এই দলত নিজৰ নাম অন্তর্ভুক্ত কৰিছে। ফিনলেণ্ড, এণ্ডোৰা, ছুইডেন, নৰৱে' আৰু ছুইজাৰলেণ্ডে ২০০৭ চনৰ ডিজিটেল সম্প্রচাৰ আৰম্ভ কৰিছে। ২০০৮ চনৰ পৰা এই দলত লগ লাগিছেহি বেলজিয়াম আৰু জার্মেনী। ২০০৯ চনৰ জুন মাহত আমেৰিকাৰ সমগ্র সম্প্রচাৰ পদ্ধতি ডিজিটেল কৰা হৈছে। ২০১১ চনৰ জুলাই মাহৰ ভিতৰত জাপানত আৰু আগষ্ট মাহৰ ভিতৰত কানাডাত সম্পূর্ণ ডিজিটেল সম্প্রচাৰ আৰম্ভ হ'ব। ২০১২ চনত ব্রিটেইনে আৰু ২০১৫ চনৰ ভিতৰত চীনে এই প্রক্রিয়া সম্পূর্ণ কৰি তোলাৰ পৰিকল্পনা কৰিছে।

ভাৰতত এতিয়াও ডিজিটেল আৰু এনাল'গ দুই ধৰণৰ সম্প্রচাৰ সেৱা বর্তমান। লাহে লাহে দেশত ডিজিটেল ছেটেলাইট সম্প্রচাৰে খোপনি পুতিছে। এয়াৰটেল ডিজিটেল টিভি, টাটা স্কাই, ডিশ্য টিভি আদিৰ দৰে বিয়াগোম কোম্পানীবোৰে এই ক্ষেত্র খনত প্রতিদ্বন্দ্বিতাত নামিছে। এই ডিজিটেল সম্প্রচাৰকসকলে গ্রাহকক একোটো 'ছেট টপ বক্স' যোগান ধৰে। এই সঁজুলিবিধে ডিজিটেল সংকেত গ্রহণ কৰি তাক এনাল'গ সংকেতলৈ ৰূপান্তৰিত কৰে। তেনেদৰে ৰূপান্তৰ ঘটা অনুষ্ঠানসমূহ আমি আমাৰ এনাল'গ টিভি ছেটৰ জৰিয়তে উপভোগ কৰো।

ডিজিটেল টেলিভিছন সংকেত বিভিন্ন উপায়েৰে গ্রহণ কৰা হয়। ডিজিটেল সংকেত গ্রহণ কৰাৰ সবাতোকৈ পুৰণি উপায়টো হৈছে এণ্টেনাৰ ব্যৱহাৰ। ইয়াক ডিজিটেল টেৰেষ্ট্রিয়েল টেলিভিছন (Digital Terrestrial Television) অথবা ডিটিটি (DTT) বোলা হয়। এনে টেলিভিছনে কেৱল এণ্টেনাডালে গ্রহণ কৰিবলৈ সক্ষম হোৱা চেনেলকেইটাহে প্রদর্শন কৰিব পাৰে। এইক্ষেত্রত সংকেত মানো স্থানভেদে বেলেগ বেলেগ হয়।

আন দুটা নৱতম পন্থা হৈছে ডিজিটেল কেবল আৰু ডিজিটেল ছেটেলাইট পদ্ধতি। টাটা স্কাই, ডিশ্য টিভি, এয়াৰটেল ডিজিটেল টিভি আদিৰ দৰে ডিটিএইছ (DTH- Direct to Home) সেৱা যোগানকাৰীসকলে ডিজিটেল ছেটেলাইট সম্প্রচাৰ সেৱা আগবঢ়ায়। এনে সেৱাৰ সুযোগ গ্রহণ কৰা গ্রাহকক পৃথক পৃথক ডিশ্য এণ্টেনা আৰু ছেট টপ বক্সৰ যোগান ধৰা হয়। এণ্টেনাই ছেটেলাইটৰ দ্বাৰা প্রেৰণ কৰা ডিজিটেল সংকেত গ্রহণ কৰে আৰু ছেট টপ বক্সে এই সংকেতবোৰ এনাল'গ সংকেতলৈ পৰিৱর্তন কৰে। ইয়াৰ ফলতেই আমি আমাৰ এনাল'গ টিভি ছেটত ছেটেলাইট চেনেলবোৰ উপভোগ কৰিবলৈ পাওঁ। 'ডিটিএইছ'-ৰ ডিজিটেল ছেটেলাইট সম্প্রচাৰৰ জনপ্রিয়তা বঢ়া দেখি কেবল টিভি সেৱা যোগনিয়াৰসকলেও ডিজিটেল সম্প্রচাৰ ক্ষেত্র খনত প্রৱেশ কৰিছে।

আইপিটিভি (IPTV– Internet Protocol Television) হ'ল ডিজিটেল টেলিভিছন সংকেত গ্রহণ কৰাৰ আন এটা উপায়। এই পদ্ধতিত ডি-এছ-এল (DSL– Digital Subscriber Line) অথবা অপ্তিকেল কেবল লাইনৰ সহায়ত ইণ্টাৰনেট প্র'ট'কলৰ মাধ্যমেৰে টিভি সংকেত গ্রহণ কৰা হয়। আজিকালি বজাৰত বহুতো ইণ্টাৰনে'ট টেলিভিছন ছফটৱে'ৰ কিনিবলৈ পোৱা যায়। এইবোৰৰ সহায়ত আপুনি আপোনাৰ কম্পিউটাৰতেই টিভি চাব পাৰে।

## ৫.৪.৪ এনাল'গ টিভিৰ তুলনাত ডিজিটেল টিভিৰ সুবিধাসমূহ (Advantages of DTV Over Analog TV)

সমগ্র বিশ্বতে এনাল'গ টিভি পদ্ধতিবোৰ লাহে লাহে ডিজিটেল টিভিলৈ পৰিৱর্তিত হ'ব ধৰিছে। ইয়াৰ বহুতো কাৰণ আছে।

- ডিজিটেল চেনেলক কম 'বেণ্ডৱিড্থ'ৰ (Bandwidth) প্রয়োজন হয়। সেয়েহে সম্প্রচাৰকসকলে একেখন ক্ষেত্রৰ জৰিয়তে অধিকসংখ্যক ডিজিটেল চেনেলৰ সেৱা আগবঢ়াব পাৰে। 'বেণ্ডৱিড্থ'ৰ পৰিমাণ কম হোৱা বাবে উচ্চ গুণমান বিশিষ্ট (High-Definition) টেলিভিছন সেৱাৰ লগতে মাল্টিমিডিয়া অথবা আন্তঃক্রিয়াশীলতাৰ (Interactivity) দৰে অনা-টেলিভিছন সেৱাসমূহ আগবঢ়োৱাৰ পথ সুচল হৈছে।

- ডিটিভিয়ে 'মাল্টিপ্লেক্সিং'ৰ (Multiplexing) বিশেষ সেৱা আগবঢ়োৱাৰ পথো প্রশস্ত কৰি তুলিছে। 'মাল্টিপ্লেক্সিং'ৰ সাধাৰণ অর্থ হ'ল একেটা চেনেলতে অধিক কার্যসূচী সম্প্রচাৰ কৰিব পৰা সুবিধা। ইয়াৰ উপৰি এই সেৱাৰ জৰিয়তে বৈদ্যুতিক অনুষ্ঠান নির্দেশনা সূচী আৰু কথিত ভাষাত 'ডাব' কৰা নাইবা ছাবটাইটল (Subtitle) লিখা থকা অতিৰিক্ত ভাষাত অনুষ্ঠান উপভোগ কৰাৰ সুবিধাও আগবঢ়োৱা হয়।
- অইন সংকেতৰ প্রভাৱ এৰাই চলাত এনাল'গ সংকেততকৈ ডিজিটেল সংকেত অধিক সক্ষম। এনাল'গ টেলিভিছ্নত অন্য বাহ্যিক প্রতিচ্ছবিৰ ছাঁ (Ghosting of Images), দুর্বল সংকেত গ্রহণ ক্ষমতাৰ ফলত সৃষ্টি হোৱা হুলস্থুল আদিৰ দৰে অসুবিধাই দেখা দিব পাৰে। এনে সমস্যাবোৰে সম্প্রচাৰিত হৈ থকা অনুষ্ঠান এটাৰ ছবি আৰু ধ্বনিৰ মান নিম্নগামী কৰে। ডিজিটেল সংকেতে কিন্তু সাংখ্যিক সাংকেতিক চিহ্ন (Numeric Code) ব্যৱহাৰ কৰি এনে সমস্যা প্রতিহত কৰিব পাৰে। যদি অনুষ্ঠান এটাৰ কোনো তথ্য আধৰুৱা হৈ ৰয়, তেন্তে এনে প্রযুক্তিত ব্যৱহৃত সংকেত পাঠোদ্ধাৰকাৰী কম্পিউটাৰে (Decoder Computer) সম্পূর্ণ সংকেতটো পুনৰগঠন কৰি দিয়ে।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৪ ঃ** 'ডিজিটেল' শব্দটোৱে কি বুজায়?

.....

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** এনাল'গ প্রযুক্তি মানে কি?

.....

.....

.....

**প্রশ্ন নং ৬ ঃ** ডিজিটেল প্রযুক্তিৰ দ্রুত প্রসাৰ ঘটাৰ আঁৰত থকা প্রধান কাৰণটো কি?

.....

.....

.....

## ৫.৫ ডিজিটেল ৰেডিঅ' আৰু ডিজিটেল ফটোগ্রাফী (DIGITAL RADIO AND DIGITAL PHOTOGRAPHY)

এই শাখাটোত আপুনি ডিজিটেল ৰেডিঅ'নো কি, ইয়াৰ বিশেষত্বসমূহ কেনেধৰণৰ আৰু ডিজিটেল ফটোগ্রাফীৰ লগত জড়িত নানা দিশৰ বিষয়ে কিছু ধাৰণা লাভ কৰিব।

### ৫.৫.১ ডিজিটেল ৰেডিঅ' (Digital Radio)

এনাল'গ ৰেডিঅ'ৰ প্রচাৰৰ বিপৰীতে আমি যদি ডিজিটেল ৰেডিঅ'ৰ প্রচাৰ শুনো, তেতিয়া ভাব হয় প্রচাৰিত অনুষ্ঠানো যেন তথ্যৰ কম্পিউটাৰকৃত বিটহে (Bit)। এই সেৱাক প্রায়েই ডি-এ-বি (DAB) ডিজিটেল ৰেডিঅ' বোলা হয়। ডিএবি-ৰ সম্পূর্ণ অর্থ হ'ল ডিজিটেল অডিঅ' ব্রডকাষ্টিং (Digital Audio Broadcasting)। ডিজিটেল ৰেডিঅ' প্রচাৰ সেৱা প্রণালীটোক এই নামেৰে জনা যায়। ডিটিভি-ৰ দৰে ডিজিটেল ৰেডিঅ'কো কম 'বেণ্ডৱিথ'ৰ (Bandwidth) প্রয়োজন হয়। পৰম্পৰাগত এনাল'গ প্রযুক্তিত অধিক 'বেণ্ডৱিথ'ৰ প্রয়োজন। সেয়েহে এনে প্রচাৰ সেৱাৰ জৰিয়তে গ্রাহকক অধিক ৰেডিঅ' ষ্টেশ্যনৰ অনুষ্ঠানৰ লগতে অন্য অতিৰিক্ত সেৱা আগবঢ়াব পৰা যায়।

সকলো শ্রেণীৰ শ্রোতা তথা সকলোধৰণৰ ৰুচিৰ প্রতি লক্ষ্য ৰাখি ডিজিটেল ৰেডিঅ'ই বিভিন্ন স্থানীয়, ৰাষ্ট্রীয় আৰু আঞ্চলিক ষ্টেশ্যনৰ সেৱা আগবঢ়ায়। ডিজিটেল ৰেডিঅ'ৰ সংকেত গ্রহণ ক্ষমতা অতি উন্নতমানৰ। কোনো বাহ্যিক গণ্ডগোল অথবা বহুকেইটা ষ্টেশ্যনে একে তৰংগতে ওপৰা ওপৰিকৈ সংকেত প্রেৰণ কৰি থকাৰ দৰে সমস্যাই ইয়াক স্পর্শ কৰিব নোৱাৰে। এনে সমস্যা এএম (AM) ৰেডিঅ'ত আৰু কেতিয়াবা এফএম ৰেডিঅ'ত ঘটা দেখা যায়। ডিজিটেল ৰেডিঅ'ৰ 'টিউনিং' (Tunning) পদ্ধতিটো অতি সৰল। কেৱল এটা বুটাম টিপিলেই ৰেডিঅ' টিউন কৰা হৈ যায়। ডায়েল পকাই পকাই স্পষ্ট সংকেত বিচৰাৰ সমস্যা এনে ৰেডিঅ'ত নাথাকে। ডিজিটেল ৰেডিঅ'ৰ শ্রোতাই কোনো ফিকুৱেন্সীৰ বিষয়েও মনত ৰখাৰ প্রয়োজন নাই।

ডিজিটেল ৰেডিঅ'ত এখন ডিছপ্লে' পর্দা থাকে। তাত নানাধৰণৰ তথ্য দেখা পোৱা যায়। যেনে—এই মুহূর্তত বাজি থকা গীতটোৰ বিশদ বর্ণনা, বাতৰিৰ মুখ্যাংশ আৰু ই-মেইল ঠিকনা আদি। কিছুমান ৰেডিঅ'ত একোটা বৈদ্যুতিক কার্যসূচী নির্দেশনাও (Electronic Programme Guide) থাকে। ডিজিটেল ৰেডিঅ'ৰ অনুষ্ঠান ইণ্টাৰনে'ট আৰু ডিজিটেল টিভিৰ মাধ্যমেৰেও প্রচাৰ কৰিব পাৰি।

প্রচলিত এনাল'গ ৰেডিঅ' ছেটত ডিজিটেল ৰেডিঅ' সংকেত ধৰা পেলাব নোৱাৰি। তেনে ৰেডিঅ' সংকেত তলত দিয়া ধৰণেহে গ্রহণ কৰিব পৰা যায়—

- ডিজিটেল ৰেডিঅ' সংকেত গ্রহণ কৰাৰ সবাতোকৈ সাধাৰণ উপায়টো হ'ল ডিএবি ৰেডিঅ' ছেট ব্যৱহাৰ কৰা। এনাল'গ ৰেডিঅ' ছেটৰ দৰেই এইবিধ ৰেডিঅ' ছেটো

বিভিন্ন প্রকাৰৰ। দুটামান উদাহৰণ হ'ল— হাতেৰে দাঙিব পৰা (Hand-held), সহজে ইঠাইৰ পৰা সিঠাইলৈ কঢ়িয়াই নিব পৰা (Portable), কাৰ ৰেডিঅ' (Car Radio), হাই-ফাই টিউনাৰ (Hi-Fi Tuners) ইত্যাদি। ডিজিটেল ৰেডিঅ' ছেটত ডি-এ-বিৰ (DAB) প্রতীক চিহ্ন (Logo) এটা থাকিব। কিন্তু এনে ৰেডিঅ' ছেট কিনাৰ আগতে আপোনাৰ এলেকাত ডিজিটেল ৰেডিঅ' সেৱা আছেনে নাই সেয়া নিশ্চিত কৰি ল'ব।

- সকলোবোৰ ডিজিটেল টিভি সম্প্রচাৰ সেৱাৰ মাধ্যমেৰে ডিজিটেল ৰেডিঅ' সংকেত গ্রহণ কৰিব পৰা যায়।
- ডিজিটেল ৰেডিঅ' সংকেত ধৰা পেলোৱাৰ আন এক মাধ্যম হ'ল ইণ্টাৰনেট'। ইয়াৰ বাবে আপোনাক কেৱল স্পীকাৰ যন্ত্র অথবা কম্পিউটাৰৰ সৈতে সংলগ্ন হৈ থকা হেডফোন প্লাগৰ প্রয়োজন।

অন্য ডিজিটেল প্রযুক্তিবোৰৰ দৰে অৱশ্যে ডিজিটেল ৰেডিঅ'ই জনপ্রিয়তা অর্জন কৰিব পৰা নাই। তথাপি এ-এম/এফ-এম অথবা এনাল'গ ৰেডিঅ'তকৈ ইয়াৰ সুবিধা বেছি। সকলোবোৰ এএম নাইবা এফএম সংকেতেই অট্টালিকা, পর্বত-পাহাৰ, আকাশী-যান আৰু প্রতিকূল বতৰ আদিৰ দৰে ভৌতিক বাধাৰ বাবে বেয়াকৈ প্রভাৱিত হয়। এ-এম অথবা এফ-এম ৰেডিঅ'ৰ অনুষ্ঠান শুনিলে দূৰৈৰ পৰা ভাঁহি অহা বিভিন্ন শব্দ অতি অস্পষ্ট ৰূপত হ'লেও শুনিবলৈ পোৱা যায়। এই সমস্যাবোৰ বহুমুখী-পথ প্রতিবন্ধকতাৰ (Multi-path Interference) বাবে সৃষ্টি হয়। সংকেতবোৰে কোনো ভৌতিক অন্তৰায়ত খুন্দা মৰাৰ ফলতে এই অনাকাংক্ষিত ধ্বনিবোৰ সৃষ্টি হয়।

ইয়াৰ বিপৰীতে ডি-এ-বিএ অতি স্পষ্ট ধ্বনি গ্রহণ আৰু প্রচাৰ কৰিব পাৰে। একোটা ডিজিটেল ৰেডিঅ' গ্রাহক যন্ত্রৰ ভিতৰত এটা কম্পিউটাৰ অর্থাৎ গণনাকাৰী যন্ত্র সংলগ্ন কৰা হয়। এই কম্পিউটাৰটোৱে অগণন বহুমুখী-পথগামী সংকেত আৰু অন্য ব্যাঘাত সৃষ্টিকাৰী উপাদান আঁতৰ কৰি প্রধান সংকেতটোৰ মান উন্নত কৰে। ইয়াৰ মূল লক্ষ্য হ'ল অন্য বাধা প্রদানকাৰী সংকেত আঁতৰাই প্রধান সংকেতটো উন্নত কৰি তোলা।

ডি-এ-বিৰ আন এটা সুবিধা হৈছে ই অত্যন্ত নমনীয়। উদাহৰণস্বৰূপে এটা ডিএবি ছেটৰ দ্বাৰা একে সময়তে সাধাৰণতে ছটা অনুষ্ঠান চেনেলৰ সেৱা প্রচাৰ কৰিব পৰা যায়। ইয়াৰে কিছুমান অনুষ্ঠান, যেনে— টক শ্যো অথবা সাক্ষাৎকাৰ ইত্যাদিৰ বাবে কম পৰিমাণৰ শ্রব্য ডেটাৰ প্রয়োজন হয়। আনহাতে কনছার্ট, গীত আদিৰ দৰে অনুষ্ঠান প্রচাৰ কৰিবলৈ অধিক ডেটা লাগে। ডিএবি-এ সহজে এনে প্রয়োজনীয়তাবোৰৰ সৈতে খাপ খাব পাৰে। তদুপৰি ডিএবি-ৰ জৰিয়তে কিমানটা চেনেলৰ অনুষ্ঠান প্রচাৰিত হ'ব সেয়া দিনটোৰ সময়ৰ ওপৰত নির্ভৰশীল। গ্রাহক হিচাপে আপুনি কোনো খেল চলি থকা সময়ত যদি বিশেষ প্রচাৰৰ দাবী জনায়, তেন্তে এটা ষ্টিৰিঅ' চেনেলক স্পৰ্টছ চেনেল আৰু এটা সংবাদ চেনেলত ভাগ কৰা হ'ব পাৰে।

## ৫.৫.২ এটা বাকচৰ ভিতৰত ৰেডিঅ' (Radio in a Box)

এটা বাকচৰ ভিতৰত ৰেডিঅ' অথবা 'দ্যা ৰেডিঅ' ইন এ বক্স' (RIAB) বুলি কোৱা ধাৰণাটোৰ বিশ্বৰ অতি দুৰ্গম অঞ্চলত বাস কৰা লাখ লাখ লোকক ৰেডিঅ' সেৱাৰে সামৰি ল'বলৈ জন্ম দিয়া হৈছিল। এই ধাৰণাটো অনুসৰি যিকোনো দুৰ্গম অঞ্চল এটাত ক্ষুদ্রাকৃতিৰ ৰেডিঅ' ষ্টেশ্যন একোটা স্থাপন কৰা হয়। ইয়াৰ বাবে অধিক প্রযুক্তিগত সহায়ৰ প্রয়োজন নহয়। এনে ৰেডিঅ' ষ্টেশ্যন একোটাক শ্বক প্রতিৰোধী বাকচ (Shock-proof Case) একোটাৰ ভিতৰত ভৰাই লৈ ইঠাইৰ পৰা সিঠাইলৈ কঢ়িয়াই নিয়া হয়। যাতায়তৰ সময়ছোৱাত আৰু প্রতিকূল অৱস্থাত ষ্টেশ্যনটোৰ কোনো ক্ষতি নহ'বলৈ এই পন্থা অৱলম্বন কৰা হয়।

'আৰ-আই-এ-বি' (RIAB) একোটাত মিনিটৰ ভিতৰতে ষ্টিৰিঅ' এফ-এম ৰেডিঅ' ষ্টেশ্যন এটা স্থাপন কৰিব পৰাকৈ উপকৰণ মজুত থাকে। পদ্ধতিটোত আগৰে পৰা প্রয়োজনীয় তাঁৰ আদি সংলগ্ন কৰা থাকে। ই তাৎক্ষণিকভাৱে ব্যৱহাৰ কৰিব পৰা বিধৰ পদ্ধতি। যিটো অঞ্চলত ষ্টেশ্যনটো স্থাপন কৰা হয় তাৰ সবাতোকৈ ওখ ঠাইডোখৰত এণ্টেনা ডাল বহুৱাই, প্রেৰক যন্ত্রটো এণ্টেনাৰ সমাক্ষ (Coaxial) কৰি লৈ শক্তি সংযোগ (স্থানীয়ভাৱে সুলভ অথবা জেনেৰেটৰ) কৰি লোৱাৰ লগে লগে এনে ষ্টেশ্যন একোটা অনুষ্ঠান প্রচাৰ কৰিবলৈ সক্ষম হৈ পৰে।

আৰ-আই-এ-বি ধাৰণাটো বিভিন্ন যুদ্ধ বিধস্ত অঞ্চল আৰু সঘনাই প্রাকৃতিক দুৰ্যোগৰ মুখামুখি হোৱা এলেকাবোৰত প্রয়োগ কৰি অহা হৈছে। আফগানিস্থানত নাগৰিকসকলক তালিবানৰ প্রভাৱৰ পৰা বিচ্ছিন্ন কৰিবলৈ আমেৰিকান সেনাবাহিনীয়ে আৰ-আই-এ-বিৰ ব্যৱহাৰ আৰম্ভ কৰিছে। ২০০৭ চনত এটা ৫০ ৱাট ক্ষমতাসম্পন্ন ট্রেন্সমিটাৰৰ সহায়ত ৰেডিঅ' ঝ'ৰমাটৰ (Radio Zormat) প্রচাৰ সেৱা আৰম্ভ কৰে। ঝ'ৰমাট চহৰৰ পৰা ছয় মাইল ব্যাসার্ধৰ ভিতৰত থকা এলেকাৰ বাসিন্দাসকলে এই ৰেডিঅ' ষ্টেশ্যনৰ অনুষ্ঠান উপভোগ কৰে। এই ষ্টেশনটোত বর্তমান এটা ৱাট ২৫০ ক্ষমতাসম্পন্ন ট্রেন্সমিটাৰ আছে। তিনিগৰাকী ৰেডিঅ' জ'কীয়ে (RJs) পাশ্বটু (Pashtu) ভাষাত অনুষ্ঠান প্রচাৰ কৰে। ষ্টেশ্যনটোৰ শ্রোতাসকল বাতৰি, সংগীত আৰু 'কল-ইন' (Call-in) শ্যোসমূহৰ অনুৰাগী ভক্ত। অনুষ্ঠানবোৰৰ ফাঁকে ফাঁকে সেনাবাহিনীয়ে নিজৰ বার্তা প্রচাৰ কৰে। যেতিয়া এলেকাটোত সক্রিয় তালিবান সদস্যসকলে নিজৰ ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰিবলৈ চেষ্টা কৰে, তেতিয়াই ৰেডিঅ' ঝ'ৰমাটে বলপূর্বকভাৱে তালিবান ফ্রিকুৱেন্সীত প্রৱেশ কৰে আৰু তালিবানী প্রচাৰ ব্যাহত কৰিবলৈ বৈদ্যুতিক তুষাৰপাতৰ ধুমুহা (Snowstorm) সৃষ্টি কৰে। আমেৰিকান সেনাবাহিনীয়ে ষ্টেশ্যনটোৰ অনুষ্ঠান শুনিবলৈ স্থানীয় বাসিন্দাসকলৰ মাজত ১৫০০টা ৰেডিঅ' ছেটো বিতৰণ কৰিছে।

## ৫.৫.৩ ডিজিটেল ফটোগ্রাফী (Digital Photography)

সম্প্রতি প্রচলিত বিভিন্নধৰণৰ ডিজিটেল প্রযুক্তিৰ ভিতৰত সবাতোকৈ জনপ্রিয় প্রযুক্তি হ'ল ডিজিটেল ফটোগ্রাফী। এনাল'গ কেমেৰাবোৰ আজিকালি প্রায় অচল আৰু দুষ্প্রাপ্য হৈ পৰিছে। সাধাৰণ অর্থত ডিজিটেল ফটোগ্রাফী হ'ল স্থিৰ অথবা গতিশীল প্রতিচ্ছবি ধৰি ৰখাৰ ডিজিটেল প্রযুক্তি। আগতে ছবি তোলা কেমেৰাত ফটোগ্রাফিক ফিল্ম ব্যৱহাৰ কৰি প্রতিচ্ছবি তুলি ৰখা হৈছে। তাৰপাছত সেই ফিল্ম ভিন্ন পৰিৱেশত (ডার্ক ৰুম) ৰাসায়নিকভাৱে প্র'ছেছ কৰি দৃশ্যমান ছবি সৃষ্টি কৰা হৈছিল। কিন্তু বর্তমানৰ ডিজিটেল ফটোগ্রাফীত একেলগে ফটো সৃষ্টি, ছপা, জমা, বিতৰণ আৰু সংগ্রহালয়ত সংৰক্ষণ কৰিব পাৰি। ইয়াৰ বাবে ডিজিটেল আৰু কম্পিউটাৰ কৌশলৰ সহায় লোৱা হয়। ডিজিটেল ফটোগ্রাফীত প্রতিচ্ছবি ধৰি ৰাখিবৰ বাবে ছেলুলয়ড ৰীলৰ কোনো প্রয়োজন নাই।

ইয়াৰ উপৰি ডিজিটেল ফটোগ্রাফীৰ মাধ্যমেৰে মূল ফটোগ্রাফ এখনৰ পৰা অগণন প্রতিৰূপ তৈয়াৰ কৰিব পৰা যায়। মূল ফটোখনৰ কোনো হানি নহয়। সাধাৰণ ৰীল ফটোগ্রাফী পদ্ধতিত এই কথাটো সম্ভৱপৰ নহয়। লগতে ডিজিটেল ফটো যিকোনো সাধাৰণ কম্পিউটাৰতেই ডাউনলোড কৰিব পৰা যায়। প্রয়োজন সাপেক্ষে ফটোবোৰৰ দোষ-ত্রুটি শুধৰাব (অথবা দোষ-ত্রুটি জাপি দি বিকৃত কৰিব) পৰা যায়। তাৰপাছত ফটোবোৰ সাধাৰণ প্রিণ্টাৰ ব্যৱহাৰ কৰি ছপা কৰিব পৰা যায়। সহজ অর্থত বর্তমান সমগ্র ফটোগ্রাফী ব্যৱসায়টো ডিজিটেল প্রযুক্তিৰ অগ্রগতিৰ লগে লগে আগতকৈ বহুখিনি উজু হৈ পৰিছে।

এটা ডিজিটেল কেমেৰাত সাধাৰণতে একোটা ডিজিটেল মেম'ৰী সঁজুলি (Digital Memory Device) থাকে। এই সঁজুলিটোত ছবিবোৰ জমা হৈ থাকে। ইয়াৰ পৰাই পাছত ছবিবোৰ কম্পিউটাৰলৈ স্থানান্তৰ কৰা হয়। ডিজিকেমবোৰে ছবি ধৰি ৰখাৰ লগতে শ্রব্য আৰু ভিডিঅ' ৰেক'ডিং কৰিবও পাৰে। এনে কেমেৰা কিছুমানক 'ৱেব কেম' (Web Cam) হিচাপেও ব্যৱহাৰ কৰা হয়। আন কিছুমান কেমেৰা টিভিৰ সৈতে সংলগ্ন কৰি লৈ ৰেক'র্ডি কৰা ছবিসমূহ টিভি পর্দাত চাব পাৰি।

ডিজিটেল ফটোগ্রাফীৰ সুবিধা বহুত। তলত তাৰে দুটামানৰ বিষয়ে উল্লেখ কৰা হ'ল—

- তাৎক্ষণিক সন্তুষ্টি। ফটো তোলাৰ পাছমুহূর্ততে কেমেৰাটোৰ এল-চি-ডি (LCD) পর্দাত ফটোবোৰ চাব পাৰি।
- বৃত্তিজীৱী ফটোগ্রাফাৰসকলে তৎক্ষণাত ফটো সংশ্লিষ্ট বিভাগ অথবা ব্যক্তিলৈ

প্রেৰণ কৰি সন্তুষ্টি লভিব পাৰে। কেমেৰাটো এবাৰ কম্পিউটাৰ এটাৰ সৈতে সংলগ্ন কৰি লোৱাৰ পাছত সেইবোৰ এখন চিডিত (CD) ভৰাবলৈ অথবা ফটো ছপা কৰিবলৈ বেছি সময় নালাগে। ফটোবোৰ কম্পিউটাৰৰ সহায়ত চিডি/ভিচিডিত ডাউনলোড কৰা হয়।

- কোনো জটিলতা আৰু সমস্যা নোহোৱাকৈ ডিজিটেল প্রতিচ্ছবিসমূহত থকা ভুল-ত্রুটিবোৰ শুধৰাব পৰা যায়। যদি ছবি এখন ক'লা দেখায় তেন্তে তাত পোহৰ, ছেছ্যুৰেশ্যন (Saturation), ৰং যোগ দিব পৰা যায় নাইবা ক্রপিং (Cropping), গ্রে' স্কেল (Gray Scale) আদিৰ দৰে ইফেক্ট প্রয়োগ কৰিব পৰা যায়।
- ডিজিটেল ফটো সাঁচি ৰখাতো এটা সহজ কাম। 'ফিল্ম ৰোল' আৰু 'প্রিণ্টআউট' সংৰক্ষণ কৰিবলৈ বহুকেইটা ফাইল কেবিনেটৰ প্রয়োজন হয়। কিন্তু ডিজিটেল ইমেজবোৰ 'ডিস্ক ডাইভ'ত সহজে জমা কৰি থ'ব পাৰি।
- ফিল্মি আৰু প্রছেছিং ব্যয় লক্ষণীয়ভাৱে কমি গৈছে।
- ডিজিটেল ফটোগ্রাফীয়ে পাৰিপার্শ্বিকতাৰ কম ক্ষতি কৰে। ফিল্ম ৰোলৰ প্র'ছেছিং কার্যটো এটা বিষাক্ত প্রক্রিয়া। প্র'ছেছিঙৰ সময়ত ব্যৱহাৰ কৰা ৰাসায়নিক পদার্থবোৰ পাৰিপার্শ্বিকতাৰ বাবে অপকাৰী।
- গুণমান নিম্ন নকৰাকৈয়ে ডিজিটেল প্রতিচ্ছবি এখন বহুবাৰ ছপা কৰিব পাৰি। কিন্তু বহুবাৰ প্র'ছেছ কৰা কোনো ৰোলৰ নেগেটিভবোৰে পাছৰ পর্যায়ত মূল ফটোখনৰ দৰে একে গুণমান ধৰি ৰাখিব নোৱাৰে।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৭ ঃ** ডিজিটেল ৰেডিঅ' সংকেত গ্রহণ কৰাৰ উপায় তিনিটা কি কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৮ ঃ** 'এটা বাকচৰ ভিতৰত ৰেডিঅ' অথবা ৰেডিঅ' ইন এ বক্স' মানে কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৯ ঃ** এনাল'গ ফটোগ্রাফীয়ে কেনেদৰে পাৰিপার্শ্বিকতাৰ ক্ষতি কৰিব পাৰে?

.....

.....

.....

.....

.....



## ৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ডিজিটেল প্রযুক্তিৰ সহায়েৰে তথ্য প্রস্তুত, সংৰক্ষণ আৰু প্রচাৰ কৰা মাধ্যমটোকে ডিজিটেল প্রচাৰ মাধ্যম বোলে।
- ডিজিটেল প্রযুক্তিত বাইনেৰী নম্বৰ '0' আৰু '1' প্রয়োগ কৰি যিকোনো ডেটা প্র'ছেছ কৰা হয়। সেয়েহে ক'ব পাৰি যে ডিজিটেল প্রযুক্তিৰে জমা অথবা প্রচাৰ কৰা প্রতিটো ডেটাকে '0' আৰু '1' সংখ্যা দুটাৰে গঠিত এলানি শৃংখলাৰে সৃষ্টি কৰা হয়।
- কম্পিউটাৰ হ'ল প্রাথমিক ডিজিটেল যতন। আজিকালি প্রায় প্রতিটো প্রচাৰ মাধ্যম প্রকাৰেই ডিজিটেল ৰূপ ধাৰণ কৰিছে।
- ডিজিটেল প্রচাৰ মাধ্যমৰ সর্বপৰিচিত ৰূপ কেইটামান হ'ল— ডিজিটেল ভিডিঅ', ডিজিটেল ৰেডিঅ', ডিজিটেল টিভি, ডিজিটেল কেমেৰা ইত্যাদি।
- প্রচাৰ মাধ্যম জগতখনত ডিজিটেল প্রযুক্তিয়ে খলকনি তোলাৰ আগতে এনাল'গ প্রযুক্তিক বহুলভাৱে ব্যৱহাৰ কৰা হৈছিল।
- এনাল'গ প্রযুক্তিত ডেটা (শ্রব্য/দৃশ্যমান) ভৌতিকভাৱে স্কেন কৰি চোৱা হয় আৰু বাম্প (Bump) তথা 'ডিপ'বোৰ (Dip) পঢ়ি চোৱা হয়। ডিজিটেল প্রযুক্তিত ডেটাবোৰ বাইনেৰী সংকেতৰ ৰূপত পঢ়া হয়।
- এনাল'গ প্রযুক্তিয়ে হুবহু ধ্বনি আৰু ভিডিঅ' পৰিৱেশন কৰিব পাৰে। ডিজিটেল প্রযুক্তিত ডেটা একোটা কেৱল উপস্থাপনহে কৰা হয়। তথাপিও মানুহে এনাল'গ প্রযুক্তিৰ সলনি ডিজিটেল প্রযুক্তিহে বিচাৰে।
- ডিজিটেল প্রযুক্তিৰ এই জনপ্রিয়তাৰ আঁৰৰ কাৰণ হ'ল কম্পিউটাৰ এটা ডিজিটেল যতন। আজিকালি বেছিভাগ কাম কম্পিউটাৰৰ মাধমেৰে সমাধা কৰা হয়। সেয়েহে মানুহে সহজে কম্পিউটাৰত সাঁচি থ'ব পৰা ডিজিটেল ডেটা সৃষ্টি কৰাটো অধিক পচন্দ কৰে।

- ডিজিটেল প্রযুক্তিৰ সহায়ত বৈদ্যুতিক ডেটা অধিক দীঘলীয়া সময়ৰ বাবে সাঁচি ৰাখিব পাৰি।
- ডিজিটেল প্রযুক্তিয়ে উচ্চমানৰ প্রচাৰ সেৱা আগবঢ়োৱাত সহায় কৰে।
- গুণমান নিম্নগামী নকৰাকৈ যিকোনো ডিজিটেল ডেটা বাৰে বাৰে প্রস্তুত কৰিব পৰা যায়।
- অতি কম সময়ৰ ভিতৰতে ডিজিটেল ডেটা প্র'ছেছ কৰিব পৰা যায়।
- ডিজিটেল প্রযুক্তিৰ অধিকাংশ কাম কম্পিউটাৰত কৰা হয় বাবে অন্য খা-খৰচৰ পৰিমাণ যথেষ্ট কমি যায়।
- ডিজিটেল প্রচাৰ মাধ্যমত ডেটাৰ নন-লিনিয়েৰ প্র'ছেছিং কৰা হয়। ডিজিটেল ডেটাৰ সম্পাদনা একেবাৰে আদিৰ পৰা একেবাৰে শেষলৈ নকৰিলেও হয়। যিকোনো বিন্দুৰ পৰাই ডেটাৰ ওপৰত কোনো কাম অথবা সম্পাদনা কার্য আৰম্ভ কৰিব পৰা যায়।
- ডিজিটেল ভিডিঅ' মানে হ'ল এনাল'গ সংকেত পদ্ধতিৰ সলনি ডিজিটেল সংকেত পদ্ধতি ব্যৱহাৰ কৰি ডেটা ৰেকর্ড কৰা প্রক্রিয়া। ডিজিটেল ভিডিঅ'ৰ শ্রব্য/দৃশ্য ডেটাবোৰ বাইনেৰী শৈলীত সৃষ্টি কৰা হয়।
- ডিটিডি অথবা ডিজিটেল টিভি হ'ল শ্রব্য/ভিডিঅ' সংকেত ডিজিটেল প্রক্রিয়াৰে গ্রহণ আৰু প্রেৰণ কৰা টেলিভিছন সেৱা। সমগ্র পৃথিৱীৰ সম্প্রচাৰকেই আজি দর্শকলৈ উন্নত মানৰ টেলিভিছন অনুষ্ঠান যোগান ধৰিবলৈ ডিজিটেল প্রযুক্তিৰ ওপৰত ভৰসা কৰে।
- এনাল'গ টিভিৰ সলনি ডিটিভি সেৱাৰ পৃষ্ঠপোষকতা কৰাৰ আঁৰৰ কাৰণ হ'ল ডিজিটেল চেনেলবোৰক কম পৰিমাণৰ 'বেণ্ডৱিড্ থ'ৰ (Bandwidth) প্রয়োজন হয়। অপাৰেটৰসকলে একেখন 'বেণ্ডৱিডথ' ক্ষেত্রৰ পৰাই অধিক সংখ্যক চেনেলৰ সেৱা আগবঢ়াব পাৰে। 'বেণ্ডৱিড্ থ'ৰ পৰিমাণ কম হোৱা বাবে সম্প্রচাৰকসকলে মাল্টিমিডিয়া, অন্তঃক্রিয়াশীলতা, বৈদ্যুতিক অনুষ্ঠান নির্দেশনা আৰু অতিৰিক্ত ভাষাৰ দৰে আন বহুতো সেৱা আগবঢ়াব পৰা হৈছে।
- ডিজিটেল সংকেতে অধিক কার্যক্ষমভাৱে সম্প্রচাৰ হস্তক্ষেপ প্রতিহত কৰিব পাৰে। এনাল'গ টেলিভিছনৰ ছবি কঁপি কঁপি অস্পষ্ট হৈ যোৱা, দুর্বল সংকেতৰ ফলত নানা হুলস্থুলৰ সৃষ্টি হোৱা আদি সাধাৰণ সমস্যা থাকেই। যদি কোনোবা তথ্যৰ কিবা সংকেত হেৰাই যায়, ডিক'ডাৰ কম্পিউটাৰে সেই তথ্য পুনৰ গঠন কৰিব পাৰে।
- ডিজিটেল ৰেডিঅ' হ'ল আন এটা জনপ্রিয় ডিজিটেল প্রচাৰ মাধ্যম ৰূপ। এই পদ্ধতিৰ সহায়ত কম্পিউটাৰকৃত বিটত পৰিণত কৰা তথ্য ধ্বনিৰূপত প্রচাৰ কৰা হয়।
- ডিজিটেল ৰেডিঅ' সংকেতবোৰ ডিজিটেল ৰেডিঅ' ছেট, ডিজিটেল টিভি ছেট আৰু ইণ্টাৰনেটৰ মাধ্যমেৰে গ্রহণ কৰিব পাৰি।
- 'ৰেডিঅ' ইন এ বক্স' মানে হ'ল বাকচ এটাৰ ভিতৰত ভৰাই থ'ব পৰা ৰেডিঅ' উপকৰণসমূহ। এনে বাকচ এটা বিভিন্ন স্থানলৈ কঢ়িয়াই নি তাৰ সহায়ত ৰেডিঅ'

অনুষ্ঠান প্রচাৰ কৰিব পৰা যায়। প্রচাৰ মাধ্যমৰ কোনো প্রকাৰে ঢুকি নোপোৱা অত্যন্ত দুর্গম এলেকাৰ বাসিন্দাসকলৰ বাবে এই ৰেডিঅ' ষ্টেশ্যন শৈলীটো প্রস্তুত কৰা হৈছে।

- ডিজিটেল ফটোগ্রাফী হ'ল ডিজিটেল প্রচাৰ মাধ্যমৰ এটা সততে ব্যৱহৃত হোৱা প্রকাৰ। ডিজিটেল কেমেৰাই ফিল্ম সংলগ্ন পৰম্পৰাগত কেমেৰাৰ প্রয়োগ প্রায় নাইকিয়া কৰি পেলাইছে। সাধাৰণ অর্থত ডিজিটেল ফটোগ্রাফীৰ স্থিৰ অথবা গতিশীল প্রতিচ্ছবি ধৰি ৰাখিবলৈ ডিজিটেল প্রযুক্তি ব্যৱহাৰ কৰা হয়। ডিজেটেল কেমেৰাবোৰত একোটা ইন বিল্ট মেম'ৰী যন্ত্র (In Built Memory Device) থাকে। তাতেই প্রথমে ফটোবোৰ জমা কৰি লোৱা হয়। তাৰপাছত সেইবোৰ কোনো কম্পিউটাৰলৈ স্থানান্তৰ কৰা হয়।



## ৫.৭ অধিক জানিবলৈ

*ইংৰাজী গ্রন্থ ঃ*


1) Bhatia, Arun (2005), *Impact of Internet on Journalism,* Akansha Publishing House, New Delhi.
2) Ganesh, T. K. (2006), *Digital Media, Building the Global Audience,* Gnosis Publishers, New Delhi.
3) Paxson, Peyton (2010), *Mass Communication and Media Studies : An Introduction*, A & C Black.


## ৫.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ডিজিটেল' শব্দটোৱে এনে এটা প্রযুক্তিৰ কথা বুজায় যিটোৱে ডেটা সৃষ্টি, সংৰক্ষণ আৰু প্র'ছেছ কৰিবলৈ দুটা সংখ্যা ('0' আৰু '1') ব্যৱহাৰ কৰে। সকলোবোৰ প্রচাৰ মাধ্যমৰ ৰূপতে আজিকালি ডিজিটেল প্রযুক্তি প্রয়োগ কৰা হয়।

**২নং প্রশ্নৰ উত্তৰ ঃ** এনাল'গ প্রযুক্তি হ'ল প্রচাৰ মাধ্যমত ব্যৱহৃত এনে এটা পদ্ধতি যিটোৱে শ্রব্য অথবা দৃশ্য-শ্রব্য যিকোনো প্রকাৰৰ ডেটাকে হুবহু ৰূপত পঢ়িব পাৰে। ডিজিটেল প্রযুক্তিয়ে ডেটা '0' আৰু '1'ৰ ৰূপতহে পঢ়িবলৈ সক্ষম। এনাল'গ প্রযুক্তিত ডেটা একোটা আৰম্ভণিৰ পৰা শেষলৈ স্কেন কৰিহে ইয়াক সংকেতলৈ ৰূপান্তৰিত কৰি প্রচাৰ কৰা হয়। এনাল'গ পদ্ধতিৰে মানুহে পৃথিৱীখন হুবহু ৰূপত অনুভৱ কৰিব পাৰে। আমি এই পদ্ধতিৰে যি শুনো অথবা চাওঁ সেয়া হ'ল আমাৰ ইন্দ্রিয়লৈ প্রেৰিত অবিৰত তথ্য প্রচাৰৰ এক স্রোত। এই স্রোতটোক এনাল'গ ডেটা বুলি অভিহিত কৰিব পাৰি।

**৩নং প্রশ্নৰ উত্তৰ ঃ** অধিকাংশ প্রযুক্তিয়েই ডিজিটেল ৰূপ ধাৰণ কৰাৰ আঁৰত থকা সবাতোকৈ

গুৰুত্বপূৰ্ণ কাৰণটো হ'ল কম্পিউটাৰৰ ক্ৰমবৰ্দ্ধমান গুৰুত্ব। কম্পিউটাৰ প্ৰযুক্তি হ'ল সম্পূৰ্ণৰূপে ডিজিটেল আৰু ই কেৱল ডিজিটেল ডেটাহে গ্ৰহণ কৰে। আমি যিকোনো ডেটা সম্পাদনা অথবা উন্নতমানৰ কৰি তুলিবলৈ কম্পিউটাৰৰ শৰণাপন্ন হ'ব লাগে। সেয়েহে ডেটাবোৰক ডিজিটেল ৰূপ দিয়াটো জৰুৰী হৈ পৰিছে। যদি ডেটাবিধ এনাল'গ পদ্ধতিৰে সৃষ্ট হয়, তেন্তে ইয়াক কম্পিউটাৰত সুমুওৱাৰ আগতে ডিজিটেল কৰি ল'বলৈ আমাক সুকীয়া যন্ত্ৰ-পাতিৰ প্ৰয়োজন হয়। এই প্ৰক্ৰিয়াটো অতি মেৰপেঁচপূৰ্ণ। সেয়েহে সৃষ্ট ডেটা একোটা পোনে পোনে কম্পিউটাৰত সুমুৱাই সোনকালে প্ৰয়োজনীয় কাম সম্পাদন কৰাৰ প্ৰয়োজনতেই অধিকাংশ প্ৰযুক্তিয়ে ডিজিটেল ৰূপ লৈছে।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ডিজিটেল টিভি অথবা ডিটিভি হ'ল ডিজিটেল প্ৰযুক্তিৰ মাধ্যমেৰে অনুষ্ঠান সম্প্ৰচাৰ কৰা টেলিভিছন সেৱা। ডিজিটেল চিহ্নৰ জৰিয়তে এনে সম্প্ৰচাৰৰ মাধ্যমেৰে গতিশীল ছবি আৰু ধ্বনি প্ৰেৰণ তথা গ্ৰহণ কৰা হয়। ছেটেলাইট নাইবা কেবলৰ জৰিয়তে ডিজিটেল সম্প্ৰচাৰ কৰা হয়। 'ডি-টি-এইচ' (DTH) যোগানকাৰীসকলে ছেটেলাইটৰ জৰিয়তে ডিজিটেল টেলিভিছন সেৱা প্ৰচাৰ কৰে।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** 'ডিৰি টে'প (DV Tape) অথবা ডিজিটেল ভিডিঅ' টেপ হ'ল এবিধ ডিজিটেল ভিডিঅ' শৈলী (Format)। ছোনি, জেভিছি, পেনাছোনিক আৰু অন্য ভিডিঅ' কেমেৰা নিৰ্মাতা কোম্পানীসকলে এই শৈলীটোৰ সৃষ্টি কৰিছিল। ১৯৯৫ চনত ইয়াক বজাৰত মুকলি কৰি দিয়া হৈছিল।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** আইপিটিভি মানে হ'ল ইণ্টাৰনে'টৰ মাধ্যমেৰে আগবঢ়োৱা ডিজিটেল টিভি সেৱা। ই হ'ল ডিজিটেল টিভি সম্প্ৰচাৰ গ্ৰহণ কৰিব পৰা এক পন্থা। ডি-এছ-এল (DSL) অথবা অপ্টিকেল লাইনৰ সহায়ত ইণ্টাৰনে'ট প্ৰ'ট'কলৰ মাধ্যমেৰে এনে সম্প্ৰচাৰৰ সংকেত ধৰা পেলোৱা হয়।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** ডিজিটেল ৰেডিঅ' সংকেত ধৰা পেলোৱাৰ প্ৰথম আৰু সাধাৰণ পদ্ধতিটো হ'ল বজাৰত সুলভ প্ৰচলিত ডিজিটেল ৰেডিঅ' ছেট এটা ব্যৱহাৰ কৰা। এনে ৰেডিঅ' ছেটৰ বিভিন্ন প্ৰকাৰ আছে। যেনে— কাৰ ৰেডিঅ', হাই-ফাই টিউনাৰ, প'ৰ্টেবল আৰু হেণ্ড-হেল্ড ছেট ইত্যাদি। ডিজিটেল টিভি মাধ্যমতো ডিজিটেল ৰেডিঅ'ৰ সংকেত ধৰা পৰে। ইণ্টাৰনেটৰ সহায়তো ডিজিটেল ৰেডিঅ'ৰ অনুষ্ঠান শুনিব পাৰি। ইয়াৰ বাবে কেৱল কম্পিউটাৰ সংলগ্ন স্পীকাৰ নাইবা হেডফোনৰ প্ৰয়োজন।

**৮নং প্ৰশ্নৰ উত্তৰ ঃ** ৰেডিঅ' ইন এ বক্স' ধাৰণাটো পৃথিৱীৰ বাকী অংশৰ পৰা বিচ্ছিন্ন হৈ থকা দুৰ্গম এলেকা-বোৰলৈ প্ৰযুক্তি কঢ়িয়াই নিয়াৰ উদ্দেশ্যেৰে সৃষ্টি কৰা এটা প্ৰশংসনীয় মানৱীয় প্ৰয়াস। ইয়াৰ সহায়ত ন্যূনতম প্ৰযুক্তিগত উপকৰণেৰে ৰেডিঅ' প্ৰচাৰ আৰম্ভ কৰিব পৰা যায়। প্ৰতিকূলতা সহিষ্ণু (Sturdy) বাকচ এটাৰ ভিতৰত সুমুৱাই লৈ ফুৰিব পৰা ই হ'ল এটা পোৰ্টেবল মিনি ৰেডিঅ' ষ্টেশ্যন। বেছি আহুকালৰ সন্মুখীন নোহোৱাকৈ এনে ষ্টেশ্যন একোটা যিকোনো দুৰ্গম এলেকাত স্থাপন কৰিব পাৰি।

**৯নং প্রশ্নৰ উত্তৰ ঃ** এনাল'গ ফটোগ্রাফীত ৰোলটোৰ ৰাসায়নিক প্ৰ'ছেছিং কৰিবলগীয়া হয়। এই প্রক্রিয়াত ব্যৱহৃত ৰাসায়নিক পদার্থবোৰ অতি বিষাক্ত। ই পাৰিপার্শ্বিকতাৰ বাবে ক্ষতিকাৰক।



## ৫.৯ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন ঃ**

**প্রশ্ন ১ ঃ** আজিৰ অডিঅ' আৰু ভিডিঅ' ফৰমেটত ডিজিটেল প্রযুক্তিয়েই প্রথম পছন্দ হোৱাৰ কাৰণ কি?

**প্রশ্ন ২ ঃ** সর্বপ্রথম গুৰু (Major) পেছাদাৰী ডিজিটেল ভিডিঅ'টোৰ নাম লিখক। ইয়াৰ আৰম্ভণি কেতিয়া হৈছিল?

**প্রশ্ন ৩ ঃ** সংজ্ঞা দিয়ক— (i) পিক্সেল (Pixel) (ii) ৰাষ্টাৰ (Raster)

**প্রশ্ন ৪ ঃ** ডি-এ-বি (DAB)ৰ অর্থ কি?

**খ) চুটি প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** কি কাৰণে ডিজিটেল ডাটাক নন-লিনিয়াৰ (Non-Linear) বোলা হয়?

**প্রশ্ন ২ ঃ** ডিজিটেল ভিডিঅ' বুলিলে কি বুজে?

**প্রশ্ন ৩ ঃ** এনাল'গ টেলিভিছনৰ তুলনাত ডিজিটেল টেলিভিছনৰ সুবিধাসমূহ কি কি?

**গ) ৰচনাধর্মী প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** প্রায় প্রত্যেকখন দেশেই ডিজিটেল টেলিভিছনক আদৰি লৈছে। এনাল'গ টেলিভিছন কালক্রমত অপ্রচলিত হৈ পৰিব। আপোনাৰ মতামত আগবঢ়াওক।

**প্রশ্ন ২ ঃ** কি কাৰণে ডিজিটেল ৰেডিঅ', ডিজিটেল টেলিভিছন বা ডিজিটেল ফটোগ্রাফীৰ দৰে জনপ্রিয় হোৱা নাই?

**প্রশ্ন ৩ ঃ** এটা বাকচৰ ভিতৰত ৰেডিঅ' (Radio in a Box) সংজ্ঞাটোৰ সুবিধাসমূহ কি কি?

**প্রশ্ন ৪ ঃ** আপুনি এনে ক্ষেত্রৰ কথা জানে নে য'ত বিভিন্ন কাৰণত ৰেডিঅ' প্রযুক্তিৰ কিবা প্রয়োজনীয়তা আছে? যদি আছে তাৰ বিৱৰণ আগবঢ়াওক।

**প্রশ্ন ৫ ঃ** ডিজিটেল ফটোগ্রাফীৰ সুবিধাসমূহৰ কথা বহলাই লিখক।

*** ***** ***

# অধ্যায় ৬ ঃ অন্‌লাইন সাংবাদিকতা (ONLINE JOURNALISM)

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অন্‌লাইন সাংবাদিকতা মানে কি?

  ৫.৩.১ অন্‌লাইন সাংবাদিকতা আৰু পৰম্পৰাগত সাংবাদিকতাৰ প্ৰভেদ

  ৫.৩.২ অন্‌লাইন সাংবাদিকতাৰ ইতিহাস

৬.৪ অন্‌লাইন সাংবাদিকতাৰ বৈশিষ্ট্য

  ৫.৪.১ অন্‌লাইন সাংবাদিকতাৰ সুবিধাসমূহ

  ৫.৪.২ অন্‌লাইন সাংবাদিকতাৰ সীমাৱদ্ধতা

  ৫.৪.৩ অন্‌লাইন সাংবাদিকতাৰ নৈতিক প্ৰমূল্য

৬.৫ 'ৱেব'ৰ বাবে কেনেকৈ লিখিব লাগে

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অন্‌লাইন সাংবাদিকতাৰ সংজ্ঞা দিব পাৰিব
- অন্‌লাইন সাংবাদিকতা আৰু পৰম্পৰাগত সাংবাদিকতাৰ প্ৰভেদসমূহ বুজাব পাৰিব
- অন্‌লাইন সাংবাদিকতাৰ ইতিহাস আলোচনা কৰিব পাৰিব
- অন্‌লাইন সাংবাদিকতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- অন্‌লাইন সাংবাদিকতাৰ সুবিধা আৰু সীমাৱদ্ধতাবোৰৰ ওপৰত আলোকপাত কৰিব পাৰিব
- অন্‌লাইন সাংবাদিকতাৰ নৈতিক প্ৰমূল্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- ৱেবৰ বাবে কেনেকৈ লিখিব লাগে তাৰ বিষয়ে জানিব পাৰিব।

## ৬.২ পৰিচয় (INTRODUCTION)

সাংবাদিকতা মানে হ'ল বাতৰি বিয়পোৱা আৰু তথ্য ভাগ-বাটোৱাৰা কৰা কার্য। ই আমি বাস কৰা পৰিৱেশটোৰ সম্পর্কে আমাক সজাগ কৰি ৰাখে। এই কামত সাংবাদিকক সহায়

কৰিবলৈ বিভিন্ন প্ৰচাৰ মাধ্যম আছে। সাংবাদিকতাৰ সবাতোকৈ সাধাৰণ প্ৰকাৰটো হ'ল পৰম্পৰাগত সাংবাদিকতা (Traditional Journalism)। বাতৰিকাকত, আলোচনী নাইবা যিকোনো ছপা মাধ্যমত কৰা সাংবাদিকতা এই শ্ৰেণীটোৰ অন্তৰ্ভুক্ত। টেলিভিছন আৰু ৰেডিঅ' হ'ল দুটা অতি জনপ্ৰিয় প্ৰচাৰ মাধ্যম। এই ক্ষেত্ৰ খনত শেহতীয়াকৈ প্ৰৱেশ কৰা আন এটা মাধ্যম হ'ল ইণ্টাৰনে'ট।

পৰম্পৰাগত সাংবাদিকতাৰ মাধ্যমবোৰ চৌদিশে গিজগিজাই থকা সত্ত্বেও অতি কম সময়ৰ ভিতৰতে ইণ্টাৰনেটে এটা অতি জনপ্ৰিয় মাধ্যমৰ আসন দখল কৰিবলৈ সক্ষম হৈছে। প্ৰচাৰ মাধ্যম বিষয়ৰ শিক্ষাৰ্থীসকলে এতিয়া আৰু বাতৰি প্ৰস্তুতকৰণ তথা সংবাদ প্ৰতিবেদন দাখিলৰ (Reporting) দৰে পৰম্পৰাগত বিষয়বোৰকে শিকি থাকিব নালাগে। অন্‌লাইন অথবা ছাইবাৰ সাংবাদিকতা (Online or Cyber Journalism) হ'ল এখন ক্ৰমৱৰ্ধমান ক্ষেত্ৰ। এই ক্ষেত্ৰখন সম্পৰ্কে থকা বিশদ জ্ঞানে আহি থকা সময়ত সাংবাদিকসকলক যথেষ্ট সহায় কৰিব।

## ৬.৩ অন্‌লাইন সাংবাদিকতা মানে কি ? (WHAT IS ONLINE JOURNALISM?)

অন্‌লাইন সাংবাদিকতা মানে হ'ল ইণ্টাৰনেটৰ মাধ্যমেৰে সংবাদৰ প্ৰতিবেদন নাইবা কোনো বিষয় সম্পৰ্কে নিজৰ দৃষ্টিভংগী দাখিল কৰা প্ৰক্ৰিয়া। মাধ্যমটো পৃথক হোৱা বাবেই অন্‌লাইন সাংবাদিকতাক পৰম্পৰাগত সাংবাদিকতাতকৈ পৃথক বুলি গণ্য কৰা হয়। পৰম্পৰাগতভাৱে কোনো সংবাদৰ প্ৰতিবেদন দাখিল কৰিবলৈ এজন সাংবাদিকে ছপা মাধ্যমৰ সহায় লয়। অন্‌লাইন সাংবাদিক এজনে সেই কামটো কৰিবলৈ ৱ'ৰ্ল্ড ৱাইড ৱেব (World Wide Web) ব্যৱহাৰ কৰে।

বৰ্তমান পৃথিৱীৰ সবাতোকৈ বিস্তৃত আৰু সুদূৰপ্ৰসাৰী সংযোগ স্থাপনকাৰী মাধ্যমটো হ'ল ৱেব (Web)। ভৌগোলিক চাৰিসীমাই বিভক্ত কৰা লাখ লাখ লোকৰ মাজত ই সংযোগ সেঁতু স্থাপন কৰিছে। ৱেব-এ বিভিন্ন সম্প্ৰদায় আৰু গোটক ওচৰ চাপি একেলগ হোৱাৰ সুযোগ দিছে। যিকোনো ব্যক্তিয়েই ৱেব-ৰ মাধ্যমেৰে বিপুল সংখ্যক লোকৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে। ৱেবৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। এই সম্ভাৱনীয়তা উপলব্ধি কৰাৰ ফলশ্ৰুতিতে অন্‌লাইন সংবাদ প্ৰকাশনৰ ধাৰণাটোৱে বাস্তৱ ৰূপ ধাৰণ কৰিছে। আজিকালি সকলোবোৰ আগশাৰীৰ আৰু মধ্যমীয়া পৰ্যায়ৰ বাতৰি প্ৰকাশক কোম্পানীৰে নিজ নিজ কাকত-আলোচনীৰ অন্‌লাইন সংস্কৰণ আছে।

অন্‌লাইন সাংবাদিকতাই বাতৰিক 'তাৎক্ষণিক' আৰু সুলভ কৰি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিশ্বৰ ঘটনাৱলীৰ প্ৰতি মিনিটতে শেহতীয়া সংবাদ দিবলৈ এতিয়া কেৱল ২৪ ঘণ্টীয়া সংবাদ চেনেলবোৰেই নাই, বাতৰি ৱেবছাইটবোৰে এই কামত হাত উজান দিছে। তাতো যিকোনো শেহতীয়া তথ্য তৎক্ষণাত আপলোড (Upload) কৰা হয়।

সাংবাদিকতাৰ সকলো পৰ্যায়তে 'ৱেব' ব্যৱহাৰ কৰিব পৰা যায়। বৈদ্যুতিক সংগ্ৰহালয়ৰ

পৰা (Electronic Archive) আপুনি যিকোনো পশ্চাদ তথ্য আহৰণ কৰিব পাৰে, আপোনাৰ কাহিনীটো বিকশাই তোলাৰ সময়ত প্ৰয়োজন হোৱা ব্যক্তিৰ সৈতে ৱেব-ৰ জৰিয়তে সম্পৰ্ক স্থাপন কৰিব পাৰে আৰু যিকোনো সময়তে ইণ্টাৰনে'টত আপুনি আপোনাৰ বাতৰি আৰু মতামত দৃষ্টিভংগীবোৰ আপলোড (Upload) কৰিব পাৰে।

সেয়েহে ক'ব পাৰি যে অন্‌লাইন সাংবাদিকতা নামৰ ধাৰণাটোৱে সংবাদক এক সাধাৰণ পণ্যদ্ৰব্যলৈ (Commodity) পৰ্যবসিত কৰিছে। ৱেব-ৰ মাধ্যমেৰে আজিকালি সকলোৱে পৃথিৱীৰ ক'ত কি ঘটি আছে সেই সম্পৰ্কে গম পাই থাকে। লগতে পৃথিৱীৰ কোনো আওহতীয়া ঠাইত বহি থকা ব্যক্তি এজনে নিজৰ ঘৰুৱা এলেকাত ঘটা ঘটনাবোৰৰ গতি-বিধি জনাটোও তেনেই উজু হৈ পৰিছে। বাতৰিক আজি আৰু কোনো ভৌগোলিক চাৰিসীমাৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰি।

ইণ্টাৰনে'ট সাংবাদিকতাই শেহতীয়া সংবাদ বিৱৰণী আগবঢ়োৱাৰ লগতে সংবাদবোৰৰ সৈতে জড়িত তথ্যবোৰৰ অতি বিস্তৃত ভাণ্ডাৰ হিচাপেও কাম কৰে। এই সুবিধাটো ছপা, টিভি আৰু ৰেডিঅ' মাধ্যমত পোৱা নাযায়। স্থান আৰু সময়ৰ নাটনিয়ে এই মাধ্যমকেইটাই আগবঢ়োৱা সুবিধাসমূহ সীমাবদ্ধ কৰি তোলে।

### ৬.৩.১ অন্‌লাইন সাংবাদিকতা আৰু পৰম্পৰাগত সাংবাদিকতাৰ প্ৰভেদ (Difference Between Online Journalism and Traditional Journalism)

অন্‌লাইন সাংবাদিকতাৰ ভেটিটো পৰম্পৰাগত সাংবাদিকতাৰ প্ৰমূল্যসমূহৰ ওপৰতে গঠিত। কিন্তু দুয়োৰে মাজত কিছুমান প্ৰভেদ বিৰাজমান। প্ৰধান পাৰ্থক্যটো হ'ল অন্‌লাইন সাংবাদিকতাৰ প্ৰযুক্তিনিৰ্ভৰশীলতা। অন্‌লাইন সাংবাদিকতাৰ ই এক উল্লেখযোগ্য বৈশিষ্ট্য। প্ৰযুক্তিয়ে অন্‌লাইন সাংবাদিকতাক সংবাদ গ্ৰহণ-প্ৰেৰণ আৰু বিতৰণ প্ৰক্ৰিয়াবোৰৰ ক্ষেত্ৰ ত সীমাহীন সম্ভাৱনীয়তা প্ৰদান কৰিছে। অন্‌লাইন সাংবাদিকতাক পৰম্পৰাগত সাংবাদিকতাৰ পৰা পৃথক কৰা আন কেইটামান প্ৰধান কাৰণ হ'ল—

- অন্‌লাইন সাংবাদিকতাই ইণ্টাৰনে'টৰ সহায় গ্ৰহণ কৰে। ইণ্টাৰনে'টৰ একাধিক প্ৰচাৰ মাধ্যম সান-মিহলি কৰিব পৰা ক্ষমতা আছে। পৰম্পৰাগত গণ প্ৰচাৰ মাধ্যমবোৰত এই সুবিধাটো নাই।
- অন্‌লাইন সাংবাদিকতাত লেখকৰ পাঠকৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে। কোনেও পাঠকৰ আগ্ৰহ অথবা ৰুচি নিয়ন্ত্ৰণ কৰিব নোৱাৰে।
- অন্‌লাইন সাংবাদিকতাত অন্তঃক্ৰিয়াশীলতাৰ সুবিধা সবাতোকৈ বেছি। ইণ্টাৰনে'টৰ মাধ্যমেৰে লিখিত বিষয় এটাক লৈ লেখক আৰু পাঠক উভয়ে মত বিনিময় কৰিব পাৰে।
- ইণ্টাৰনে'টে যোগাযোগ প্ৰক্ৰিয়াটো অবিৰত ৰখাত সহায় কৰে।

- ইণ্টাৰনে'টৰ মাধ্যমেৰে সংবাদ বিজুলী বেগেৰে বিয়পি পৰে। পৰম্পৰাগত প্ৰচাৰ মাধ্যমৰ ক্ষেত্ৰত এনে ক্ষিপ্ৰতা বাস্তৱত সম্ভৱপৰ নহয়।
- অন্‌লাইন সাংবাদিক এগৰাকীয়ে বহুতো নতুন ধৰণৰ সিদ্ধান্ত ল'বলগীয়া হয়। পৰম্পৰাগত প্ৰচাৰ মাধ্যম সাংবাদিকে এনে সিদ্ধান্ত লোৱাৰ প্ৰয়োজন আহি নপৰে। ছাইবাৰ সাংবাদিক এগৰাকীয়ে ঘটনা এটাৰ বাবে কোনটো প্ৰচাৰ মাধ্যম ফৰমেট উপযুক্ত হ'ব সেই সিদ্ধান্ত ল'ব লাগে। তেওঁ সংবাদ এটা সন্দৰ্ভত পাঠকে সঁহাৰি জনাব পৰাকৈ বিকল্প স্থান মজুত ৰাখিব লাগে। পাঠকৰ সৈতে ভাব বিনিময় কৰাৰ লগতে তেওঁ 'হাইপাৰলিংক'ৰ দৰে সুবিধা ব্যৱহাৰ কৰি কোনো প্ৰাসংগিক ঘটনাৰ লগত ইতিহাস জড়িত কৰাৰ উপায়ো চিন্তা কৰিব লাগে।
- বাতৰি কাকত, টিভি আৰু ৰেডিঅ' ছেনেলৰ বাতৰিবোৰ ৰাইজে প্ৰায় একে সময়তে পঢ়িব, চাব অথবা শুনিব লাগে। কিন্তু ইণ্টাৰনে'ট সংস্কৰণ সাংবাদিকতাৰ ক্ষেত্ৰত কথাটো সুকীয়া। ইয়াত নিৰ্দিষ্ট দৰ্শক-পাঠকবৃন্দই নিজৰ অৱকাশমতে বাতৰিবোৰ চায় অথবা পঢ়ে।
- ছপা, টিভি আৰু ৰেডিঅ' সাংবাদিকতাৰ ক্ষেত্ৰত পুৰণি সংখ্যা নাইবা বুলেটিন বিচাৰি উলিওৱাটো কেতিয়াবা অতি বেমেজালিভৰা প্ৰক্ৰিয়া হৈ পৰে। ইণ্টাৰনে'ট সাংবাদিকতাৰ ক্ষেত্ৰত ই এটা অতি আৰামদায়ক প্ৰক্ৰিয়া। আগৰ সংখ্যাৰ বুলেটিন বিচাৰোতে ইয়াত অকণো কষ্ট নহয়।

## ৬.৩.২ অন্‌লাইন সাংবাদিকতাৰ ইতিহাস (History of Online Journalism)

অন্‌লাইন সাংবাদিকতাৰ বিকাশ এটা ক্ৰমাগত আৰু নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া। ই পৰম্পৰাগত সাংবাদিকৰ ছবিখন সলাই পেলাইছে। ইয়াৰ শিপা বিচাৰিলে আমি ১৯৭০-ৰ দশকৰ 'টেলিটেক্সট্' (Teletext) পদ্ধতিটোলৈ উভতি চাব লাগিব। 'টেলিটেক্সট্'ৰ সহায়ত টেলিভিছনৰ পৰ্দাত ৰাইজে দেখা পোৱাকৈ বিভিন্ন সংবাদ আৰু তথ্য শব্দ আৰু সংখ্যাত প্ৰদৰ্শন কৰা হৈছিল। 'টেলিটেক্সট্'-এ দৰ্শকক কোনো টেলিফোন নাইবা কম্পিউটাৰ ব্যৱহাৰ নকৰাকৈ বিনামূলীয়াভাৱে সংবাদ জনাৰ সুবিধা আগবঢ়াইছিল। কিন্তু এই পদ্ধতিটোৰে অতি সংক্ষিপ্ত ৰূপতহে তথ্য প্ৰচাৰ কৰিব পৰা গৈছিল। ইয়াৰ সৈতে ব্যৱহৃত গ্ৰাফিকছৰ মানো অতি নিম্নস্তৰৰ আছিল। তথ্যবোৰ আপলোড কৰিবলৈকো যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। '৭০ আৰু '৮০ৰ দশকত বহুকেইটা কোম্পানীয়ে 'টেলিটেক্সট্' পদ্ধতিৰ ব্যৱহাৰ আৰম্ভ কৰিছিল যদিও কোনোটোৱেই সফলতাৰ মুখ দেখা নাপালে।

'টেলিটেক্সট্'ৰ পাছত আন এক প্ৰকাৰৰ ডিজিটেল সাংবাদিকতাই আত্মপ্ৰকাশ কৰিছিল। ইয়াৰ নাম হ'ল 'ভিডিঅ'টেক্সট্' (Videotext)। ব্ৰিটিছ টেলিক'ম-এ ইয়াক উদ্ভাৱন কৰিছিল। 'ভিডিঅ'টেক্সট্' মানে আছিল একাধিক কম্পিউটাৰ ভিত্তিক

অন্তঃক্রিয়াশীল পদ্ধতিৰ সমষ্টি। ইয়াত বৈদ্যুতিকভাৱে প্রচাৰ কৰা লিখিত বার্তা, সংখ্যা, টেলিফোন লাইনৰ মাধ্যমেৰে প্রেৰণ কৰা গ্রাফিকছ্ দ্বিমুখী কেবল, কম্পিউটাৰ নে'টৱর্ক নাইবা উল্লিখিত বিষয়বোৰৰ যিকোনো তিনিটা মিলাই লৈ সেৱা আগবঢ়োৱা হৈছিল। টিভি ছেট একোটাত, ভিডিঅ' পর্দাৰ যোগেদি অথবা ব্যক্তিগত কম্পিউটাৰ পর্দাত এনে তথ্য প্রচাৰিত হৈছিল। অন্‌লাইন ক্ষেত্র খনৰ ই এক গুৰুত্বপূর্ণ পৰিবর্তন। ই গ্রাহকক ডেটা প্রেৰণ আৰু গ্রহণ কৰাৰ সুযোগ আগবঢ়াইছিল। 'ভিডিঅ' টেক্সট্'-এ অন্‌লাইন সাংবাদিকতাৰ বিকাশত এক সংঘটকৰ ভূমিকা পালন কৰিছিল।

আজি আমি সকলোৱে জানো যে ৱর্ল্ড ৱাইড ৱেব-ৰ বাবেই অন্‌লাইন সাংবাদিকতাই পুলি-পোখা মেলি সম্প্রসাৰিত হৈছে আৰু বর্তি থাকিব পাৰিছে। ১৯৯৩ চনৰ নৱেম্বৰ মাহত প্রথমটো সাংবাদিকতাভিত্তিক ৱেবছাইট মুকলি কৰা হৈছিল। 'টেলিটেক্সট্'ৰ সহায়ত টেলিভিছনৰ পর্দাত ৰাইজে দেখা পোৱাকৈ বিভিন্ন সংবাদ আৰু তথ্য শব্দ আৰু সংখ্যাত প্রদর্শন কৰা হৈছিল। টেলিটেক্সট্'-এ দর্শকক কোনো টেলিফোন নাইবা কম্পিউটাৰ ব্যৱহাৰ নকৰাকৈ বিনামূলীয়াভাৱে সংবাদ জনাৰ সুবিধা আগবঢ়াইছিল। কিন্তু এই পদ্ধতিটোৰে অতি সংক্ষিপ্ত ৰূপতহে তথ্য প্রচাৰ কৰিব পৰা গৈছিল। ইয়াৰ সৈতে ব্যৱহৃত গ্রাফিক্ছৰ মানো অতি নিম্নস্তৰৰ আছিল। তথ্যবোৰ আপলোড কৰিবলৈকো যথেষ্ট সময়ৰ প্রয়োজন হৈছিল। '৭০ আৰু '৮০ৰ দশকত বহুকেইটা কোম্পানীয়ে 'টেলিটেক্সট্' পদ্ধতিৰ ব্যৱহাৰ আৰম্ভ কৰিছিল যদিও কোনোটোৱেই সফলতাৰ মুখ দেখা নাপালে।

'টেলিটেক্সট্'ৰ পাছত আন এক প্রকাৰৰ ডিজিটেল সাংবাদিকতাই আত্মপ্রকাশ কৰিছিল। ইয়াৰ নাম হ'ল 'ভিডিঅ' টেক্সট্' (Videotext)। ব্রিটিছ টেলিক'ম-এ ইয়াক উদ্ভাৱন কৰিছিল। 'ভিডিঅ'টেক্সট্' মানে আছিল একাধিক কম্পিউটাৰ ভিত্তিক অন্তঃক্রিয়াশীল পদ্ধতিৰ সমষ্টি। ইয়াত বৈদ্যুতিকভাৱে প্রচাৰ কৰা লিখিত বার্তা, সংখ্যা, টেলিফোন লাইনৰ মাধমেৰে প্রেৰণ কৰা গাফ্রিক্ছ, দ্বিমুখী কেবল, কম্পিউটাৰ নেটৱ'র্ক নাইবা উল্লিখিত বিষয়বোৰৰ যিকোনো তিনিটা মিলাই লৈ সেৱা আগবঢ়োৱা হৈছিল। টিভি ছেট একোটাত, ভিডিঅ' পর্দাৰ যোগেদি অথবা ব্যক্তিগত কম্পিউটাৰ পর্দাত এনে তথ্য প্রচাৰিত হৈছিল। অন্‌লাইন ক্ষেত্র খনৰ ই এক গুৰুত্বপূর্ণ পৰিবর্তন। ই গ্রাহকক ডেটা প্রেৰণ আৰু গ্রহণ কৰাৰ সুযোগ আগবঢ়াইছিল। 'ভিডিঅ' টেক্সট্'-এ অন্‌লাইন সাংবাদিকতাৰ বিকাশত এক সংঘটকৰ ভূমিকা পালন কৰিছিল।

আজি আমি সকলোৱে জানো যে ৱর্ল্ড ৱাইড ৱেব-ৰ বাবেই অন্‌লাইন সাংবাদিকতাই পুলি-পোখা মেলি সম্প্রসাৰিত হৈছে আৰু বর্তি থাকিব পাৰিছে। ১৯৯৩ চনৰ নৱেম্বৰ মাহত প্রথমটো সাংবাদিকতাভিত্তিক ৱেবছাইট মুকলি কৰা হৈছিল। ফ্লৰ'ৰিডা কলেজ অফ জার্নেলিজম্ এণ্ড কমিউনিকেশ্যন বিশ্ববিদ্যালয়ে এই ৱেব ছাইটটো সৃষ্টি কৰিছিল। তাৰ পাছৰ বছৰৰ ১৯ জানুৱাৰীত কেলিফ'র্ণিয়াৰ 'পাল এল্ট' ৰীকলি' (Palo

Alto Weekly) নামৰ সাপ্তাহিক কাকতখনে নে'ট সংস্কৰণ থকা বিশ্বৰ প্ৰথমখন বাতৰি কাকত হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। ৱেব-এ পটুৱৈক দ্ৰুতবেগত, সৃজনাত্মকভাৱে আৰু ব্যয়-সাপেক্ষ পদ্ধতিৰে সংবাদ যোগান ধৰিব পাৰিব বুলি বুজি উঠা বহুতো কোম্পানীয়ে লগে লগে একে পথ অনুসৰণ কৰিলে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** অন্‌লাইন সাংবাদিকতাৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

**প্ৰশ্ন নং ২ ঃ** 'টেলিটেক্সট্' সেৱা কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৩ ঃ** 'অন্‌লাইন সাংবাদিকতাত সংবাদ তৎক্ষণাত পৰিৱেশন কৰিব পৰা যায়।' —ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

## ৬.৪ অন্‌লাইন সাংবাদিকতাৰ বৈশিষ্ট্য (CHARACTERISTICS OF ONLINE JOURNALISM)

আগতেই উল্লেখ কৰা হৈছে যে অন্‌লাইন সাংবাদিকতা হ'ল এখন আপেক্ষিকভাৱে নতুন ক্ষেত্ৰ। পৰম্পৰাগত সাংবাদিকতাৰ সৈতে ইয়াৰ কিহত প্ৰভেদ আছে সেয়া আপোনালোকে আগৰ শাখাত পঢ়িলে। প্ৰভেদবোৰ ভালদৰে বুজি পাবলৈ অন্‌লাইন সাংবাদিকতাৰ বিভিন্ন বৈশিষ্ট্যৰ কথাও আপোনালোকে জানি থ'ব লাগিব। এইবিধ সাংবাদিকতাৰ প্ৰধান বৈশিষ্ট্যকেইটা

হ'ল হাইপাৰটেক্সট্, অন্তঃক্রিয়াশীলতা আৰু মাল্টিমিডিয়াৰ ব্যৱহাৰ।

**হাইপাৰটেক্সট্ (Hypertext) ঃ** অন্‌লাইন সাংবাদিকতাত এটা ঘটনা অথবা এখন প্রতিবেদনৰ একাধিক সংলগ্ন ঘটনা থাকে। এনে ঘটনাবোৰ 'হাইপাৰলিংক' নামৰ সুবিধাটোৰ জৰিয়তে মূল ঘটনা নাইবা প্রতিবেদনৰ সৈতে সংলগ্ন কৰি ৰখা হয়। অন্‌লাইন সাংবাদিকে প্রয়োজন সাপেক্ষে তেওঁ লিখা ঘটনা অথবা প্রতিবেদনৰ সত্যতা সাব্যস্ত কৰিবলৈ এনেদৰে অন্য প্রাসংগিক সমলৰ নিজৰ লিখাটোৰ সৈতে যোগসূত্র স্থাপন কৰাই দিয়ে। এই আনুষংগিক ঘটনাবোৰ সংবাদ ৱেবছাইটটোতেই নাইবা ৱৰ্ল্ড ৱাইড ৱেব-ৰ যিকোনো পে'জত (Page) থাকিব পাৰে। এনে সংলগ্ন ঘটনাবোৰে মূল ঘটনাটোৰ পৰিপূৰক হিচাপে কাম কৰে আৰু পাঠকক কোনো ঘটনাৰ পৃষ্ঠভূমিৰ তথ্য জনাত সহায় কৰে।

**আন্তঃক্রিয়াশীলতা (Interactivity) ঃ** অন্‌লাইন সাংবাদিকতাত আন্তঃক্রিয়াশীলতাৰ সর্বাধিক সুযোগ পোৱা যায়। বাতৰিকাকতত পঢ়ুৱৈৰ চিঠি প্রকাশ কৰা শিতান একোটা থাকে, টিভি আৰু ৰেডিঅ'ৰ দর্শকে চিঠি লিখি অথবা টেলিফোনৰ মাধ্যমেৰে নিজৰ মতামত জনাব পাৰে। কিন্তু অন্‌লাইনত ঘটনা এটাৰ বিষয়ে পঢ়া পঢ়ুৱৈয়ে যিকোনো সময়তে নিজৰ মতামত লিখকক জনাব পাৰে আৰু লিখকেও ইয়াৰ প্রত্যুত্তৰ দিব পাৰে। এই মাধ্যমত প্রেৰক আৰু গ্রাহকৰ মাজত তথ্যৰ এটা নিৰন্তৰ স্রোত সৰবৰাহ হৈ থাকে।

**মাল্টিমিডিয়া (Multimedia) ঃ** অন্‌লাইন সাংবাদিকতাৰ আন এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে মাল্টিমিডিয়াৰ প্রয়োগ। ৱেব-ত প্রকাশিত ঘটনা অথবা কাহিনী এটাৰ সৈতে বিভিন্ন ছবি, গ্রাফিক্ছ, শ্রব্য উপাদান আৰু ভিডিঅ' ফুটেজ সংলগ্ন কৰিব পাৰি। প্রচাৰ মাধ্যমৰ সমধর্মিতাই এই প্রক্রিয়াটোক সম্ভৱপৰ কৰি তুলিছে।

এই তিনিটা প্রধান বৈশিষ্ট্যৰ উপৰি অন্‌লাইন সাংবাদিকতাৰ অন্য বৈশিষ্ট্য কেইটামান হ'ল— ইয়াৰ সংৰক্ষণ সামর্থ (Archiving Capacity), তাৎক্ষণিকতা (Immediacy) আৰু নন্-লিনিয়েৰ বিন্যাস (Non-Linear Structure)। ৱেবছাইটবোৰে একো একোটা সংগ্রহালয় (Archive) সৃষ্টি কৰি লয়। তাত সকলো পুৰণি আৰু প্রাসংগিক কাহিনী সাঁচি থোৱা হয়। পঢ়ুৱৈয়ে যিকোনো সময়তে যিকোনো তথ্য এনে 'আর্কাইভ'সমূহৰ পৰা আহৰণ কৰিব পাৰে। পৰম্পৰাগত প্রচাৰ মাধ্যম শৈলীত এই সুবিধাটো গঢ়ি তোলা সম্ভৱ নহয়। বাতৰিকাকত আৰু টিভি ষ্টেশ্যনবোৰে নিজৰ ঘটনা-সংবাদ আদি জমা কৰি থয় যদিও গ্রাহকে তেনে তথ্য সহজে পোৱাৰ কোনো সুযোগ নাই।

অন্‌লাইন সাংবাদিকতাৰ তাৎক্ষণিকতা গুণটোৰ কথা সকলোৰে বিদিত। যিকোনো ঘটনা অথবা সংবাদ তৎক্ষণাত সংবাদ ৱেবছাইটবোৰত 'আপলোড' কৰা হয়। পাঠকে তৎক্ষণাৎ সেইবোৰ পঢ়িবলৈ পায়। অন্‌লাইন সাংবাদিকতাই 'ব্রেকিং নিউজ'ৰ (Breaking News) ক্ষেত্রত সংবাদ ছেনেলবোৰক প্রত্যক্ষ প্রত্যাহ্বান জনাইছে।

অন্‌লাইন সাংবাদিকতাৰ ক্ষেত্রখনত তথ্য নন্-লিনিয়েৰ পদ্ধতিৰে আহৰণ কৰিব পাৰি। ৱেব ব্যৱহাৰকাৰীয়ে নিজৰ পচন্দমতে কোনো ঘটনা আগত নাইবা পাছত পঢ়িব পাৰে।

ৰেবছাইটবোৰে নিজ নিজ ছাইটৰ প্ৰথম পৃষ্ঠাতে প্ৰধান সংবাদবোৰ পৰিৱেশন কৰে যদিও পঢ়ুৱৈয়ে সেইবোৰ নপঢ়াকৈয়ে প্ৰথম পৃষ্ঠাত 'লিংক' থকা সৰু সৰু ঘটনাবোৰ আগতে পঢ়িব পাৰে। ৰেডিঅ' আৰু টিভিৰ ক্ষেত্ৰত সংবাদ কক্ষৰ বিষয়াসকলৰ নিৰ্দেশনা অনুসৰি সংবাদবোৰ একোটা ক্ৰমত পৰিৱেশন কৰা হয়। তদুপৰি অন্‌লাইন সংবাদ পৰিৱেশন শৈলীটো নন্‌-লিনিয়েৰ হোৱা হেতুকে তথ্যবোৰ লিখিত বাতৰি এটা বৃহৎ খণ্ডৰূপে সজোৱা নাথাকে। তাৰ সলনি সংবাদবোৰ সৰু সৰু শিতানত ভগোৱা হয় আৰু শিতান অনুসৰি 'লিংক' স্থাপন কৰা হয়। সেয়েহে পঢ়ুৱৈ এজনে কোনো সংবাদৰ কেৱল জৰুৰী অংশটো পঢ়িব পাৰে নাইবা তাৰ পৃষ্ঠভূমিৰ তথ্যবোৰ জনাৰ প্ৰয়াৰ কৰিব পাৰে।

## ৬.৪.১ অন্‌লাইন সাংবাদিকতাৰ সুবিধাসমূহ (Advantages of Online Journalism)

যদি আপুনি অন্‌লাইন সাংবাদিকতাৰ বৈশিষ্ট্যসমূহ ভালদৰে বুজি পাইছে তেন্তে আপুনি নিশ্চয় এই কথাও অনুধাৱন কৰিব পাৰিছে যে দৰাচলতে এই বৈশিষ্ট্যবোৰেই হ'ল অন্‌লাইন সাংবাদিকতাৰ সুবিধা। প্ৰযুক্তিগত বিকাশ আৰু ৰেব ভিত্তিক সাংবাদিকতাৰ জনপ্ৰিয়তাৰ ভালেকেইটা ইতিবাচক সুফল পৰিলক্ষিত হৈছে। অন্‌লাইন সাংবাদিকতাই পৰম্পৰাগত সাংবাদিকতাৰ ভাল দিশবোৰৰ সম্প্ৰসাৰণ ঘটোৱাৰ লগতে ইয়াক প্ৰযুক্তিগত বিকাশৰ সৈতে লগ লগাই পৰম্পৰাগত সাংবাদিকতাৰ মানো উন্নত কৰিছে। ইণ্টাৰনে'ট সংলগ্ন হোৱাৰ বাবে ধাৰণাটো আন বহুতো কৌশলগত সা-সুবিধা যোগ হৈছে। অন্‌লাইন সাংবাদিকতাৰ সুবিধা দুটামান হ'ল—

১) অন্‌লাইন প্ৰকাশনে নতুন পঢ়ুৱৈক আকৰ্ষণ কৰিব পাৰে। বাতৰিকাকত এখনে ইয়াৰ অন্‌লাইন সংস্কৰণ প্ৰকাশ কৰাৰ আঁৰত বিভিন্ন উদ্দেশ্য থাকিব পাৰে। কিন্তু প্ৰধান উদ্দেশ্যটো হ'ল আগতকৈ অধিকসংখ্যক পঢ়ুৱৈক আকৃষ্ট কৰা আৰু ছপা হোৱা সামগ্ৰীবোৰৰ বিক্ৰী বঢ়োৱা। অন্‌লাইন বিভাগে এই ক্ষেত্ৰত বিভিন্ন সহায় আগবঢ়ায়।

২) অন্‌লাইন সাংবাদিকতাৰ বৃহৎ পৰিমাণৰ তথ্য জমা ৰখাৰ সামৰ্থ আছে। ঘটনাবোৰ অন্‌লাইনত বছৰৰ পাছত বছৰ ধৰি সাঁচি ৰাখিব পাৰি।

৩) অন্‌লাইন প্ৰকাশনে প্ৰকাশ আৰু বিতৰণৰ খৰচ কমাব নাইবা শূন্য কৰিব পাৰে।

৪) অন্‌লাইন সাংবাদিকে নিজৰ লেখনি লিখাৰ বাবে পৰ্যাপ্ত স্থান পায়। বাতৰিকাকত, আলোচনীৰ বাবে নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত লিখিব লাগে। অন্‌লাইন সাংবাদিকে ঘটনা এটাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিব পাৰে আৰু সু-বিস্তৃত, গভীৰ অনুসন্ধানমূলক প্ৰতিবেদন লিখিব পাৰে।

৫) ইণ্টাৰনে'টে মাল্টিমিডিয়া ব্যৱহাৰ কৰাৰ সুবিধা দিয়ে। যিকোনো সংবাদেই লিখিত

বার্তা, ভিডিঅ', শ্রব্য উপাদান, ছবি আৰু গ্রাফিক্‌ছ সংলগ্ন কৰি উপস্থাপন কৰিব পৰা যায়।

৬) ইণ্টাৰনে'ট সাংবাদিকতাৰ আন এটা ইতিবাচক দিশ হ'ল আন্তঃক্রিয়াশীলতা। এই সুবিধাটো থকা বাবে পাঠক, লিখক আৰু সম্পাদকসকলে পৰস্পৰে পৰস্পৰৰ লগত সঘনাই আৰু প্রত্যক্ষভাৱে মত বিনিময় কৰিব পাৰে।

৭) ইণ্টাৰনে'টৰ বহুল প্রসাৰ ঘটা বাবে পাঠকে বিচৰা তথ্য পৃথিৱীৰ যিকোনো প্রান্তৰ পৰা আহৰণ কৰিব পাৰে। আজিৰ পাঠকক স্থানীয় মাধ্যমৰ সীমাৱদ্ধতাই বান্ধি ৰাখিব নোৱাৰে। অন্‌লাইন সাংবাদিকতাই মুহূর্ততে বিশ্বব্যাপী পাঠক সমাজ লাভ কৰে।

## ৬.৪.২ অন্‌লাইন সাংবাদিকতাৰ সীমাবদ্ধতা (Limitations of Online Journalism)

অন্‌লাইন সাংবাদিকতাৰ বহুকেইটা সুবিধা আছে যদিও ইয়াৰ কিছুমান অসুবিধাও নথকা নহয়। তলত তেনে অসুবিধা কেইটামানৰ বিষয়ে উল্লেখ কৰা হ'ল—

১) অন্‌লাইন সাংবাদিকতাৰ সবাতোকৈ উল্লেখযোগ্য দুর্বলতা হ'ল অন্‌লাইন সংবাদ উৎসবোৰৰ কোনো বিশ্বাসযোগ্যতা নথকাটো। ৱেব-ত যিকোনো অজ্ঞাত লিখকে নিজৰ দৃষ্টিভংগী লিখিব পাৰে। ইণ্টাৰনে'ট সংযোগ থকা যিকোনো লোকেই সাংবাদিক হ'ব পাৰে। ইয়াত কেৱল ব্যক্তিৰ নামেই নহয়, প্রতিষ্ঠানৰ নাম পর্যন্ত ভুৱা হ'ব পাৰে। আনকি বিশ্বাসযোগ্যতা অর্জন কৰা সংবাদ ৱেবছাইটবোৰেও হাইপাৰলিংকিং-ৰ মাধ্যমত নিজৰ ৱেবছাইটৰ বাহিৰৰ অন্য কোনো বিশ্বাসৰ অযোগ্য ছাইটৰ তথ্য সংলগ্ন কৰি দিব পাৰে। এনেধৰণৰ 'লিংকড্‌ পে'জত সঠিক তথ্য নাথাকিবও পাৰে। ফলত পঢ়ুৱৈ বিভ্রান্ত হৈ পৰাৰ সম্ভাৱনা থাকে।

২) অন্‌লাইন সাংবাদিকতাৰ আনটো অসুবিধা ইয়াৰ সুবিধাবোৰৰ মাজৰ পৰাই সৃষ্টি হয়। অন্‌লাইন সাংবাদিকতা অতি দ্রুতবেগী। কেতিয়াবা তথ্য যোগান ধৰাৰ তাগিদাত বহুতো প্রধান তথ্য উল্লেখ নকৰাকৈ ৰৈ যায়। যিমান ক্ষিপ্রতাৰে সংবাদে গতি কৰে, সিমানেই ভুল হোৱাৰ সম্ভাৱনাও বৃদ্ধি পায়। কামৰ গতি দ্রুত হোৱাৰ ফলতে সংবাদ অসাৱধানতা আৰু আওকণীয়া মনোভাৱৰ বলি হ'ব পাৰে।

৩) কুম্ভিলক বৃত্তি লেখনি (Plagiarism), ফটো বিকৃতকৰণ (Photo Manipulation) আৰু পৰিপূৰক সমল 'প'ষ্ট' (Post) কৰা আদি হ'ল অন্‌লাইন সাংবাদিকতাৰ আন এটা ত্রুটি। ৱেব-ত সাংবাদিকতাৰ সংজ্ঞা নির্দ্ধাৰণ কৰিব পৰা কোনো ধৰা-বন্ধা নীতি-নিয়ম নাই। সেয়েহে ইয়াত নকল লেখনি পৰীক্ষা কৰাৰো কোনো উপায় নাই। প্রযুক্তিগত বিকাশৰ ফলত ফটোৰ প্রকৃত ৰূপ সলনি কৰাৰ ঘটনা বৃদ্ধি

পাইছে। ফটোবোৰ বিকৃত কৰি সম্পূৰ্ণ বেলেগ ৰূপত প্ৰকাশ কৰা হয়। পৰম্পৰাগত সাংবাদিকতা ক্ষেত্ৰ খনত ফৰ্‌মেট অথবা শৈলী আৰু সাংবাদিকতাৰ কিছুমান ধৰা-বন্ধা মান (Standard) থাকে। অন্‌লাইন সাংবাদিকতাই এতিয়াও সেই পৰ্যায়টো পোৱাগৈ নাই।

## ৬.৪.৩ অন্‌লাইন সাংবাদিকতাৰ নৈতিক প্ৰমূল্য (Ethical Constraints of Online Journalism)

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট ৰূপত বুজা গ'ল যে অন্‌লাইন সাংবাদিকতাৰ নেতিবাচক দিশবোৰৰ তুলনাত ইতিবাচক দিশবোৰৰ সংখ্যা অধিক। কিন্তু অন্‌লাইন সাংবাদিকতাৰ নৈতিকতাৰ দিশটোৱে ইয়াৰ সকলো ইতিবাচক দিশৰ ওপৰত প্ৰশ্নচিহ্নৰ অৱতাৰণা কৰিছে।

পৰম্পৰাগত সাংবাদিকতাৰ এক নিৰ্দিষ্ট নৈতিক সংহিতা থাকে। অৱশ্যে এনে সংহিতা লিখিত ৰূপত নাথাকিবও পাৰে। তথাপিও এই সংহিতা সকলোৱে মানি চলে। ছপা মাধ্যমৰ সৈতে এই সংহিতা গঢ় লৈ উঠিছিল। পাছত সম্প্ৰচাৰ মাধ্যমে তাত কিছু শুধৰণি কৰি ল'লে। কিন্তু শেহতীয়া অন্‌লাইন সাংবাদিকতাই সাংবাদিকৰ নৈতিক প্ৰমূল্যৰ ক্ষেত্ৰ খনত বিভিন্ন চেকা পেলোৱা পৰিলক্ষিত হৈছে। ৰেব লেখনিক ইয়াৰ পৰিসীমাৰ ভিতৰত সামৰি ল'ব পৰাকৈ সাংবাদিকৰ নৈতিক প্ৰমূল্য সংহিতাখনত এতিয়াও সংশোধন ঘটাবলৈ বাকী আছে।

এইবিধ সাংবাদিকতাৰ ক্ষেত্ৰ ত উত্থাপিত সবাতোকৈ ডাঙৰ নৈতিকতাৰ প্ৰশ্নটো হৈছে সংবাদৰ বেগ আৰু সঠিক ৰূপৰ মাজত সৃষ্টি হোৱা বিতৰ্ক। তথ্য তৎক্ষণাত সদৰি কৰা উচিত নে কাৰণবোৰৰ সত্যতা প্ৰতিপন্ন হোৱালৈ ৰোৱা উচিত সেইটো সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰিছে। এই প্ৰশ্নটোৱে আনকি পৰম্পৰাগত প্ৰচাৰ মাধ্যম শৈলীবোৰৰ বাবেও এক চিন্তনীয় বিষয়ৰ ৰূপ লৈছে। কিন্তু অন্‌লাইন সাংবাদিকতাৰ ক্ষেত্ৰত প্ৰশ্নটোৱে গুৰুতৰ ৰূপ ধাৰণা কৰিছে। ছাইবাৰ সাংবাদিকতাৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত থকা তাৎক্ষণিকতা। যেতিয়াই কোনো ঘটনাই বাতৰিৰ শিৰোনামা দখল কৰে তৎমুহূৰ্ততে শেহতীয়া ৰূপত সংবাদটো 'আপলোড' কৰা হয়। তথ্যৰ নিৰ্ভৰযোগ্যতা নাইবা যথাৰ্থতা বিবেচনা নকৰাকৈয়ে সংবাদ প্ৰচাৰ কৰা হয়। 'অন্‌লাইন ব্ৰে'কিং নিউজ' প্ৰচাৰৰ প্ৰতিযোগিতাত নমা অধিকাংশ ৰেবছাইটে তথ্যৰ যথাৰ্থতা পৰীক্ষা কৰি চোৱা বিষয়টো এৰাই চলে। ই সাংবাদিকতাৰ নৈতিক প্ৰমূল্য মানৰ গুৰুতৰ উলংঘন।

অন্‌লাইন সাংবাদিকতাৰ ক্ষেত্ৰত দেখা দিয়া আন এটা নৈতিকতাৰ সৈতে জড়িত সমস্যাৰ সৃষ্টি হয় বিজ্ঞাপনদাতাৰ চাহিদাৰ পৰা। সাংবাদিক এগৰাকীক এটা যথাৰ্থ সংবাদ লিখিবলৈ পূৰ্ণ স্বাধীনতাৰ প্ৰয়োজন। যেতিয়া তেওঁ বিজ্ঞাপনৰ প্ৰয়োজনীয়তাৰ প্ৰতি অধিক মনোযোগ দিবলগীয়া হয় তেতিয়া তেওঁৰ লেখনিৰ পৰা

যথার্থতা হেৰাই যায়। ই হ'ল নৈতিকপ্রমূল্য মানৰ সম্পূর্ণ উলংঘন। ছপা আৰু সম্পচাৰ মাধ্যমত সম্পাদকীয় বিষয়সূচী আৰু বিজ্ঞাপন সূচীৰ মাজৰ প্রভেদ সহজে ধৰিব পাৰি। কিন্তু অন্‌লাইন শৈলীত এই প্রভেদৰ মাজৰ সীমাডাল অতি অস্পষ্ট। এই সমস্যাটোৱে অধিক জটিল ৰূপ ধাৰণ কৰাৰ মূল কাৰণ হ'ল ৱেছাইটৰ মালিকসকলে ইয়াৰ দর্শক-পাঠকৰ পৰা কোনে আর্থিক লাভ আহৰণ কৰিব নোৱাৰে। ইণ্টাৰনে'ট ব্যৱহাৰকাৰীসকলে বেচছাইট খুলি চোৱাৰ বাবদ কোনো মূল্য ভৰিবলগীয়া নহয়। তেওঁলোকে কেৱল বিজ্ঞাপনদাতাৰ পৰাহে শুল্ক আহৰণ কৰিব পাৰে। সেয়েহে বিজ্ঞাপনদাতাক সন্তুষ্ট কৰাতো ৱেবছাইট মালিকৰ বাবে প্রয়োজনীয় কাম।

অন্‌লাইন সাংবাদিকতাৰ তথ্য সংৰক্ষণ সামর্থও কেতিয়াবা ইয়াৰ দুর্বলতা হৈ পৰে। আগতেই উল্লেখ কৰা হৈছে যে ৱেবছাইটবোৰে বিশ্বৰ সকলো ঠাইৰে তথ্য আৰু ছবি গোটাই সেয়া অনির্দিষ্ট কালৰ বাবে সংৰক্ষণ কৰি থ'ব পাৰে। ইয়াৰ অর্থ হ'ল কোনো অশুদ্ধ তথ্য নাইবা নৈতিক প্রমূল্য উলংঘনকাৰী বিষয় তেনেদৰেই জমা হৈ থাকে আৰু যিমানে ইয়াৰ প্রসাৰ হয় সিমানে ই ক্ষতি কৰে। এনেদৰে জমা হৈ থকা অশুদ্ধ তথ্যবোৰ ছাইট খুলি চোৱা সকলো দর্শকে অশুদ্ধ ৰূপতেই লাভ কৰিব।

এইবিধ সাংবাদিকতাৰ নৈতিক প্রমূল্যক লৈ প্রশ্ন উত্থাপিত হোৱাৰ আন এটা কাৰণ হ'ল ৱেবছাইটৰ হাইপাৰলিংকবোৰ। বিভিন্ন ৱেবছাইটৰ বহুতো ঘটনাৰে অন্য ৱেবছাইটৰ একে ঘটনাৰ সৈতে হাইপাৰলিংক যোগসূত্র থাকে। এনেদৰে হাইপাৰলিংক পদ্ধতিৰে খোল খোৱা আনুষংগিক তথ্যবোৰ শুদ্ধ নহ'বও পাৰে। সাংবাদিক এগৰাকীয়ে 'লিংক' (Link) স্থাপন কৰা তথ্য এটাৰ যথার্থতা নিশ্চিত কৰিব নোৱাৰে। সমস্যাটো দূৰ কৰিবলৈ সাংবাদিক আৰু সম্পাদকসকলে 'লিংক' স্থাপন কৰা সূত্রবোৰ মনোযোগেৰে নিৰীক্ষণ কৰিব লাগিব আৰু তেনে 'লিংক' ঘটনাবোৰ যে নিজৰ ৱেবছাইটৰ অংশ নহয় ব্যৱহাৰকাৰীক সেই বিষয়ে সাৱধান কৰি দিব লাগিব।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৪ ঃ** অন্‌লাইন সাংবাদিকতাৰ নন্‌-লিনিয়েৰ বিন্যাসটো ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

.....

**প্রশ্ন নং ৫ ঃ** সাংবাদিকৰ অন্‌লাইন লেখনিৰ ইতিবাচক দিশবোৰ কি?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৬ ঃ** খালী ঠাই পূৰণ কৰক ঃ

ক) অন্‌লাইন সাংবাদিকতাৰ সর্বাধিক ..... সামর্থ্য থাকে।

খ ) অন্‌লাইন সাংবাদিকতাত নৈতিকতাৰ সৈতে জড়িত আন এটা সমস্যাৰ সৃষ্টি হয় ..... চাহিদাৰ পৰা।

গ) আজিকালি অধিকাংশ বাতৰিকাকতৰে ..... সংস্কৰণ আছে।

ঘ) অন্‌লাইন সংস্কৰণে ..... ব্যয় নাইকিয়া কৰে।

ঙ) অন্‌লাইন বাতৰিকাকতে ..... পৰা ৰাজহ সংগ্রহ কৰে।



**অনুশীলনী ৬.১**

আছাম ট্রিবিউনৰ দৰে এখন প্রধান বাতৰিকাকত সংগ্রহ কৰক। মুখ্য বাতৰিকেইটা পঢ়ক। একেখন বাতৰিকাকতৰে অন্‌লাইন সংস্কৰণটো খুলি চাওক। বাতৰিবোৰত যদি কিবা উল্লেখনীয় পার্থক্য আছে, একেটা বাতৰি লিখাৰ শৈলী যদি ভিন ভিন বুলি ধৰিব পাৰিছে, তেন্তে সেই প্রভেদবোৰ বাছি উলিয়াওক।

.....

.....

.....

## ৬.৫ ‘ৱেব’ৰ বাবে কেনেকৈ লিখিব লাগে (WRITING FOR THE WEB)

অন্‌লাইন বাতৰিকাকতৰ দিনে দিনে বাঢ়ি গৈ থকা জনপ্রিয়তা অক্ষুণ্ণ ৰাখিবলৈ ক্ষেত্রখনত সাংবাদিকৰ চাহিদাও ঊর্ধমুখী হৈছে। পৰম্পৰাগত সাংবাদিকতা আৰু অন্‌লাইন সাংবাদিকতাৰ মাজত কিছু প্রভেদ আছে। অন্‌লাইন সাংবাদিকসকলে সাংবাদিকৰ এটা নতুন শ্রেণীৰ সৃষ্টি কৰিছে। শিক্ষানুষ্ঠানত শিকোৱা সাংবাদিকতাৰ নীতি-নিয়মবোৰ অন্‌লাইন সাংবাদিকতাই সলাই

পেলাইছে। আজিকালি নতুন পদ্ধতিৰে সাংবাদিকতাৰ শিক্ষা দিয়া হয়। সাংবাদিকতাৰ পাঠ্যক্ৰম আগবঢ়োৱা শিক্ষানুষ্ঠানবোৰে নিজ নিজ পাঠ্যক্ৰমত অন্‌লাইন সাংবাদিকতাৰ বিষয়টোকো স্থান দিছে। এইক্ষেত্ৰত অন্যধৰণৰ কিছু অৰ্হতাৰ প্ৰয়োজন হয়। অন্‌লাইন সাংবাদিক অথবা লেখক কেনেদৰে হ'ব পাৰি? তলত ৰেবছাইটৰ বাবে প্ৰভাৱশালী পদ্ধতিৰে লিখাৰ কেইটামান কিটিপ তুলি দিয়া হ'ল—

১) অন্‌লাইন পাঠকৰ মনোযোগৰ স্থায়ীত্ব নিচেই কম। তেওঁলোকে তথ্য স্কেন (Scan) বেছিকৈ কৰে, কিন্তু পঢ়ে কম। কিছুমান পাঠকে 'ছার্চ ইঞ্জিন'ৰ (Search Engine) সহায়ত কাহিনী-তথ্য গোটাই লয়। এই শ্ৰেণীৰ পাঠকক আকৰ্ষিত কৰিবলৈ আপুনি আপোনাৰ লেখনিত সঠিক 'কীৱৰ্ড' (Keywords) অৰ্থাৎ প্ৰধান শব্দ ব্যৱহাৰ কৰিবলৈ শিকিব লাগিব।

২) 'কীৱৰ্ড'-এ ইণ্টাৰনে'ট পৃথিৱীখন নিয়ন্ত্ৰণ কৰে। সৰ্বাধিক পাঠক লাভ কৰিবলৈ আপুনি যাতে আপোনাৰ লেখনিত উপযুক্ত 'কীৱৰ্ড' ব্যৱহাৰ কৰে তালৈ মন দিব। 'কীৱৰ্ড' একোটাই ইণ্টাৰনে'ট ব্যৱহাৰকাৰী অথবা 'ছার্চ ইঞ্জিন'ক আপোনাৰ লেখনিটোৰ কেন্দ্ৰীয় বিষয় বুজি পোৱাত সহায় কৰে। গুগল্‌ আৰু য়াহুৰ দৰে 'ছার্চ ইঞ্জিন'বোৰে 'কীৱৰ্ড'ৰ সহায়ত ব্যৱহাৰকাৰীক সংবাদ বিচাৰি উলিওৱাত সহায় কৰে। উদাহৰণস্বৰূপে যদি আপোনাৰ লেখনিটোৰ বিষয় 'সাম্প্ৰদায়িক বিদ্ৰোহ', তেন্তে লেখনিটোত যাতে 'ধৰ্ম', 'বিদ্ৰোহ', 'হিন্দু', 'মুছলমান' আদি শব্দবোৰ থাকে সেয়া সুনিশ্চিত কৰক। কোনো আগ্ৰহী পাঠকে যদি 'ছার্চ ইঞ্জিন'ৰ জৰিয়তে সাম্প্ৰদায়িক বিদ্ৰোহৰ ওপৰত লিখা লেখনি বিচাৰে, তেন্তে তেওঁ এনেকুৱা নিৰ্দিষ্ট শব্দ দুটামান প্ৰয়োগ কৰাতো নিশ্চিত। তেতিয়া ইণ্টাৰনে'টে তেওঁক আপোনাৰ লেখনিটো দেখুৱাই দিব।

৩) লেখনিৰ প্ৰথম দফাতেই 'কীৱৰ্ড' ব্যৱহাৰ কৰিব। তাৰ পাছত গোটেই লেখনিটোত মাজে মাজে শব্দটো/শব্দকেইটা ব্যৱহাৰ কৰি থাকিব। বাৰে বাৰে একেটা কথাকে লিখি থকাৰ নিচিনা ভাৱটো নোহোৱা কৰাটো এটা কঠিন কাম। তথাপি আপুনি নিজৰ ক'বলগীয়াখিনি স্পষ্টকৈ ক'বই লাগিব।

৪) লেখনিৰ প্ৰথম দফাটোত আপোনাৰ 'হোম ছাইট'ৰ সৈতে এটা 'হাইপাৰলিংক' স্থাপন কৰি দিয়ক।

৫) আপোনাৰ সংবাদ কাহিনীটোৰ শিৰোনামটোও আন এটা গুৰুত্বপূৰ্ণ অংশ। পাঠকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ 'কেট্‌ছী' (Catchy) শিৰোনাম এটা দিব লাগে। শিৰোনামটোৱে দৰ্শকৰ মনোযোগ যাতে নোহোৱা কৰি নেপেলায় তালৈ মন কৰিব। 'ছার্চ ইঞ্জিন'বোৰক আপোনাৰ লেখনিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ শিৰোনামত 'কীৱৰ্ড' ব্যৱহাৰ কৰক আৰু তেনে শব্দ একেবাৰে প্ৰথমতে ৰাখক। উদাহৰণস্বৰূপে যদি আপোনাৰ লেখনিটোৰ 'কীৱৰ্ড' 'প্ৰমূল্যভিত্তিক শিক্ষা', তেন্তে শিৰোনামৰূপে 'অমৃত মাথুৰে অংশগ্ৰহণ কৰা প্ৰমূল্যভিত্তিক শিক্ষা বিষয়ক আলোচনা চক্ৰ' জাতীয় বাক্য

ব্যৱহাৰ নকৰিব। তাৰ সলনি লিখক 'প্ৰমূল্যভিত্তিক শিক্ষা বিষয়ক আলোচনা চক্ৰত অমৃত মাথুৰ।' বাক্যটো কৰ্মবাচ্যমূলক হ'লেও আপোনাৰ 'কীৱৰ্ড'-এ প্ৰথমতে স্থান পাইছে।

৬) অন্‌লাইন সাংবাদিকতাই হওক অথবা পৰম্পৰাগত সাংবাদিকতাই হওক, বাতৰিৰ প্ৰতিবেদন যুগুত কৰাৰ এটা বিশেষ ধৰণ আছে। সৃজনাত্মক হওক, কিন্তু যথার্থতা হেৰুৱাই নেপেলাব। বাতৰি এটা পক্ষপাতিত্বমূলক হ'ব নালাগে আৰু কোনো ধৰণৰ অনৰ্থক অতিৰঞ্জন (Hype) থাকিব নালাগে।

৭) আপোনাৰ সামগ্ৰী বলপূৰ্বকভাৱে বিক্ৰী কৰাৰ চেষ্টা নকৰিব। যদিও আমি সকলোৱেই নিজৰ কৌশল অথবা সামগ্ৰী বিক্ৰী কৰিবলৈ আগ্ৰহী, তথাপি সেই প্ৰৱণতা আপোনাৰ লেখনিত প্ৰকট হ'বলৈ নিদিব। আপোনাৰ লক্ষ্য অৱগত কৰোৱা, পতিয়ন নিওৱা নহয়। এই কামটো কৰাৰ শ্ৰেষ্ঠ উপায় হ'ল কোনো সমস্যাৰ বিষয়ে উল্লেখ কৰক, তাৰ পাছত সমস্যাটোৰ সমাধান হিচাপে আপোনাৰ মতামত, দিহা-পৰামর্শ লিখক।

৮) আপোনাৰ লেখনিটোত থকা অন্য পার্থক্যবোৰৰ ওপৰত জোৰ দিয়াৰ চেষ্টা কৰক। অনন্য আৰু বিতর্কিত ঘটনাবোৰে দর্শকৰ সর্বাধিক মনোযোগ আকর্ষণ কৰিব পাৰে।

৯) প্ৰাসংগিক উল্লেখ (References) হিচাপে ব্যক্তিগত কাহিনী উল্লেখ কৰক। মানুহৰ নাম আৰু বাস্তৱ জীৱনত ঘটা ঘটনাৰ বিষয়ে কওক। পাঠকে মানৱীয় স্বার্থজড়িত কাহিনী পঢ়ি ভাল পায়। ই লগতে আপোনাৰ লেখনিৰ নির্ভৰযোগ্যতাও বৃদ্ধি কৰিব।

১০) আপোনাৰ মতৰ সপক্ষত উদ্বৃতিও (Quote) ব্যৱহাৰ কৰিব পাৰে। কিন্তু তেনে উদ্ধৃতি সংলগ্ন কৰাৰ আগতে সংশ্লিষ্ট সকলোৰে পৰা যাৱতীয় অনুমতি লওক।

১১) থিয় পিৰামিড শৈলীত (Inverse Pyramid Style) লিখিলে সফলতা লাভ কৰিব পৰা যায়। প্ৰথম দফাটোতে সবাতোকৈ জৰুৰী তথ্যটো সদৰি কৰক। পাছত তাৰ ব্যাখ্যা আগবঢ়াওক। কিন্তু শেষৰ দফাত প্ৰধান বিষয়টো আকৌ এবাৰ উল্লখ কৰিবলৈ নাপাহৰিব।

১২) কৃবাচ্য (Active Voice) আৰু শক্তিশালী ক্ৰিয়াপদ (Strong Verbs) প্ৰয়োগ কৰক। তেতিয়া আপানাৰ লেখনিটো গুৰুত্বপূর্ণ আৰু তাৎক্ষণিক যেন লগা হ'ব।

১৩) অপ্ৰয়োজনীয় শব্দ ব্যৱহাৰ নকৰিব। প্ৰতিটো শব্দৰে যাতে ওজন থাকে সেয়া সুনিশ্চিত কৰক। এবাৰ লিখি উঠাৰ পাছত লেখনিটো কেইবাবাৰো পঢ়ক। অপ্ৰয়োজনীয় শব্দবোৰ 'ডিলিট' (Delete) কৰক। যিমান সম্ভৱ সিমান সংক্ষিপ্ত আৰু পোনপটীয়া হওক।

১৪) তৃতীয় পুৰুষত লিখক। ভাববোধক বাক্য পৰিহাৰ কৰক। সেইবোৰে আপোনাৰ লেখনিটোৰ নির্ভৰযোগ্যতা হ্ৰাস কৰিব।

১৫) দফাবোৰ সৰু কৰিব। দুটা দফাৰ মাজত যথেষ্ট খালী ঠাই ৰাখিব। ই অন্‌লাইন পঠনত সহায় কৰে আৰু পাঠকৰ মনোযোগ ধৰি ৰখাত সহায়কৰ ভূমিকা পালন কৰে।

১৬) শিৰোনাম সংক্ষিপ্ত কৰিব। যদি শিৰোনামত অধিক তথ্য সুমুৱাব খোজে, তেন্তে উপ-

শিৰোনাম সৃষ্টি কৰক।

১৭) বেছিভাগ ৱেবছাইটে লেখনিবোৰৰ একোটা চমু পৰিচয় বিচাৰে। চাৰিটা অথবা তাতোকৈ কম বাক্যত পৰিচয়টো লিখিব লাগে। এই বাক্যকেইটাৰ ওপৰতে পাঠকৰ সংখ্যা নির্ভৰশীল। পৰিচয় পঢ়ি পাঠক আকর্ষিতও হ'ব পাৰে নাইবা ছাইটটো খুলিয়েই নাচাব পাৰে। সেয়েহে পৰিচয়ত সদায় দর্শকৰ মন ভুলাব পৰা সঠিক শব্দচয়ন কৰি লিখা বাক্য প্রয়োগ কৰক। কিন্তু পৰিচয়টোতে গোটেই ঘটনাটোৰ বিষয়ে কৈ নেপেলাব।

১৮) ভুল-ত্রুটি আঁতৰাবলৈ প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰক। ছাইটত আপলোড কৰাৰ আগতে লেখনিটো বাৰে বাৰে পৰীক্ষা কৰক। লেখনিটো প্রথমে 'ৱর্ড' ডকুমেণ্ট'ত (Word Document) লিখি লওক। তেতিয়া টাইপ কৰোঁতে হোৱা ভুলবোৰ সহজে আঁতৰাব পৰা যাব। মাত্র এটা ভুল শব্দই আপোনাৰ লেখনিটোৰ বিশ্বাসযোগ্যতা নাইকিয়া কৰিব পাৰে।

১৯) এবাৰ অইন কাৰোবাক লেখনিটো পঢ়িবলৈ দিয়ক। সতেজ দৃষ্টিভংগীয়ে ভুল ধৰা পেলোৱাত আৰু লেখনিটো অর্থবহ কৰি তোলাত সহায় কৰে।

২০) অন্‌লাইন সাংবাদিকতাৰ ক্ষেত্র তো বাস্তৱিকতাই হ'ল শেষ কথা। যথার্থতাৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰক। অন্‌লাইন সাংবাদিকতাৰ অসত্য তথ্যও থাকিব পাৰে বুলি উঠা অভিযোগ খণ্ডন কৰাৰ চেষ্টা কৰক।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৭ ঃ** ৱেবৰ বাবে লিখা লেখনিত 'কীৱর্ড'ৰ গুৰুত্ব কিমান?

.....

.....

.....

.....

.....

**প্রশ্ন নং ৮ ঃ** কি কাৰণে দফাবোৰ চুটি কৰা আৰু দফাবোৰৰ মাজত যথেষ্ট খালী ঠাই ৰখাৰ প্রয়োজন?

.....

.....

.....

.....

**প্রশ্ন নং ৯ ঃ** তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ কওক—

ক) ৰেব লেখনিৰ বাবে থিয় পিৰামিড শৈলী (Inverse Pyramid Style) সবাতোকৈ উত্তম।

খ) আপোনাৰ লেখনিটো গুৰুত্বপূর্ণ আৰু তাৎক্ষণিক কৰিবলৈ কর্মবাচ্য (Passive Voice) আৰু দুর্বল ক্রিয়াপদ (Weak Verbs) ব্যৱহাৰ কৰিব লাগে।

গ) শিৰোনাম সংক্ষিপ্ত কৰা উচিত/সংক্ষিপ্তকৈ ৰখা উচিত।



## অনুশীলনী ৬.২

ক) এটা বাতৰিকাকতৰ কার্যালয়লৈ গৈ অন্‌লাইন লেখক এজনৰ সৈতে কথা পাতক। ছপা আৰু অন্‌লাইন মাধ্যমৰ বাবে লিখাৰ মাজত কি প্রভেদ আছে তাৰ সন্ধেদ লওক।

.....

.....

.....

খ) 'অন্‌লাইন জার্নেলিজম' বিষয়ক তথ্য বিচাৰি উলিয়াবলৈ গুগল্ নাইবা য়াহুৰ দৰে 'ছার্চ ইঞ্জিন ব্যৱহাৰ কৰক। বিভিন্ন ধৰণৰ 'কীৱর্ড' দি অন্বেষন কৰক। তেনে 'ছার্চ ইঞ্জিন'ৰ প্রথম পৃষ্ঠাত ওলোৱা লেখনিবোৰ পঢ়ি চাওক। লেখকসকলে 'কীৱর্ড' কেনেদৰে ব্যৱহাৰ কৰিছে তালৈ মন কৰক।

.....

.....

.....

গ) 'টাইমছ্ অফ ইণ্ডিয়া' অথবা 'হিন্দুস্তান 'টাইমছ্'ৰ ৰেব সংস্কৰণ দুটা পঢ়ক। ৰেবছাইট আৰু ই-পেপাৰ দুয়োটাতে প্রকাশিত যিকোনো এটা বাতৰি লওক। এতিয়া লেখনশৈলীৰ প্রভেদবোৰ বিচাৰি উলিয়াওক।

.....

.....

.....



## ৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অন্‌লাইন সাংবাদিকতাই সাংবাদিকৰ সেই বিভাগটোক বুজায় যিটোৱে সংবাদ লেখন, গ্ৰহণ, প্ৰেৰণৰ বাবে ইণ্টাৰনে'ট ব্যৱহাৰ কৰে।
- ছপা, ৰেডিঅ' আৰু সম্প্ৰচাৰ সাংবাদিকতাৰ পাছত অন্‌লাইন সাংবাদিকতা হ'ল সাংবাদিকতাৰ নতুন ৰূপ। অতি কম সময়ৰ ভিতৰতে ই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।
- পৰম্পৰাগত সাংবাদিকতাতকৈ অন্‌লাইন সাংবাদিকতাৰ বহু ক্ষেত্ৰত পাৰ্থক্য আছে।
- অন্‌লাইন সাংবাদিকতাত ছবি, ধ্বনি, ভিডিঅ' আদিৰ দৰে মাল্টিমিডিয়া উপকৰণ সংলগ্ন কৰি মূল ঘটনাটোৰ আকৰ্ষণ বৃদ্ধি কৰা হয়।
- অন্‌লাইন সাংবাদিকতাত অন্তঃক্ৰিয়াশীলতাৰ সুবিধা আছে। লেখক আৰু পাঠকে তাৎক্ষণিক ভিত্তিত মত বিনিময় কৰিব পাৰে।
- অন্‌লাইন সাংবাদিকতাৰ মাধ্যমেৰে বাতৰি দ্ৰুতগতিত বিয়পে।
- অন্‌লাইন সাংবাদিকতা বেছি পুৰণি পৰিঘটনা নহয়। কিন্তু অতি কম সময়ৰ ভিতৰতে ই প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছে।
- এইবিধ সাংবাদিকতাৰ প্ৰসাৰত ৱ'ৰ্ল্ড ৱাইড ৱেবৰ ভূমিকা সবাতোকৈ শক্তিশালী।
- অন্‌লাইন সাংবাদিকতাৰ বৈশিষ্ট্যসমূহ হ'ল— হাইপাৰটেক্সট্, আন্তঃক্ৰিয়াশীলতা, মাল্টিমিডিয়াৰ ব্যৱহাৰ, সংৰক্ষণ সামৰ্থ, সংবাদ পৰিৱেশনত থকা তাৎক্ষণিকতা আৰু ইয়াৰ নন্-লিনিয়েৰ বিন্যাস।
- অন্‌লাইন সাংবাদিকতাৰ সুবিধাসমূহ হ'ল— লেখক আৰু পাঠকৰ মাজত সৰ্বাধিক ভাৰ বিনিময়ৰ সুবিধা, বৃহৎ পৰিমাণৰ তথ্য সংৰক্ষণ সামৰ্থ, মাল্টিমিডিয়াৰ প্ৰয়োগ, প্ৰকাশন ব্যয় লাঘৱ কৰাৰ সামৰ্থ, ব্যাপক সুলভতা ইত্যাদি।
- অন্‌লাইন সাংবাদিকতাৰ কিছুমান সীমাবদ্ধতাও আছে। ইয়াৰ সবাতোকৈ ডাঙৰ দুৰ্বলতাটো হ'ল নৈতিক প্ৰমূল্যৰ শিথিলতা। ইয়াৰ কেইবাটাও নৈতিক সমস্যাৰ সমাধান এতিয়াও বাকী। তাৰ পাছতহে ইয়াক সাংবাদিকতাৰ এটা সম্পূৰ্ণ বিশ্বাসযোগ্য ৰূপ বুলি গণ্য কৰা হ'ব।
- নকল লেখনি, প্ৰকৃত ৰূপ সলনি কৰি পেলোৱা ফটোগ্ৰাফ আৰু নিম্নমানৰ তথ্যৰ আপলোডিং আদি হ'ল অন্‌লাইন সাংবাদিকতাৰ আন কেইটামান দুৰ্বলতা।



## ৬.৭ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*

1) Bhatia, Arun (2005), *Impact of Internet on Journalism,* Akansha Publishing House, New Delhi.
2) Chakraborty, Jagadesh, *Net, Media and Mass Communication,* Authors Press, New Delhi.
3) Ganesh, T. K. (2006), *Digital Media, Building the Global*, A*udience.* Gnosis Publishers, New Delhi.

## ৬.৮ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** অন্‌লাইন সাংবাদিকতা মানে হ'ল সংবাদ প্ৰচাৰৰ বাবে ৱৰ্ল্ড ৱাইড ৱেবৰ ওপৰত নিৰ্ভৰশীল সংবাদ প্ৰতিবেদন দাখিল কৰা নাইবা সংবাদ প্ৰস্তুতকৰণ ৰূপ। সংবাদৰ ৰূপ লোৱা ঘটনা আৰু সংবাদ প্ৰতিবেদনৰ ৱেবছাইটত আপলোড কৰা হয়। ইণ্টাৰনে'ট ব্যৱহাৰকাৰীয়ে ৱেবছাইটলৈ গৈ এনে তথ্য পঢ়ি চাব পাৰে।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** 'টেলিটেক্সট্'ক বৰ্তমানৰ অন্‌লাইন সাংবাদিকতাৰ পূৰ্বসূৰী বুলি ক'ব পাৰি। এই সেৱাবিধ ১৯৭০ৰ দশকত ব্ৰিটেইনত বিকশাই উলিওৱা হৈছিল। ইয়াৰ দ্বাৰা টেলিভিছন ছেটত বাতৰি আৰু তথ্যৰ 'বিট' (Bit) প্ৰদৰ্শন কৰা হৈছিল। টিভিৰ মাধ্যমেৰে বিভিন্ন ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয়, ক্ৰীড়া, বতৰ আৰু টিভি অনুষ্ঠানসূচী বিষয়ক তথ্য সম্প্ৰচাৰ কৰা হৈছিল।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** অন্‌লাইন সাংবাদিকতাৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে সংবাদৰ তাৎক্ষণিকতা। সমগ্ৰ পৃথিৱীতে ঘটি থকা ঘটনাৱলী আৰু বাতৰিবোৰ সংবাদ ৱেবছাইটত তৎক্ষণাত পঢ়িব পৰাকৈ আপলোড কৰা হয়। ব্ৰডকাষ্ট সাংবাদিকতাৰ দৰে অন্‌লাইন সাংবাদিকতাও অতি দ্ৰুত আৰু অধিকাংশ সময়তে যথাৰ্থ। সকলো সময়তে টেলিভিছন চোৱাৰ সুযোগ নোপোৱা লোকে ৱেবত বাতৰি পঢ়িব পাৰে। আজিকালি বিশেষকৈ চাকৰিয়ালসকলৰ বাবে এইটো এটা সুবিধাজনক কথা হৈ পৰিছে। কম্পিউটাৰ মাউছৰ এটা ক্লিক্‌ত সমগ্ৰ পৃথিৱীৰ শেহতীয়া ঘটনাৱলী গম পাব পৰা হৈছে।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** অন্‌লাইন সাংবাদিকতাৰ বিন্যাসক নন্‌-লিনিয়েৰ বুলি কোৱাৰ কাৰণ হ'ল ইয়াৰ পৰা তথ্য নন্‌-লিনিয়েৰ পদ্ধতিৰে আহৰণ কৰিব পাৰি। এটা ৱেবছাইটৰ 'হোম পে'জ'টোত (Homp Page) সকলোবোৰ বাতৰিৰ উল্লেখ থাকে। পাঠকে কোনটো

সংবাদ পঢ়িব সেয়া নিজেই সিদ্ধান্ত লয়। সম্পাদক অথবা লিখকে নিজৰ ইচ্ছা পাঠকৰ ওপৰত বলপূর্বকভাৱে জাপি দিব নোৱাৰে। বাতৰিকাকত আৰু টিভি সংবাদৰ দৰে অন্য প্রচাৰ মাধ্যমত কেৱল সম্পাদকগৰাকীয়ে কোনটো জৰুৰী সংবাদ সেয়া বিচাৰ কৰি চায়। তেনে সংবাদ এটা তেওঁ ব্যক্তিগতভৱে 'কম গুৰুত্বপূর্ণ' বুলি ঠাৱৰ কৰা সংবাদবোৰতকৈ আগত স্থান লাভ কৰে। ৱেবছাইটৰ পাঠকে ৰাজনৈতিক খবৰ পঢ়াৰ আগতে মনোৰঞ্জন আৰু ক্রীড়া সংবাদবোৰ পঢ়িব পাৰে। এই শিতান দুটাক সাধাৰণতে টিভি সংবাদৰ শেষৰফালে অথবা বাতৰিকাকতৰ শেষৰ পৃষ্ঠাত স্থান দিয়া হয়। অন্‌লাইন সাংবাদিকতাত সংবাদ উপস্থাপনৰ শৈলীটোও নন্‌-লিনিয়েৰ। কাৰণ সংবাদবোৰ বৃহৎ লিখিত বার্তা খণ্ডত (Huge Chunks of Text) উপস্থাপন কৰা নহয়। তাৰ সলনি সংবাদবোৰ সৰু সৰু ভাগত বিভক্ত কৰা হয় আৰু পৰস্পৰৰ সৈতে সংলগ্ন কৰোৱা হয়। সেয়েহে পাঠকে প্রয়োজনীয় বুলি ভবা তথ্যাংশ পঢ়াৰ সুযোগ পায়।

**৫নং প্রশ্নৰ উত্তৰ ঃ** অন্‌লাইন সাংবাদিকে যিমান মন যায় সিমান লিখিব পাৰে। তেওঁলোকৰ বাবে এইটো হ'ল এটা ডাঙৰ সুবিধা। বাতৰিকাকত অথবা আলোচনীত স্থানৰ অভাৱত লেখকে লেখনিবোৰ কাটি চমু কৰিবলগীয়া হয়। কিন্তু ৱেবছাইটত স্থানৰ কোনো সমস্যা নাথাকে। অন্‌লাইন লেখনিৰ লেখকে 'লিংক'ৰ মাধ্যমেৰে ঘটনা এটাৰ পৃষ্ঠভূমিৰ তথ্যও প্রচাৰ কৰিব পাৰে। তেওঁলোকে অন্য ঘটনাৰ পৰা তুলি দিয়া তথ্যৰ সহায়ত নিজৰ লেখনিটোৰ সৌষ্ঠৱ বৃদ্ধি কৰিব পাৰে।

**৬নং প্রশ্নৰ উত্তৰ ঃ** ক) সংৰক্ষণ, খ) বিজ্ঞাপনদাতাৰ, গ) অন্‌লাইন, ঘ) প্রকাশন, ঙ) বিজ্ঞাপনৰ

**৭নং প্রশ্নৰ উত্তৰ ঃ** অন্‌লাইন পাঠকৰ মনোযোগ স্থায়ীত্ব কম। তেওঁলোকে বেছিকৈ বাতৰি স্কেনহে কৰে, কিন্তু খুউব কমকৈ পঢ়ে। লগতে 'ছার্চ ইঞ্জিন'ৰ সহায়ত ঘটনা বিচৰা পাঠকো আছে। সেয়েহে এইসকল পাঠকক আকর্ষণ কৰিবলৈ লেখনি এটাত সঠিক 'কীৱর্ড' প্রয়োগ কৰাৰ গুৰুত্ব অপৰিসীম।

**৮নং প্রশ্নৰ উত্তৰ ঃ** দফাবোৰ চুটি কৰা আৰু দফাবোৰৰ মাজত যথেষ্ট খালী ঠাই ৰখাৰ প্রয়োজন এইকাৰণেই যে ই লেখনি এটাৰ অন্‌লাইন পঠন প্রক্রিয়াটো উজু কৰি তোলে আৰু পাঠকৰ মনোযোগ ধৰি ৰখাত সহায় কৰে।

**৯নং প্রশ্নৰ উত্তৰ ঃ** ক) শুদ্ধ, খ) অশুদ্ধ, গ) শুদ্ধ



## ৬.৯ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন ঃ**

**প্রশ্ন ১ ঃ** ভিডিঅ' টেক্সট্‌ (Video Text) বুলিলে কি বুজে?

**প্রশ্ন ২ ঃ** প্রথম সাংবাদিকতা ৱেবছাইটটো কেতিয়া আৰম্ভ কৰা হৈছিল?

**খ) চুটি প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** কিদৰে মাল্টি মিডিয়াত অন্‌লাইন ৰিপ'র্টিং ব্যৱহৃত হয়?

**প্রশ্ন ২ ঃ** অন্‌লাইন সাংবাদিকতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** পৰম্পৰাগত সাংবাদিকতাৰ পৰা অন্‌লাইন সাংবাদিকতা কোন কোন ক্ষেত্রত পৃথক।

**প্রশ্ন ৪ ঃ** অন্‌লাইন সাংবাদিকতাৰ ইতিহাস সম্পর্কে লিখক।

**গ) ৰচনাধর্মী প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** অন্‌লাইন সাংবাদিকতাৰ সুবিধা আৰু সীমাবদ্ধতাসমূহ কি কি?

**প্রশ্ন ২ ঃ** অন্‌লাইন সাংবাদিকতাৰ লগত জড়িত নীতিগত বিষয়সমূহ (Issues) কি কি?

**প্রশ্ন ৩ ঃ** আজিৰ আধুনিক বিশ্বত অন্‌লাইন সাংবাদিকতাই সংবাদ পৰিবেশনৰ ক্ষেত্রত কেনে বৈপ্লৱিক পৰিবর্তনৰ সূচনা কৰিছে?

*** ***** ***

# অধ্যায় ৭ ঃ অনলাইন সাংবাদিকতাৰ নীতি আৰু অনুশীলন

## অধ্যায় গাঁথনি


৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অনলাইন সাংবাদিকতাৰ নীতি আৰু অনুশীলন

৭.৪ অনলাইন সাংবাদিকতাৰ সুবিধা

৭.৫ অনলাইন সাংবাদিকতাৰ সীমাৱদ্ধতা

৭.৬ অনলাইন সাংবাদিকতাৰ ন্যায়নিষ্ঠ নীতিসমূহ

৭.৭ ৱেবৰ বাবে লিখাৰ কৌশল

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্রগতিৰ খতিয়ান

৭.১১ আৰ্হি প্ৰশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- অনলাইন সাংবাদিকতাৰ নীতি আৰু অনুশীলনৰ বিষয়ে বুজি পাব
- অনলাইন সাংবাদিকতাৰ সুবিধা আৰু সীমাৱদ্ধতাৰ বিষয়ে জানিব পাৰিব
- অনলাইন সাংবাদিকতাৰ নির্দেশনা অথবা ন্যায়নিষ্ঠ নীতিসমূহ বর্ণনা কৰিব পাৰিব
- ৱেবৰ বাবে লিখাৰ প্রয়োজনীয় জ্ঞান বিশ্লেষণ কৰিব পাৰিব।

## ৭.২ পৰিচয়

ডিজিটেল সাংবাদিকতা অথবা অনলাইন সাংবাদিকতা হ'ল সাংবাদিকতাৰ এক সমসাময়িক ৰূপ। এনে সাংবাদিকতাত সম্পাদিত বিষয়বস্তুবোৰ ছপা অথবা সম্প্রচাৰ কৰাৰ সলনি ইণ্টাৰনেটৰ মাধ্যমেৰে বিতৰণ কৰা হয়।

যিকোনো ধৰণৰ সাংবাদিকতাৰে মৌলিক সামগ্রীবোৰ হ'ল সংবাদ আৰু সাময়িক প্রসংগ বিষয়ক নানা লেখনী / অনুষ্ঠান। এইবোৰ এক ৰূপত নাইবা ছপা আখৰ, শ্রাব্য উপাদান, দর্শনসাধ্য উপাদান আৰু কিছুমান আন্তঃক্রিয়াশীল ৰূপৰ সংমিশ্রণ হিচাপে উপস্থাপন কৰা হয়। তাৰপাচত অনলাইন সাংবাদিকতাৰ ক্ষেত্রত এইবোৰ ডিজিটেল মাধ্যমৰ মঞ্চবোৰৰ মাধ্যমেৰে প্রচাৰ কৰা হয়।

১৯৯৩-৯৫ চন মানৰ পৰা ভাৰতত অনলাইন সাংবাদিকতা আৰম্ভ হৈছিল। সেই সময়ত চাইবাৰ স্পেছত মাত্ৰ কেইটামান ভাৰতীয় ৱেবছাইট সক্ৰিয় হৈ আছিল। ভাৰতত বৃত্তিজীৱী উপায়েৰে ইণ্টাৰনেট প্ৰয়োগক জনপ্ৰিয় কৰি তোলাত ৰাজহুৱা খণ্ডই অগ্ৰণী ভূমিকা পালন কৰিছিল। দিল্লী চৰকাৰ, অন্ধ্ৰ প্ৰদেশ চৰকাৰ আৰু কৰ্ণাটক চৰকাৰে নিজৰ নিজৰ ৱেবছাইট সৃষ্টি কৰিছিল। ৱেব পোৰ্টেলবোৰে ইয়াৰ প্ৰথম প্ৰকাশ আৰম্ভ কৰাৰ সময়ত ইণ্টাৰনেট ব্যৱহাৰ কৰিব নজনা মানুহে সাংবাদিকসকলৰ সৈতে সংবাদ উন্মোচনৰ অভিজ্ঞতা লাভ কৰিছিল।

১৯৯৫ চনটোক ভাৰতৰ অনলাইন সাংবাদিকতাৰ এক উল্লেখনীয় বৰ্ষ বুলি গণ্য কৰা হয়। এই বছৰৰ পৰাই দেশই ইলেক্ট্ৰ'নিক মেইল (ই-মেইল)ৰ প্ৰচলন ঘটিল। আনকি আমেৰিকা যুক্তৰাষ্ট্ৰতো প্ৰকাশিত বাতৰিকাকতৰ সংখ্যা বৃদ্ধি পাইছিল। ১৯৯৪ চনত এই সংখ্য ৭৮ খন আছিল। ১৯৯৫ চনৰ মাজভাগলৈ এই সংখ্যা ৫১১ খনলৈ বৃদ্ধি পাইছিল। ইয়াৰে ৪৭১ খন ৱেব মাধ্যমত প্ৰকাশিত হৈছিল আৰু বাকী ৪০ খন ইয়াৰ সৈতে জড়িত ব্যৱসায়িক অনলাইন সেৱাবোৰৰ মাধ্যমেৰে প্ৰকাশিত হৈছিল। ১৯৯৬ চনলৈ অনলাইন বাতৰি কাকতৰ সংখ্যাই ১০০০ ৰ ঘৰ অতিক্ৰম কৰিছিল।

## ৭.৩ অনলাইন সাংবাদিকতাৰ নীতি আৰু অনুশীলন

অনলাইন সাংবাদিকতাৰ মৌলিক নীতি আৰু অনুশীলন বুজাবৰ বাবে BASIC শব্দটো ব্যৱহাৰ কৰা হয়। ইয়াৰ অর্থ হ'ল- B-Brevity (সংক্ষিপ্ততা), A- Adaptability (অনুকূলশীলতা), (S-Scannability) (তথ্য পৰীক্ষণসাধ্যতা), I-Interactivity (আন্তঃক্ৰিয়াশীলতা), C-Community and Conversation (সম্প্ৰদায় আৰু কথোপকথন)।

**সংক্ষিপ্ততা** (Brevity)

অনলাইন সাংবাদিকতাত বিভিন্ন স্তৰৰ সংক্ষিপ্ততাৰ বিষয়ে মনত ৰাখিব লাগে। সবাতোকৈ ভালদৰে মনত ৰাখিবলগীয়া কথাটো হ'ল চুটি লেখনীবোৰে অনলাইন মঞ্চত অধিক সমাদৰ লাভ কৰে। কাৰণ, বেছিভাগ লোকেই পর্দাত দীঘলীয়া তথ্য সমৃদ্ধ লেখনী পঢ়িবলৈ টান পায় অথবা এৰাই চলে। স্কীনখন তললৈ টানি নমাই লৈ গৈ থকাৰ কামটোও বিশেষ তথ্য অথবা তথ্যসমষ্টি বিচাৰি থকাসকলৰ বাবে এক বিৰক্তিকৰ কার্য হ'ব পাৰে।

ৱেবছাইট, ইউটিউব নাইবা ই-মেইল এটাচমেণ্ট হিচাপে প্ৰস্তুত কৰা মাল্টিমিডিয়া সামগ্ৰীবোৰৰ ক্ষেত্ৰতো সংক্ষিপ্ততা বর্তাই ৰখা উচিত। তিনি মিনিটতকৈ অধিক সময়ৰ যিকোনো বিষয়াবস্তুকে অতি দীঘলীয়া বুলি গণ্য কৰা হয়।

**অনুকূলনশীলতা** ( Adaptability)

এই নব্য মাধ্যমৰ যুগত এগৰাকী সাংবাদিকে যিটো মাধ্যমতে কাম নকৰক কিয়, তেওঁ অনুকূলশীলতাৰ দক্ষতা আহৰণ কৰি ল'বই লাগিব। সাংবাদিকে কেৱল সংবাদ লিখা অথবা

ভিডিঅ' ৰেক'র্ড কৰা অথবা অজিঅ' বাণীৱদ্ধ কৰাৰ দিন উকলিল। বর্তমান বাতৰিকাকত, আলোচনী, টেলিভিছন আৰু ৰেডিঅ' অনুষ্ঠান আদি সকলোতে ৱেবছাইট সংলগ্ন হৈ থাকে।

এই ৱেবছাইটবোৰ লাহে লাহে সকলো ধৰণৰ প্রচাৰ মাধ্যমেৰে ভৰি পৰিছে। এনে সংলগ্ন মাধ্যম কেইটামান হ'ল হাইপাৰ টেক্সট্, শ্রাব্য উপাদান, দর্শনসাধ্য উপাদান, স্থিৰ চিত্র, শ্রাব্য বিৱৰণী সম্বলিত স্লাইড শ্বো, এনিমেশ্যন, ফ্ল্যাশ্ব কার্যকলাপ, ডেটাবেছৰ পৰা সংগ্রহ কৰিবলগীয়া উপাদান, ব্লগ, সমূহীয়া উপাদান (ফ'ৰাম, ৱিকিচ, চোছিয়েল নেটৱর্কিং জনমত সংগ্রহ, সমীক্ষা), পোনপটীয়া কথোপকথন ইত্যাদি। অৱশ্যে ইয়াৰ অর্থ এয়া নহয় যে অনলাইন সাংবাদিকসকল এই সকলোবোৰ ক্ষেত্রতে বিশেষ দক্ষতাসম্পন্ন হ'ব লাগিব। কিন্তু তেওঁলোকে ওপৰত উল্লেখ কৰা ক্ষেত্রবোৰৰ যিমানটাত পাৰে সিমানটাৰ বিষয়ে সাংবাদিকে জানিবলগীয়া ন্যূনতম কথাবোৰ জনা উচিত। অর্থাৎ, এগৰাকী ভাল অনলাইন সাংবাদিকে ঘটনা এটা বিচাৰ কৰি চাই যিকোনো এটা নাইবা একাধিক মাধ্যমৰ বাবে সবাতোকৈ খাপখোৱা ধৰণে উপস্থাপন কৰিব লাগে।

**তথ্য পৰীক্ষা সাধ্যতা**

এই নীতিটো বাতৰি কাকত আৰু আলোচনীবোৰে আৰম্ভণিৰে পৰা মানি চলিছে। ই পাঠকক পৃষ্ঠাবোৰ পৰীক্ষা কৰি চোৱাৰ সম্ভাৱনীয়তা প্রদান কৰে আৰু তেওঁ বিচাৰি থকা তথ্য সহজে বিচাৰি পোৱাত সহায় কৰে। এই কৌশলটো অনলাইন মাধ্যমত থকাটো অতি প্রয়োজনীয়। যিকোনো ৱেবপে'জৰ তথ্য পৰীক্ষণ সাধ্যতা বৃদ্ধি কৰিব পৰাকৈ বহুতো কৌশলৰ বিকাশ ঘটিছে। এটা স্পষ্ট আৰু বোধগম্য শিৰোনাম, সাৰাংশ ৰূপে পৰিচয়, উপ শিৰোনাম, বুলেট অথবা নম্বৰ তালিকা, প্রাসংগিক উর্দ্ধৃতি, হাইপাৰলিংক, ডাঙৰকৈ লিখা নাইবা অন্য ধৰণে পৃথক কৰি দেখুওৱা শব্দ ইত্যাদি হ'ল এনে পৰীক্ষণ সাধ্যতা সম্ভৱ কৰি তোলাৰ কিছুমান উপায়।

**আন্তঃক্রিয়াশীলতা**

ইণ্টাৰনেটৰ উত্থানৰ লগে লগে সাংবাদিকতাৰ ৰেহৰূপ সলনি হোৱাৰ মূল হ'ল আন্তঃক্রিয়াশীলতাৰ বিকাশ। কিন্তু, আন্তঃক্রিয়াশীলতা মানে কেৱল ভিডিঅ' আৰু মাল্টিমিটিয়া নহয়। ই কোনো জাকজমকতাপূর্ণ উপাদান নহয়। ই হ'ল প্রয়োগকাৰীয়ে নিয়ন্ত্রণ কৰিব পৰা প্রধান আহিলা।

সাংবাদিকৰ বাবে আন্তঃক্রিয়াশীলতাৰ উত্থান মানে হ'ল ইণ্টাৰনেট ব্যৱহাৰকাৰী (পাঠক) হাতত নিয়ন্ত্রণ তুলি দিব তাৰ উপায় বাহিৰ কৰা। ইয়াৰ অর্থ হ'ল ইণ্টাৰনেটব্যৱহাৰকাৰীক সময় আৰু স্থান বাছনিৰ নিয়ন্ত্রণ অধিকাৰ দিয়া। ইয়াৰ বাবে সাংবাদিকে নিজৰ প্রকাশিত সামগ্রীবোৰত ডাউনলোড কৰাৰ সুবিধা, বুকমার্ক কৰি ৰখাৰ সুবিধা, ই-মেইল যোগে প্রেৰণ কৰিব পৰা সুবিধা আৰু ব্লগত সংযোগ কৰিব পৰা সুবিধা আদি যোগ দিব লাগিব। এই সামগ্রীবোৰ ইণ্টাৰনেট ব্যৱহৰকাৰীয়ে নিজৰ চোছিয়েল নেটৱর্কিং পে'জবোৰত সংলগ্ন কৰিব পাৰিব লাগিব। অনলাইনযোগে ব্যৱহাৰকাৰীয়ে ই-মেইলত চাইন আপ, টেক্সট্ লিখিব অথবা আৰ এচ এচ আপডেট

কৰিব পৰা হ'ব লাগিব।

ইয়াৰ অর্থ হ'ল সাংবাদিকে নিজৰ লিখিত বিষয়বস্তুবোৰ ব্যৱহাৰকাৰী থকা স্থানতহে প্রচাৰৰ বাবে এৰি দিব লাগিব। অধিক ব্যৱহাৰকাৰী থকা ইণ্টাৰনেটভিত্তিক স্থানবোৰ হ'ল ইউটিউব, টুইটাৰ, ফে'চবুক, আই-টিউনচ্ আৰু ফ্রিকাৰ আদি। ইয়াৰ দ্বাৰা সাংবাদিকে নিজৰ চাইটৰ দর্শক / পাঠকৰ সংখ্যা বঢ়াব পাৰে।

**সম্প্রদায় আৰু কথোপকথন**

ছপা আৰু সম্প্রচাৰ মাধ্যমে গঢ়ি তোলা একে একাধিকৰ সৈতে সংযোগ স্থাপনৰ উপায়টোৱে ইণ্টাৰনেটৰ উত্থানৰ লগে লগে বেলেগ ৰূপ ল'লে। এই নতুন ৰূপবোৰক টেলিফোনৰ সহায়ত স্থাপন কৰা দ্বিমুখী সংযোগ স্থাপন প্রক্রিয়াটোৰ সৈতে মিহলি কৰাৰ ফলত একাধিক লোকৰ একাধিকৰ সৈতে সংযোগ স্থাপন কৰাৰ সংস্কৃতি আৰম্ভ হ'ল।

বহুদিন ধৰি ই-মেইল আছিল ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ মাজত বহুলভাৱে সমাদৃত সবাতোকৈ জনপ্রিয় ব্যৱহাৰ। নেট ব্যৱহাৰকাৰী প্রজন্মই চোছিয়েল নেট'ৱ'কিং আৰু ইনষ্টেণ্ট মেচেজিং (তাৎক্ষণিক বার্তাপ্রেৰণ) ৰ জৰিয়তে ই-মেইলৰ গুৰুত্ব হ্রাস কৰিলে। ইয়াৰ দ্বাৰা গম পোৱা যায় যে ব্যৱহাৰকাৰীয়ে অনলাইনত পোৱা বিষয়বস্তুবোৰ যেনে দৰে পাইছে তেনেদৰে গ্রহণ কৰিবলৈ অনিচ্ছুক। তেওঁলোকে এইবোৰ ব্যৱহাৰ কৰিব প্রযোজনা কৰিব আৰু বিনিময় কৰিব খোজে।

কথোপকথনৰ সহায়ত একোটা সম্প্রদায় গঢ়ি তোলাৰ এটা উৎকৃষ্ট উদাহৰণ হ'ল ব্লগবোৰ।

## ৭.৪ অনলাইন সাংবাদিকতাৰ সুবিধা

**সীমাহীন স্থান ঃ** পৰাম্পৰাগত মাধ্যমবোৰৰ দৰে অনলাইন মাধ্যমত স্থান /সময়ৰ কোনো সীমাৱদ্ধতা নাই। এখন বাতৰি কাকতত স্থানৰ সীমাৱদ্ধতা থাকে। সেয়েহে বাতৰিকাকতৰ লেখনীবোৰ প্রায়েই কাটি চুটি কৰিবলগীয়া নাইবা অতি দীঘল লেখনী বাদ দিবলগীয়া হয়। কিন্তু ৱেব মাধ্যমত সীমাহীন স্থান থাকে আৰু ইয়াত অসংখ্যা লেখনী ভৰাব পৰা যায়।

**বিশ্বজনীন উপলব্ধতা তথা বিতৰণ ঃ** অনলাইন মাধ্যমৰ মৌলিকা বৈশিষ্ট্য হ'ল বিশ্বজনীন উপলব্ধতা। এটা সংবাদ ৱেবচাইট বিশ্বৰ যিকোনো স্থানতো খুলি চাব পাৰি। ইয়াৰ বাবে কেৱল ইণ্টাৰনেট সংযোগৰ প্রয়োজন। এখন বাতৰি কাকত এক সীমিত বিতৰণ ক্ষেত্রতহে সহজলভ্য। এই কথাটোৱে বাতৰি কাকতৰ সংবাদ আৰু তথ্য প্রচাৰৰ ক্ষেত্রত সীমাৱদ্ধতা আনি দিয়ে।

**সমধর্মিতা ঃ** মাল্টিমিডিয়াত লিখিত তথ্য, চিত্র তথ্য, শ্রাব্য আৰু দর্শনসাধ্য উপাদানবোৰে সমধর্মী বৈশিষ্ট্য গ্রহণ কৰে। এটা সংবাদ ৱেবছাইটে ইয়াৰ সংবাদবোৰ ভিডিঅ' ৰিপর্ট নাইবা মাল্টিমিডিয়া ঘটনাৰূপে প্রকাশ কৰিব পাৰে। এই বৈশিষ্ট্যটোৱে ৱেব সাংবাদিকতাক এক বহুমুখী

বৈশিষ্ট্য সম্বলিত সংবাদ মাধ্যমৰ ৰূপ দিচে। বাতৰিকাকত কেৱল লিখিত তথ্যতে সীমাৱদ্ধ বাবে বৰ্তমান সময়ত ইয়াৰ প্ৰতি পাঠকৰ আগ্ৰহ যথেষ্ট কমিছে।

**আন্তঃক্ৰিয়াশীলতা**

অনলাইন সংবাদ মাধ্যমে সাধাৰণ লোকৰ কোনো আলোচনাত সক্ৰিয় অংশগ্ৰহণৰ সামৰ্থ তথা বিষয়বস্তু নিৰ্মাণ নাইবা নিয়ন্ত্ৰণৰ সুবিধা বৃদ্ধি কৰিছে। নাগৰিক সাংবাদিকতা (citizen journalism) আৰু ব্যৱহাৰকাৰীৰ দ্বাৰা সৃষ্ট বিষয়বস্তু (User Generated Content/UGC) আদিৰ দৰে সুবিধাৰ জৰিয়তে ইণ্টাৰনেটে অনুষ্ঠান প্ৰযোজনাত দৰ্শকৰ অংশগ্ৰহণ তথা উপভোগৰ মাত্ৰা বৃদ্ধি কৰিছে। দৰ্শকৰ অংশগ্ৰহণ বৃদ্ধি কৰিব পৰা আন কেইটামান ব্যৱস্থা হ'ল বিভিন্ন আলেচনাধৰ্মী অনুষ্ঠান, মতামত প্ৰদান আৰু সঁহাৰি আগবঢ়াব পৰা সুবিধা আদি।

**সঞ্চয় আৰু পুনৰোদ্ধাৰ**

ইণ্টাৰনেটত বিষয়বস্তুবোৰ জমা কৰি ৰাখিব তথা প্ৰয়োজনৰ সময়ত সহজে বিচাৰি উলিয়াব পাৰি। ৰেব সংবাদ পৰিৱেশনৰ আধাৰ হ'ল অন্বেষণ। যিকোনো পাঠকে 'চাৰ্চ ৰ'ৰ্ড' (প্ৰধান শব্দ) নাইবা 'চাৰ্চ কোৱেৰী' (প্ৰাসংগিক প্ৰশ্ন) একোটা টাইপ কৰি মনে বিচৰা ঘটনা নাইবা বৰ্ণনা বিচাৰি উলিয়াব পাৰে। কোনো বাতৰিকাকতৰ ৰেবছাইটত প্ৰকাশিত যিকোনো বাতৰি পাঠকে সপ্তাহৰ সাতোটা দিনতেই চৌব্বিশ ঘণ্টাই যেতিয়াই মন যায় তেতিয়াই বিচাৰি উলিয়াই পঢ়িব পাৰে। ৰেবত প্ৰকাশিত বাতৰিবোৰ কাকতখনৰ অনলাইন আৰ্কাইভত জমা হৈ থাকে। ইয়াৰ বিপৰীতে ছপা বাতৰিকাকত এখনত এমাহ অথবা এবছৰ আগতে প্ৰকাশিত বাতৰি এটা বিচাৰি উলিয়াবলৈ হয়তো আমি কোনো পুথিভঁৰাললৈ যাব লাগিব। সেই দিশেৰে চাবলৈ গ'লে তথ্য সঞ্চয় আৰু পুনৰুদ্ধাৰ কৰাত বাতৰিকাকতে ৰেবচাইটৰ দৰে সহায় আগবঢ়াব নোৱাৰে।

**তাৎক্ষণিকতা**

ৰেব বিষয়বস্তুবোৰ শীঘ্ৰে আৰু তাৎক্ষণিকভাৱে প্ৰকাশ কৰিব পাৰি। সংবাদ ৰেবচাইটবোৰে শেহতীয়া সংবাদ অনবৰতে যোগ কৰি গৈ থাকে। ছপা বাতৰিকাকত দিনত মাত্ৰ এবাৰহে আৰু এটা নিৰ্দিষ্ট বিতৰণ ক্ষেত্ৰৰ বাবেহে ছপা কৰা হয়। ই ৰেব সাংবাদিকতাক ছপা মাধ্যমৰ সাংবাদিকতাতকৈ অধিক সুবিধাজনক কৰি তুলিছে।

## ৭.৫ অনলাইন সাংবাদিকতাৰ সীমাৱদ্ধতা

"আপুনি কিবা এটা কাম কৰিব পাৰে মানে এইটো নহয় যে আপুনি কামটো কৰিবই লাগিব"- এনেধৰণৰ কথা আপুনি কাৰোবাৰ মুখত নিশ্চয় শুনিছে। ৰেব জগতে ইণ্টাৰনেটৰ ব্যৱহাৰ জনা সকলোকে প্ৰকাশক হোৱাৰ সুযোগ আগবঢ়ায়। কিন্তু প্ৰকাশৰ সুবিধা পালেই লেখক হ'ব নোৱাৰি। এগৰাকী স্তম্ভলিখকে সদায় কোনো পৰিস্থিতিৰ যথাৰ্থতা বুজাৰ চেষ্টা কৰে। প্ৰকৃত সাংবাদিকে বাস্তৱ তথ্যক পক্ষপাতিত্বমূলক তথ্যৰ পৰা পৃথক কৰাৰ লগতে কোনটো উৎস

ভাৰসাযোগ্য আৰু কোনটো নহয় সেই কথা জানে। এই ক্ষেত্ৰত ৰেব হ'ল এখন দুয়োফালে ধাৰ থকা তৰোৱালৰ লেখীয়া।

**সংবাদ উৎসৰ কাঠফুলাৰ দৰে হোৱা বৃদ্ধি**

যথেষ্টসংখ্যক অৰ্হতাহীন লোকে জ্ঞান, অধ্যয়ন সাংবাদিকতা বৃদ্ধি অনুশীলনৰ লাগতিয়াল অনুজ্ঞা অবিহনে সাংবাদিকতাৰ জগতখনত নামি পৰিছে। এনে লোকৰ সংখ্যা সকলো ঠাইতে বাঢ়িছে। অনলাইন ৰেবছাইট, ব্লগ আৰু সংবাদ উৎসেৰে উপচি পৰিছে। কেতিয়াবা ই তথ্যৰ প্ৰবাহ মাত্ৰাধিক কৰি তোলে। ফলত পাঠক দোমোজাত পৰে আৰু বিভ্ৰান্ত হয়।

**ভাৰসাযোগ্যতাৰ অভাৱ**

'ভাল আৰু 'বেয়া' সংবাদ ৰেবছাইট বিচাৰি উলিওৱাটো সহজ কাম নহয়। কাৰণ, ব্যৱহাৰকাৰীৰ হাতত প্ৰতিটো তথ্য আৰু কথা পৰীক্ষা কৰি চোৱাৰ সময় নাথাকে। কেতিয়াবা ভুল আৰু শুদ্ধ তথ্য বুজাত নাইবা পাৰ্থক্য বাহিৰ কৰিব পৰাকৈ ব্যৱহাৰকাৰী বুধিয়ক নহ'বও পাৰে।

**ন্যায়নিষ্ঠতাৰ সৈতে জড়িত প্ৰশ্ন**

অধিকাংশ অনলাইন উৎসতেই সাংবাদিকতাৰ মৌলিক ন্যায়নিষ্ঠ নীতিবোৰৰ অভাৱ দেখা যায়। এনে উৎসবোৰৰ সৈতে সদায় গোপনীয়তা ভংগ, নিৰ্ভুলতা বনাম দ্ৰুততা, গ্ৰন্থস্বত্ব উলংঘন আৰু বিজ্ঞাপনৰ ব্যৱহাৰ আদিৰ প্ৰশ্ন জড়িত হৈ থাকে।

**ডিজিটেল বিভাজন**

অনলাইন মাধ্যমৰ সৈতে ধনী আৰু দুখীয়া শ্ৰেণীৰ ব্যৱধানৰ প্ৰশ্নটো জড়িত হৈ থাকে। ইণ্টাৰনেট ব্যৱহাৰৰ সুবিধা পোৱাসকল এই সুবিধাৰ পৰা বঞ্চিতসকলতকৈ আগবঢ়া। এই সুবিধাটোৱে সমাজৰ উন্নত আৰু অনুন্নত শ্ৰেণীৰ মাজৰ ব্যৱধান বৃদ্ধি কৰে।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন ১ ঃ অনলাইন সাংবাদিকতা মানে কি?

.....

.....

.....

.....

.....

প্ৰশ্ন ২ ঃ অনলাইন সাংবাদিকতাত সংক্ষিপ্ততা কিয় গুৰুত্বপূৰ্ণ?

.....

.....

.....

.....

.....

প্ৰশ্ন ৩ ঃ ৰেব সংবাদ পৰিৱেশনক কিয় অন্বেষণভিত্তিক বুলি কোৱা হয়?

.....

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ সংবাদ উৎস কাঠফুলাৰ দৰে বৃদ্ধি পোৱাটোক কিয় অনলাইন সাংবাদিকতাৰ এটা সীমাৱদ্ধতা বুলি গণ্য কৰা হয়?

.....

.....

.....

.....

.....

## ৭.৬ অনলাইন সাংবাদিকতাৰ ন্যায়নিষ্ঠ নীতিসমূহ

অনলাইন সাংবাদিকতাৰ ন্যায়নিষ্ঠ নীতি আৰু সাংবাদিকতাৰ সামগ্ৰিক ন্যায়নিষ্ঠ নীতিবোৰৰ মাজত কোনো পাৰ্থক্য নাই। সকলো অনলাইন সাংবাদিক নাইবা লেখকক সহায় কৰিব পৰাকৈ দ্য চোছাইটি অৰ্ প্ৰফেশ্যনেল জাৰ্ণেলিষ্ট ( ) এ সাংবাদিকতাৰ সৈতে জড়িত ন্যায়নিষ্ঠ দিশবোৰৰ এক বিস্তৃত নীতি যুগুত কৰি উলিয়াইছে। সকলো সাংবাদিক নাইবা লেখকে আহৰণ কৰিবলগীয়া কেইটামান মৌলিক বৈশিষ্ট্যৰ বিষয়ে তলত আলোনা কৰা হ'ল।

**(ক) কুম্ভিলক বৃত্তিৰ পৰা বিৰত থাকক**

অন্যৰ লেখনী / সংবাদ চুৰি নকৰিব। অন্যৰ কষ্টোপার্জিত তথ্যক নিজৰ বুলি উপস্থাপন কৰাটো বেয়া কথা।

এনে চুৰি কার্যক কুম্ভিল অপৰাধ (Plagiarism )বোলে। কুম্ভিলক অপৰাধত লেখনী নকল কৰা আৰু অন্যৰ লেখনী নিজৰ লেখনীত সংলগ্ন কৰা আদিৰ লগতে আলোকচিত্ৰ, ৰেখাচিত্ৰ, দৃশ্য-শ্ৰাব্য উপাদান আদিৰ হুবহু নকল প্ৰয়োগক সামৰি লোৱা হয়।

যদি অন্য কোনো ৱেবচাইটৰ সহায় লৈ কোনো লেখনী লিখিবলগীয়া হয়, তেন্তে মূল লেখনীটোৰ 'লিংক' সংলগ্ন কৰি দিয়া উচিত। যদি আপুনি উল্লেখ কৰিব খোজা 'লিংক পেইজ'টো ৱেবচাইটৰ পৰা নাইকিয়া হৈ যোৱাৰ নাইবা সলনি হোৱাৰ সম্ভাৱনা থাকে, তেন্তে নিজৰলেখনীত উল্লেখ লেখনীটোৰ মৌলিক প্রকাশক / প্রকাশনৰ নাম, প্রকাশৰ তাৰিখ আৰু বিষয়বস্তুৰ সাৰাংশ সংলগ্ন কৰক। এই ক্ষেত্রত এগৰাকী সংবাদদাতাই কেনেদৰে ৱেবত অন্য লেখনীৰ উল্লেখ কৰে তালৈ মন কৰিব (যেনে- "In a Sept. 20 report, the wall street sournal reported...")।

**(খ) আপোনাৰ তথ্য উৎস সদৰি কৰক**

প্রয়োজন সাপেক্ষে আপুনি কেনেদৰে কোনো সংবাদৰ তথ্য লাভ কৰিলে আৰু কোনবোৰ কাৰকে সংবাদটোৰ প্রকাশক প্রভাৱিত কৰিলে সেয়া পাঠকক জনাব লাগিব। লেখনীত সামৰি লোৱা ব্যক্তি অথবা ব্যক্তিসমষ্টিৰ সৈতে যদি আপোনাৰ কোনো ব্যক্তিগত অথবা বৃত্তিগত সম্পর্ক আছে, তেন্তে সেই সম্পর্ক বর্ণনা কৰক। আপুনি কিয় সংবাদ এটা অথবা ঘটনা এটা বর্ণনা কৰিবলৈ এক বিশেষ শৈলী বাছি লৈছে সেই সিদ্ধান্তক প্রভাৱিত কৰা কাৰকবোৰ বিষয়ে পাঠকে জনাৰ অধিকাৰ আছে।

আপুনি কেতিয়াও কাৰ হৈ কাম কৰি আছে নাইবা আপোনাৰ চাইটটোলৈ ক'ৰ পৰা পুঁজি আহি আছে সেয়া গোপন নকৰিব। যদি আপোনাৰ চাইইটো বিজ্ঞাপনৰ সহায়ত চলে, তেন্তে বিজ্ঞাপনবোৰক যথোপযুক্ত লেবেলসহ সংলগ্ন কৰক। আপুনি আপোনাৰ চাইটত অন্য কোনো 'অফন লিংক'ৰ পৰাও উপার্জন কৰি আছে যদি সেই তথ্য পাঠকক জনাওক।

**(গ) সংবাদ প্রকাশৰ বাবে কোনো উপহাৰ অথবা ধন গ্রহণ নকৰিব**

সংবাদত সামৰি লোৱা উৎসৰ পৰা কোনো ধৰণৰ উপহাৰ অথবা ধন গ্রহণ নকৰিলে সাংবাদিকসকলে বিভিন্ন স্বার্থজড়িত মতানৈক্যৰ পৰা নিজকে আঁতৰত ৰখাৰ সুবিধা পায়। যিসকল লেখকে লেখনীত সামৰি লোৱা ব্যক্তি অথবা ব্যক্তি সমষ্টিৰ পৰা ধন, উপহাৰ অথবা মাননি গ্রহণ কৰে। তেওঁলোকৰ লেখনীবোৰক সেই উৎসসমূহৰ দ্বাৰা ধনৰ বাবদ প্রকাশ কৰা বিজ্ঞাপন বুলি অভিযুক্ত কৰাৰ থল থাকে। এনে কৰাৰ পৰা বিৰত থাকিলে সাংবাদিকে যিকোনো ঘটনাই উৎসৰ ঘনিষ্ঠ হোৱা সত্বেও যুক্তিসংগতভাৱে উপস্থাপন কৰিব পাৰে। সাংবাদিকে উৎসৰ এনেধৰণৰ প্রস্তাৱ স-সন্মানে প্রত্যাখ্যান কৰি অথবা নিজে কোনোধৰণৰ বিশেষ সুবিধা নিবিচাৰি সকলো বিতর্ক এৰাই চলিব পাৰে।

**(ঘ) তথ্যৰ সত্যাসত্য পৰীক্ষা কৰিহে সংবাদ প্রতিবেদন লিখিব**

কোনোবাই ক'লেই সাংবাদিকে যিকোনো ঘটনাৰ প্রতিবেদন যুগুত কৰিব নোৱাৰে অথবা যিকোনো ঘটনাকে সংবাদ ৰূপে পৰিৱেশন কৰিব পৰা নাযায়। সাংবাদিকে নিজৰ শ্রোতা-দর্শকক শুদ্ধ তথ্য যোগান ধৰাৰ দায়িত্ব পালন কৰিব লাগে। অন্য লেখকে সেই তথ্যৰ সত্যাসত্য পৰীক্ষা কৰি চোৱাৰ সুযোগ পোৱা উচিত।

সাংবাদিকে নিজ মন্তব্য সমর্থন কৰিব পৰা তথ্য বিচাৰি উলিয়াব লাগে। সংবাদত অন্যৰ মতামত সংলগ্ন কৰাতেই সাংবাদিকৰ কাম শেষ নহয়। যি লিখি আছে সেয়া যাতে কোনো

চহৰীয়া কল্প কাহিনী (Urban Myth)ৰ পুনৰাবৃত্তি নহয় তালৈ লক্ষ্য ৰখাটোও সাংবাদিকৰ দায়িত্ব।

যদি আপুনি কোনো ব্যক্তিবিশেষৰ কথা লিখি আছে, তেন্তে লেখনী প্ৰকাশ কৰাৰ আগতে তেওঁক ফোন কৰি নাইবা ই-মেইল প্ৰেৰণ কৰি মতামত আদায় কৰক। আপুনি বৰ্ণনা কৰিব খোজা ব্যক্তিগৰাকীৰ যদি কোনো ব্লগ আছে, তেন্তে নিজৰ লেখনীত তাৰ 'লিংক' যোগ দিয়ক। 'লিংগ'- এ সেই বিশেষ ব্যক্তিগৰাকীক জানিবলৈ দিব যে আপুনি তেওঁৰ বিষয়ে লিখিছে। লগতে, ইয়াৰ সহায়ত আপোনাৰ পাঠকসকলেও কোনো বিশেষ ঘটনা সন্দৰ্ভত সেই ব্যক্তিগৰাকীৰ মনোভাৱ /দৃষ্টিভংগী পঢ়াৰ সুযোগ পাব।

**(ঙ) সততা বৰ্তাই ৰাখক**

সামৰণিত, পাঠকৰ প্ৰতি সৎ হৈ ৰওক। আপোনাৰ লেখনীবোৰত স্বচ্ছতা বৰ্তাই ৰাখক। যদি পাঠকে আপোনাৰ সততা নাইবা অভিপ্ৰায়ক এক মূহুৰ্তৰ বাবে হ'লেও সন্দেহৰ দৃষ্টিৰে চায়, তেন্তে আপুনি ভাৰসাযোগ্যতা হেৰুৱাব। এয়া হ'বলৈ নিদিব। পাঠকে সোধাৰ আগতেই তেওঁলোকৰ সন্দেহ মৰিষণ কৰক।

সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু সকলো সময়তে মনত ৰাখিব লগীয়া কথাটো হ'ল- ব্যক্তিগত লাভালাভ নাইবা কেৱল কাৰোবাক আমনি কৰাৰ উদ্দেশ্যেৰে কেতিয়াও প্ৰেছৰ ক্ষমতাৰ অপব্যৱহাৰ নকৰিব।

## ৭.৭ ৱেবৰ বাবে লিখাৰ কৌশল

ইণ্টাৰনেটৰ বাবে লিখাৰ কোনো বিশেষ ধৰা-বন্ধা নীতি নাই। লেখকে যিকোনো যুক্তিসংগত শৈলীত লিখিব পাৰে। বৰ্তমান আমি সামগ্ৰিকভাৱে আগতকৈ অধিক ইণ্টাৰনেট ব্যৱহাৰ কৰোঁ। আসন্ন দিনবোৰত ইয়াৰ মাত্ৰা আৰু বাঢ়িব। এই দিশেৰে চালে ৱেব ব্যৱহাৰৰ হাৰযোৱে পাঠক /দৰ্শকক ডেটাৰ যোগান ধৰিবলৈ স্তম্ভলেখকসকলে কেনেধৰণে কাম কৰিবলগীয়া হৈছে সেই কথাটো গম পোৱা যায়। এই প্ৰেক্ষাপটত ধৰা দিয়া সবাতোকৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তনটো হ'ল পাঠক / দৰ্শকৰ গোট আৰু সাংবাদিকৰ মাজত স্থাপন হোৱা সংযোগৰ ৰেহৰূপ।

যদি কোনো কৰ্প'ৰেট অথবা জনসম্পৰ্ক ৰক্ষাকাৰী চাইটৰ বাবে লিখা হয়, তেন্তে কেৱল দ্ৰুত আৰু নিৰ্ভুলভাৱে ডেটা প্ৰচাৰ কৰাৰ পন্থা অৱলম্বন কৰিলেই হ'ল। যদি সংবাদ প্ৰস্তুত কৰা হয়, তেন্তে ব্ৰেকিং নাইবা গুৰুত্বপূৰ্ণ সংবাদৰ ক্ষেত্ৰত ওলোটা পিৰামিড (inverted pyramid) শৈলীত তথ্যবোৰ পৰিৱেশন কৰিব লাগে। যদি কোনো বিশেষ ঘটনা লিখা হয়, তেন্তে হয়তো এক বৰ্ণনাত্মক শৈলী অনুসৰণ কৰাটোৱেই উত্তম পন্থা হ'ব।

ৱেবৰ ব্যৱহাৰ যোগ্যতা অধ্যয়নকাৰী বিশেষজ্ঞসকলৰ ভিতৰত জেক'ব নীলাচনক আগশাৰীত ৰখা হয়। নীলচনে অনলাইন লেখকসকল বাবে কেইটামা স্বীকৃতি নীতি-নিয়ম যুগুত কৰিছিল। তেওঁ ১৯৯০ ৰ দশকৰ শেষফালে মানুহে কেনেকৈ ৱেবত পোৱা বিষয়বস্তুবোৰ পঢ়ে সেই সম্পৰ্কে এক অধ্যয়ন চলাইছিল। এই অধ্যয়ন আছিল প্ৰাৰম্ভিক অৱস্থাত তেওঁ আগবঢ়োৱা

দিহা-পৰামৰ্শবোৰৰ আধাৰ। ৰেবৰ বাবে লিখাৰ ক্ষেত্ৰত মনত ৰাখিবলগীয়া দুটামান দিক্ নিৰ্দেশনা তলত আলোচনা কৰা হ'ল ঃ

**(১) ৰেব দৰ্শনার্থীসকল হ'ল বন্য জন্তুৰ লেখীয়া**

জেক'ব নীলচনৰ ভাষাত, " আপোনাৰ ৰেবচাইট দৰ্শন কৰাসকল হ'ল বন্য জন্তুৰ লেখীয়া। তেওঁলোকে তথ্য চিকাৰ কৰে অথবা কিনিবলগীয়া সামগ্ৰীৰ সন্ধান কৰে- তেওঁলোকক পৰৱৰ্তী আহাৰ বিচাৰি ফুৰা ভোকাতুৰ বন্য জন্তুৰ সৈতে ৰিজাব পাৰি।"

যেতিয়া ভোকাতুৰ জন্তু এটাই খাদ্যৰ গোন্ধ পায়, সি লগে লগে গোন্ধৰ উৎস বিচাৰি চায় আৰু এই উৎস ভাল খাদ্য হ'বনে নাই অথবা উৎসটো সহজে চিকাৰ কৰিব পৰা যাবনে নাযায় সেয়া অনুমান কৰি লয়।

ৰেব দৰ্শনার্থীসকলেও এই দুটা কাম কৰে বুলি ভবা হয়। সেয়েহে দৰ্শকে বিচাৰি থকা কথাবোৰ আপোনাৰ ৰেবচাইটত পাবনে নাই তাৰ উত্তৰ দিয়াটো প্ৰয়োজনী। ইয়াৰ উপৰি দৰ্শকক এই তথ্যবোৰ দৰ্শকে সহজে বিচাৰি পাবনে নাই সেয়াও স্পষ্টকৈ উত্তৰ দিয়াটো প্ৰয়োজনীয়।

এটা ভোকাতুৰ বন্য জন্তুই আহাৰ বিচাৰি সময় নষ্ট কৰিবলৈ বেয়া পায়। এনেদৰে, দৰ্শনার্থীয়ে একেটা ৰেবচাইটকে কেইবামিনিটো 'ব্ৰাউজ' কৰি লাগতীয়াল তথ্য অথবা সামগ্ৰী বিচাৰি থাকিব নোখোজে। তেওঁলোকে তৎক্ষণাত তথ্য বিচাৰি উলিওৱাৰ প্ৰয়াস কৰে। সেয়েহে ৰেব লেখকে নিজৰ লেখনী অত্যন্ত জটিল কৰিব নালাগে। অন্য অৰ্থত, বন্য জন্তুৰ বাবে আহাৰ সাধাৰণ, আকৰ্ষণীয়, সুগন্ধিযুক্ত আৰু সহজে বিচাৰি পোৱা বিধৰ হ'ব লাগে।

**(২) সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যটো পোন প্ৰথমে উপস্থাপন কৰক**

ৰেব প্ৰবন্ধ, কাহিনী অথবা সংবাদ লিখাৰ কামটো ৰচনা অথবা উপন্যাস লিখাতকৈ সম্পূৰ্ণ বেলেগ।

এটা সাধাৰণ ৰচনাধৰ্মী প্ৰবন্ধত পোন প্ৰথমে কি আলোচনা কৰিব খোজা হৈছে তাৰ বিৱৰণ, দ্বিতীয়তে সাহিত্যৰ সম্যক আভাস, তৃতীয়তে বিতং আলোচনা আৰু সৰ্বশেষত সামৰণি শিতানটো থাকে। এনে প্ৰবন্ধৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অংশটো হ'ল- সামৰণি।

ৰেব পৃষ্ঠাত লিখাৰ সময়ত ইয়াৰ ঠিক বিপৰীতটো কৰা হয়। সবাতোকৈ গুৰুত্বপূৰ্ণ কথাবোৰ সদায় প্ৰথমে লিখা হয়। ৰেব লেখনীত সদায় উপস্থাপনৰ (F) আৰ্হিটেযা মানি চলা হয়।

সাংবাদিকসকলে এই লিখন শৈলীটোক 'ওলোটা পিৰামিড' শৈলী বুলি জানে। সংবাদ পত্ৰৰ বাবে লিখা লেখনীবোৰত সংবাদ হ'ব পৰা সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যটো প্ৰথমে উল্লেখ কৰা হয়। তাৰ পাচত বিস্তৃত বৰ্ণনা আৰু আনুষংগিক তথ্যবোৰ থাকে। সেইবাবেই পাঠকে কেতিয়াবা বাতৰি-কাকতত প্ৰকাশিত সংবাদ এটাৰ কেৱল প্ৰথম দফাটো পঢ়িয়েই সামগ্ৰিক বাতৰিটো বুজি লয়।

ৰেবচাইটৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। আপোনাৰ পাঠক / গ্ৰাহকে মূল বিষয়টো প্ৰথমে জানিব খোজে। সেয়েহে আপুনি 'কি কৰিব' নাইবা 'তেওঁলোকৰ বাবে কি কৰিব পাৰে'

সেয়া প্ৰথমে ঠিক কৰি ল'ব লাগিব।

**(৩) লেখনী যথাসম্ভৱ সৰল কৰিব**

ৱেবচাইটৰ পাঠকে আপুনি লিখা প্ৰতিটো শব্দই বুজি নাপায়। কিন্তু তেওঁৰ হাতত সময়ৰো নাটনি। তেওঁ কম সময়ৰ ভিতৰতে খৰধৰকৈ আন ৱেবচাইটো পৰীক্ষা কৰিব। সেই খিনি সময়ত তেওঁ আপোনাৰ প্ৰৱন্দটোনো আচলতে কি সেয়া জনাৰ চেষ্টা নকৰে।

সেয়েহে কোৱা হয়- এনে লেখনীক সদায় সহজ সৰল মন্তব্যই সফল কৰি তোলে।

বুদ্ধিদীপ্ত বাকাংশৰ ব্যৱহাৰে পাঠকক চিন্তাত পেলায়। মানুহক চিন্তা কৰিবলৈ ৱেব লেখনী এটাই বাধ্য কৰাৰ নোৱাৰে। সেয়েহে ৱেব লেখনীবোৰ সদায় **১২** বছৰীয়া শিশু এটিয়ে বুজি পোৱা ধৰণে লিখাৰ পৰামৰ্শ আগবঢ়োৱা হয়। তেতিয়াহে আপোনাৰ লেখনী মানুহে সহজে পঢ়িব।

**(৪) চকু ফুৰাওঁতাৰ সুবিধা হোৱাকৈ লিখক**

গৱেষণাৰ পৰা গম পোৱা গৈছে যে মাত্ৰ ১৬% ব্যক্তিয়েহে ৱেব পেইজবোৰ তন্ন-তন্নকৈ পঢ়ে। অধিকাংশ লোকেই ৱেব লেখনীবোৰত ওপৰে ওপৰে চকু ফুৰায় (উৎসঃ জেক'ব নীলচনৰ 'এলাৰ্টবক্স')।

চকু ফুৰাওতাসকলৰ বাবে লিখাৰ সময়ত আমি তলৰ কথাবোৰ চিন্তা কৰিব লাগে-

- আপোনাৰ লেখনীৰ শিৰোনামে আপুনি কি লিখিব খুজিছে সেয়া প্ৰকাশ কৰিব পাৰিছেনে?
- আপোনাৰ আলোকচিত্ৰ সংলগ্ন উদ্ধৃতিবোৰে কোনো বিক্ৰী বাৰ্তা প্ৰকাশ কৰিব পাৰিছেনে?
- আপোনাৰ লেখনীৰ উপ-শিৰোনামে লেখনীটোৰ মূল কথাবোৰৰ সাৰাংশ প্ৰকাশ কৰিব পাৰিছেনে?
- 'সহজে চকু ফুৰাব পৰা' ( ready to scan) কৈ ব্যৱহাৰ কৰা বুলেট পইণ্টবোৰে লেখনীটোত থকা শব্দভাৰ কম কৰিব পাৰিছেনে?

আপোনাৰ ৱেব দৰ্শনাৰ্থীয়ে কম সময়ৰ ভিতৰতে পাব পৰা তথ্য অথবা ক্ৰয় কৰিব পৰা সামগ্ৰী বিচাৰি থাকে। সেয়েহে তেওঁ যাতে আপোনাৰ ৱেব পেইজত মাত্ৰ এবাৰ চকু ফুৰাই সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যবোৰ বুজি পায় সেয়া নিশ্চিত কৰক।

**(৫) সাধাৰণতে ব্যৱহৃত অথবা পৰিচিত শব্দ প্ৰয়োগ কৰক**

সচৰাচৰ ব্যৱহৃত অথবা পৰিচিত শব্দবোৰ পাঠকে পঢ়িব বিচাৰে। লেখকসকলে সদায়েই নিজৰ শব্দ ভাণ্ডাৰ জাহিৰ কৰিব খোজে। তেওঁলোকে নিজৰ লেখনীবোৰ শব্দ প্ৰয়োগেৰে আকৰ্ষনীয় অথবা আটক ধুনীয়া কৰি তুলিব খোজে।

লেখকে নিজকে বিজ্ঞানসন্মত, কল্পনাশক্তি প্ৰৱণ অথবা বিশেষ বুলি উপস্থাপন কৰিব খোজে। কিন্তু ৱেব পেইজৰ পাঠকে কেৱল পৰিচিত, সাধাৰণ শব্দহে পঢ়িব খোজে। এনে শব্দই পাঠকক সঠিক পেইজ খোলাৰ ইংগিত দিয়ে।

**(৬) এলেহুৱা লোকৰ বাবে লিখক**

এগৰাকী সষ্টম শ্রোতা অথবা পাঠকৰ মনোযোগ আকর্ষণ কৰাটো সহজ কাম। কিন্তু এগৰাকী এলেহুৱা ব্যক্তিৰ মনোযোগ সহজে আকর্ষণ কৰিব নোৱাৰি। এলেহুৱা লোকে কামবোৰ সহজ উপায়েৰে তৎক্ষণাত হোৱাটো বিচাৰে। তেওঁলোকে যি বিচাৰে সেয়া সদায়েই আগবঢ়োৱাটো অসম্ভৱ কথা। কিন্তু আমি এনে উপস্থাপন শৈলীত চতুৰতা প্রয়োগ কৰি এলেহুৱা পাঠকক কিছু সময়ৰ বাবে ধৰি ৰাখিব পাৰোঁ।

এলেহুৱা পাঠকৰ মনোযোগ আকর্ষণ কৰাৰ কেইটামান কৌশল তলত উল্লেখ কৰা হ'ল-

- দফাবোৰ চুটি কৰিব- সর্বাধিক চাৰিটা বাক্য লিখিব।
- বাক্যবোৰ চুটি কৰিব- এটা বাক্যত সর্বাধিক বাৰটা শব্দ ব্যৱহাৰ কৰিব।
- অপ্রয়োজনীয় শব্দৰ ব্যৱহাৰ এৰাই চলিব।
- 'জার্গন' (কাৰিকৰী অভিধা) আৰু ইয়াৰ মাত্রাধিক প্রয়োগ এৰাই চলিব।
- কর্মবাচ্যমূলক কাল (passive tense) ৰ ব্যৱহাৰ এৰাই চলিব।
- অপ্রয়োজনীয় পুনৰাবৃত্তি এৰাই চলিব।
- আপোনাৰ ৰেব পাঠকক প্রত্যক্ষভাৱে সম্বোধন কৰক- 'আপুনি / আপোনাৰ' আদি শব্দ ব্যৱহাৰ কৰক।
- লেখনীটো চুটি কৰক।

**(৭) যিকোনো স্থানৰ মানুহে আপোনাৰ ৰেবচাইট পঢ়িব পাৰে**

মানুহে কিতাপ এখন প্রথম অধ্যায়ৰ পৰা পঢ়িবলৈ আৰম্ভ কৰে আৰু একাদিক্রমে অধ্যায়বোৰ পঢ়ি যায়।

কিন্তু বর্তমান মানুহে কিতাপ এখন যিকোনো অধ্যায়ৰ পৰা পঢ়িব পাৰে বুলি ধৰি লওকচোন। মানুহে যদি কিতাপ এখনৰ তৃতীয় অধ্যায়ৰ মাজৰ পৰা পঢ়ে নাইবা দ্বিতীয় অধ্যায়ৰ পৰা আৰম্ভ কৰে নাইবা প্রথম অধ্যায়ৰ একেবাৰে শেষ পৃষ্ঠটো পঢ়ে।

ৰেব পেইজবোৰ তেনেধৰণৰ বুলি ক'ব পাৰি। এনে পেইজৰ অধিকাংশ পাঠকে 'হোম পেইজ'টো নপঢ়ে। তেওঁলোকে যিকোনো ৰেব পেইজ খুলিব পাৰে। সেয়েহে এনে পাঠকক বুজাত সহায় কৰিব পৰাকৈ তলৰ কথাবোৰৰ প্রতি লক্ষ্য ৰাখিব লাগে-

- প্রতিটো পেইজ ওপৰে ওপৰে চকু ফুৰাব পৰাকৈ সহজ হ'ব লাগে।
- প্রতিটো পেইজে পাঠকক তেওঁ ক'ত আছে সেয়া ব্যাখ্যা কৰিব আৰু চাইটটো কি সেয়া বুজাই দিব লাগে।
- প্রতিটো পেইজে পাঠকক পৰৱর্তী কার্যৰ দিক্ নির্দেশনা দিব লাগে। অর্থাৎ, পাঠকে ইয়াৰ পাচত কি ক্লিক্ কৰিব, আন কি ব্লগ পোষ্ট পঢ়িব, আপোনাৰ চাইটৰ ই-মেইল নিউজ লেটাৰ পাবলৈ ক'ত, কেনেকৈ চাইন আপ কৰিব লাগিব, সামগ্রীৰ পূর্ণ বিৱৰণ

অথবা সামগ্ৰীৰ বিশ্বাসযোগ্যতাৰ সত্যাপন ক'ত পৰীক্ষা কৰিব পাৰিব, ক'ত নিবিদা মূল্যৰ আবেদন কৰিব পাৰিব অথবা সামগ্ৰী এবিধ কেনেদৰে শ্ব'পিং কার্টত জমা কৰিব এই সকলোবোৰ তথ্য পাঠকে পাব লাগিব।

- পাঠকে ইয়াৰ পাচত কি কৰিব সেয়া 'নেভিগেশ্যন বাৰ' - এ নির্দেশ দিব বুলি ভাৰসা নকৰিব। পৰৱর্তী কার্য কৰিব পৰাকৈ প্রতিটো ৱেব পৃষ্ঠাতে 'ক্লিক্ বুটাম' অথবা 'লিংক'ৰ সুবিধা সংযোগ কৰিব।

**(৮) পাঠকে আপোনাক সহজে বিচাৰি পাব লাগিব**

উপযোগী তথ্যৰ সহায়ত আপোনাৰ ৱেবচাইটৰ দর্শকৰ সংখ্যা বৃদ্ধি কৰক। SEO (Search Engine Optimization) ৰ বাবে লিখা লেখনীবোৰে জনপ্রিয়তা অর্জন কৰাৰ কৌশল কেইটামান হ'ল-

- ৱেব পাঠকে সোধা প্রশ্নৰ উত্তৰ দিয়ক।
- প্রতিটো পেইজৰে প্রধান বিষয়বোৰ আলোচনা কৰক।
- নিজৰ অথবা অন্যৰ ৱেবচাইটত প্রাসংগিক পেইজবোৰৰ লিংক যোগ কৰক।
- ৱেব পাঠকে বিচাৰি থকা বাক্যাংশ আৰু শব্দ ব্যৱহাৰ কৰক।

**(৯) দর্শনসাধ্য আহিলা প্রয়োগেৰে পাঠকক প্রভাৱিত কৰক।**

ৱেবচাইট এটাৰ দর্শনসাধ্য আকর্ষণে লিখিত তথ্যৰ পাঠকৰ সংখ্যা বৃদ্ধি কৰে আৰু ৱেব দর্শনার্থীক পে'জটো সম্পর্কে তৎক্ষণাত বুজাত সহায় কৰে।

এই ৱেবাচাইটৰ দর্শনসাধ্য আকর্ষণ বৃদ্ধি কৰিবলৈ-

- লিখিত তথ্যৰ সলনি আলোকচিত্র নাইবা ভিজিঅ' ব্যৱহাৰ কৰক।
- বিভিন্ন আকাৰৰ লিপি ব্যৱহাৰ কৰক- মনত ৰাখিব, পাঠকে প্রথমে ডাঙৰ আকাৰৰ আগৰবোৰহে পঢ়িব।
- ভাৰসাযোগ্যতা বঢ়াবলৈ গ্রাহক (অথবা বিশেষজ্ঞ)ৰ মন্তব্য সংলগ্ন কৰক।
- শব্দ বাক্য 'হাইলাইট' কৰক, 'বোল্ড' আকাৰৰ লিপি ব্যৱহাৰ কৰক, কেপিটেল লেটাৰ ব্যৱহাৰ কৰক নাইবা 'আইটালিকচ্' কৰি লিখক।
- দীঘলীয়া শিৰোনাম ভাঙি উপ-শিৰোনাম সংলগ্ন হ্রস্ব ৰূপ এটা দিয়ক।
- দফাবোৰ 'বুলেট পইণ্ট' সংলগ্ন চুটি তথ্যলৈ সলনি কৰক।



## ৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত শিকা কেইটামান গুৰুত্বপূৰ্ণ কথাৰ সাৰাংশ এনেধৰণৰ-

- অনলাইন সাংবাদিকতা হ'ল সাংবাদিকতাৰ এক সমসাময়িক ৰূপ। এনে সাংবাদিকতাত সম্পাদিত বিষয়বস্তুবোৰ ছপা অথবা সম্প্রচাৰকৰাৰ সলনি ইণ্টাৰনেটৰ মাধ্যমেৰে বিতৰণ কৰা হয়। বিতৰণ কৰা বিষয়বস্তুবোৰত লিখিত তথ্য, আলোকচিত্ৰ, ভিডিঅ', এনিমেশ্বন আৰু গ্ৰাফিকচ্ নাইবা ইয়াৰে দুই অথবা ততোধিক উপায়ৰ সংমিশ্রণ থাকিব পাৰে।
- অনলাইন সাংবাদিকতাৰ মৌলিক নীতি আৰু অনুশীলন বুজাবৰ বাবে ( BASIC) শব্দটো ব্যৱহাৰ কৰা হয়। ইয়াৰ অর্থ হ'ল- B-Brevity (সংক্ষিপ্ততা), a- adaptability (অনুকূলশীলতা),S-Scannability (তথ্য পৰীক্ষণ সাধ্যতা), I-Interactivity ) (আন্তঃক্রিয়াশীলতা), C-Community And Conversation (সম্প্রদায় আৰু কথোপকথন)।
- অনলাইন সাংবাদিকতাৰ সুবিধাবোৰ হ'ল- সীমাহীন স্থান, বিশ্বজনীন উপলব্ধতা তথা বিতৰণ, সমধর্মিতা, আন্তঃক্রিয়াশীলতা, সঞ্চয় আৰু পুনৰোদ্ধাৰ তথা তাৎক্ষণিকতা
- অনলাইন সাংবাদিকতাৰ অসুবিধাবোৰ হ'ল- সংবাদ উৎসৰ কাঠফুলাৰ দৰে হোৱা বৃদ্ধি, ভাৰসাযোগ্যতাৰ অভাৱ, ন্যায়নিষ্ঠতাৰ সৈতে জড়িত প্রশ্ন, ডিজিটেল বিভাজন ইত্যাদি।
- অনলাইন সাংবাদিকে পালন কৰিবলগীয়া কিছুমান ন্যায়নিষ্ঠ নির্দেশনা হ'ল- কুম্ভিলক বৃত্তিৰ পৰা বিৰত থকা, তথ্য উৎস সদৰি কৰা, সংবাদ প্রকাশৰ বাবে কোনো উপহাৰ অথবা ধন গ্রহণ নকৰা, তথ্যৰ সত্যাসত্য পৰীক্ষা কৰিহে সংবাদ প্রতিবেদন লিখা আৰু সততা বর্তাই ৰখা।
- অনলাইন সাংবাদিকসকলে ৰেবৰ বাবে লিখাৰ সময়ত মনত ৰাখিবলগীয়া কথা কেইটামান হ'ল- ৰেব দর্শনার্থীসকল বন্য জন্তুৰ লেখীয়া, সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যটোৰ সর্বপ্রথম উল্লেখ, লেখনী যথাসম্ভৱ সৰল কৰি ৰখা পাঠকক আপোনাৰ চিন্তা আৰু তথ্য উপস্থাপনত সৃজনশীলতাৰ পৰিচয় বিচৰা ওপৰে ওপৰে তথ্যত চকু ফুৰাওঁতা, এলেহুৱা, বুদ্ধিমত্তাহীন লোক বুলি গণ্য কৰা ইত্যাদি।



## ৭.৯ অধিক জানিবলৈ

1) News Writing and Reporting by Carole Rich, 2010 by Wads-Worth (India Edition); ISBN 978-81-315-1235-7.

2) Electronic Journalism-Principles and Practices by Aditya Sengupta 2006, Authors Press; ISBN: 81-7273-303-8.

3) The Handbook of Global Online Journalism, by Siapera Veglis, and Edited by Eugenia Siapera and Andreas Veglis, Edition 2012

## ৭.১০ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহঃ

**১নং প্রশ্নৰ উত্তৰ ঃ** ডিজিটেল সাংবাদিকতা অথবা অনলাইন সাংবাদিকতা হ'ল সাংবাদিকতাৰ এক সমসাময়িক ৰূপ। এনে সাংবাদিকতাত সম্পাদিত বিষয়বস্তুবোৰ ছপা অথবা সম্প্রচাৰ কৰাৰ সলনি ইণ্টাৰনেটৰ মাধ্যমেৰে বিতৰণ কৰা হয়।

**২নং প্রশ্নৰ উত্তৰ ঃ** অনলাইন সাংবাদিকতাত বিভিন্ন স্তৰৰ সংক্ষিপ্ততাৰ বিষয়ে মনত ৰাখিব লাগে। সবাতোকৈ ভালদৰে মনত ৰাখিবলগীয়া কথাটো হ'ল চুটি লেখনীবোৰে অনলাইন মঞ্চত অধিক সমাদৰ লাভ কৰে। কাৰণ, বেছিভাগ লোকেই পর্দাত দীঘলীয়া তথ্য সমৃদ্ধ লেখনী পঢ়িবলৈ টান পায় অথবা এৰাই চলে। স্কীনখন তললৈ টানি নমাই লৈ গৈ থকাৰ কামটোও বিশেষ তথ্য অথবা তথ্যসমষ্টি বিচাৰি থকাসকলৰ বাবে এক বিৰক্তিকৰ কার্য হ'ব পাৰে।

**৩নং প্রশ্নৰ উত্তৰ ঃ** ৰেব সংবাদ পৰিৰেশনৰ আধাৰ হ'ল অন্বেষণ। যিকোনো পাঠকে 'চার্চ ৰ'ৰ্ড' (প্রধান শব্দ) নাইবা 'চার্চ কোৱেৰী' (প্রাসংগিক প্রশ্ন) একোটা টাইপ কৰি মনে বিচৰা ঘটনা নাইবা বর্ণনা বিচাৰি উলিয়াব পাৰে। কোনো বাতৰিকাকতৰ ৰেবছাইটত প্রকাশিত যিকোনো বাতৰি পাঠকে সপ্তাহৰ সাতোটা দিনতেই চৌব্বিশ ঘণ্টাই যেতিয়াই মন যায় তেতিয়াই বিচাৰি উলিয়াই পঢ়িব পাৰে। ৰেবত প্রকাশিত বাতৰিবোৰ কাকতখনৰ অনলাইন আর্কাইভত জমা হৈ থাকে।

**৪নং প্রশ্নৰ উত্তৰ ঃ** যথেষ্টসংখ্যক অর্হতাহীন লোকে জ্ঞান, অধ্যয়ন সাংবাদিকতা বৃদ্ধি অনুশীলনৰ লাগতিয়াল অনুজ্ঞা অবিহনে সাংবাদিকতাৰ জগতখনত নামি পৰিছে। এনে লোকৰ সংখ্যা সকলো ঠাইতে বাঢ়িছে। অনলাইন ৰেবছাইট, ব্লগ আৰু সংবাদ উৎসেৰে উপচি পৰিছে। কেতিয়াবা ই তথ্যৰ প্রবাহ মাত্রাধিক কৰি তোলে। ফলত পাঠক দোমোজাত পৰে আৰু বিভ্রান্ত হয়।



## ৭.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

**প্ৰশ্ন ১ ঃ** অনলাইন মাল্টিমিডিয়া বিষয়বস্তুবোৰ সৰ্বাধিক কিমান দীঘলীয়া হোৱা উচিত?

**প্ৰশ্ন ২ ঃ** অনলাইন সাংবাদিকতাত আন্তঃক্ৰিয়াশীলতা মানে কি?

**প্ৰশ্ন ৩ ঃ** অনলাইন সাংবাদিকতাত কিয় সচৰাচৰ ব্যৱহৃত অথবা পৰিচিত শব্দ ব্যৱহাৰ কৰিব লাগে?

**প্ৰশ্ন ৪ ঃ** SEO মানে কি?

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)-

**প্ৰশ্ন ১ ঃ** ৰেৱ দৰ্শনাৰ্থীক কিয় বন্য জন্তুৰ সৈতে তুলনা কৰা হয়?

**প্ৰশ্ন ২ ঃ** ৰেৱ বিষয়বস্তু উপস্থাপনৰ 'F' আৰ্হিটো কি?

**প্ৰশ্ন ৩ ঃ** উপহাৰ আৰু ধৱন গ্ৰহণে সংবাদৰ উদ্দেশ্য সাধন হোৱাত কেনেদৰে বাধা দিব পাৰে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)-

**প্ৰশ্ন ১ ঃ** অনলাইন সাংবাদিকতাৰ মৌলিক নীতি আৰু অনুশীলনবোৰৰ বিষয়ে আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** ওপৰে ওপৰে চকু ফুৰাওঁতা আৰু এলেহুৱা ৰেৱ পাঠকৰ বাবে লিখাৰ মৌলিক কৌশলবোৰ ব্যাখ্যা কৰক।

**********

# অধ্যায় ৮ ঃ অন্‌লাইন বাতৰিকাকত আৰু সংবাদৰ বিভিন্ন ৱেবছাইট

## অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ অন্‌লাইন বাতৰিকাকত

৬.৩.১ অন্‌লাইন বাতৰিকাকতৰ প্রকাৰ

৬.৩.২ অন্‌লাইন বাতৰিকাকতৰ বিকাশ

৮.৪ পৰম্পৰাগত বাতৰিকাকতৰ ওপৰত অন্‌লাইন বাতৰিকাকতৰ প্রভাৱ আৰু সংবাদৰ বিভিন্ন ৱেবছাইট

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্রগতিৰ খতিয়ান

৮.৮ আৰ্হি প্রশ্ন

## ৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অন্‌লাইন বাতৰিকাকতৰ বিষয়ে ব্যাখ্যা দিব পাৰিব
- অন্‌লাইন বাতৰিকাকতৰ বিকাশ বর্ণনা কৰিব পাৰিব
- পৰম্পৰাগত বাতৰিকাকতৰ ওপৰত অন্‌লাইন বাতৰিকাকতৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব

## ৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি অন্‌লাইন সাংবাদিকতাৰ বিভিন্ন দিশ আৰু বিগত সময়ছোৱাত ঘটা ক্রমবিকাশ সম্পর্কে বহলাই আলোচনা কৰিছো। এই অধ্যায়টোত আমি বিগত সময়ছোৱাৰ পৰা আজি পর্যন্ত অন্‌লাইন বাতৰিকাকতৰ বিকাশ, ই কেনেদৰে বর্তমান সময়ৰ এটা সবাধিক শক্তিশালী প্রচাৰ মাধ্যম উদ্যোগত পৰিণত হ'ল সেই বিষয়ে আলোচনা কৰিম। আজিকালি পৃথিৱীৰ প্রতিখন আগশাৰীৰ বাতৰিকাকতৰে অন্‌লাইন সংস্কৰণ একোটাও আছে। অন্‌লাইন অস্তিত্ব অবিহনে বাতৰিকাকতবোৰে যেন ইয়াৰ নির্ভৰযোগ্যতা বহুখিনি হেৰুৱাই পেলোৱাৰ উপক্রম হৈছে।

অন্‌লাইন সংবাদ প্রতিবেদন দাখিল তথা ছাইবাৰ সাংবাদিকতাৰ নৈতিক প্রমূল্য সম্পর্কে বহুকেইটা বিতর্কই মূৰ দাঙি উঠিছে যদিও ইয়াৰ জনপ্রিয়তা আৰু সুলভতা সন্দেহাতীত। সেয়েহে প্রচাৰ মাধ্যমৰ শিক্ষার্থী হিচাপে আপুনি অন্‌লাইন বাতৰিকাকতৰ ধাৰণাটো পুংখানুপুংখভাৱে বুজি পোৱাতো অতি প্রয়োজনীয়। অন্‌লাইন সাংবাদিকতাৰ পন্থাবোৰ আৰু সাধাৰণ ছপা মাধ্যম তথা 'ৱেব'ৰ বাবে লিখাৰ মাজত কি পার্থক্য আছে সেয়া জানি থ'লে সাংবাদিকতাৰ এই ক্রমাৎ উর্দ্ধগামী ক্ষেত্র খনত আপুনি দক্ষতাৰে ভৰি দিব পাৰিব।

## ৮.৩ অন্‌লাইন বাতৰিকাকত (ONLINE NEWSPAPERS)

একেবাৰে সহজ অর্থত, ৱ'ৰ্ল্ড ৱাইড ৱেবত নিজৰ অস্তিত্ব বর্তাই ৰখা বাতৰিকাকত এখনকে অন্‌লাইন বাতৰিকাকত বোলে। বাতৰিকাকত এখনৰ অন্‌লাইন সংস্কৰণটো মূল কাকতখনৰ হুবহু প্রতিলিপিও হ'ব পাৰে নাইবা এটা সুকীয়া সংস্কৰণো হ'ব পাৰে।

ৱেবভিত্তিক সাংবাদিকতাই সন্মুখীন হোৱা সকলো প্রকাৰৰ নৈতিক প্রমূল্যজনিত সমস্যা সত্বেও অন্‌লাইন বাতৰিকাকতৰ সংখ্যা বৃদ্ধি ব্যাহত হোৱা নাই। অন্‌লাইন সংবাদ প্রতিবেদন দাখিল প্রক্রিয়াটোৰ নাম শুনিলেই পৰম্পৰাগত প্রথাৰ সাংবাদিকসকলে অসন্তুষ্টি ব্যক্ত কৰিলেও তেওঁলোকে সাংবাদিকতাৰ এই নতুন ৰূপটোৰ ক্রমবর্দ্ধমান জনপ্রিয়তা ৰোধ কৰিব নোৱাৰে। আজি প্রতিখন আগশাৰীৰ বাতৰি কাকতৰে অন্‌লাইন সংস্কৰণ আছে। অন্‌লাইন বাতৰিকাকতৰ লেখক-সম্পাদকে নিয়মীয়াকৈ ইয়াৰ পাঠকৰ সৈতে ভাৰ বিনিময় কৰিব পাৰে। তেওঁলোকে আনকি ব্রডকাষ্ট সাংবাদিকতাক প্রত্যাহবান জনাব পৰা সামর্থও আয়ত্বাধীন কৰি লৈছে। বাতৰি-কাকতে কেতিয়াও টিভি সাংবাদিকতাৰ তাৎক্ষণিক গুণটোৰ সৈতে ফেৰ মাৰিব নোৱাৰে। কিন্তু এতিয়া বাতৰিকাকতৰ অন্‌লাইন সংস্কৰণবোৰৰ সহায়ত তেওঁলোকেও যেতিয়াই যেনেকৈ ঘটে ঠিক তেতিয়াই তেনেদৰে 'ব্রে'কিং নিউজ' আপলোড কৰিব পৰা হৈছে। এইক্ষেত্রত এতিয়া টিভি চেনেলৰ সৈতে বাতৰিকাকতৰ কোনো পার্থক্য নাই।

### ৮.৩.১ অন্‌লাইন বাতৰিকাকতৰ প্রকাৰ (Types of Online Newspapers)

অন্‌লাইন বাতৰিকাকত বুলিলে আমি সেইবোৰ বাতৰিকাকতৰ কথা বুজো যিবোৰৰ অন্‌লাইন অস্তিত্ব আছে। অন্‌লাইন বাতৰিকাকতৰ দুটামান মৌলিক প্রকাৰ আছে। সেইবোৰ হ'ল—

১) অধিকাংশ আগশাৰীৰ বাতৰিকাকতৰে ৱ'ৰ্ল্ড ৱাইড ৱেবত দুই ধৰণৰ উপস্থিতি থাকে। এটা হ'ল প্রতি মিনিটৰ মূৰে মূৰে শেহতীয়া সংবাদ সংযোজিত হৈ থকা সংবাদ ৱেবছাইট আৰু আনটো ধৰণ হ'ল ছপা কাকতখনৰ হুবহু প্রতিলিপিৰ আপলোড। ৱেবছাইটৰ বাবে প্রতিখন বাতৰিকাকতৰে নিজা লেখক আৰু সাংবাদিক থাকে। তেওঁলোকে নিষ্ঠা সহকাৰে কৰল 'ৱেব'ৰ বাবে লিখে আৰু চৌব্বিশ ঘণ্টাই শেহতীয়া সংবাদ আপলোড কৰি থাকে।

ভাৰতত 'হিন্দুস্তান টাইমছ্' (www.hindustantimes.com) আৰু 'টাইমছ্' অফ ইণ্ডিয়া'ৰ (www.timesofindia.indiatimes.com) দৰে প্ৰধান বাতৰিকাকত-বোৰৰ ৱেবত এনে দুই ধৰণৰ উপস্থিতি দেখা পোৱা যায়। এই বাতৰিকাকত কেইখনৰ প্ৰতি মুহূৰ্ততে শেহতীয়া সংবাদ সংযোজন ঘটি থকা ৱেবছাইটটো আছে আৰু দৈনিক কাকতখনৰ অন্‌লাইন সংস্কৰণো আছে। অন্‌লাইন সংস্কৰণবোৰক ই-পেপাৰ (e-paper) বুলিও কোৱা হয়। আপুনি ইচ্ছা অনুসৰি ৱেবছাইটো চাব পাৰে নাইবা কাকতখনৰ হুবহু অন্‌লাইন সংস্কৰণটোও পঢ়িব পাৰে। বাতৰিকাকত এখনৰ দৈনিক সংস্কৰণটোৰ প্ৰতিটো পৃষ্ঠাকে পোনে পোনে হুবহু ৰূপত ছাইটত আপলোড কৰি দিয়া হয়। ৱেবছাইট এটাত নিয়মীয়াকৈ শেহতীয়া সংবাদ তথ্য সংযোজন ঘটি থকাৰ বিপৰীতে পাঠকে নিজৰ কম্পিউটাৰতে কাকত এখনৰ দৈনিক ৰূপটোৰ অন্‌লাইন সংস্কৰণ পঢ়ি চাব পাৰে। কেতিয়াবা ছপা সংস্কৰণত প্ৰকাশিত বাতৰিক ৱেবছাইটতো স্থান দিয়া হয়। ৱেবছাইট সম্পাদকে বাতৰিটোৰ প্ৰয়োজন সাপেক্ষে কিছু সাল-সলনি কৰিব পাৰে।

২) বহুতো বাতৰিকাকতৰ মাত্ৰ এটা ৱেব উপস্থিতি থাকে। উদাহৰণ হিচাপে 'আছাম ট্ৰিবিউন'ৰ (www.assamtribune.com) কথা ক'ব পাৰি। দৈনিক আৰু অন্‌লাইন দুয়োটা সংস্কৰণতে বাতৰিবোৰ একেই থাকে। তেওঁলোকে বাতৰিকাকতখনৰ দৈনিক সংস্কৰণটোকে ৱেবছাইটত আপলোড কৰি দিয়ে। তেওঁলোকৰ ৱেবছাইটটোত সকলো সময়তে শেহতীয়া বাতৰি-তথ্য যোগ হৈ নাথাকে।

৩) অন্‌লাইন বাতৰিকাকতৰ তৃতীয় প্ৰকাৰটো হ'ল 'কেৱল অন্‌লাইন বাতৰিকাকত' (Online only Newspapers)সমূহ। এনে বাতৰিকাকতৰ কেৱল ৱেবতহে উপস্থিতি থাকে। এইবোৰৰ কোনো 'হাৰ্ড কপি ফৰ্মেট' (Hard-copy Format) অথবা কাকতত ছপোৱা সংস্কৰণ নাথাকে। এইবোৰ হ'ল স্বতন্ত্ৰ সংবাদ ৱেবছাইট। এইবোৰৰ কোনো ছপা মাধ্যমৰ বাতৰিকাকত নাইবা আলোচনীৰ সৈতে অংশীদাৰত্ব নাথাকে। ছপা মাধ্যমৰ সৈতে কোনো সম্পৰ্ক নথকা এনেধৰণৰ দুটা সংবাদ ৱেবছাইট হ'ল 'ৱেডিফ ডট কম' (rediff.com) আৰু 'য়াহু ডট কম' (yahoo.com)।

৪) সেয়েহে ক'ব পাৰি যে অধিকাংশ বাতৰিকাকত ৱেডিঅ' আৰু টিভি বুলেটিনৰ ইণ্টাৰনেট সংস্কৰণবোৰ হ'ল উল্লিখিত দুই ধৰণৰ উপস্থাপনৰে সংমিশ্ৰিত ৰূপ।

## ৮.৩.২ অন্‌লাইন বাতৰিকাকতৰ বিকাশ (Growth of Online Newspapers)

অন্‌লাইন বাতৰিকাকতৰ ইতিহাস বৰ দীঘলীয়া নহয়। প্ৰায় দুটা দশকৰ আগতেহে ই আত্মপ্ৰকাশ কৰিছিল। কিন্তু অবিশ্বাস্যভাৱে অতি কম সময়ৰ ভিতৰতে ইয়াৰ দ্ৰুত প্ৰসাৰ আৰু বিকাশ ঘটিছে। বৰ্তমান সময়ত প্ৰতিখন প্ৰতিষ্ঠিত বাতৰি কাকতেই অন্‌লাইনত নিজৰ অস্তিত্ব ঘোষণা কৰিছে।

১৯৮০ চনৰ ১ জুলাইত কলম্বাছ ডিছপ্যাটছ্ (অ'হিও) নামৰ বাতৰিকাকতখনে প্ৰথমখন অন্‌লাইন বাতৰিকাকত হোৱাৰ খ্যাতি অৰ্জন কৰিছিল। 'কম্পিউ ছাৰ্ভ' (Compu Serve) নামৰ কোম্পানীটোৱে ইয়াক দৰ্শক পাঠকৰ আগত উপস্থাপন কৰাত সহায় কৰিছিল। 'কম্পিউছাৰ্ভ'এ 'এছ'চিয়েট প্ৰেছ (AP) নামৰ সংবাদ এজেন্সীটোৰ সদস্য ১১খন বাতৰিকাকতৰ সৈতে ইয়াৰ সেৱা আৰম্ভ কৰিছিল। তেওঁলোকে অন্‌লাইন সেৱাৰে ৱেব-ত প্ৰকাশিত কৰা প্ৰথমখন বাতৰিকাকত আছিল কলম্বাছ ডিছপ্যাট্‌ছ। অন্য বাতৰি-কাকতকেইখন হ'ল— দ্যা ৱাশ্যিংটন পোষ্ট, দ্যা নিউয়ৰ্ক টাইমছ্, দ্যা মিনিয়াপ'লিছ ষ্টাৰ ট্ৰিবিউন, দ্যা ছান ফ্ৰেন্সিস্ক' ক্ৰ'নিকল্, দ্যা ছান ফ্ৰেন্সিস্ক' এগ্‌জামিনাৰ, দ্যা লছ এঞ্জেলেছ টাইমছ্, দ্যা ভাৰ্জিনিয়ান পাইলট/লেড্‌জাৰ ষ্টাৰ, দ্যা মিডিলছেক্স নিউজ, দ্যা ছে'ণ্ট লুই পোষ্ট ডিছপ্যাট্‌ছ আৰু দ্যা আটলাণ্টা জাৰ্নেল-কনষ্টিটিউশ্যন।

আৰম্ভণিৰে পৰা অন্‌লাইন সংবাদ সেৱক পৰীক্ষামূলক সেৱা বুলি গণ্য কৰা হৈছিল। সকলোবোৰ বাতৰিকাকতেই ১৯৮২ চনৰ শেষৰফালে এই প্ৰকল্পটো বাদ দিছিল। পুনৰ ১৯৯০ চনতহে সেৱাটো পুনৰ সক্ৰিয় হৈছিল। সাংবাদিকসকলে ১৯৯৪ চনৰ পৰা ইণ্টাৰনে'টৰ জগতখনত প্ৰৱেশ কৰা আৰম্ভ কৰিছিল। ১৯৯৩ চনৰ অক্টোবৰ মাহত ফ্ল'ৰিডা বিশ্ববিদ্যালয়ৰ জাৰ্নেলিজম্ স্কুলে আৰম্ভ কৰা সাংবাদিকতা বিষয়ক ৱেবছাইটটোকে ইণ্টাৰনে'টত এই বিষয়ৰ প্ৰথমটো ৱেবছাইট বুলি গণ্য কৰা হয়। ব্ৰিটেইনত ১৯৯৪ চনৰ নৱেম্বৰ মাহত 'টেলিগ্ৰাফ' কাকতখনে ৱেবছাইটত নিজৰ উপস্থিতি ঘোষণা কৰি দেশখনৰ প্ৰথমখন অন্‌লাইন বাতৰিকাকত হোৱাৰ গৌৰৱ অৰ্জন কৰে।

১৯৯৭ চনত বিবিছি-এ (BBC) অন্‌লাইন সেৱা আৰম্ভ কৰে। এবছৰতকৈও কম সময়ৰ ভিতৰতে ই বিষয়সূচীৰ ১৪০০০০ ৱেব পে'জ আৰু বাতৰিৰ ৬১,০০০ ৱেব পে'জতকৈ অধিক তথ্য নিজৰ ৱেবছাইটত সন্নিবিষ্ট কৰিছিল। ১৯৯৯ চনত দ্যা গার্ডিয়েন আনলিমিটেড নেটৱ'ৰ্ক-এ (The Guardian Unlimited Network) ইয়াৰ সেৱা আৰম্ভ কৰিছিল। দুবছৰৰ ভিতৰতে ২০ লাখতকৈও অধিক (2 million) লোকে ইয়াৰ সেৱা গ্ৰহণ কৰিছিল। বৰ্তমান ই ব্ৰিটেইনৰ এটা সৰ্বাধিক জনপ্ৰিয় সংবাদ ছাইট।

২১ শতিকাৰ আগমনৰ আগে আগে প্ৰায় সকলোৱেই ৱেব পে'জ সৃষ্টি আৰু তাত সংবাদ 'পোষ্ট' (Post) কৰাৰ প্ৰতিযোগিতাত নামিল। কিন্তু ১৯৯৯ চনত অন্‌লাইন পৃথিৱীখনত কিছু উদ্বিগ্নতাৰে ভৰা সময় অলপ আহিছিল। উৰা বাতৰিমতে একৈশ শতিকাৰ আগমনে বিশ্বব্যাপী কুপ্ৰভাৱ পেলাব আৰু সমগ্ৰ কম্পিউটাৰ প্ৰণালী ধ্বংস



**'কম্পিউ ছাৰ্ভ' (Compu Serve)** আছিল আমেৰিকাৰ প্ৰথমটো ব্যৱসায়িক অন্‌লাইন সেৱা। '৮০ৰ দশকত ই আমেৰিকাৰ বজাৰত একাধিপত্য বিস্তাৰ কৰিছিল। কিন্তু অৱশেষত ই 'এ-অ'-এল'ৰ (AOL) হাতত পৰাজয় স্বীকাৰ কৰিছিল। ২০০৯ চনৰ জুলাই মাহত 'কম্পিউ ছাৰ্ভ'-এ চিৰিদিনৰ বাবে ইয়াৰ কাম-কাজ বন্ধ কৰি দিয়ে।

হৈ যাব বুলি প্ৰচাৰিত হৈছিল। কিন্তু সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই সমগ্ৰ বিশ্বৰ লগতে কম্পিউটাৰৰ পৃথিৱীখনেও নিৰাপদে নতুন শতিকাত প্ৰৱেশ কৰিলে।

২০০০ চনৰ ফেব্ৰুৱাৰী মাহত অন্‌লাইন সম্পাদক আৰু প্ৰকাশকসকলক 'হেকাৰ' (Hacker)ৰ পৰা সাৱধানে থাকিবলৈ সতৰ্কবাণী শুনোৱা হৈছিল। কাৰণ য়াহু, এমাজ'ন, চি-এ-এন ডট কম আৰু বাই ডট কম (Buy.com)ৰ দৰে ৱেবছাইটবোৰক 'হেকাৰ'-এ আক্ৰমণ কৰিছিল। একে বছৰতে সংবাদ এজেন্সী এছোছিয়েটেড প্ৰেছ-এ (AP) এপি ষ্ট্ৰীমিং নিউজ (AP Streaming News) নামৰ ৱেবছাইটটোৰ শুভাৰম্ভ কৰিছিল। ই সংবাদ ছাইট আৰু সম্প্ৰচাৰকসকললৈ মাল্টিমিডিয়া সম্বলিত বিষয়সূচীৰ যোগান ধৰিছিল। সেই বছৰটোৰ আন এটা উল্লেখযোগ্য বিকাশ হ'ল ইণ্টাৰনেশ্যনেল হেৰল্ড ট্ৰিবিউনৰ নতুন ৰূপত আত্মপ্ৰকাশ। তেওঁলোকৰ সংবাদ ছাইটটোৱে দৰ্শক-পাঠকক পৃষ্ঠা লুটিওৱাৰ সময়ত 'ফ্লিক্' (Flick) কৰাৰ আৰু পাছত পঢ়িব পৰাকৈ বাতৰিৰ মুখ্যাংশ সাঁচি থ'ব পৰাৰ সুবিধা আগবঢ়াইছিল।

নিউয়ৰ্কৰ ৰ'ল্ড ট্ৰেড ছেণ্টাৰৰ ওপৰত চলা ৯/১১ৰ সন্ত্ৰাসবাদী আক্ৰমণটোৱে সমগ্ৰ বিশ্বক স্তম্ভিত কৰাৰ লগতে অন্‌লাইন সংবাদ ছাইটৰ চাহিদা বহুগুণে বৃদ্ধি কৰিছে। অধিকাংশ সংবাদ ছাইটেই এই অভূতপূৰ্ব চাহিদা প্ৰত্যক্ষ কৰিছে। ইণ্টাৰনে'ট ব্যৱহাৰকাৰীয়ে অন্‌লাইনত সকলো ধৰণৰ তথ্য বিচাৰি উখল-মাখল লগাই দিছিল বুলি ক'ব পাৰি। এনেধৰণৰ আচম্বিতে সৃষ্টি হ'ব পৰা চাহিদাৰ মুখামখি হ'ব পৰাকৈ অন্‌লাইন সম্পাদক-সকলক এটা পদ্ধতি গঠন কৰাৰ দিহা দিয়া হৈছিল। এনে পদ্ধতিৰ সহায়ত ভৱিষ্যতৰ অপ্ৰত্যাশিত চাহিদাৰ সন্মুখীন হ'ব পৰাকৈ অন্‌লাইন সেৱাসমূহ সাজু হৈ থাকিব পাৰিব বুলি ভবা হৈছে।

২০০২ চনৰ জুলাই মাহত 'দ্য নিউয়ৰ্ক টাইমছ্'-এ ১৮৫১ চনৰ পৰা বৰ্তমান সময়লৈকে তেওঁলোকৰ সমগ্ৰ তথ্য ডিজিটেল পদ্ধতিৰে সংৰক্ষণ কৰাৰ কাম শেষ কৰিছে। এনেদৰে তথ্য সংৰক্ষণ কৰা এইখনেই হ'ল বিশ্বৰ প্ৰথমখন বাতৰিকাকত। গুগল্ সেৱাই ২০০২ চনত 'গুগল্ নিউজ'ৰ শুভাৰম্ভ কৰে। এই সেৱাৰ জৰিয়তে সমগ্ৰ বিশ্বৰে ৪০০০ সংবাদ ছাইটৰ শিৰোনাম দখল কৰা বাতৰিৰ মুখ্যাংশ পঢ়িবলৈ পোৱা যায়। গুগ্‌ল-এ নিজাকৈ সংবাদ পৰিৱেশন নকৰি অন্য প্ৰধান সংবাদ ছাইটবোৰৰ তথ্য পৰিৱেশন কৰিছিল। এই কথাটোৱে বহু প্ৰকাশকক অসন্তুষ্ট কৰিছিল। তেওঁলোকৰ মতে অন্য ৱেবছাইটৰ বিষয় সূচী ব্যৱহাৰ কৰি গুগলে নিজাকৈ ব্যৱসায় কৰিব খুজিছিল। গুগল্ আত্মৰক্ষা কৰি যুক্তি দাঙি ধৰিছিল যে বিষয়টো দুয়োপক্ষৰ বাবে লাভজনক। এনে কৰাৰ ফলত আগ্ৰহী দৰ্শক-পাঠকে পোনে পোনে প্ৰধান সংবাদ ছাইটটো খুলি চাব।

বহুকেইটা উল্লেখযোগ্য ঘটনাই পৃথিৱীখন জোকাৰি যোৱাৰ পৰিপ্ৰেক্ষিতত সংবাদ ছাইটবোৰৰ জনপ্ৰিয়তাই পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি চৰম পৰ্যায়

পাইছেগৈ। ২০০৩ চনৰ কলম্বিয়া নামৰ মহাকাশযানখন মহাকাশতে ধ্বংস হোৱাৰ বাতৰিটোৱে সংবাদ ছাইটবোৰৰ জনপ্রিয়তা আৰু এখোপ চৰালে। যি সময়ত মানুহে অন্‌লাইনত সংবাদটো পঢ়িবলৈ পাইছিল সেই সময়ত বাতৰিকাকতবোৰে সংবাদটো ছপোৱাৰ যো-জাহে কৰি আছিল। তাৰপাছত ২০০৩ চনৰে মার্চ মাহৰ উপসাগৰীয় বিবাদেও (Gulf Conflict) অন্‌লাইন সংবাদৰ চাহিদা কেইবাগুণো বৃদ্ধি কৰিছিল। বিশেষকৈ চাকৰিয়ালসকলে ঘটনাৰ শেহতীয়া গতি-বিধি জানিবলৈ ৱেবছাইটবোৰত ভিৰ কৰিছিল। নীলছেন/নে'ট ৰেটিংৰ (Nielsen/Net Rating) সমীক্ষা মতে ইৰাক যুদ্ধৰ প্রথম সপ্তাহত নে'টত সংবাদ ছাইট চোৱালোকৰ সংখ্যা ৪০ শতাংশলৈকে বৃদ্ধি পাইছিল।

সেই বছৰতে 'ৱাল ষ্ট্রীট জার্নেল'-এ ইয়াৰ ৱেবছাইটটো নতুন ৰূপত সজাই তুলিবলৈ প্রায় ২৮ মিলিয়ন আমেৰিকান ডলাৰ বিনিয়োগ কৰিছিল। বর্তমান এই ন-ৰূপৰ অন্‌লাইন সংস্কৰণটোৰ গ্রাহকৰ সংখ্যা হ'ল প্রায় ৬২৫,০০০ জন। একেটা বছৰৰে মে' মাহত 'দ্যা টাইমছ'-এ ইয়াৰ প্রথম অন্‌লাইন সংস্কৰণ প্রকাশ কৰে।

যোৱা কেইবছৰমানৰ ভিতৰত অন্‌লাইন বাতৰিকাকতৰ শক্তি বহুগুণে বৃদ্ধি পাইছে। ই এক দৃঢ় ভৱিষ্যতৰ দিশে অগ্রসৰ হৈছে। যদিও অধিকাংশ সংবাদ ছাইটে ব্যৱহাৰকাৰীৰ পৰা কোনো দাম নলয়, সেয়েহে ৱেবছাইটবোৰে প্রধানকৈ বিজ্ঞাপনৰ সংগৃহিত ৰাজহৰ ওপৰতে নির্ভৰ কৰিবলগীয়া হয়। তথাপি সংবাদ ছাইটৰ সংখ্যা ন দিনে বাঢ়ি গৈ আছে। সংবাদ ছাইটৰ এই ক্রমবর্দ্ধমান জনপ্রিয়তাই পৰম্পৰাগত সাংবাদিকতাৰ ওপৰত গভীৰ প্রভাৰ পেলাইছে। পৰৱর্তী শাখাৰ অন্‌লাইন বাতৰিকাকতৰ এই দিশটোৰ ওপৰত আলোকপাত কৰা হ'ব।



## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** অন্‌লাইন বাতৰিকাকত মানে কি?

.....

.....

.....

.....

**প্রশ্ন নং ২ ঃ** অন্‌লাইন বাতৰিকাকতৰ প্রচাৰবোৰ কি কি?

.....

.....

.....

.....

**প্ৰশ্ন নং ৩ ঃ** পৃথিৱীৰ প্ৰথমখন অন্‌লাইন বাতৰিকাকতৰ নাম কি?

.....

**প্ৰশ্ন নং ৪ ঃ** কোন জার্নেলিজম্ স্কুলে বিশ্বৰ প্ৰথমটো সাংবাদিকতাৰ ৱেবছাইট মুকলি কৰিছিল?

.....

**প্ৰশ্ন নং ৫ ঃ** এছ'চিয়েটেড প্ৰেছ (AP)এ এপি ষ্ট্ৰীমিং নিউজ (AP Streaming News) নামৰ ৱেবছাইটটো কেতিয়া শুভাৰম্ভ কৰিছিল?

.....

**প্ৰশ্ন নং ৬ ঃ** গুগল্ নিউজ বুলিলে কি বুজে?

.....

.....

.....

.....

## ৮.৪ পৰম্পৰাগত বাতৰিকাকতৰ ওপৰত অন্‌লাইন বাতৰিকাকতৰ প্ৰভাৱ আৰু সংবাদৰ বিভিন্ন ৱেবছাইট (IMPACT OF ONLINE NEWSPAPERS ON TRADITIONAL NEWSPAPERS AND NEWS WEBSITES)

আগৰ শাখাবোৰৰ পৰা আপোনালোকে এটা কথা নিশ্চয় ভালদৰে বুজিব পাৰিছে যে অন্‌লাইন বাতৰিকাকতবোৰে লাহে লাহে সৰ্বসাধাৰণৰ বাবে সংবাদ আৰু তথ্যৰ এটা প্ৰধান উৎসৰূপে নিজকে বিকশাই তুলিছে। অতীতত সংবাদ আৰু তথ্য আহৰণৰ সবাতোকৈ চিনাকি পন্থাটো আছিল বাতৰিকাকত নাইবা আলোচনী পঢ়া। তাৰপাছত আহিল ৱেডিঅ' আৰু টেলিভিছন। কিন্তু অন্‌লাইন বাতৰিকাকতৰ আত্মপ্ৰকাশৰ লগে লগে তথ্য যোগান আৰু আহৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোলৈ পৰিৱৰ্তন আহিল। ছপা মাধ্যমৰ ওপৰত এই পৰিৱৰ্তনৰ কুপ্ৰভাৱ সবাতোকৈ অধিক পৰিল বুলি ক'ব পৰা যায়। 'লাইভ' সংবাদ বিৱৰণী সম্প্ৰচাৰ আৰু চৌৱিশ ঘণ্টাই অহৰহ সংবাদ পৰিৱেশন কৰি ব্ৰডকাষ্ট প্ৰচাৰ মাধ্যমে আগতেই ছপা মাধ্যমক তীব্ৰ প্ৰত্যাহ্বান জনাইছে। এতিয়া বাতৰিকাকতৰ অন্‌লাইন সংস্কৰণ সুলভ হোৱাৰে পৰা পৰম্পৰাগত সংবাদ প্ৰচাৰ মাধ্যমটোৱে সকলোবোৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ নিজকে সাজু কৰি তুলিবলৈ বহুতো সংস্কাৰ সাধন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

'ডিজিটেল ফিউছাৰ প্ৰ'জেক্ট'-এ চলোৱা এটা সমীক্ষা মতে ২০০৮ চনত ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলে প্ৰতি সপ্তাহতে ৫৩ মিনিটকৈ অন্‌লাইন বাতৰিকাকত পঢ়িছিল। ২০০৭ চনত এই পৰিমাণটো আছিল প্ৰতি সপ্তাহত ৪১ মিনিট। সমীক্ষাটোত আৰু প্ৰকাশ পোৱা মতে

২২% অন্‌লাইন বাতৰি পঢ়ুৱৈয়ে তেওঁলোকৰ নিয়মীয়া অন্‌লাইন বাতৰিকাকত নাইবা আলোচনী ক্ৰয় কৰি পঢ়া বাদ দিছে। কাৰণ বৰ্তমান তেওঁলোকে একেখিনি তথ্যকে ৱেবতো পঢ়িবলৈ পোৱা হৈছে। এইবোৰলৈ লক্ষ্য কৰি ক'ব পাৰি যে অন্‌লাইন বাতৰিকাকতে পৰম্পৰাগত বাতৰিকাকতৰ বজাৰখনৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে।

এতেকে আমি ক'ব পাৰো যে পৰম্পৰাগত ছপা প্ৰচাৰ মাধ্যমৰ ওপৰত অন্‌লাইন বাতৰিকাকতে গুৰুতৰ প্ৰভাৱ পেলাইছে। ই পৰম্পৰাগত বাতৰিকাকতবোৰক কিছুমান কথা নতুন ধৰণে ভাবিবলৈ বাধ্য কৰিছে। বজাৰত বৰ্তি থকাৰ স্বাৰ্থত ছপা কাকতবোৰে ইয়াৰ কাম-কাজত বহুতো পৰিৱৰ্তন সাধিবলৈ বাধ্য হৈছে। বিগত কেইবছৰমানৰ ভিতৰত পৰম্পৰাগত ছপা মাধ্যমে গ্ৰহণ কৰা দুটামান নতুন কাৰ্যপন্থাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- অন্‌লাইন বাতৰিকাকতৰ ক্ৰমৱৰ্ধমান জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি পৰম্পৰাগত প্ৰকাশকসকলেও ৱ'ৰ্ল্ড ৱাইড ৱেবৰ গুৰুত্ব বুজি উঠিছে। সেয়েহে তেওঁলোকে ৱেবছাইট মুকলি কৰাৰ ধাৰণাটো আন্তৰিকতা সহকাৰে গ্ৰহণ কৰিছে। ইয়াৰ সহায়ত তেওঁলোকে ছপা মাধ্যমৰ পৃষ্ঠপোষকতা কৰাৰ কাম আৰম্ভ কৰিছে। আগতেই উল্লেখ কৰা হৈছে যে বৰ্তমান প্ৰায় প্ৰতিখন বাতৰিকাকত আৰু আলোচনীৰে নিজা ৱেবছাইট আছে। প্ৰকাশক-সকলে বুজি পাইছে যে তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক ক্ষেত্ৰখনত বৰ্তি থাকিবলৈ হ'লে নিজ নিজ নিষ্ঠাবান পাঠকৰ বাবে অন্‌লাইন বিকল্পৰ সৃষ্টি কৰাৰ বাহিৰে আন উপায় নাই।
- অন্‌লাইন বাতৰিকাকতবোৰে বাতৰিকাকত এখনৰ কাৰ্য সম্পাদন পদ্ধতিৰ ধাৰণাটো সম্পূৰ্ণ সলনি কৰি পেলাইছে। বাতৰিকাকতৰ সম্পাদকসকলে বুজি উঠিছে যে এতিয়া আৰু কোনো সংবাদেই তেওঁলোকৰ বাবে 'ব্ৰে'কিং নিউজ' হৈ থকা নাই। প্ৰতিটো উল্লেখযোগ্য ঘটনাকে অন্‌লাইন অথবা টিভি সাংবাদিক নাইবা উভয়ে আগতেই প্ৰচাৰ কৰি বাজীমাৎ কৰে। সেয়েহে অধিকাংশ বাতৰি-কাকতে 'ফলো-আপ-ষ্টৰী' (Follow Up Story) অৰ্থাৎ মূল ঘটনা এটাৰ পাছৰ পৰ্যায়ৰ গতি-বিধিৰ ওপৰত মনোযোগ কেন্দ্ৰিত কৰিবলৈ লৈছে। তেওঁলোকে মূল ঘটনাটোও প্ৰকাশ কৰে যদিও তাৰ পৰৱৰ্তী পৰ্যায়ৰ কাৰ্য-কলাপবোৰ সবিস্তাৰে প্ৰকাশ কৰা আৰম্ভ কৰিছে।
- বাতৰিকাকতৰ লেখক আৰু সম্পাদকসকলে আজিকালি নিজৰ বাতৰিবোৰ কেনেদৰে উপস্থাপন কৰা হ'ব সেই সম্পৰ্কে অধিক সাৱধান হৈছে। প্ৰতিটো ঘটনাৰে একোটা শীৰ্ষবিন্দু (Edge) থাকিব লাগিব। কাৰণ একেটা ঘটনাই পাঠকে আজিকালি অন্‌লাইনত পঢ়িবলৈ পায় অথবা টিভিত চাবলৈ পায়। সেয়েহে উপস্থাপন শৈলী যিমানেই আকৰ্ষণীয় হ'ব সিমানেই বাতৰিটোৰ পঢ়ুৱৈৰ সংখ্যা বাঢ়িব।
- বাতৰিকাকতৰ সম্পাদকসকলে আজিকালি সামগ্ৰিকভাৱে বাতৰি এটাৰ ওপৰত জোৰ দিয়াতকৈ গুৰুত্বপূৰ্ণ বিষয়বোৰৰ ওপৰত অধিক আলোকপাত কৰিবলৈ লৈছে। ভাৰতৰ প্ৰতিখন প্ৰধান বাতৰি-কাকতেই আজিকালি এই নীতিটো অৱলম্বন কৰে। তেওঁলোকে সমস্যা এটাৰ ওপৰত আলোকপাত কৰি তাৰ সুবিস্তৃত বিৱৰণী একোটা যুগুত কৰে।

ইয়াৰ বাবে তেওঁলোকে বিশেষজ্ঞ, সৰ্বসাধাৰণ নাইবা সমস্যাটোৰ বলি হোৱা বিভিন্ন লোকৰ সৈতে কথা পাতে। আজিকালি অধিকাংশ ৰাষ্ট্ৰীয় দৈনিক কাকততে কোনো নিৰ্দিষ্ট বিষয় এটাৰ দুই-তিনি পৃষ্ঠা পৰ্যন্ত বিস্তৃত বিশাল প্ৰতিবেদন (Spread-outs) পঢ়িবলৈ পোৱাটো সাধাৰণ কথা হৈ পৰিছে।

- যিহেতু বেছিভাগ বাতৰিকাকতৰে অন্‌লাইন উপস্থিতি আছে, তেওঁলোকে সেই সুবিধাৰ সদ্ব্যৱহাৰ কৰি পাঠকৰ সৈতে মত বিনিময় কৰিবলৈ লৈছে। আগতে বাতৰিকাকত এখনৰ সম্পাদকৰ সৈতে যোগাযোগ কৰাৰ একমাত্ৰ উপায় আছিল ডাকযোগে পত্ৰ প্ৰেৰণ কৰা। সেইটো হ'ল এটা দীঘলীয়া, জটিল প্ৰক্ৰিয়া। কিন্তু আজিকালি ই-মেইল এড্ৰেছৰ (e-mail Address) সহায়ত সম্পাদকৰ সৈতে তৎক্ষণাৎ যোগাযোগ কৰিব পৰা যায়। নতুবা ৱেবছাইটত থকা 'ফিডবেক' (Feedback) শিতানৰ জৰিয়তেও সম্পাদকৰ সৈতে সম্পৰ্ক স্থাপন কৰা হয়। সম্পাদকেও এনে মতামতৰ প্ৰতি সঁহাৰি জনোৱাৰ সম্ভাৱনাও অতি প্ৰবল।
- আজিকালি বাতৰিকাকতত কেৱল বাতৰিয়েই প্ৰকাশ নহয়। পাঠকৰ প্ৰায় প্ৰতিটো প্ৰয়োজনীয়তাকেই বাতৰিকাকতে পূৰণ কৰাৰ চেষ্টা কৰে। 'হাৰ্ড নিউজ' (Hard News) আৰু 'ফিছাৰ' (Feature) কাহিনীবোৰৰ উপৰি আজিকালি বাতৰিকাকতত মানৱীয় সম্পৰ্ক, মনো�ৰঞ্জনমূলক, আহাৰ, ভ্ৰমণ, কিতাপ, কথাছবি বিষয়ক নানান লেখনি প্ৰকাশ কৰা হয়। বাতৰিকাকতবোৰত প্ৰতিদিনেই বিভিন্ন পৰিপূৰক পৃষ্ঠা থাকে। সেইবোৰত সকলো বয়সৰে পাঠকৰ ৰুচি অুসৰি লেখনি প্ৰকাশ কৰা হয়।
- ইণ্টাৰনে'ট ব্যৱহাৰৰ পৰিমাণ বৃদ্ধি পোৱা বাবে অধিকাংশ বাতৰিকাকতৰ লেখকেই আজিকালি আগতকৈ অধিক কাৰিকৰীভাৱে দক্ষ হোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। তেওঁলোকে কম্পিউটাৰ, ছফ্‌টৱে'ৰ আৰু ৱ'ৰ্ল্ড ৱাইড ৱেব-ৰ ব্যৱহাৰ জানিব লাগে।
- বাতৰিকাকতৰ সাংবাদিকসকলে নিজৰ কাহিনী অন্‌লাইন সংস্কৰণৰ বাবে কেনেকৈ লিখিব লাগে সেয়া জানিব লাগে। অন্‌লাইনৰ বাবে লেখনি লিখাৰ পদ্ধতি পৰম্পৰাগত সংবাদ প্ৰতিবেদন লিখাতকৈ কিছু পৃথক। সেয়েহে দুয়োটা মাধ্যমৰ বাবে লিখা লেখকসকলৰ এই অতিৰিক্ত দক্ষতাটো থকা উচিত।
- এখন বাতৰিকাকতৰ বাবে যিবোৰ তথ্য 'প্ৰাইম' (Prime) অথবা প্ৰধান বুলি বিবেচিত নহয়, সেইবোৰো ইণ্টাৰনে'ট সংস্কৰণত যোগ দিব পাৰে। কাৰোবাৰ যদি আগ্ৰহ ওপজে তেন্তে তেনে বাতৰিবোৰো পঢ়ি চাব পাৰে।
- আমি ইতিপূৰ্বে আলোচনা কৰিছো যে অন্‌লাইন সাংবাদিকতা নামৰ এই নতুন পৰিঘটনাটো আমাৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। সকলো বাতৰিকাকত, টিভি আৰু ৰেডিঅ' সংবাদ চেনেলৰে আজিকালি নিজা ইণ্টাৰনে'ট সংস্কৰণ থকাটো জৰুৰী হৈ পৰিছে। তেতিয়াহে তেওঁলোকে অধিক পঢ়ুৱৈ/শ্ৰোতা/দৰ্শক লাভ কৰিব আৰু আগতকৈ অধিক সংখ্যক ৰাইজৰ কাষ চাপিব পাৰিব।

এই সময়ছোৱা হ'ল বাতৰিকাকতৰ বাবে সংকট কাল। ইণ্টাৰনে'টকেই কম-বেছি পৰিমাণে ইয়াৰ বাবে জগৰীয়া কৰিব পৰা যায়। যদিও এই সংকটৰ পৰা পৰিত্রাণ পাবলৈ প্রকাশকসকল ইণ্টাৰনে'টৰ শৰণাপন্ন হৈছে, তথাপিও কিমানদিনলৈ বাতৰিকাকতৰ অন্‌লাইন সংস্কৰণ এটাই ছপা সংস্কৰণটোক সহায় কৰিব পাৰিব সেয়া কোনেও ক'ব নোৱাৰে। কিন্তু বিদ্বান সমাজৰ অধিকাংশই ক'ব খোজে যে বাতৰিকাকতবোৰে দৃঢ় প্রত্যয়েৰে ইণ্টাৰনে'টমুখী হোৱাৰ প্রয়োজন আহি পৰিছে। ইয়াৰ বাবে নতুন ব্যৱসায় আৰ্হিও গঢ়ি তোলা উচিত। এই আৰ্হি পদ্ধতিটোত ছপা আৰু অন্‌লাইন দুয়োটা প্রণালীৰে আদৰি ল'ব পৰা দিশবোৰৰ সমন্বয় ঘটিব। এনে আৰ্হি পদ্ধতি এটা গঢ়ি তোলাটোৱেই হ'ল বর্তমান সময়ৰ দাবী। আসন্ন দিনবোৰত দুয়োটা প্রণালীৰে ন্যায়সংগত সহ-অৱস্থানৰ অতীব প্রয়োজন হ'ব।

**সংবাদৰ বিভিন্ন ৱেবছাইট (News Websites) ঃ** ৱেবছাইট, যাক ৱেবছাইট বা কেবল ছাইট হিচাপেও লিখা হয়— ই হৈছে পাৰস্পৰিক সম্বন্ধযুক্ত ৱেব পৃষ্ঠা (Webpage)ৰ এটা গোট যাক এটা নির্দিষ্ট ৱেব ড'মেইন (Web Domain) অর্থাৎ ৱেব বিশেষৰ কর্তৃত্বযুক্ত অঞ্চল (Virtual Space)ৰ পৰা আহৰণ কৰা হয়। ৱেবছাইটসমূহৰ কার্য ভিন্ন আৰু তাক বিভিন্নভাবে ব্যৱহাৰ কৰিব পাৰি; ৱেবছাইট কেতিয়াবা ব্যক্তিগত ৱেবছাইট, কেতিয়াবা বাণিজ্যিক, কেতিয়াবা চৰকাৰী বা কেতিয়াবা এন জি অ'ৰ ৱেবছাইট। ৱেবছাইটৰ সৃষ্টিত কেতিয়াবা ব্যক্তিবিশেষৰ প্রচেষ্টা থাকে, কেতিয়াবা ব্যৱসায়িক বা অন্যান্য গোষ্ঠী আৰু এইবোৰ কিবা বিশেষ বিষয় বা উদ্দেশ্যৰ নামত সমর্পিত। নিউজ ৱেবছাইট হৈছে সেইবিলাক ৱেবছাইট য'ত কোনো বিশেষ চেনেল আৰু বাতৰিকাকতত প্রকাশিত সংবাদসমূহৰ অনলাইন সংস্কৰণ পাব পাৰি। তথ্য আৰু সংযোগ প্রযুক্তিৰ বিকাশে বিভিন্ন কামত ইণ্টাৰনেটৰ ব্যৱহাৰ প্রসাৰিত কৰিছে। পৃথিৱীৰ প্রায় তিনি হাজাৰ নিযুত লোক, অর্থাৎ পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৪০%ই ইণ্টাৰনেট ব্যৱহাৰ কৰে। ২০১৪ চনৰ International Telecommunication Union (ITU)ৰ মতে গোলকীয়ভাবে ৪০% লোকে ইণ্টাৰনেট ব্যৱহাৰ কৰে, তাৰ ভিতৰত ৭৮% লোকে উন্নত দেশসমূহত আৰু ৩২% লোকে উন্নয়নশীল দেশত ইণ্টাৰনেটৰ ব্যৱহাৰ কৰে। ২০১৪ চনৰ ১ জুলাইত Internet LiVe Stats (www. internetlivestats.com)এ কৰা হিচাপমতে ইণ্টাৰনেটৰ ব্যৱহাৰৰ ক্ষেত্রত পৃথিৱীৰ ভিতৰত ভাৰতৰ স্থান তৃতীয় আৰু গোটেই পৃথিৱীৰ ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ ভিতৰত ভাৰতৰ ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ যোগদান ৮.৩৩%। ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলৰ সংখ্যা বৃদ্ধিৰ লগে লগে অন্‌লাইন বাতৰিকাকত আৰু ৱেবছাইটসমূহৰ সংখ্যাও বৃদ্ধি পাইছে। সাধাৰণতে মানুহে বাতৰিকাকত বিশেষৰ হার্ডকপি অর্থাৎ মূল বাতৰিকাকতখন লোৱাতকৈ তাৰ ৱেবছাইটটোত ল'গ ইন্‌ (Log in) কৰিবলৈ বেছি সুবিধা পায়। একেটা নিউজ ৱেবছাইটত ল'গ ইন্‌ কৰি কোনোবাই যিকোনো অন্য নিউজ ৱেবছাইট খুলি চাব পাৰে। ৱেবছাইটে সংবাদৰ লগতে অন্যান্য সম্বন্ধযুক্ত ভিডিঅ', খেলা-ধূলা আৰু মনোৰঞ্জনৰ ৱেবছাইটৰ লগত আমাক পৰিচিত কৰায়। গতিকে সচৰাচৰ ৱেবছাইট হৈছে বিভিন্ন নিউজ ষ্ট'ৰিৰ সংমিশ্রণ য'ত দর্শকসকলৰ সুবিধাৰ বাবে লাইভ আপডে'ট (Live Update)ৰ যোগান ধৰা হয়।

গতিকে অন্‌লাইন বাতৰিকাকত আৰু নিউজ ৱেবছাইটসমূহেমানুহৰ পৰিবেশিত সংবাদৰ প্রতি যি দৃষ্টিভংগী, তাক বাৰুকৈ প্রভাৱিত কৰে।



### জানি থোৱা ভাল

**ব্লগ (BLOG) ঃ** 'ব্লগ' হ'ল 'ৱেবলগ'ৰ (Weblog) সংক্ষিপ্ত ৰূপ। কোনো ব্যক্তিৰ বিষয়ে নিৰবচ্ছিন্নভাৱে প্রচাৰ হৈ থকা তথ্যৰ ধাৰাবাহিক বিৱৰণৰ খতিয়ান ৰখা 'ৱেবছাইট'ৰ কথা বুজাবলৈ 'ব্লগ' শব্দটো ব্যৱহাৰ কৰা হয়। ব্লগত তথ্যবোৰক সঘনাই শেহতীয়া ৰূপ দিয়া হয়। ব্লগত লেখকৰ দৃষ্টি আকর্ণণ কৰা যিকোনো বিষয় অথবা দৈনন্দন জীৱনৰ কার্যকলাপৰ শেহতীয়া তথ্য সন্নিৱিষ্ট কৰা হয়। ব্লগবোৰ দৰাচলতে কোনো এজন ব্যক্তি অথবা ব্যক্তিৰ গোট এটাৰ ব্যক্তিগত দিনপঞ্জী বুলি ক'ব পৰা যায়। তেওঁলোকে বিভিন্ন বিষয়ৰ সন্দর্ভত নিজৰ মতামত প্রকাশ কৰাৰ ইচ্ছা পুহি ৰাখে। এটা ব্লগত লিখিত বার্তা, ছবি, ভিডিঅ' আৰু অন্য ছাইটৰ সৈতে লিংক স্থাপন কৰা থাকে।

ব্লগবোৰ ব্যক্তিগত দিনপঞ্জীৰ দৰে। কিন্তু সাধাৰণ দিনপঞ্জী লিখোতাৰ দৰে ব্লগৰ দিনপঞ্জী লিখোতাই কথাবোৰ নিজৰ মাজতে সীমাবদ্ধ কৰি নথয়। তেওঁলোকে নিজৰ মনৰ ভাৱ আনকো জনাৰ সুযোগ দিয়ে। আজিকালি বহুতো ব্যক্তিয়ে 'ব্লগিং' কৰা আৰম্ভ কৰিছে। ব্লগবোৰ ব্যক্তিবিশেষৰ মতামত গম পোৱাৰ সহজ পন্থাত পৰিণত হৈছে। কেতিয়াবা বহল প্রেক্ষাপটত এনে বহুতো ব্যক্তিগত মতামত সঠিক নহ'বও পাৰে। কিন্তু মানুহক নিজৰ নিজৰ ব্লগত লিখাৰ পৰা কোনেও বিৰত কৰিব নোৱাৰে। তথাপিও ব্লগ লিখকৰ বিৰুদ্ধে বিভিন্ন মামলা-মোকর্দমা ইতিমধ্যে ৰুজু কৰা হৈছে।

আজিকালি ভাৰতৰ বেছিভাগ আকর্ষণৰ কেন্দ্রবিন্দু হৈ পৰা ব্যক্তিয়েই ব্যক্তিগত ব্লগত লিখা-মেলা কৰে। অমিতাভ বচ্চন আৰু আমিৰ খান এনে দুটা উদাহৰণ। তেওঁলোকৰ ব্লগ দুটা অতি জনপ্রিয়। ব্লগ দুটাই বহু পাঠকৰ দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছে।

ইয়াৰ সবাতোকৈ ডাঙৰ সুবিধাটো হ'ল যিকোনো আগ্রহী ব্যক্তিয়ে একেটা ব্লগ আৰম্ভ কৰিব পাৰে তথা বিশ্বমঞ্চত নিজৰ দৃষ্টিভংগী আৰু ধ্যান-ধাৰণা প্রচাৰ কৰিব পাৰে।



## ৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অন্‌লাইন বাতৰিকাকত মানে হ'ল কেৱল ৱর্ল্ড ৱাইড ৱেবত উপস্থিতি থকা বাতৰিকাকত।
- অন্‌লাইন বাতৰিকাকত সাধাৰণতে তিনি প্রকাৰৰ।

- ছপা সংস্কৰণত বাতৰিবোৰক ৱেবছাইট সংস্কৰণটোত তুলি দিয়াটোও অন্‌লাইন বাতৰি-কাকতৰ এটা প্ৰকাৰ। উদাহৰণ— দ্য আছাম ট্ৰিবিউন।
- কিছুমান বাতৰিকাকত প্ৰকাশনৰ দুটাকৈ অন্‌লাইন সংস্কৰণ থাকে। এবিধ হ'ল ই-পেপাৰ। ই হ'ল ছপা দৈনিক কাকতখনৰ হুবহু প্ৰতিলিপি। আনটো হ'ল আনুষ্ঠানিক ৱেবছাইট। ইয়াত চৌব্বিশ ঘণ্টাই শেহতীয়া সংবাদ আৰু তথ্য আপলোড কৰি থকা হয়। অধিকাংশ আগশাৰীৰ বাতৰিকাকতৰে দুয়োটা অন্‌লাইন সংস্কৰণ থাকে। উদাহৰণ— টাইমছ্‌ অফ ইণ্ডিয়া, হিন্দুস্তান টাইমছ্‌।
- অন্‌লাইন বাতৰিকাকতৰ ধাৰণাটো আপেক্ষিকভাৱে এটা নতুন ধাৰণা। বিশ্বৰ প্ৰথমখন অন্‌লাইন বাতৰিকাকত হ'ল কলম্বাছ ডিছপ্যাট্‌ছ্‌। কাকতখনৰ প্ৰথমটো অন্‌লাইন সংস্কৰণ প্ৰকাশ হৈছিল ১৯৮০ চনৰ ১ জুলাইত।
- দহখন বাতৰি-কাকতে কলম্বাছ ডিছপ্যাট্‌ছৰ পথ অনুসৰণ কৰিছিল। 'কম্পুছাৰ্ভ ইনফৰমেশ্যেন ছাৰ্ভিছ'ৰ সহযোগত এই বাতৰিকাকতকেইখনে অন্‌লাইন সংস্কৰণে প্ৰকাশৰ মুখ দেখিছিল।
- যদিও অন্‌লাইন সংস্কৰণ প্ৰকাশ কৰাৰ প্ৰক্ৰিয়াটো ১৯৮০ৰ দশকতে আৰম্ভ হৈছিল, তথাপিও ৯০ৰ দশকৰ পৰাহে এই ধাৰণাটোৱে গতি লাভ কৰিছিল।
- ৯০ৰ দশকৰ বহুকেইখন বাতৰিকাকতে অন্‌লাইন সংস্কৰণ প্ৰকাশ কৰিছিল। ২১ শতিকা ওচৰ চাপি অহাৰ লগে লগে সৰু-বৰ নানা অনুষ্ঠান-প্ৰতিষ্ঠানে নিজা নিজা ৱেব পে'জ সৃষ্টি আৰু আপলোড কৰা কামত ব্যস্ত হৈ পৰিছিল। এই কামত বাতৰিকাকত প্ৰকাশকসকলো পিছ পৰি থকা নাছিল।
- কিন্তু একবিংশ শতিকা আৰম্ভ হোৱাৰ আগমুহূর্তত কম্পিউটাৰ প্ৰণালী বিকল হৈ যোৱাৰ আশংকাই দেখা দিলে। প্ৰত্যেকেই ভাবিছিল নতুন শতিকাটোত সমগ্ৰ পৃথিৱীৰ কম্পিউটাৰ প্ৰণালী বিধ্বস্ত হৈ পৰিব। কিন্তু তেনেধৰণৰ একো ঘটনা নঘটিল।
- অন্‌লাইন বাগ-এ (Online Bug) বহুতে প্ৰকাশনক ক্ষতিগ্ৰস্ত কৰিছে। তাৰ লগতে সংবাদ ৱেবছাইটবোৰ ৱেব জগতৰ সবাতোকৈ জনপ্ৰিয় ছাইটত পৰিণত হৈছে। ইয়াৰ জনপ্ৰিয়তাই পৰম্পৰাগত বাতৰিকাকতবোৰৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।
- বাতৰিকাকত প্ৰকাশকসকলে বুজি পাইছে যে অন্‌লাইন ধাৰণাটোৰ সৈতে ফেৰ মাৰিবলৈ যোৱাটো মূর্খামিৰ নামান্তৰ। তাৰ পৰিৱৰ্তে তেওঁলোকেও নিজৰ নিজৰ মৃত্যুমুখী ছপা সংস্কৰণবোৰ পুনৰুজ্জীৱিত কৰি তুলিবলৈ এই ধাৰণাটোৰ শৰণাপন্ন হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। বাতৰিকাকতবোৰে লাহে লাহে নিজৰ অন্‌লাইন সংস্কৰণ প্ৰকাশ কৰিবলৈ ল'লে। নিজ উদ্দেশ্য সফল কৰিবলৈ তেওঁলোকে ইণ্টাৰনেট'ৰ প্ৰভাৱ আৰু জনপ্ৰিয়তাক নিজা স্বাৰ্থত প্ৰয়োগ কৰাৰ চেষ্টা কৰিছে।
- বেছিভাগ পৰম্পৰাগত বাতৰিকাকতেই অন্‌লাইন সংস্কৰণ প্ৰকাশ কৰিবলৈ লোৱাৰ ফলত তেওঁলোকৰ ছপা সংস্কৰণৰ কাম-কাজত প্ৰভাৱ পৰিছে। অন্‌লাইন সংস্কৰণৰ

জনপ্রিয়তা বর্তাই ৰাখিবলৈ পৰম্পৰাগত বাতৰিকাকতবোৰে নিজৰ নিষ্ঠাৱান পাঠকক ধৰি ৰখাৰ লগতে নতুন পাঠকক আকর্ষিত কৰিবলৈ ন-ন উপায় অৱলম্বন কৰিবলগীয়া হৈছে।

- বাতৰিকাকত সম্পাদকসকলে বুজি পাইছে যে তেওঁলোকে এতিয়া আৰু কোনো সংবাদেই সকলোতকৈ আগতে পৰিৱেশন কৰাৰ গৌৰৱ অর্জন কৰিব নোৱাৰে। তেওঁলোকৰ অন্‌লাইন প্রতিদ্বন্দ্বীসকলে ঘটনা এটা যেতিয়াই যিধৰণে ঘটে তেতিয়াই তেনে ধৰণেই তাক আপলোড কৰাৰ সুবিধা পায়। সেয়েহে বাতৰিকাকতবোৰে আজিকালি গুৰুত্বপূর্ণ ঘটনাবোৰৰ পৰৱর্তী পর্যায়ৰ গতি-বিধিবোৰৰ (Follow Up Stories) ওপৰত অধিক গুৰুত্ব দিবলৈ লৈছে। এনে ঘটনাবোৰ অতি বিস্তৃত আৰু সু-গৱেষণালব্ধ ৰূপত প্রকাশ কৰা হয়। এনে প্রতিবেদনবোৰে সংবাদৰ উপৰিভাগ অতিক্রম কৰি অভ্যন্তৰৰ পৰা অধিক তথ্য বাহিৰ উলিয়াই আনে।
- বাতৰি একোটাৰ উপস্থাপন শৈলীৰ গুৰুত্বও অপৰিসীম। যিহেতু অধিকাংশ সংবাদ ইতিমধ্যে সদৰি কৰা হৈ গৈছে সেয়েহে ঘটনাটোৰ এটা নতুন দিশ উন্মোচন কৰিবলৈ সম্পাদকসকলে প্রচেষ্টা কৰিব লাগে।
- বাতৰিকাকতবোৰে আজিকালি কোনো এটা বিশেষ বিষয়ৰ ওপৰত মনোযোগ কেন্দ্রিত কৰে। তাৰ সৈতে বিশেষজ্ঞৰ মতামত, পৃষ্ঠভূমিৰ তথ্য, অতীতৰ আনুষংগিক ঘটনা আদি সংযোগ কৰি বাতৰি এটাক 'টোটেল্‌ পেকেজ ষ্টৰী'ৰ (Total Package Story) ৰূপ দিয়াৰ প্রয়াস কৰে। তেওঁলোকে এটা সু-পৰিকল্পিত সামগ্রিক ৰচনামূলক কাহিনীৰ ওপৰত গুৰুত্ব দিয়ে যাতে পাঠকে ঘটনাটো সন্দর্ভত কিবা হ'লেও নতুন কথা অলপ পঢ়িবলৈ পায়।
- অন্‌লাইন সংস্কৰণে পাঠকক ছপা সংস্কৰণৰ সম্পাদকমণ্ডলীৰ সৈতে ভাৱৰ আদান-প্রদান কৰাৰ সুবিধা আগবঢ়ায়।
- বাতৰিকাকতৰ লেখকসকলৰ কম্পিউটাৰ চলোৱাৰ দক্ষতা আৰু ৱেবৰ বাবে লিখাৰ প্রাথমিক কৌশল সম্পর্কে জ্ঞান থকা উচিত।
- অন্‌লাইন লেখনিৰ বাবে লেখকৰ এক অনন্য দক্ষতা থকা উচিত। এই ক্ষেত্রখনত প্রৱেশ কৰিব খোজা সকলোৱে সেই দক্ষতা আয়ত্ব কৰি ল'ব লাগে।
- কীৱর্ড, হাইপাৰলিংক, সঠিক শিৰোনাম আদি হ'ল ৱেবৰ বাবে লিখাৰ সময়ত মনোযোগ দিবলগীয়া দুটামান বিষয়।
- অন্‌লাইন লেখনিৰ একেবাৰে শেহতীয়া ৰূপটো হ'ল 'ব্লগিং'। সাধাৰণ লোক, জনপ্রিয় ব্যক্তিত্ব তথা সাংবাদিকসকলেও নিজ নিজ ৱেবছাইটত ব্লগ লিখাৰ প্রতি আসক্ত হৈ পৰিছে।
- ব্লগিং-এ ব্যক্তিক মনৰ ভাৱ মুকলিকৈ প্রকাশ কৰাৰ সুযোগ দিয়ে।



## ৮.৬ অধিক জানিবলৈ

*ইংৰাজী গ্ৰন্থ ঃ*


1) Bhatia, Arun (2005), *Impact of Internet on Journalism,* Akansha Publishing House, New Delhi.
2) Chakraborty, Jagadesh.Net, *Media and Mass Communication,* Authors Press, New Delhi.
3) Ganesh, T. K. (2006), *Digital Media, Building the Global*, Audience. Gnosis Publishers, New Delhi.




## ৮.৭ অগ্ৰগতিৰ খতিয়ান

**১নং প্ৰশ্নৰ উত্তৰ ঃ** অন্‌লাইন বাতৰিকাকত মানে হ'ল কেৱল ৱ'ৰ্ল্ড ৱাইড ৱেবত উপস্থিতি থকা বাতৰিকাকত। ই কোনো এখন পৰম্পৰাগত ছপা বাতৰিকাকতৰ হুবহু প্ৰতিলিপিও হ'ব পাৰে নাইবা এটা সুকীয়া সংস্কৰণো হ'ব পাৰে।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** অন্‌লাইন বাতৰিকাকতৰ প্ৰকাৰ তিনিটা—

ক) ৱ'ৰ্ল্ড ৱাইড ৱেবত দ্বিঅস্তিত্ব থকা অন্‌লাইন বাতৰিকাকত।

খ) ৱ'ৰ্ল্ড ৱাইড ৱেবত একক অস্তিত্ব থকা অন্‌লাইন বাতৰিকাকত আৰু

গ) কেৱল অন্‌লাইনত প্ৰকাশিত বাতৰিকাকত।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** কলম্বাছ ডিছপ্যাইছ্‌ (অ'হিও)

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ফ্লৰিডা বিশ্ববিদ্যালয় জার্নেলিজম্‌ স্কুলে।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** ২০০০।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** ২০০০ চনত গুগল্‌য়ে শুভাৰম্ভ কৰা গুগল্‌ নিউজ হ'ল এটা সেৱা যাৰ জৰিয়তে সমগ্ৰ বিশ্বৰে ৪০০০ সংবাদ ছাইটৰ শিৰোনাম দখল কৰা বাতৰিৰ মুখ্যাংশ পঢ়িবলৈ পোৱা যায়।



## ৮.৮ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন ঃ**

**প্ৰশ্ন ১ ঃ** এনে দুখন বাতৰিকাকতৰ নাম উল্লেখ কৰক যাৰ ৱেবত দ্বৈত উপস্থিতি আছে।

**প্ৰশ্ন ২ ঃ** এনে দুটা নিউজ ৱেবছাইটৰ নাম উল্লেখ কৰক যিকোনো ধৰণৰ ছপা মাধ্যমৰ শাখাৰূপে অন্তৰ্ভুক্ত নহয়।

**খ) চুটি প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** পৰম্পৰাগত ৰিপ'র্টিঙৰ পৰা অন্‌লাইন লেখা কি কি ক্ষেত্রত ভিন্ন বা পৃথক?

**প্রশ্ন ২ ঃ** কি কাৰণে কি ৰ'র্ডছ (Key Words) অন্‌লাইন লেখাৰ গুৰুত্বপূর্ণ উপাদান?

**প্রশ্ন ৩ ঃ** সম্পাদকগৰাকীৰ লগত সংযোগৰ মাধ্যম হিচাপে অন্‌লাইন বাতৰিকাকতক ব্যৱহাৰ কৰিব পাৰিনে?

**গ) ৰচনাধর্মী প্রশ্ন** (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** কি কাৰণে অন্‌লাইন বাতৰিকাকত ইমান জনপ্রিয় হৈ পৰিছে? বিস্তৃতভাৱে আলোচনা কৰক।

**প্রশ্ন ২ ঃ** পৰম্পৰাগত বাতৰিকাকতক অন্‌লাইন বাতৰিকাকতে কিদৰে প্রভাৱিত কৰিছে আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** আজিৰ বাতৰিকাকতে বিভিন্ন কাৰণত সিবিলাকৰ অন্‌লাইন সংস্কৰণসমূহত নির্ভৰশীল— আলোচনা কৰক।

*** ***** ***